UG PS S4-01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এচ., এন. ই. পি. ২০২০ অনুসৰি)

চতুৰ্থ ষাণ্মাসিক

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা
(দ্বিতীয় ভাগ)

ৰাজনীতি বিজ্ঞান



সূর্য্য কুমাৰ ভূঞা সমাজ বিজ্ঞান সত্ৰ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক ধ্রুৱপ্রতীম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তনু চক্রৱর্ত্তী, কটন বিশ্ববিদ্যালয় (অৱসৰপ্রাপ্ত)

সমন্বয়ৰক্ষীঃ অধ্যাপক বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	লেখক/লেখিকা	ভাষান্তৰকাৰী
১,৫,৬ আৰু ১২	বিকাশ চন্দ্র দাস চিনামৰা মহাবিদ্যালয়, যোৰহাট	ড° প্রভাত ভূঞা, গুৱাহাটী
২	ড° পংকজ কুমাৰ শর্মা কুমাৰ ভাস্কৰ বার্মা সংস্কৃত আৰু পূৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰী	ড° প্রভাত ভূঞা, গুৱাহাটী
৩,৪আৰু ৭	ড° প্লাবিতা বৰদলৈ, চিনামৰা মহাবিদ্যালয়, যোৰহাট	ড° প্রভাত ভূঞা, গুৱাহাটী
৮,৯,১০,	ড° নৱনীতা মেধি জে. বি. আইন মহাবিদ্যালয়, গুৱাহাটী	ড° অভিজিৎ ভূঞা, গুৱাহাটী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, ৰুণু ফুকন, গুৱাহাটী আৰু ড°প্রভাত ভূঞা, গুৱাহাটী
১১	ড° চন্দন ঠাকুৰীয়া হৰি-গায়ত্রী দেৱী মহাবিদ্যালয়, গুৱাহাটী	ড° চন্দন ঠাকুৰীয়া হৰি-গায়ত্রী দেৱী মহাবিদ্যালয়, গুৱাহাটী
১৩	ড°জাহ্নবী দেৱী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড°জাহ্নবী দেৱী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১৪	ঊর্মিমালা সেনগুপ্তা প্রাক্তন গৱেষণা সহযোগী অ' কে ডি আই এচ চি ডি, গুৱাহাটী	ৰুণু ফুকন,গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° শান্তনু চক্রৱর্ত্তী, কটন বিশ্ববিদ্যালয় (অৱসৰপ্রাপ্ত)

ভাষা সম্পাদনা ঃ অধ্যাপক বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ অধ্যাপক বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

এপ্রিল, ২০২৫

ISBN NO. : **"978-93-89123-00-5"**

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰদ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্ৰন্থস্বত্ব জাননীৰদ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৰিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰদ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২

Web : www.kkhsou.ac.in

স্নাতক কলা
ৰাজনীতি বিজ্ঞান
বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ভাৰতৰ ৰাষ্ট্রপতি ৯-২২

অৰ্হতা, নিৰ্বাচন প্রক্রিয়া, কাৰ্যকাল, পদৰ পৰা আঁতৰোৱাৰ প্রক্রিয়া, ক্ষমতা আৰু কাৰ্যাৱলী, ভাৰতৰ ৰাষ্ট্রপতিৰ স্থিতি

অধ্যায় ২ ঃ ভাৰতৰ উপ-ৰাষ্ট্রপতি ২৩-৩৪

অৰ্হতা, নিৰ্বাচন প্রক্রিয়া, কাৰ্যকাল, পদৰ পৰা আঁতৰোৱাৰ প্রক্রিয়া, ক্ষমতা আৰু কাৰ্যাৱলী, ভাৰতৰ উপ-ৰাষ্ট্রপতিৰ স্থিতি

অধ্যায় ৩ ঃ প্রধান মন্ত্রী আৰু কেন্দ্রীয় মন্ত্রী পৰিষদ ৩৫-৪৬

প্রধান মন্ত্রীৰ ক্ষমতা আৰু কাৰ্যাৱলী; ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীৰ সম্বন্ধ; কেন্দ্রীয় মন্ত্রী পৰিষদৰ সংৰচনা, ক্ষমতা আৰু কাৰ্যাৱলী

অধ্যায় ৪ ঃ ভাৰতীয় সংসদ ৪৭-৬২

সংৰচনা, ভাৰতীয় সংসদৰ ক্ষমতা আৰু কাৰ্যাৱলী; ভাৰতীয় সংসদৰ দুয়োখন সদনৰ মাজৰ সম্বন্ধ; লোকসভাৰ অধ্যক্ষৰ কাৰ্যালয়, তেওঁৰ ক্ষমতা আৰু কাৰ্যাৱলী, অধ্যক্ষৰ স্থিতি

অধ্যায় ৫ ঃ ভাৰতীয় সংসদৰ বিধায়িনী প্রক্রিয়া ৬৩-৭৪

ভাৰতীয় সংসদত বিধায়ক গৃহীত হোৱাৰ পৰ্যায়সমূহ; ভাৰতীয় সংসদত উত্থাপিত বিত্ত বিধেয়ক

অধ্যায় ৬ ঃ ৰাজ্যপাল ৭৫-৮৬

অৰ্হতা, ক্ষমতা আৰু কাৰ্যাৱলী, ৰাজ্যপালৰ স্থিতি

অধ্যায় ৭ ঃ মুখ্যমন্ত্রী আৰু ৰাজ্যিক মন্ত্রী পৰিষদ ৮৭-৯৯

মুখ্যমন্ত্রীৰ ক্ষমতা আৰু কাৰ্যাৱলী; ৰাজ্যিক মন্ত্রী পৰিষদৰ সংৰচনা, ক্ষমতা আৰু কাৰ্যাৱলী

অধ্যায় ৮ ঃ ৰাজ্যিক বিধান মণ্ডল ১০০-১০৭

বিধান সভাঃ সংৰচনা, ক্ষমতা আৰু কার্যাৱলী; বিধান পৰিষদঃ সংৰচনা, ক্ষমতা আৰু কার্যাৱলী

অধ্যায় ৯ ঃ ভাৰতীয় ন্যায়পালিকা ১০৮-১১৯

ভাৰতীয় উচ্চতম ন্যায়ালয়ৰ সংৰচনা; ন্যায়াধীশসকলৰ কার্যকাল আৰু পদৰপৰা আঁতৰোৱাৰ প্রক্রিয়া; উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু কার্যাৱলী; সংবিধানৰ অভিভাৱক আৰু ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক হিচাপে উচ্চতম ন্যায়ালয়; উচ্চ ন্যায়ালয়ৰ সংৰচনা; ন্যায়াধীশসকলৰ কার্যকাল আৰু পদৰ পৰা আঁতৰোৱাৰ প্রক্রিয়া, উচ্চ ন্যায়ালয়ৰ ক্ষমতা আৰু কার্যাৱলী; নিম্ন আদালতসমূহ; ভাৰতত ন্যায়পালিকাৰ স্বতন্ত্রতা নিশ্চিতকাৰী ব্যৱস্থাসমূহ

অধ্যায় ১০ ঃ ন্যায়িক পুনৰীক্ষণ আৰু ন্যায়িক সক্রিয়তা ১২০-১২৮

ন্যায়িক পুনৰীক্ষণৰ অর্থ, ভাৰতত ন্যায়িক পুনৰীক্ষণ; ন্যায়িক সক্রিয়তাৰ অর্থ, ভাৰতত ন্যায়িক সক্রিয়তা

অধ্যায় ১১ ঃ ভাৰতত স্থানীয় স্বায়ত্ব শাসন ১২৯-১৪৬

ভাৰতত স্থানীয় চৰকাৰৰ বিকাশ, সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনী, অসমত স্থানীয় স্বায়ত্ব শাসন

অধ্যায় ১২ ঃ নির্বাচন আয়োগ; নির্বাচনী সংস্কাৰ ১৪৭-১৬০

নির্বাচন আয়োগৰ সংৰচনা, ক্ষমতা আৰু কার্যাৱলী; ভাৰতত হোৱা নির্বাচনী সংস্কাৰসমূহ

অধ্যায় ১৩ ঃ ভাৰতত আঞ্চলিকতাবাদ ১৬১-১৭০

আঞ্চলিকতাবাদৰ অর্থ, ভাৰতত প্রচলিত বিভিন্ন ৰূপৰ আঞ্চলিকতাবাদ, ভাৰতত আঞ্চলিকতাবাদৰ বিকাশৰ আঁৰৰ কাৰণবোৰ

অধ্যায় ১৪ ঃ ভাৰতত জাতিবাদ আৰু সাম্প্রদায়িকতাবাদ ১৭১-১৮০

জাতি, ধর্ম আৰু ধর্মৰ ৰাজনীতিকৰণ প্রক্রিয়া; ভাৰতত সাম্প্রদায়িকতাবাদৰ সমস্যা

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ এই পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা (দ্বিতীয় ভাগ)'। শিক্ষার্থীসকলক ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোৰ বিভিন্ন মাত্রা সম্পর্কে গভীৰভাৱে বুজাত সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো প্রস্তুত কৰা হৈছে। ৰাজনীতি বিজ্ঞান বিষয়ৰ স্নাতক মহলাৰ এগৰাকী শিক্ষার্থী যিখন দেশৰ নাগৰিক সেই দেশখনত প্রচলিত ৰাজনৈতিক ব্যৱস্থাটোৰ বিভিন্ন দিশ সম্পর্কে তেওঁ স্পষ্ট জ্ঞানৰ অধিকাৰী হোৱা উচিত বুলি ভবা হয়। এই কথাটোৰ প্রতি লক্ষ্য ৰাখি পাঠ্যবিষয়টো ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ গাঁথনি আৰু প্রক্রিয়াবোৰৰ আলোচনাৰে আৰম্ভ কৰা হৈছে।

পাঠ্যবিষয়ৰ প্রথম অধ্যায়টিত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ সাংবিধানিক মুৰব্বী বুলি গণ্য কৰা ভাৰতৰ ৰাষ্ট্রপতিৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্রপতিৰ নির্বাচন প্রক্রিয়া, তেওঁৰ ক্ষমতা আৰু কার্যাৱলী হ'ল অধ্যায়টিত আলোচনা কৰা মূল বিষয়। দ্বিতীয় অধ্যায়টিত ভাৰতৰ উপ-ৰাষ্ট্রপতিৰ ক্ষমতা, কার্যাৱলী আৰু স্থিতি আলোচনা কৰা হৈছে। প্রধানমন্ত্রী আৰু কেন্দ্রীয় মন্ত্রী পৰিষদ সম্পর্কীয় বহল ব্যাখ্যা হ'ল তৃতীয় অধ্যায়ৰ মূল বিষয়বস্তু। অধ্যায়টি পঢ়ি শিক্ষার্থীয়ে প্রধান মন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলীৰ লগতে কেন্দ্রীয় মন্ত্রী পৰিষদ সম্পর্কে জানিব পাৰিব। প্রধানমন্ত্রী আৰু ৰাষ্ট্রপতিৰ মাজৰ সম্বন্ধৰ বিষয়েও অধ্যায়টিত আলোচনা কৰা হৈছে। চতুর্থ আৰু পঞ্চম অধ্যায় দুটাত ভাৰতীয় সংসদ আৰু সংসদৰ বিধায়িনী প্রক্রিয়াবোৰৰ আলোচনাক স্থান দিয়া হৈছে। চতুর্থ অধ্যায়টিত ভাৰতীয় সংসদৰ সংৰচনা, ক্ষমতা আৰু কার্যাৱলী, সংসদৰ দুয়োখন সদনৰ মাজৰ সম্বন্ধ, লোকসভা অধ্যক্ষৰ ক্ষমতা, কার্যাৱলী আৰু স্থিতি আলোচনা কৰা হৈছে। আকৌ, সংসদত বিধেয়ক এখন গৃহীত হোৱাৰ আগতে পাৰ হ'বলগীয়া হোৰ বিভিন্ন পর্যায় আৰু বিত্ত বিধেয়ক উত্থাপনৰ প্রক্রিয়াবোৰ পঞ্চম অধ্যায়ত বিশ্লেষণ কৰা হৈছে। ষষ্ঠ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল ৰাজ্যপাল নির্বাচন কৰাৰ প্রক্রিয়া, তেওঁৰ ক্ষমতা, কার্যাৱলী আৰু স্থিতি। অধ্যায়টিত এখন ৰাজ্যৰ প্রশাসনত ৰাজ্যপালৰ ভূমিকাও ব্যাখ্যা কৰা হৈছে। সপ্তম অধ্যায়ত মুখ্যমন্ত্রী আৰু ৰাজ্যিক মন্ত্রী পৰিষদৰ ক্ষমতা তথা কার্যাৱলীৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। ৰাজ্যিক পর্যায়ৰ বিধান সভাৰ আলোচনা হ'ল অষ্টম অধ্যায়ৰ আলোচনাৰ মূল বিষয়। এই অধ্যায়টি পঢ়ি শিক্ষার্থীসকলে বিধানসভা আৰু ৰাজ্যিক বিধান পৰিষদৰ সংৰচনা, ক্ষমতা তথা কার্যাৱলীৰ সৈতে পৰিচিত হ'ব পাৰিব।

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত ন্যায়পালিকাই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেয়েহে নৱম অধ্যায়ত ভাৰতীয় ন্যায়পালিকাৰ দুটা প্রধান অংশ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ সংৰচনা, ক্ষমতা আৰু কার্যাৱলী বহলাই আলোচনা কৰা হৈছে। ইয়াৰ লগতে ন্যায়পালিকাৰ স্বতন্ত্রতা নিশ্চিত কৰিবলৈ থকা বিভিন্ন ব্যৱস্থাৰ বিষয়েও অধ্যায়টিত বিশ্লেষণ কৰা হৈছে। দশম অধ্যায়ত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ অন্য দুটা গুৰুত্বপূর্ণ দিশ ন্যায়িক পুনৰীক্ষণ আৰু ন্যায়িক সক্রিয়তাৰ বিষয়ে আলোচনা কৰা হৈছে। আলোচনা কালত এই দুয়োটা বিষয়ৰে অর্থ, প্রকৃতি আৰু গুৰুত্ব বহলাই ব্যাখ্যা কৰা হৈছে। ভাৰতত স্থানীয় স্বায়ত্ব শাসনে এক গুৰুত্বপূর্ণ ভূমিকা লৈ আহিছে.। একাদশ অধ্যায়ত ভাৰতত স্থানীয় চৰকাৰৰ বিকাশ, সংবিধানৰ ৭৩ তম আৰু ৭৪ তম সংশোধনী,

অসমত স্থানীয় স্বায়ত্ব শাসন আদিৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়ৰ আলোচনাত সামৰি লোৱা বিষয় সমূহ হ'ল নিৰ্বাচন আয়োগৰ সংৰচনা, ক্ষমতা আৰু কাৰ্যাৱলী তথা ভা�ৰতত চলা নিৰ্বাচনী সংস্কাৰ। ভাৰতত উত্থান ঘটা বিভিন্ন আঞ্চলিকতাবাদৰ অৰ্থ আৰু ৰূপৰ ওপৰত ত্রয়োদশ অধ্যায়ত আলোকপাত কৰা হৈছে। এনে আঞ্চলিকতাবাদৰ বিকাশৰ আঁৰৰ কাৰণবোৰো অধ্যায়টিত আলোচনা কৰা হৈছে। চতুৰ্দশ অধ্যায়ৰ আলোচনাৰ বিষয় হৈছে ভাৰতীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা জাতিবাদ আৰু সাম্প্রদায়িকতাবাদৰ ধাৰণা দুটা। ভাৰতত কেনেদৰে জাতি, ধৰ্ম আৰু ৰাজনীতিৰ সম্পূৰ্ণ ৰাজনীতিকৰণ ঘটিছে আৰু সাম্প্রদায়িকতাবাদে কেনেদৰে ভাৰতত এক সমস্যাৰ ৰূপ ধাৰণ কৰিছে সেই বিষয়েও অধ্যায়টিত বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি

- ১.৩.১ অৰ্হতা সমূহ
- ১.৩.২ নিৰ্বাচনী প্ৰক্ৰিয়া
- ১.৩.৩ কাৰ্যকাল
- ১.৩.৪ অপসাৰণ প্ৰক্ৰিয়া
- ১.৩.৫ ক্ষমতা আৰু কাৰ্যাৱলী
- ১.৩.৬ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ সাংবিধানিক পদমৰ্যাদা

১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৫ অধিক জানিবলৈ

১.৬ অগ্ৰগতিৰ খতিয়ান

১.৭ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপুনি—

- ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ অৰ্হতা, নিৰ্বাচনী প্ৰক্ৰিয়া, কাৰ্যকাল, অপসাৰণ প্ৰক্ৰিয়া আদিৰ বিষয়ে জানিব পাৰিব
- ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ সাংবিধানিক পদমৰ্যাদা সম্পৰ্কে বিশ্লেষণ কৰিবলৈ সমৰ্থ হ'ব।

১.২ পৰিচয়

ভাৰতবৰ্ষৰ সংবিধানৰ মূল নীতিসমূহ বা আধাৰ ব্ৰিটিছ সংসদীয় ব্যৱস্থাৰ পৰা গ্ৰহণ কৰা হৈছে। সংসদীয় চৰকাৰ ব্যৱস্থাত দুই ধৰণৰ কাৰ্যবাহী থাকে — নামমাত্ৰ কাৰ্যবাহী আৰু প্ৰকৃত কাৰ্যবাহী। ভাৰতৰ ৰাষ্ট্ৰপতি নামমাত্ৰ কাৰ্যবাহী হোৱাৰ বিপৰীতে প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত মন্ত্ৰী পৰিষদ হ'ল প্ৰকৃত কাৰ্যবাহী। এই অধ্যায়ত আমি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ অৰ্হতা, নিৰ্বাচনী প্ৰক্ৰিয়া, কাৰ্যকাল, অপসাৰণ প্ৰক্ৰিয়া, ক্ষমতা, কাৰ্যাৱলী আৰু পদমৰ্যাদা সম্পৰ্কে বিশদভাৱে আলোচনা কৰিম।

১.৩ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি

ভাৰতবৰ্ষৰ সংবিধানৰ ৫২ নং অনুচ্ছেদ মতে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ মুৰব্বী হিচাপে ৰাষ্ট্ৰপতি এগৰাকী থাকিব বুলি কোৱা হৈছে আৰু ৫৩ নং অনুচ্ছেদে ৰাষ্ট্ৰপতিৰ কাৰ্যবাহী বা প্ৰশাসনীয় ক্ষমতা সমূহ প্ৰদান কৰিছে। তেওঁ এই ক্ষমতাসমূহ পোনপটীয়াভাৱে অথবা তেওঁৰ অধীনস্থ বিষয়াবৰ্গৰ জৰিয়তে ভাৰতীয় সংবিধান প্ৰদত্ত নিয়মানুসৰি কাৰ্যকৰী কৰিব পাৰে। কিন্তু বাস্তৱিকতে তেওঁ এইবোৰৰ কোনোটোৱেই নকৰে। এইবাবে তেওঁ এক নামমাত্ৰ মুৰব্বী। তেওঁ হৈছে সাংবিধানিক প্ৰশাসক আৰু ৰাষ্ট্ৰৰ মুৰব্বী কিন্তু চৰকাৰৰ মুৰব্বী নহয়। ৰাষ্ট্ৰপতি হৈছে ভাৰতৰ প্ৰথম নাগৰিক।

১.৩.১ অৰ্হতা

ভাৰতবৰ্ষৰ সংবিধানৰ ৫৮ নং অনুচ্ছেদত ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ প্ৰয়োজনীয় প্ৰাৰ্থীৰ অৰ্হতা উল্লেখ কৰা হৈছে। তলত অৰ্হতাসমূহ উল্লেখ কৰা হ'লঃ—

(১) প্ৰথমতে প্ৰাৰ্থীগৰাকী ভাৰতৰ নাগৰিক হ'ব লাগিব।

(২) প্ৰাৰ্থীগৰাকীৰ বয়স ৩৫ ৰ ঊৰ্দ্ধ হ'ব লাগিব।

(৩) লোক সভাৰ সদস্য হিচাপে থাকিবলগীয়া সকলো ধৰণৰ প্ৰয়োজনীয় অৰ্হতা ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীগৰাকীৰ থাকিব লাগিব।

(৪) তেওঁ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ বা স্থানীয় প্ৰশাসনৰ অধীনৰ কোনো কাৰ্যালয়ৰ কোনোধৰণৰ লাভজনক পদত থাকিব নালাগিব।

(৫) তেওঁ সংসদ তথা কোনো ৰাজ্যৰ বিধানসভাৰ সদস্য হ'ব নালাগিব।

১.৩.২ নিৰ্বাচনী প্ৰক্ৰিয়া

সংবিধানৰ ৫৪ নং অনুচ্ছেদত থকা বিধি অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিক সংসদ আৰু ৰাজ্যসমূহৰ নিৰ্বাচিত প্ৰতিনিধিৰদ্বাৰা প্ৰতিনিধিত্বৰ সমানুপাতিকতা সূত্ৰ অনুসৰি একক হস্তান্তৰনীয় ভোটপদ্ধতি আৰু গোপনীয় বেলটৰ যোগেদি পৰোক্ষভাৱে নিৰ্বাচন কৰা হয়। সেইবাবে দেশৰ সাধাৰণ নাগৰিকে এই নিৰ্বাচনত প্ৰত্যক্ষভাৱে ভোটদান বা অংশগ্ৰহণ কৰিব নোৱাৰে। সংসদৰ দুইখন সদন আৰু ৰাজ্যিক বিধানসভা আৰু ৰাজ্যিক বিধানমণ্ডল সমূহলৈ মনোনীত সদস্যয়ো ৰাষ্ট্ৰপতি নিৰ্বাচনত অংশ ল'ব নোৱাৰে। সংবিধানৰ ৫৫ নং অনুচ্ছেদত ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পদ্ধতি সম্পৰ্কে উল্লেখ আছে। এই নিৰ্বাচনত দুটা মূল নীতি আধাৰ হিচাপে গ্ৰহণ কৰা হয়—

(ক) ৰাজ্যসমূহক সম বা প্ৰায় সম প্ৰতিনিধিত্ব প্ৰদান।

(খ) কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সমমৰ্যাদা প্ৰতিষ্ঠা।

- ৰাজ্য এখনৰ বিধানসভাৰ সদস্য এগৰাকীৰ ভোটৰ মূল্য নির্ধাৰণৰ বাবে তলৰ সূত্ৰটো ব্যৱহাৰ কৰা হয় —

  ৰাজ্য এখনৰ বিধানসভাৰ সদস্য এজনৰ ভোটৰ মূল্য =

  $$\frac{\text{ৰাজ্যখনৰ মুঠ জনসংখ্যা (শেহতীয়া লোকপিয়ল মতে)}}{\text{ৰাজ্যখনৰ মুঠ নির্বাচিত বিধানসভাৰ সদস্য সংখ্যা}} \div ১০০০$$

যদিহে অৱশিষ্ট সংখ্যাটো ৫০০ বা তাতকৈ অধিক হয়, তেতিয়া হৰণফলৰ লগত ১ যোগ দিয়া হয় আৰু যদিহে অৱশিষ্ট সংখ্যাটো ৫০০ তকৈ কম হয় তেতিয়া ইয়াক উপেক্ষা কৰা হয়।

- সংসদৰ নির্বাচিত সদস্যসকলৰ ভোটৰ মূল্য তলত দিয়া ধৰণে নির্ণয় কৰা হয়—

  প্রত্যেকজন নির্বাচিত সংসদ সদস্যৰ ভোটৰ মূল্য =

  $$\frac{\text{সকলো ৰাজ্যৰ নির্বাচিত বিধানসভা সদস্য সকলৰ সর্বমূঠ ভোটৰ মূল্য}}{\text{সংসদৰ দুয়োখন সদনৰ নির্বাচিত সদস্যসকলৰ মুঠ সংখ্যা}}$$

এইদৰে হৰণ কৰোঁতে যদি ভাজকৰ আধা বা তাতকৈ বেছি ভাগশেষ থাকে, তেন্তে হৰণফলৰ লগত ১ যোগ কৰা হয় আৰু ভাজকৰ আধাতকৈ কম বাকী থাকিলে এনেয়ে এৰি দিব লাগে।

- প্রত্যেকজন ভোটদাতাই কেৱল এটাহে ভোট দিব পাৰে আৰু তেওঁৰ ভোটদানে প্রতিগৰাকী ৰাষ্ট্রপতি পদৰ প্রতিদ্বন্দ্বী প্রার্থীৰ বিপৰীতে তেওঁৰ পছন্দৰ অগ্রাধিকাৰৰ ক্রম নির্দেশ কৰে।
- ৰাষ্ট্রপতিয়ে নির্বাচনত জয়ী হ'বলৈ হ'লে প্রতিদ্বন্দ্বী এগৰাকীয়ে ন্যূনতম নির্বাচিত কোটা পৰিমাণৰ ভোট পাব লাগিব যিটো ভোট দানৰ পদ্ধতি (Drop Method) অনুসৰি গণনা কৰা হয়। এই সূত্রটো হৈছে —

$$\text{নির্বাচনী কোটা (Quota)} = \frac{\text{ভোটদানৰ সর্বমুঠ গ্রাহ্য ভোট}}{২} + ১$$

যদিহে প্রথম গণনাত কোনো এজন প্রতিদ্বন্দ্বীয়ে ভোটৰ নির্বাচনী কোটা (Quota) লাভ কৰিব নোৱাৰে, তেতিয়া অতি কম সংখ্যক ভোট লাভ কৰা প্রর্থীজনক ৰাষ্ট্রপতি নির্বাচন প্রক্রিয়াৰ পৰা বাদ দিয়া হয় আৰু তেওঁৰ দ্বিতীয় অগ্রাধিকাৰ বা পছন্দৰ ভোট সমূহ পৰৱর্ত্তী প্রতিদ্বন্দ্বীসমূহৰ মাজত ভগাই দিয়া হয়। এই অপসাৰণ প্রক্রিয়াটো কোনো এগৰাকী প্রতিদ্বন্দ্বীয়ে নির্বাচনী কোটা (Quota) ভোট পোৱালৈকে অথবা আন আন প্রার্থীবোৰৰ অপসাৰণ হোৱালৈকে চলি থাকে।

১.৩.৩ কার্যকাল

সংবিধানৰ ৫৬ সংখ্যক অনুচ্ছেদ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতি জনৰ কার্যকাল কার্যালয়ত প্ৰৱেশৰ দিনটোৰ পৰা ৫ বছৰ। ৰাষ্ট্ৰপতি এগৰাকীৰ পুনৰ নির্বাচনত অৱতীর্ণ হোৱাৰো সুবিধা থাকে।

পাঁচ বছৰীয়া কার্যকালৰ অন্ত, মৃত্যু, পদত্যাগ, বা মহাভিযোগ যোগে অপসাৰণ আদি কাৰণত ৰাষ্ট্ৰপতি পদটো খালী থাকিব পাৰে।

১.৩.৪ অপসাৰণ প্ৰক্ৰিয়া

ভাৰতবৰ্ষৰ সংবিধানৰ ৬১ নং অনুচ্ছেদ মতে সংবিধান অৱমাননাৰ গোচৰত মহাভিযোগ প্ৰস্তাৱ আনি কার্যকাল শেষ নহওঁতেই ৰাষ্ট্ৰপতিক অপসাৰণ কৰিব পাৰি। এই ক্ষেত্ৰত মহাভিযোগ সম্পর্কে সংসদৰ দুয়োখন সদনতে আলোচনা হ'ব পাৰে। কিন্তু এই ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ যোৱাৰ আগতে সদনৰ মুঠ সদস্য সংখ্যাৰ ন্যূনতম এক চতুর্থাংশ সদস্যই ১৪ দিনৰ ভিতৰত লিখিত জাননী প্ৰেৰণ কৰা বাধ্যতামূলক। বিস্তৃত বিচাৰ বিশ্লেষণৰ পাছত নিম্ন সদনত যদি সদনৰ মুঠ সদস্য সংখ্যাৰ দুই তৃতীয়াংশ সদস্যৰ সমর্থনত সিদ্ধান্তটো গৃহীত হয়, তেতিয়া ইয়াক আনখন সদন অর্থাৎ উচ্চ সদনলৈ প্ৰেৰণ কৰা হয়। আনখন সদনটো যদি অনুসন্ধানৰ পাছত সদনৰ মুঠ সদস্য সংখ্যাৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাত সিদ্ধান্তটো গৃহীত হয়, তেতিয়া সিদ্ধান্তটো সদনত গৃহীত হোৱা দিনটোৰ পৰাই ৰাষ্ট্ৰপতি পদৰ পৰা ব্যক্তিজন অপসাৰিত হয়। তথাপি ৰাষ্ট্ৰপতিয়ে নিজে অথবা আইনজীৱীৰ সহায়ত নিজৰ নির্দোষিতা প্ৰমানৰ অধিকাৰ আছে। অৱশ্যে বর্তমানলৈকে ভাৰতত কোনো এগৰাকী ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ অনা হোৱা নাই।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ কার্যকাল কিমান?

.....

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি হ'বলৈ ন্যূনতম বয়স কিমান?

.....

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ লিখক —

(ক) ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ মুৰব্বী।

.....

(খ) ৰাষ্ট্ৰপতিক অপসাৰণ কৰিব নোৱাৰি।

.....

প্ৰশ্ন ৪ ঃ ৰাষ্ট্ৰপতি নির্বাচনৰ নির্বাচক মণ্ডলীৰ গাঁথনিৰ বিষয়ে লিখক।

.....

১.৩.৫ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী

সংবিধানে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিক বিপুল ক্ষমতা প্ৰদান কৰিছে। তেওঁৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

- **কাৰ্যবাহী ক্ষমতা আৰু কাৰ্যাৱলী**

  কাৰ্যবাহী ক্ষমতা বুলিলে কেৱল বিধান মণ্ডলে আইন সভাই গৃহীত কৰা আইন কাৰ্যকৰী কৰাকে নুবুজায়; চৰকাৰৰ কাম-কাজ আগবঢ়াই নিয়া বা পৰিচালনা কৰাৰ ক্ষমতাকো বুজায়। ৰাষ্ট্ৰপতি হৈছে কেন্দ্ৰীয় চৰকাৰৰ মুখ্য কাৰ্যবাহী প্ৰধান। সকলো কৰ্মৰ কাৰ্যকৰীকৰণ তেওঁৰ নামতেই হয়।

  (ক) তেওঁ প্ৰধানমন্ত্ৰীক নিযুক্তি দিয়ে আৰু প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ অন্যান্য মন্ত্ৰী সকলকো নিয়োগ কৰে।

  (খ) ইয়াৰ উপৰি ৰাষ্ট্ৰপতিয়ে সকলো গুৰুত্বপূৰ্ণ পদবী যেনে — উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সকল, এটৰ্নী জেনেৰেল, ৰাষ্ট্ৰদূত আৰু অন্যান্য কূটনীতিবিদসকল, ৰাজ্যপাল, লেফটেনেন্ট গবর্ণৰ, কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মুখ্য আয়ুক্ত, কম্প্ট্ৰোলাৰ আৰু অডিটৰ জেনেৰেল (ৰাজহুৱা হিচাপ মহাপৰীক্ষক), কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সদস্য আৰু অধ্যক্ষ, নিৰ্বাচন আয়োগ, বিত্ত আয়োগ আৰু অন্যান্য সাংবিধানিক আয়োগ আদিও নিযুক্তি দিয়ে।

- **সামৰিক ক্ষমতা আৰু কাৰ্যাৱলী**

  (ক) ৰাষ্ট্ৰপতি দেশৰ সামৰিক বাহিনীৰ সৰ্বাধিনায়ক আৰু তেওঁৰেই স্থলসেনা, নৌ-সেনা আৰু বায়ুসেনাৰ মুৰব্বীসকলক নিযুক্তি দিয়ে।

  (খ) তেওঁ যিকোনো ধৰণৰ সামৰিক কাৰ্যৰ ক্ষমতা আছে। উদাহৰণস্বৰূপে- দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি বা কোনো ধৰণৰ বিপদ আহিলে তেওঁ শান্তি চুক্তি সম্পাদন বা যুদ্ধ ঘোষণা কৰিব পাৰে।

  (গ) যুদ্ধ আৰু শান্তিৰ সময়ত সাহসী আৰু প্ৰশংসনীয় কৰ্মৰ বাবে আগবঢ়োৱা সকলো ধৰণৰ সামৰিক সন্মান আৰু উপাধি ৰাষ্ট্ৰপতিয়ে প্ৰদান কৰে। অৱশ্যে তেওঁৰ সামৰিক ক্ষমতাসমূহ সংসদে আইন প্ৰণয়নৰ জৰিয়তে নিয়ন্ত্ৰণ কৰে।

- **কূটনৈতিক ক্ষমতা আৰু কাৰ্যাৱলী**

  (ক) ৰাষ্ট্ৰৰ মুৰব্বী হিচাপে বৈদেশিক ৰাষ্ট্ৰসমূহত ভাৰতৰ কূটনীতিবিদসকলক নিয়োগ কৰে আৰু বহিঃ ৰাষ্ট্ৰৰ কূটনীতিবিদসকলকো গ্ৰহণ কৰে।

(খ) সকলো ধৰণৰ আন্তঃ ৰাষ্ট্ৰীয় সন্ধি আৰু চুক্তি পত্ৰ ৰাষ্ট্ৰপতিৰ নামত স্বাক্ষৰিত হয়।

(গ) ৰাষ্ট্ৰ পতিয়ে ভাৰতৰ আন্তঃ ৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত প্ৰতিনিধিত্ব কৰে আৰু ভাৰতৰ লগত আন দেশ সমূহৰ সু-সম্পৰ্ক গঢ়ি তুলিবলৈ দেশ সমূহলৈ সম্ভাৱনা যাত্ৰা গ্ৰহণ কৰে।

➢ **আইন সংক্ৰান্তীয় ক্ষমতা আৰু কাৰ্যাৱলী**

ৰাষ্ট্ৰ পতি যদিও সংসদৰ কোনো এখন সদনৰে সদস্য নহয়, তথাপি তেওঁ সংসদৰ অবিচ্ছেদ্য অংশ।

(ক) সংসদৰ বা দুয়োখন সদনৰ অধিবেশন আহ্বান জনোৱা আৰু স্থগিত ৰখাৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত থাকে।

(খ) পাঁচ বছৰীয়া কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ পূৰ্বে ৰাষ্ট্ৰপতিয়ে লোকসভা ভংগ কৰি দিব পাৰে।

(গ) কোনো বিষয় সম্পৰ্কত দুয়োখন সদনত মত পাৰ্থক্যৰ সৃষ্টি হ'লে, ৰাষ্ট্ৰপতিয়ে দুয়োখন সদনৰ যুটিয়া অধিবেশন আহ্বান কৰে।

(ঘ) নতুনকৈ নিৰ্বাচিত সংসদৰ আৰম্ভণি অধিবেশন আৰু প্ৰত্যেক বছৰৰ প্ৰথম অধিবেশনত ৰাষ্ট্ৰপতিয়ে সম্বোধন বা উদ্বোধনী ভাষণ প্ৰদান কৰাৰ ক্ষমতা থাকে। ইয়াৰ উপৰি যিকোনো সময়তে তেওঁ দুয়োখন সদনৰ যিকোনো এখনত বা দুয়োখন সদনৰে যুটীয়া অধিবেশনত ভাষণ দিব পাৰে।

(ঙ) অনিৰ্নীত বা বিচাৰাধীন কোনো বিষয় বা আইন সংসদলৈ অহাৰ আগতে ৰাষ্ট্ৰপতিয়ে সংসদৰ যি কোনো এখন সদনলৈ বাৰ্তা প্ৰেৰণ কৰাৰ ক্ষমতা থাকে, যি সংসদত বিবেচনা কৰা বাধ্যতামূলক।

(চ) তেওঁ ৰাজ্যসভালৈও বিভিন্ন ক্ষেত্ৰ যেনে — কলা, বিজ্ঞান, সাহিত্য, সমাজসেৱা আদিৰ লগত জড়িত বাৰজন ব্যক্তিক মনোনীত কৰে।

(ছ) ৰাষ্ট্ৰ পতিৰ অনুমোদন অবিহনে সংসদত গৃহীত কোনো বিধেয়ক আইনত পৰিণত নহয়। তেওঁ বিধেয়ক এখনত অনুমোদন জনাব পাৰে বা স্থগিত ৰাখিব পাৰে বা নিজৰ পৰামৰ্শসহ পুনৰ্বিবেচনাৰ বাবে বিধেয়কখন সদনলৈ ঘূৰাই পঠিয়াব পাৰে। যদিহে সংসদত দ্বিতীয় বাৰৰ বাবে সংশোধিত বা সংশোধনীবিহীনভাৱে বিলখন গৃহীত হয়, তেতিয়া এই বিধেয়ক খনত অনুমোদন জনাবলৈ ৰাষ্ট্ৰপতি বাধ্য। ৰাষ্ট্ৰপতিৰ এনে ধৰণৰ অনুমোদনৰ পৰা বিৰত থকা ক্ষমতাক ভেটো (veto) ক্ষমতা বোলে।

(জ) ৰাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে সংৰক্ষিত ৰখা সকলো ধৰণৰ ৰাজ্যিক বিধেয়কত ৰাষ্ট্ৰপতিৰ সন্মতি প্ৰদান কৰা বা নকৰা দুয়োটাৰে

ক্ষমতা থাকে।

(ঝ) সংবিধানৰ ১২৩ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিয়ে সংসদৰ দুই অধিবেশনৰ মাজৰ বিৰতি কালছোৱাত আইন সংক্ৰান্তীয় জৰুৰী আৱশ্যকতা বাবে অধ্যাদেশ জাৰী কৰিব পাৰে। কিন্তু এনে ধৰণৰ অধ্যাদেশ সংসদৰ দুই সদনতে যেতিয়া অধিবেশন অনুষ্ঠিত হ'ব, তেতিয়া উপস্থাপন কৰিব লাগিব।

➢ **বিত্তীয় ক্ষমতা আৰু কার্যাৱলী**

ৰাষ্ট্ৰ পতিৰ কিছুমান বিত্তীয় ক্ষমতা আছে। সেইসমূহ হ'ল —

(ক) বিত্তীয় বর্ষ আৰম্ভ হোৱাৰ আগতে যিকোনো বার্ষিক বাজেট আৰু অন্তৰৱর্তীকালীন বাজেট সংসদত উত্থাপন কৰাৰ আগতে ৰাষ্ট্ৰপতিক ইয়াৰ (বাজেটৰ) লক্ষ্য আৰু উদ্দেশ্য সম্পর্কে জনাব লাগে।

(খ) কোনো বিত্তীয় বিধেয়ক ৰাষ্ট্ৰপতিৰ অনুমোদন অবিহনে লোকসভাত উত্থাপন নহয়।

(গ) ভাৰতৰ জৰুৰী পুঁজি (Contingency Fund) ৰাষ্ট্ৰপতিয়ে নিয়ন্ত্ৰণ কৰে। তেওঁ এই পুঁজিৰ পৰা হোৱা অপ্রত্যাশিত বা অজ্ঞাত খৰচৰ হিচাপ বিচ ৰাৰ ক্ষমতা আছে।

(ঘ) কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত সকলো ধৰণৰ আয়কৰৰ অংশ ৰাষ্ট্ৰপতিয়ে বিতৰণ কৰে আৰু অসম, বিহাৰ, উৰিষ্যা আৰু পশ্চিমবংগৰ মৰাপাটৰ ৰপ্তানি বাবদ প্রাপ্য ৰপ্তানি কৰৰ অংশ মঞ্জুৰ কৰে।

(ঙ) অন্যান্য কৰসমূহৰ সংগ্রহৰ আধাৰত ৰাজ্যসমূহৰ মাজত অংশ নির্ধাৰণৰ বাবে প্রতি পাঁচ বছৰৰ মূৰে মূৰে ৰাষ্ট্ৰপতিয়ে বিত্তীয় আয়োগ নিযুক্তি দিয়ে।

➢ **আইন সংক্রান্তীয় ক্ষমতা আৰু কার্যাৱলী**

মৃত্যু দণ্ডাজ্ঞা প্রাপ্ত কোনো ব্যক্তিৰ শাস্তি ক্ষমাদান, মৃত্যুদণ্ডৰ স্থগিতাদেশ বা শাস্তিৰ পৰিমাণ লাঘৱ কৰাৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত থাকে। সাংবিধানিক আইন বা কোনো বিধেয়কৰ জন প্রয়োজনীয়তা সম্পর্কে পৰামর্শৰ বাবে ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়লৈ পঠিয়াব পাৰে। পৰামর্শ প্রদান কৰিবলৈ উচ্চতম ন্যায়ালয় বাধ্য যদিও সেই পৰামর্শ গ্রহণ কৰিবলৈ ৰাষ্ট্ৰপতি বাধ্য নহয়।

➢ **আইনী প্রতিৰক্ষা বা নিৰাপত্তা**

ৰাষ্ট্ৰপতিয়ে আইন সংক্রান্তীয় কিছুমান নিৰাপত্তা লাভ কৰে। কার্যকালত ক্ষমতা

আৰু দায়িত্ব, কার্যাৱলী আৰু পাৰদর্শিতাৰ বাবে ৰাষ্ট্ৰপতি কোনো ধৰণৰ আদালতৰ ওচৰত উত্তৰাধীন নহয়। তেওঁৰ কার্যকালত ভাৰতৰ কোনো আদালতে তেওঁৰ বিৰুদ্ধে অপৰাধী কার্যব্যৱস্থা ল'ব নোৱাৰে।

➢ **জৰুৰীকালীন ক্ষমতা আৰু কার্যাৱলী**

সংবিধানৰ অষ্টাদশ অংশৰ ৩৫২ ৰ পৰা ৩৬০ নং অনুচ্ছেদলৈ ৰাষ্ট্ৰপতিৰ জৰুৰীকালীন বিধানসমূহ বর্ণিত হৈছে। এই বিধানসমূহক ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিৰ জৰুৰীকালীন ক্ষমতা আখ্যা দিয়া হৈছে। প্রধানমন্ত্রী আৰু কেন্দ্রীয় কেবিনেটৰ পৰামর্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে এই বিশেষ জৰুৰীকালীন ক্ষমতাসমূহ তিনি ধৰণে কার্যকৰী কৰে। এই তিনিধৰণৰ জৰুৰীকালীন অৱস্থা হ'ল —

(**ক**) ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা

(**খ**) ৰাজ্যিক জৰুৰীকালীন অৱস্থা আৰু

(**গ**) वित्तीय জৰুৰীকালীন অৱস্থা।

(ক) ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা

ভাৰতৰ ৰাষ্ট্ৰৰ সুৰক্ষালৈ যদি ভাবুকি আহে বা কোনো অংশত যদি যুদ্ধৰ দ্বাৰা আক্রান্ত হয়, বহিঃ শক্তিৰ আগ্রাসন বা সামৰিক অভ্যুত্থান ঘটিলে সংবিধানৰ ৩৫২ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিৰ ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ ক্ষমতা থাকে। এনে ধৰণৰ জৰুৰীকালীন অৱস্থাৰ ঘোষণা সমগ্র দেশ জুৰি হ'ব পাৰে অথবা ভাৰতৰ কোনো এক অংশ বা একাধিক অংশ জুৰি হ'ব পাৰে।

ৰাষ্ট্ৰীয় জৰুৰী অৱস্থাৰ ঘোষণাৰ প্রয়োজনীয়তা সম্পর্কে সংসদৰ দুয়োখন সদনে জৰুৰী অৱস্থা ঘোষণা কৰা দিনটোৰ পৰা এমাহৰ ভিতৰত অনুমোদন জনাব লাগে। কিন্তু যদি সংসদে অনুমোদন নজনায়, এই জৰুৰীকালীন অৱস্থা এমাহৰ পাছত নোহোৱা হয়।

জৰুৰীকালীন অৱস্থা ৬ মাহ পর্যন্ত বাহাল থাকে। ৬ মাহৰ পাছত পৰৱর্ত্তী অনুমোদন অনুসৰি যিকোনো দীর্ঘকালৰ বাবে বাহাল থাকিব পাৰে।

ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থাৰ প্রভাৱ ঃ

(ক) জৰুৰীকালীন অৱস্থাত সংসদে ৰাজ্যিক সূচিত উল্লেখিত বিষয়সমূহৰ ক্ষেত্রত আইন তৈয়াৰ কৰাৰ ক্ষমতা লাভ কৰে।

(খ) কার্যকৰী ক্ষমতা ব্যৱহাৰ বা প্রয়োগৰ ক্ষেত্রত ৰাষ্ট্ৰপতিয়ে যিকোনো ৰাজ্যলৈ নির্দেশ জাৰী কৰিব পাৰে।

(গ) ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত আয়ৰ উৎস বিতৰণত পৰিৱৰ্তন ঘটাব পাৰে। কিন্তু এনেধৰণৰ সকলো সিদ্ধান্ত সংসদৰ প্ৰত্যেক সদনতে উত্থাপন কৰিব লাগিব।

(ঘ) ৰাষ্ট্ৰপতিয়ে সংবিধানৰ ১৯ নং অনুচ্ছেদত থকা মৌলিক অধিকাৰ আৰু এইবিলাকৰ সাংবিধানিক সুৰক্ষা জৰুৰীকালীন অৱস্থাত বাতিল কৰিব পাৰে। সংবিধানৰ ৩২ নং অনুচ্ছেদে ভাৰতীয় নাগৰিকক তেওঁলোকৰ সাংবিধানিক সুৰক্ষাৰ বাবে ন্যায়ালয়ৰ কায চপাৰ অধিকাৰ প্ৰদান কৰিছে যদিও জৰুৰীকালীন সময়ত কোনো নাগৰিকে এই অধিকাৰৰ দাবী তুলি ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰে।

(ঙ) জৰুৰী কালীন সময়ত লোকসভা আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কার্যকাল এবছৰলৈ বৃদ্ধি কৰিব পাৰে।

(খ) ৰাজ্যিক জৰুৰীকালীন অৱস্থা

ৰাষ্ট্ৰপতিয়ে যদি ৰাজ্যপালৰ পৰামর্শত আশ্বস্ত হয় বা কোনো ৰাজ্যই যদি সাংবিধানিক বিধান অনুযায়ী চৰকাৰ চলোৱাত ব্যর্থ হয়, ৩৫৬ নং অনুচ্ছেদ অনুযায়ী ৰাষ্ট্ৰপতিয়ে সেই ৰাজ্যত জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। এই ৰাজ্যিক জৰুৰী অৱস্থাক ৰাষ্ট্ৰপতি শাসন বুলিও জনা যায়। এই ধৰণৰ জৰুৰী কালীন অৱস্থা সংসদৰ অনুমোদন অবিহনে দুমাহ পাছতে সমাপ্তি ঘটে। এবাৰত জৰুৰীকালীন অৱস্থা ছমাহতকৈ অধিক সময়ৰ বাবে ঘোষিত হ'ব নোৱাৰে যদিও প্ৰত্যেক ছমাহৰ মূৰে মূৰে বৃদ্ধিৰ জৰিয়তে সর্বাধিক ৩ বছৰলৈ থাকিব পাৰে। জৰুৰীকালীন অৱস্থাৰ এনে সকলো বৃদ্ধিৰ সিদ্ধান্ত সংসদৰদ্বাৰা অনুমোদিত হোৱাতো বাধ্যতামূলক।

ৰাজ্যিক জৰুৰীকালীন অৱস্থা বা ৰাষ্ট্ৰপতি শাসনৰ প্ৰভাৱ ঃ

(ক) ৰাজ্য এখনৰ চৰকাৰ আৰু ৰাজ্যপাল গৰাকীৰ সকলো ক্ষমতা আৰু কার্যাৱলী ৰাষ্ট্ৰপতিৰ অধীনলৈ যায় আৰু প্ৰয়োজন অনুসৰি কেইজনমান উপদেষ্টাৰ সহায়ত ৰাজ্যপালৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে ৰাজ্যিক প্ৰশাসন পৰিচালনা কৰে।

(খ) ৰাজ্যৰ মন্ত্ৰী পৰিষদক ভংগ কৰি দিয়া হয়। ৰাজ্যখনৰ বিধানসভাখনকো ভংগ কৰি দিব পাৰে বা বর্খাস্ত কৰিব পাৰে।

(গ) ৰাজ্যিক সূচীৰ অন্তর্গত যি কোনো বিষয়ৰ ওপৰত সংসদৰ আইন প্ৰনয়নৰ ক্ষমতা লাভ কৰে আৰু এনে আইন কেৱল সংশ্লিষ্ট ৰাজ্যখনত প্ৰযোজ্য হয়।

(ঘ) ৰাজ্যখনৰ সঞ্চিত নিধিৰ পৰা ব্যয় কৰাৰ ক্ষমতা ৰাষ্ট্ৰপতিয়ে লাভ কৰে। এই সময়ত শাসনত থকা দলে প্ৰভাৱ বৃদ্ধিৰ সুযোগলৈ ৰাজ্যিক জৰুৰী কালীন ক্ষমতাৰ অপপ্ৰয়োগ কৰাৰ সুবিধা লাভ কৰে বুলি সমালোচনা কৰা হয়।

(গ) বিত্তীয়বা অৰ্থনৈতিক জৰুৰী অৱস্থা

সমগ্ৰ ভাৰতত বা কোনো অংশত যদি অৰ্থনৈতিক অস্থিৰতা বা দেশৰ জমা ধনৰ সংকট উপস্থিত হয়, তেতিয়া ৰাষ্ট্ৰপতিয়ে সংবিধানৰ ৩৬০ নং অনুচ্ছেদ অনুসৰি অৰ্থনৈতিক বা বিত্তীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰে।

এনেধৰণৰ বিত্তীয় জৰুৰী অৱস্থা সংসদৰ অনুমোদন অবিহনে দুমাহৰ পাছতেই সমাপ্ত হয়। বিত্তীয় জৰুৰীকালীন অৱস্থা সাধাৰণতে ছমাহলৈ ঘোষিত হয় যদিও পৰৱৰ্ত্তী সময়ত প্ৰয়োজন অনুসৰি প্ৰত্যেক ছমাহৰ মুৰে বৃদ্ধিৰ জৰিয়তে সৰ্বোচ্চ তিনিবছৰ থাকিব পাৰে।

প্ৰভাৱঃ

(১) বিত্তীয় জৰুৰীকালীন অৱস্থাৰ সময়ত ৰাজ্যসমূহে ৰাষ্ট্ৰপতিয়ে সংকটপৰিত্ৰাণৰ বাবে যিবোৰ অৰ্থনৈতিক নীতি প্ৰয়োজন বুলি বিবেচনা কৰে সেইবোৰ পালন কৰা প্ৰয়োজন।

(২) উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশকে ধৰি সকলো চৰকাৰী কৰ্মচাৰীৰ দৰমহা আৰু বানচসমূহ ৰাষ্ট্ৰপতিয়ে হ্ৰাস কৰিব পাৰে।

(৩) ৰাষ্ট্ৰপতিয়ে তেওঁৰ বিবেচনাৰ বাবে ৰাজ্য চৰকাৰক ৰাজ্যৰ বিধানসভাত গৃহীত হোৱা সকলো ধৰণৰ বিত্তীয় বিধেয়ক বা আন অৰ্থনৈতিক বিধেয়ক সংৰক্ষিত ৰাখিবলৈ আদেশ দিব পাৰে। সৌভাগ্যৰ কথা এয়ে যে আমাৰ দেশত আজিলৈকে বিত্তীয় বা অৰ্থনৈতিক জৰুৰী অৱস্থা ঘোষিত হোৱা নাই।

১.৩.৬ ভাৰতৰ ৰাষ্ট্ৰপতিৰ সাংবিধানিক পদমৰ্যদা

ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদমৰ্যদাৰ বিষয়ত সংবিধান বিশেষজ্ঞ সকলৰ মাজত মত পাৰ্থক্য পৰিলক্ষিত হয়। ভাৰতৰ ৰাষ্ট্ৰপতিৰ প্ৰকৃত পদমৰ্যদাৰ বিষয়ত কিছুমান সমালোচক বিভ্ৰান্ত যেন বোধ হয়।

আপাতদৃষ্টিত, দেখা যায় যে ভাৰতৰ ৰাষ্ট্ৰপতি বিশ্বৰ ভিতৰতে শক্তিশালী প্ৰশাসক। তেওঁৰ অধীনতে ভাৰতৰ কাৰ্যকৰী, বিধায়িনী, বিত্তীয় আৰু আইন সম্পৰ্কীয় ব্যৱস্থা সমূহ থাকে। জৰুৰীকালীন অৱস্থাত তেওঁৰেই একনায়ক বা সৰ্ব ক্ষমতাৰ অধিকাৰী হৈ উঠে।

কিন্তু বাস্তৱিকতে ৰাষ্ট্ৰপতিয়ে ভোগ কৰা ক্ষমতা আৰু কাৰ্যাৱলী আমাৰ দৰে সংসদীয় চৰকাৰত প্ৰধানমন্ত্ৰীৰ নেতৃত্বৰ মন্ত্ৰী পৰিষদেহে পালন কৰে। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিজন সাংবিধানিক ভাৱে নামমাত্ৰ মুৰব্বীহে। তেওঁ মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অগ্ৰাহ্য কৰিব নোৱাৰে। সেয়েহে কিছুমান সমালোচকে ৰাষ্ট্ৰপতি গৰাকীক 'ৰাবাৰ ষ্টাম্প' ৰ লগত তুলনা কৰে।

ৰাষ্ট্ৰপতিৰ প্ৰকৃত পদমৰ্যদা সম্পৰ্কে ওপৰৰ মতসমূহ সম্পূৰ্ণ গ্ৰহণযোগ্য বুলি বিবেচিত নহয়। ৰাষ্ট্ৰৰ মুৰব্বী হিচাপে তেওঁ এক অতি মহত্বপূৰ্ণ পদত অধিষ্ঠান কৰে। চৰকাৰৰ ওপৰত তেওঁৰ প্ৰভাৱ কোনো প্ৰকাৰে অস্বীকাৰ বা কম বুলি ক'ব নোৱাৰি। তেওঁ মন্ত্ৰী পৰিষদক পৰামৰ্শ দান, উৎসাহ দান আৰু সকিয়নী প্ৰদানৰো অধিকাৰ ভোগ কৰে। ইয়াৰ উপৰি মন্ত্ৰী পৰিষদৰ সিদ্ধান্তক পুনৰ্বিবেচনাৰ বাবেও ক'ব পাৰে। এগৰাকী জ্ঞানী আৰু বুদ্ধিমান ৰাষ্ট্ৰপতিৰ বাবে এই ক্ষমতা সমূহ নিসন্দেহে গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰপতি পদটোও অতি সন্মানীয়, মৰ্যদাপূৰ্ণ আৰু খ্যাতিযুক্ত। ৰাষ্ট্ৰপতিৰ প্ৰকৃত পদমৰ্যদা নিৰ্ভৰ কৰে এই পদত অধিষ্ঠিত হোৱা ব্যক্তিগৰাকীৰ ব্যক্তিত্ব আৰু ন্যায়পৰায়ণতা বা সাধুতাৰ ওপৰত। এগৰাকী জ্ঞানী, বুদ্ধিমান আৰু সক্ৰিয় ৰাষ্ট্ৰপতিয়ে জনসাধাৰণৰ উত্তৰণ আৰু দেশৰ সৰ্বতো প্ৰকাৰৰ উন্নয়নৰ লগতে জনকল্যান মূলক কৰ্মৰ বাবে মন্ত্ৰী পৰিষদৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। আমি স্বৰ্গীয় জৱাহৰলাল নেহৰুৰ ভাষাৰে সামৰণি মাৰিব পাৰোঁ — ৰাষ্ট্ৰপতিয়ে ক্ষমতা ভোগ নকৰে, কিন্তু যথেষ্ট প্ৰভাৱ খটুৱাব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ ৰাষ্ট্ৰপতিয়ে .....সদস্য ৰাজ্যসভালৈ মনোনীত কৰে। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৬ ঃ..... অনুচ্ছেদৰ অধীনৰ জৰুৰী অৱস্থা ঘোষণাক ৰাষ্ট্ৰপতি শাসন বলৱৎ বুলিও জনা যায়। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৭ ঃ .....দ্বাৰা লোকসভা ভংগ কৰি দিব পাৰি। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৮ ঃ ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদত বিত্তীয় জৰুৰী অৱস্থাৰ বিষয়ে উল্লেখ আছে?

.....

প্ৰশ্ন ৯ ঃ কিহৰ ভিত্তিত ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব পাৰে?

.....



১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰপতি হ'ল দেশৰ সাংবিধানিক মুৰব্বী।
- ৰাষ্ট্ৰৰ সাংবিধানিক মুৰব্বী হিচাপে ৰাষ্ট্ৰপতিয়ে বিশেষ জৰুৰী ক্ষমতাকে ধৰি বহল পৰিসৰৰ ক্ষমতা আৰু কাৰ্যাৱলীৰ অনুশীলন কৰে।
- দেশৰ সমগ্ৰ প্ৰশাসনিক ব্যৱস্থাটো ৰাষ্ট্ৰপতিৰ নামত সক্ৰিয় হৈ থাকে।
- ভাৰতীয় সংবিধানে দেশত এখন সংসদীয় পদ্ধতিৰ চৰকাৰ গঠনৰ সুবিধা গঢ়ি দিছে।

ইয়াত দুই প্ৰকাৰৰ কাৰ্যবাহী থাকে। নামমাত্ৰ আৰু প্ৰকৃত কাৰ্যবাহী। ভাৰতত প্ৰধানমন্ত্ৰীৰ নেতৃত্বধীন কেন্দ্ৰীয় মন্ত্ৰীপৰিষদ হ'ল প্ৰকৃত কাৰ্যবাহী। ৰাষ্ট্ৰপতি হ'ল দেশৰ নামমাত্ৰ অথবা খিতাপধাৰী কাৰ্যবাহী।

- ৰাষ্ট্ৰপতিৰ সকলো ক্ষমতা প্ৰধানমন্ত্ৰীৰ নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে কাৰ্যৰূপায়িত কৰে।
- প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে অনুশীলন কৰা বিশেষ জৰুৰী ক্ষমতা কেইটা হ'ল — (ক) ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা, (খ) ৰাজ্যিক জৰুৰী অৱস্থা আৰু (গ) বিত্তীয় জৰুৰী অৱস্থা।
- পদত অধিষ্ঠিত হৈ থকা ব্যক্তিগৰাকীৰ ব্যক্তিত্ব, সামৰ্থ আৰু বুদ্ধিমত্তাৰ ওপৰত ৰাষ্ট্ৰপতিৰ স্থিতি নিৰ্ভৰশীল। এগৰাকী ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় চৰকাৰক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিব পাৰে।



১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*. New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi: S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi: S. Chand and Company.



১.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পাঁচ বছৰ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৩৫ বছৰ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ

(খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সংসদৰ দুয়োখন সদনৰ সকলো নিৰ্বাচিত সদস্য আৰু দেশৰ সকলো ৰাজ্যৰ ৰাজ্যিক বিধানসভা সমূহৰ সকলো নিৰ্বাচিত সদস্যৰ দ্বাৰা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে নিৰ্বাচক মণ্ডলী (Electoral College) গঠন কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১২

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৩৫৬

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰপতি

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৩৬০

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সমগ্ৰ ভাৰত নাইবা ইয়াৰ কোনো অংশত যদি বহিঃ দেশৰ আগ্ৰাসন অথবা সামৰিক অভ্যুত্থান ঘটে আৰু ই দেশৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে, তেন্তে সংবিধানৰ ৩৫২ নং অনুচ্ছেদৰ অধীনত ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে।



১.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ বিষয়ে উল্লেখ আছে?

প্ৰশ্ন ২ ঃ ভাৰতৰ বৰ্তমান ৰাষ্ট্ৰপতি কোন? তেওঁ কেতিয়াৰ পৰা ৰাষ্ট্ৰপতি পদত কাৰ্যনিৰ্বাহ কৰি আছে?

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰপতিক কৰ্তব্যৰ পৰা আঁতৰাবলৈ তেওঁক এখন ১৪ দিনৰ আগতীয়া জাননী দিব লাগে। (শুদ্ধ/অশুদ্ধ)

(খ) চুটি প্ৰশ্ন- (প্ৰায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী এগৰাকীৰ থাকিবলগীয়া প্ৰয়োজনীয় অৰ্হতাবোৰ কি কি?

প্ৰশ্ন ২ ঃ ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ৰাজ্যিক বিধান সভাৰ সদস্যসকলৰ ভোটবোৰৰ মূল্য কেনেদৰে নিৰ্ধাৰণ কৰা হয়?

প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰপতিৰ হাতত থকা তিনিটা জৰুৰী ক্ষমতাৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ এখন ৰাজ্যত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ অৰ্থ কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰপতিৰ চাৰিটা বিধায়িনী ক্ষমতাৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আৰু অপসাৰণ প্ৰক্ৰিয়া দুটা আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ বিত্তীয় জৰুৰী অৱস্থা ঘোষণাৰ ফলত হ'ব পৰা প্ৰভাৱসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা নিৰূপণ কৰক।

****

অধ্যায় ২ ঃ ভাৰতৰ উপৰাষ্ট্ৰপতি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অৰ্হতা

২.৪ নিৰ্বাচন প্ৰক্ৰিয়া

২.৫ কাৰ্যকাল

২.৬ অপসাৰণ প্ৰক্ৰিয়া

২.৭ উপ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ

২.৮ উপ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা

২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১০ অধিক জানিবলৈ

২.১১ অগ্ৰগতিৰ খতিয়ান

২.১২ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টোপঢ়াৰ পাছত আপুনি —

- উপ ৰাষ্ট্ৰপতিৰ অৰ্হতা আৰু কাৰ্যকাল আদিৰ বিষয়ে জানিব পাৰিব
- উপ ৰাষ্ট্ৰপতিৰ অপসাৰণ প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰিব পাৰিব
- উপ ৰাষ্ট্ৰপতিৰ পদমৰ্যদা, ক্ষমতা আৰু কাৰ্যাৱলী বিশ্লেষণ কৰিবলৈ সমৰ্থ হ'ব।

২.২ পৰিচয়

ভাৰতৰ উপৰাষ্ট্ৰপতিক দেশৰ দ্বিতীয় গৰাকী নাগৰিক হিচাপে বিবেচনা কৰা হয়। ভাৰতৰ সংবিধানে ভাৰতৰ উপৰাষ্ট্ৰপতিক গুৰুত্বপূৰ্ণ স্বীকৃতি প্ৰদান কৰিছে ভাৰতৰ সংবিধানৰ ৬৩ নং অনুচ্ছেদ অনুসৰি উপৰাষ্ট্ৰপতি পদ বাধ্যতামূলক। ভাৰতৰ সংবিধানে প্ৰদান কৰা কৰ্তব্য উপৰাষ্ট্ৰপতিয়ে পালন কৰে। ৰাষ্ট্ৰপতিৰ অৱৰ্তমানত উপৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ দায়িত্ব আৰু কৰ্তব্যসমূহ পালন কৰিব লগা হয়। ভাৰতৰ সংবিধান প্ৰণেতা সকলে ভাৰতৰ উপৰাষ্ট্ৰপতি ব্যৱস্থা আমেৰিকাৰ সংবিধানৰ পৰা গ্ৰহণ কৰিছে। ৰাজ্যসভাৰ পদেন অধ্যক্ষ হিচাপে উপ ৰাষ্ট্ৰপতিয়ে ভাৰতৰ ৰাজনৈতিক প্ৰক্ৰিয়াত তাৎপৰ্য্য ভূমিকা পালন কৰে।

২.৩ অৰ্হতাসমূহ

উপ ৰাষ্ট্ৰপতিৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব খোজা প্ৰাৰ্থী এগৰাকীৰ যোগ্যতাসমূহ হ'ল —

(ক) তেওঁ ভাৰতীয় নাগৰিক হোৱাতো বাধ্যতামূলক।

(খ) তেওঁৰ ন্যূনতম বয়স ৩৫ বছৰ হ'ব লাগিব।

(গ) উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে নিৰ্দ্ধাৰিত ৰাজ্যসভাৰ এজন সদস্য হিচাপে থাকিব লগীয়া যোগ্যতাখিনি থাকিব লাগিব।

(ঘ) উপ ৰাষ্ট্ৰপতি পদত প্ৰাৰ্থীত্ব আগবঢ়োৱা ব্যক্তি গৰাকীয়ে ভাৰত চৰকাৰ বা যিকোনো ৰাজ্যৰ ৰাজ্য চৰকাৰ বা ৰাজ্য চৰকাৰৰ অধীনত স্থানীয় অথবা চৰকাৰ নিয়ন্ত্ৰিত অন্য যিকোনো বিভাগৰ কোনো লাভজনক পদত থাকিব নালাগিব।

(ঙ) তেওঁ সংসদৰ বা কোনো ৰাজ্যৰ বিধান সভাৰ সদস্য হ'ব নালাগিব।

(চ) তেওঁ বিকৃত মস্তিষ্ক লোক নোহোৱাটো বাধ্যতামূলক।

(ছ) তেওঁ ঋণগ্ৰস্ত আৰু দেউলীয়া হ'ব নালাগিব।

২.৪ নিৰ্বাচনী প্ৰক্ৰিয়া

ভাৰতৰ উপ ৰাষ্ট্ৰপতি গৰাকীক সামানুপাতিক প্ৰতিনিধিত্ব মূলক পদ্ধতিৰ আধাৰত একক হস্তান্তৰযোগ্য ভোটৰ জৰিয়তে নিৰ্বাচিত কৰা হয়। সংসদৰ দুয়োখন সদনৰ সদস্যসকলৰ দ্বাৰা গঠিত নিৰ্বাচক মণ্ডলী (Electoral College) ৰ অংশ গ্ৰহণেৰে উপ ৰাষ্ট্ৰপতি নিৰ্বাচন কৰা হয়। ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়াটো গোপন বেলট যোগে সম্পন্ন হয়। ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত ৰাজ্য বিধানসভাৰ সদস্যসকল নিৰ্বাচক মণ্ডলী (Electoral College) ৰ অন্তৰ্গত নহয়; ইয়াৰ বিপৰীতে ৰাষ্ট্ৰপতি নিৰ্বাচনতহে নিৰ্বাচক মণ্ডলীৰ অন্তৰ্ভুক্ত হয়। উপ ৰাষ্ট্ৰপতি নিৰ্বাচনত সংসদৰ মনোনীত সদস্যসকলেও ভোটদানৰ সুবিধা লাভ কৰে। এই মনোনীত সদস্যসকলে কিন্তু ৰাষ্ট্ৰপতি নিৰ্বাচনত ভোটদান কৰিব নোৱাৰে। উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ নিৰ্বাচক মণ্ডলীৰ প্ৰত্যেক গৰাকী সদস্যই কেৱল এটা ভোটৰ অধিকাৰহে ভোগ কৰে।

উপ ৰাষ্ট্ৰপতিনিৰ্বাচনৰ এক সুকীয়া পদ্ধতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত ড° বি আৰ আম্বেদকাৰে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোক ন্যায্যতা প্ৰদান কৰি মূল্যায়ন কৰিছে। আম্বেদকাৰৰ ভাষাত "ৰাষ্ট্ৰপতি হৈছে ৰাষ্ট্ৰৰ মুৰব্বী আৰু তেওঁৰ ক্ষমতা কেন্দ্ৰৰ লগতে ৰাজ্যসমূহৰ প্ৰশাসনলৈকে প্ৰসাৰিত হৈ থাকে, ফলস্বৰূপে কেৱল সংসদৰ সদস্য সকলেহে যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰা আৱশ্যক এনে নহয়; ৰাজ্যিক বিধানসভাৰ সদস্যসকলোৰো ভোটাধিকাৰ

থকা উচিত। উপ ৰাষ্ট্ৰপতিৰ নিয়মীয়া কাৰ্যাৱলীৰ ভিতৰত ৰাজ্য সভাৰ অধ্যক্ষৰ দায়িত্বও অন্যতম। অৱশ্যে এইটোও কদাচিত ক্ষেত্ৰতহে আৰু অস্থায়ী সময়ৰ বাবেহে তেওঁ ৰাষ্ট্ৰপতিৰ কৰ্তব্যসমূহ পালন কৰে। অৰ্থাৎ ৰাষ্ট্ৰপতিৰ হৈহে দায়িত্ব চম্ভালে। এনে হোৱাৰ বাবেই উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ৰাজ্য বিধানসভাৰ সকলো সদস্যক অংশগ্ৰহণ কৰিবলৈ দিয়াৰ আৱশ্যকতা নাই।

উপ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰস্তাৱিত প্ৰাৰ্থী গৰাকীৰ মনোনয়ন পত্ৰত ২০ জন ব্যক্তিয়ে প্ৰস্তাৱ আৰু ২০ জন ব্যক্তিয়ে সমৰ্থন কৰা প্ৰয়োজন। প্ৰাৰ্থী গৰাকী মনোনয়ন পত্ৰ জমা কৰোঁতে লগত ১৫০০০ টকা জমা দিব লাগে। ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত মাজে সময়ে উপ ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত নোহোৱাও দেখা যায়। মাজে সময়ে উপ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীজন সৰ্বসন্মতি ক্ৰমেও নিৰ্বাচিত হ'য়। উদাহৰণ স্বৰূপে ঃ- ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ দুটা ক্ৰমাগত কাৰ্যকালৰ বাবে ১৯৫২আৰু ১৯৫৭ চনত, এম হিদয়াতুল্লাহ ১৯৭৯ চনত আৰু ড° শংকৰ দয়াল শৰ্মা ১৯৮৭ চনত বিনা প্ৰতিদ্বন্দ্বিতাৰে উপ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল। ড° মহম্মদ হামিদ আনচাৰীয়ে আকৌ দুটা ক্ৰমাগত কাৰ্যকালৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি দুয়োটা নিৰ্বাচনতে জয়ী হৈ দুবাৰ কৈ উপ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। উপ ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় জয়ী হোৱা আন আন উপ ৰাষ্ট্ৰপতি সকল হৈছে —

(ক) ড° জাকিৰ হুছেইন ১৯৬২,
(খ) ভি ভি গিৰি ১৯৬৭,
(গ) জি এছ পাঠক ১৯৬৯,
(ঘ) বি. ডি. জাট্টি ১৯৭৪,
(ঘ) আৰ ভেঙ্কটৰমণ ১৯৮৪,
(ঘ) কে. আৰ. নাৰায়ণন ১৯৯২,
(ঘ) শ্ৰী কৃষ্ণ কান্ত ১৯৯৭
(ঘ) বি. ডি. জাট্টি ১৯৭৪,
(ঘ) শ্ৰী ভৈৰণ সিং শেখাৱত ২০০২।

২.৫ কাৰ্যকাল

ভাৰতৰবৰ্ষৰ সংবিধানে উপ ৰাষ্ট্ৰপতিৰ কাৰ্যকাল ৫ বছৰ ধাৰ্য্য কৰিছে। সংসদৰ দুয়ো সদনৰ নিৰ্বাচিত আৰু মনোনীত সদস্যৰে গঠিত নিৰ্বাচক মণ্ডলীয়ে নিৰ্বাচিত কৰাৰ পাছতেই উপ ৰাষ্ট্ৰপতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰে। নিজৰ নিয়মীয়া কাৰ্যকাল সমাপ্ত হোৱাৰ আগতেই উপ ৰাষ্ট্ৰপতিয়ে পদত্যাগ কৰিব পাৰে। এই ধৰণৰ ঘটনা ১৯৬৯ চনত ভি. ভি. গিৰিৰ ক্ষেত্ৰত হৈছিল। ৰাজ্য সভাৰ গৰিষ্ঠ সংখ্যক সদস্যৰ সমৰ্থন সাপেক্ষে সিদ্ধান্ত গ্ৰহণ কৰি লোক সভাৰো সন্মতি সাপেক্ষে উপ ৰাষ্ট্ৰপতিক অপসাৰিত কৰিব পৰা যায়। উপ ৰাষ্ট্ৰপতিক অপসাৰণ

কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিলৈ ১৪ দিনৰ আগতে এখন জাননী পঠোৱা হয়। যদিও উপ ৰাষ্ট্ৰপতি পুনৰ নিৰ্বাচনৰ সুবিধা সংবিধানত নাই, তথাপি উপ ৰাষ্ট্ৰপতি পদৰ বাবে সেই পদত থকা ব্যক্তি এগৰাকীয়ে পুনৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব পাৰে। কাৰণ পুনৰ নিৰ্বাচনৰ ক্ষেত্ৰত ভাৰতৰ সংবিধান সম্পূৰ্ণভাৱে নীৰৱ। কিন্তু এইটো এটা নীতি হিচাপে প্ৰতিষ্ঠিত হৈ গৈছে যে ৰাষ্ট্ৰপতিয়ে হওক বা উপ ৰাষ্ট্ৰপতিয়ে হওক দুটা কাৰ্যকালৰ পাছত পুনৰ নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰে।

২.৬ অপসাৰণ প্ৰক্ৰিয়া

ৰাজ্য সভাত গৃহীত প্ৰস্তাৱ মৰ্মে আৰু লোকসভাৰ সন্মতি সাপেক্ষে উপ ৰাষ্ট্ৰপতি পদৰ পৰা ব্যক্তি এগৰাকীক অপসাৰণ কৰিব পাৰি। কিন্তু ৰাজ্যসভাত এনে সিদ্ধান্ত গৃহীত কৰাৰ আগতে ৰাষ্ট্ৰপতিলৈ ১৪ দিনৰ আগতে এখন জাননী দিয়া আৱশ্যক। উপ ৰাষ্ট্ৰপতিয়েও তেওঁৰ কাৰ্যকাল শেষ হোৱাৰ আগতে ৰাষ্ট্ৰপতিৰ ওচৰত পদত্যাগ পত্ৰ দাখিল কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ সংবিধানৰ কোনটো অনুচ্ছেদ অনুযায়ী উপ ৰাষ্ট্ৰপতি পদ বাধ্যতামূলক?

.....

প্ৰশ্ন ২ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ গুৰুত্বপূৰ্ণ কাৰ্য এটা উল্লেখ কৰক।

.....

প্ৰশ্ন ৩ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদৰ বাবে অত্যাৱশ্যকীয় তিনিটা অৰ্হতা উল্লেখ কৰক।

.....

প্ৰশ্ন ৪ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিক সামানুপাতিক প্ৰতিনিধিত্ব পদ্ধতিৰে নিৰ্বাচন কৰা হয়— (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৫ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ নিৰ্বাচকমণ্ডলীৰ সম্পৰ্কে আলোচনা কৰক।

.....

প্ৰশ্ন ৬ ঃ ড° ৰাধাকৃষ্ণণ কেইবাৰৰ বাবে ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল?

.....

প্ৰশ্ন ৭ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ অপসাৰণ পদ্ধতিৰ বিষয়ে চমুকৈ লিখক।

.....

২.৭ উপৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী

ভাৰতৰ সংবিধানে উপৰাষ্ট্ৰপতিক গুৰুত্বপূৰ্ণ ক্ষমতা আৰু কাৰ্যাৱলী প্ৰদান কৰিছে, যি ভাৰতৰ দ্বিতীয় সৰ্ব্বোচ্চ পদৰ অধিকাৰী হিচাপে বিবেচিত হয়। সংবিধান প্ৰদত্ত বিধি অনুযায়ী উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ পাছতেই সন্মানীয় আসন অধিকাৰ কৰে। ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী তেওঁ কাৰ্যকালত দেখুওৱা সক্ৰিয়তা আৰু দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। কাৰণ ভাৰতৰ সংবিধানে তেওঁক বিশেষ সাংবিধানিক ক্ষমতা বা কাৰ্যাৱলী প্ৰদান কৰা নাই। তথাপি তেওঁ ৰাষ্ট্ৰৰ দ্বিতীয় সৰ্ব্বোচ্চ প্ৰশাসনীয় বিষয়া হিচাবে বহু কাৰ্য সম্পাদন কৰে। উপ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী এনেধৰণৰ ঃ

- **ৰাজ্য সভাৰ অধ্যক্ষ ঃ** উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাৰ অধ্যক্ষ হিচাপে উল্লেখযোগ্য ভূমিকা পালন কৰে। ৰাজ্য সভাৰ সদস্য নহ'লেও উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাৰ পদেন অধ্যক্ষৰ দায়িত্ব পালন কৰে। ৰাজ্য সভাৰ পদেন অধ্যক্ষ হিচাপে উপ ৰাষ্ট্ৰপতিৰ ৰাজ্য সভাৰ কাম-কাজসমূহ আগুৱাই নিয়া মূল দায়িত্ব। ৰাজ্য সভাৰ অনুশাসন আৰু নীতি-নিয়ম বৰ্তাই ৰখা আৰু কোনোৱে যদি ৰাজ্য সভাৰ বিধি-বিধান ভংগ কৰে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষমতা আছে। উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাৰ কাৰ্যসূচীৰ ভিতৰুৱা আলোচনা আৰু তৰ্কসমূহ পৰিচালনা কৰাৰ ক্ষমতা থাকে আৰু তেওঁৰ অনুমোদন মৰ্মেহে ৰাজ্য সভাৰ সদস্যসকলে এই আলোচনা আৰু তৰ্ক সমূহত অংশ গ্ৰহণ কৰিব পাৰে। ৰাজ্য সভাত কোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰ দুটা পক্ষৰ মতদান যদি সমান সমান হয় তেতিয়া উপ ৰাষ্ট্ৰপতিয়ে ভোটদান কৰি সেই সিদ্ধান্ত গৃহীত বা খাৰিজ কৰিব পাৰে। উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতি ভৱন আৰু লোক সভাৰ মুখপাত্ৰ হিচাপেও দায়িত্ব পালন কৰে। ৰাজ্য সভাৰ পদেন অধ্যক্ষ হিচাপে সদনত সদস্য সকলৰ বিশেষাধিকাৰ সুৰক্ষা প্ৰদান কৰে। ৰাজ্য সভাৰ আভ্যন্তৰীণ বিষয় সমূহ পৰিচালনা কৰা উপ ৰাষ্ট্ৰপতিৰ একক দায়িত্ব। ৰাজ্য সভা যিহেতু স্থায়ী সদন সেয়ে ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা আগুৱাই নিয়াৰ ক্ষেত্ৰত উপ ৰাষ্ট্ৰপতিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।
- **ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ লগত জড়িত কাৰ্যাৱলী ঃ** যেতিয়া ৰাষ্ট্ৰপতিৰ পদ খালী থাকে, তেতিয়া উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতি পদৰ দায়িত্ব গ্ৰহণ কৰি সেৱা আগবঢ়ায়। ৰাষ্ট্ৰপতিৰ অপসাৰণ, মৃত্যু অথবা পদত্যাগৰ বাবে এই পদ খালী থাকিব পাৰে। এনে ধৰণৰ ৰাষ্ট্ৰপতি পদ খালী থকা অৱস্থাত উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ পদৰ দায়িত্ব লোৱাটো অতি জৰুৰী। এই ক্ষেত্ৰত ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি পদৰ মাজত কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি পদটো খালী হ'লে উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ

দায়িত্ব গ্ৰহণ কৰে আৰু নির্ধাৰিত সময় শেষ নোহোৱালৈ ৰাষ্ট্ৰপতিৰ কার্য সম্পাদন কৰে। ই এইটোৱে সূচায় যে আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতিৰ তিৰোধানৰ পাছত উপ ৰাষ্ট্ৰপতি আপোনা আপুনি ৰাষ্ট্ৰপতিৰ স্থলাভিষিক্ত হয়। কিন্তু ভাৰতৰ পদ্ধতিটো সুকীয়া। ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতি পদৰ দায়িত্বহে পালন কৰিব পাৰে, ৰাষ্ট্ৰপতি পদ অধিকাৰ কৰিব নোৱাৰে। তেওঁ ৰাষ্ট্ৰপতি হ'বলৈ হ'লে নির্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব লাগিব। ভাৰতত উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ হৈ সর্বাধিক ৬ মাহৰ বাবেহে সেৱা আগৰঢ়াব বা দায়িত্ব পালন কৰিব পাৰিব, যিটো ভাৰতৰ সংবিধান প্ৰদত্ত নিয়ম। ভাৰতৰ ৰাজনৈতিক পদ্ধতিৰ ইতিহাসত যিমান দূৰ কেৱল এবাৰহে ৰাষ্ট্ৰপতি পদৰ আকস্মিক খালী হৈছিল, যেতিয়া ড° জাকিৰ হুছেইনৰ মৃত্যু ঘটে। ইয়াৰ ফলস্বৰূপে ভি ভি গিৰিয়ে মাত্ৰ ৪ মাহৰ বাবে ৰাষ্ট্ৰপতিৰ পদৰ দায়িত্ব পালন কৰিছিল। ইয়াৰ পাছত নতুনকৈ নির্বাচন অনুষ্ঠিত হয় আৰু ৰাষ্ট্ৰপতি পদাধিস্থিত উপ ৰাষ্ট্ৰপতি ভি ভি গিৰি বিধিসন্মত ভাৱে ৰাষ্ট্ৰপতি হয়। ১৯৭৭ চনত বি. ডি. জাট্টিয়ে সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ মৃত্যুৰ বাবে ৰাষ্ট্ৰপতিৰ দায়িত্ব পালন কৰিব লগা হৈছিল। বিভিন্ন কাৰণত উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ দায়িত্ব পালন কৰিবলগীয়া হয়। ১৯৫০ চনত ড° ৰাজেন্দ্ৰ প্ৰসাদৰ অবর্তমানত তেতিয়াৰ উপ ৰাষ্ট্ৰপতি ড° সর্বপল্লী ৰাধাকৃষ্ণণে ৰাষ্ট্ৰপতিৰ দায়িত্ব পালন কৰিছিল। ১৯৭৭ চনত যেতিয়া সঞ্জীৱা ৰেড্ডিয়ে স্বাস্থ্যজনিত কাৰণত আমেৰিকাৰ যুক্তৰাষ্ট্ৰলৈ গৈছিল তেতিয়া উপ ৰাষ্ট্ৰপতি বি. ডি. জাট্টিয়ে ভাৰতৰ ৰাষ্ট্ৰপতিৰ ভূমিকা পালন কৰিছিল। প্ৰাক্তন উপ ৰাষ্ট্ৰপতি হিদয়াতুল্লাহেও ১৯৯০ চনত তেতিয়াৰ ৰাষ্ট্ৰপতি জাইল সিঙৰ অবর্তমানত ৰাষ্ট্ৰপতিৰ কর্ত্তব্য পালন কৰিছিল।

- **বৈদেশিক সম্পর্ক ৰক্ষাত সহায়তা ঃ** ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ওচৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ লগত বন্ধুত্বপূর্ণ সম্পর্ক স্থাপন কৰিবৰ নিমিত্তে ভিন ভিন বিদেশী ৰাষ্ট্ৰ ভ্ৰমণ কৰে। দ্বিতীয় গৰাকী শীর্ষ স্থানীয় কেন্দ্ৰীয় কার্যনির্বাহক হিচাপে ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে বিদেশ ভ্ৰমণত সন্মান আৰু অগ্ৰাধিকাৰ লাভ কৰে আৰু বিভিন্ন দেশৰ মুৰব্বী সকলৰ লগত আলোচনাত বহে। বিদেশী ৰাষ্ট্ৰসমূহৰ লগত সুষ্ঠ সম্পর্ক গঢ়ি তুলিবলৈ গ্ৰহণ কৰা ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ বিদেশ ভ্ৰমণ সমূহে ভাৰতৰ সংসদীয় গনতন্ত্ৰকো বহুখিনি সহায় কৰে।
- **অন্যান্য বিবিধ কার্যাৱলী ঃ** ভাৰতৰ উপ ৰাষ্ট্ৰপতি গৰাকীয়ে অন্যান্য কিছুমান বিশেষ কার্যাৱলীও কৰিব লগা হয়। এই বিবিধ কার্যাৱলীৰ ভিতৰত তেওঁ পালন কৰা কর্তব্য সমূহ যেনে — বিভিন্ন বিশ্ববিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান, প্ৰযুক্তি প্ৰতিষ্ঠান আদি ভ্ৰমণ উল্লেখযোগ্য। এনে ভ্ৰমণে উচ্চ শিক্ষাৰ প্ৰতি সজাগতা, মানৰ সম্পদ সৃষ্টি

আৰু সামাজিক মূলধন বৃদ্ধি কৰাত সহায় কৰে। দেশৰ ভিতৰত বিভিন্ন ৰাজ্যসমূহৰ মাজত সুসম্পৰ্ক বা একতা আৰু সমভাৱ সৃষ্টিৰ বাবেও উপ ৰাষ্ট্ৰপতিয়ে দেশৰ বিভিন্ন ৰাজ্য ভ্ৰমণ কৰে।

যদিও সংবিধানে ভাৰতৰ উপ ৰাষ্ট্ৰপতিক বিশেষ কোনো সাংবিধানিক ক্ষমতা আৰু কার্যাৱলী অর্পণ কৰা নাই তথাপি উপ ৰাষ্ট্ৰপতিৰ সক্ৰিয়তা আৰু আকর্ষণীয় গুণৰাজিৰ জৰিয়তে, তেওঁ নিজকে গুৰুত্বপূর্ণ কৰি তুলিব পাৰে। যিহেতু ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদটো দেশৰ ভিতৰতে দ্বিতীয় শীর্ষস্থানীয় প্ৰশাসনিক পদ হিচাপে বিবেচনা কৰা হয়, সেয়ে এই মর্যাদাৰ সহায়তে এই পদটোৱে সন্মান আৰু অগ্ৰাধিকাৰৰ জৰিয়তে ইয়াৰ সক্ৰিয়তা উজ্বলাই তুলিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাত কোনো প্ৰস্তাৱ গৃহীত কৰিবলৈ যাওঁতে দুটা পক্ষৰ মাজত যদি সমান সমান মতদান হয়, তেতিয়া তেওঁ সপক্ষে বা বিপক্ষে ভোট দিয়াৰ অধিকাৰ আছে — (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৯ঃ ভাৰতৰ ড° জাকিৰ হুছেইন ৰাষ্ট্ৰপতি হৈ থকা কালছোৱাত ভাৰতৰ উপ ৰাষ্ট্ৰপতি কোন আছিল?

.....

প্ৰশ্ন ১০ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ অন্যান্য বিবিধ কার্যাৱলী সম্পর্কে চমুকৈ আলোচনা কৰক।

.....

২.৮ উপ ৰাষ্ট্ৰপতিৰ পদমর্যাদা

ভাৰতৰ উপ ৰাষ্ট্ৰপতি গৰাকীৰ পদমর্যাদা আৰু স্বীকৃতি প্ৰায় আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিৰ সমপর্যায়ৰ। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি এই দুয়োটা দপ্তৰে বাহ্যিক ভাৱে আড়ম্বৰপূর্ণ বহু স্বীকৃতি লাভ কৰে। কিন্তু ৰাষ্ট্ৰপতিৰ অবর্তমানত উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত আমেৰিকাৰ উপ ৰাষ্ট্ৰপতিৰ তুলনাত ভাৰতৰ উপ ৰাষ্ট্ৰপতি পিছ পৰি থাকে। কিয়নো আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাষ্ট্ৰপতি গৰাকীৰ আকস্মিক মৃত্যু অথবা অন্য কিবা কাৰণত ৰাষ্ট্ৰপতিৰ আসন খালী হ'লে উপ ৰাষ্ট্ৰপতি গৰাকী আপোনা আপুনি ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয়। ভাৰতত এনে নহয়। ফলস্বৰূপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিপদটোৰ তুলনাত ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদটো দুর্বল হৈ পৰিছে। যিস্থলত আমেৰিকা যুক্তৰাষ্ট্ৰত উপ

ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যকাল শেষ নোহোৱালৈকে ৰাষ্ট্ৰপতি দায়িত্ব পালন কৰিব পাৰে। ভাৰতৰ প্ৰসঙ্গত ক'ব পাৰি যে ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে পূৰ্ণ পৰ্যায়ৰ ৰাষ্ট্ৰপতি নিযুক্তি নোহোৱালৈকে ৰাষ্ট্ৰপতি শূন্য সময়খিনিত কেৱল দায়িত্বহে পালন কৰে। ভাৰতত ছমাহৰ ভিতৰতে পূৰ্ণ পৰ্যায়ৰ ৰাষ্ট্ৰপতি নিয়োগ কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত উপ ৰাষ্ট্ৰপতি গৰাকী ৰাষ্ট্ৰপতি হোৱাৰ পূৰ্ণ মাত্ৰাই সম্ভাৱনা থাকে যিটো ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ বাবে সম্পূৰ্ণ অনুপস্থিত। কিন্তু ৰাষ্ট্ৰপতিৰ অবৰ্তমানত ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিৰ দায়িত্ব পালন কৰে। সাংবিধানকভাৱে ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্যসভাৰ পদেন অধ্যক্ষ হিচাপে অগ্ৰাধিকাৰ লাভ কৰে। সৰল ভাষাত ক'বলৈ গ'লে আমি ক'ব পাৰোঁ যে সংবিধানে ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ বাবে ক্ষমতা, পৃষ্ঠপোষকতা আৰু দায়বদ্ধতাৰ সুবিধা প্ৰদান কৰা নাই যদিও ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদটো এটা অতি সন্মানীয়, বিশেষাধিকাৰ যুক্ত আৰু আভিজাত্য সুলভ পদমৰ্যাদাৰে মহান প্ৰতিষ্ঠান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১১ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিৰ মাজৰ এটা পাৰ্থক্য উল্লেখ কৰক ।

.....

প্ৰশ্ন ১২ ঃ ভাৰতৰ ৰাষ্ট্ৰপতিপদটো খালী হোৱা তাৰিখৰ পৰা ছমাহ ৰ ভিতৰত পূৰ কৰিব লাগিব। (শুদ্ধ/অশুদ্ধ)

.....



২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংবিধানৰ ৬৩ নং অনুচ্ছেদ অনুসৰি দেশত উপ ৰাষ্ট্ৰপতি পদ থকাটো বাধ্যতামূলক। ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে সংবিধানে প্ৰদান কৰা দায়িত্ব আৰু কৰ্ত্তব্যসমূহ পালন কৰে।
- ভাৰতৰ উপ ৰাষ্ট্ৰপতিক একক হস্তান্তৰযোগ্য সমানুপাতিক প্ৰতিনিধিত্বমূলক ভোট পদ্ধতিৰ জৰিয়তে নিৰ্বাচন কৰা হয়। সংসদৰ দুয়োখন সদনৰ সদস্যসকলৰদ্বাৰা গঠিত নিৰ্বাচক মণ্ডলীয়ে উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশগ্ৰহণ কৰে।
- ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া গোপন বেলট যোগে সম্পন্ন হয় । যদি উপ ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচন পতা হয় তেন্তে ৰাজ্য সভাৰ মনোনীত সদস্য সকলেও ভোটদানৰ সুবিধা পায়।
- ভাৰতৰ সংবিধানে উপ ৰাষ্ট্ৰপতিৰ কাৰ্যকাল পাঁচ বছৰ স্থিৰ কৰিছে। তেওঁ পুনৰ বাৰৰ বাবে সংসদৰ দুয়োখন সদনৰ নিৰ্বাচিত আৰু মনোনীত সদস্য সকলেৰে গঠিত নিৰ্বাচক

মণ্ডলীৰদ্বাৰা নিৰ্বাচিত বা মনোনীত হৈ উপ ৰাষ্ট্ৰপতি হ'ব পাৰে। উপ ৰাষ্ট্ৰপতিয়ে নিজৰ কাৰ্যকাল শেষ হোৱাৰ আগতে পদত্যাগ কৰিব পাৰে।

- লোকসভাৰ আগতীয়া সন্মতি সাপেক্ষে ৰাজ্যসভাত প্ৰস্তাৱ গ্ৰহণ কৰি উপ ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰিত কৰিব পাৰি। কিন্তু উপ ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে ৰাজ্যসভাই অপসাৰণৰ প্ৰস্তাৱ লোৱাৰ আগতে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন চৌধ্য দিনৰ আগতীয়া জাননী পঠিয়াব লাগে। উপ ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰপতিক পদত্যাগ পত্ৰ দাখিল কৰি পদত্যাগো কৰিব পাৰে।
- ৰাজ্যসভাৰ অধ্যক্ষ হিচাপে উপ ৰাষ্ট্ৰপতিয়ে এক বিশেষ ভূমিকা পালন কৰে। ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাৰ পদেন অধ্যক্ষ হিচাপে কৰ্তব্য পালন কৰে। ৰাজ্যসভাত কোনো সিদ্ধান্ত গ্ৰহণ কৰোঁতে দুয়োটা পক্ষৰ মতদান সমান হ'লে উপ ৰাষ্ট্ৰপতিয়ে নিজ পছন্দৰ পক্ষত ভোটদান কৰিব পাৰে।
- যেতিয়া ৰাষ্ট্ৰপতি পদটো খালী হয়, উপ ৰাষ্ট্ৰপতিয়ে সাময়িকভাৱে ৰাষ্ট্ৰপতিৰ দায়িত্ব গ্ৰহণ কৰে আৰু ৰাষ্ট্ৰপতিৰহৈ সেৱা আগবঢ়ায়। মৃত্যু, পদত্যাগ বা অপসাৰণৰ বাবে ৰাষ্ট্ৰপতি পদটো খালী হ'ব পাৰে।
- ওচৰ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিবলৈ ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে বিভিন্ন বিদেশী ৰাষ্ট্ৰ ভ্ৰমণ কৰে।
- ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা আৰু স্বীকৃতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিৰ প্ৰায় সমপৰ্যায়ৰ। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতিৰ পদ দুটাই বহুতো আড়ম্বৰপূৰ্ণ মৰ্যাদা বহন কৰে।
- সাংবিধানিকভাৱে ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভাৰ পদেন অধ্যক্ষ হিচাপে অগ্ৰাধিকাৰ লাভ কৰে। সৰল ভাষাত ক'ব পৰা যায় যে সংবিধানে উপ ৰাষ্ট্ৰপতিৰ পদটোক কোনো বিশেষ ক্ষমতা, পৃষ্ঠাপোষকতা আৰু দায়িত্ব প্ৰদান নকৰিলেও ই এক সন্মানীয়, বিশেষাধিকাৰ যুক্ত আৰু অভিজাত পদ।



২.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: CosmosBookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*. New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi: S. Chand and Company.

২.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৬৩ নং অনুচ্ছেদ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ এটা অতি গুৰুত্বপূৰ্ণ কাৰ্য হ'ল তেওঁ ৰাজ্য সভাৰ পদেন অধ্যক্ষ হিচাপে সেৱা আগবঢ়ায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰয়োজনীয় তিনিটা গুৰুত্বপূৰ্ণ অৰ্হতা হ'ল—

(ক) তেওঁ ভাৰতৰ নাগৰিক হোৱাটো বাধ্যতামূলক।

(খ) তেওঁৰ বয়স ৩৫ বছৰৰ অধিক হোৱাটো বাধ্যতামূলক।

(গ) তেওঁ ৰাজ্য সভাৰ এজন সদস্য হিচাপে থাকিব লগীয়া অৰ্হতাখিনিৰ অধিকাৰী হ'ব লাগিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিক সামানুপাতিক প্ৰতিনিধিত্বমূলক পদ্ধতিৰ আধাৰত একক হস্তান্তৰযোগ্য ভোটৰ জৰিয়তে নিৰ্বাচিত কৰা হয়। সংসদৰ দুয়োখনসদনৰ সদস্য সকলেৰে গঠিত নিৰ্বাচক মণ্ডলীয়ে উপ ৰাষ্ট্ৰপতি নিৰ্বাচনত অংশ গ্ৰহণ কৰে। ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনত সংসদৰ মনোনীত সদস্য সকলেও ভোটদানৰ সুবিধা পায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দু টা কাৰ্যকাল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ লোকসভাৰ লগত আগতীয়া বুজাবুজিৰে ৰাজ্যসভাই প্ৰস্তাৱ গৃহীত কৰি উপ ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰণ কৰিব পাৰে। কিন্তু ৰাজ্যসভাত উপ ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে এনে প্ৰস্তাৱ লোৱাৰ আগতে ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন ১৪ দিনৰ আগতীয়া জাননী প্ৰেৰণ কৰাটো আৱশ্যক। উপ ৰাষ্ট্ৰপতিয়ে নিজ ৰাষ্ট্ৰপতিৰ হাতত পদত্যাগ পত্ৰও দাখিল কৰিব পাৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ভি ভি গিৰি

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে বিশেষ কিছুমান অন্যান্য কাৰ্যও সম্পাদন কৰিব লগীয়া হয়। যেনে — বিভিন্ন বিশ্ববিদ্যালয়, গৱেষনা প্ৰতিষ্ঠান, প্ৰযুক্তি প্ৰতিষ্ঠান আদি ভ্ৰমণ উল্লেখযোগ্য। উচ্চ শিক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধি, মানৰ সম্পদ সৃষ্টি আৰু সামাজিক মূলধন গঠনৰ অংশ হিচাপে তেওঁ এই ভ্ৰমণ সমূহ কৰে। তেওঁ ভাৰতৰ বিভিন্ন অংগৰাজ্য ভ্ৰমন কৰি বিভিন্ন অঞ্চলৰ মাজত একতা আৰু সমভাৱ সৃষ্টিৰ প্ৰয়াস কৰে। ভাৰতৰ মুখ্য ন্যায়াধীশ, ভাৰতৰ ৰাষ্ট্ৰপতি, সাধাৰণ নিৰ্বাচনৰ পাছত সংসদৰ সদস্য সকলে শপত গ্ৰহণ কৰা আৰু কাৰ্যভাৰ লোৱা অনুষ্ঠানসমূহত উপ ৰাষ্ট্ৰপতি উপস্থিত থাকে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি পদৰ মাজত থকা এটা পাৰ্থক্য হ'ল —মৃত্যু বা অন্য কাৰণত ৰাষ্ট্ৰপতিৰ পদটো খালী হ'লে ভাৰতৰ উপ ৰাষ্ট্ৰপতিয়ে দেশখনৰ ৰাষ্ট্ৰপতিৰ দায়িত্ব ল'ব নোৱাৰে। কিন্তু আমেৰিকা যুক্তৰষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ অবৰ্তমানত উপৰাষ্ট্ৰপতিয়ে সেই দায়িত্ব পালন কৰিব লাগে।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।



২.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদত উপ ৰাষ্ট্ৰপতি পদৰ বিস্তৃত বৰ্ণনা সন্নিবিষ্ট আছে?

প্ৰশ্ন ২ ঃ ভাৰতৰ বৰ্তমান উপ ৰাষ্ট্ৰপতি কোন আৰু কোন চনত তেওঁ এই দায়িত্ব ভাৰ গ্ৰহণ কৰিছে?

প্ৰশ্ন ৩ ঃ উপ ৰাষ্ট্ৰপতিক পদৰ পৰা অপসাৰিত কৰিবলৈ ৰাষ্ট্ৰপতিলৈ এখন চৈধ্য দিনৰ আগতীয়া জাননী প্ৰেৰণ কৰিব লাগে —(শুদ্ধ/অশুদ্ধ)।

(খ) চমু প্ৰশ্ন - (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০- ২০০ টা মান শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ নিৰ্বাচনী পদ্ধতিটো চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ "আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি পদৰ তুলনাত ভাৰতৰ উপ ৰাষ্ট্ৰপতি পদটো দুৰ্বল।" ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় সংসদীয় গণতন্ত্ৰত উপ ৰাষ্ট্ৰপতিৰ ভূমিকা চমুকৈ আলোচনা কৰক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন - (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০- ৫০০ টা মান শব্দৰ ভিতৰত দিয়ক)**

প্ৰশ্ন ১ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা আৰু গুৰুত্ব সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে সমালোচনামূলক আলোচনা কৰক।

****

অধ্যায় ৩ ঃ প্রধানমন্ত্রী আৰু কেন্দ্রীয় মন্ত্রী পৰিষদ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাৰতৰ প্রধানমন্ত্রী

৩.৩.১ প্রধানমন্ত্রীৰ নিযুক্তি

৩.৩.২ কার্যকাল

৩.৩.৩ প্রধানমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী

৩.৩.৪ প্রধানমন্ত্রীৰ পদমর্যদা

৩.৪ প্রধানমন্ত্রী আৰু ৰাষ্ট্রপতিৰ মাজত সম্পর্ক

৩.৫ কেন্দ্রীয় মন্ত্রী পৰিষদ

৩.৫.১ গাঁথনি

৩.৪.২কেন্দ্রীয় মন্ত্রীপৰিষদৰ ক্ষমতা আৰু কার্যাৱলী

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পাছত আপুনি —

- ভাৰতৰ প্রধানমন্ত্রীৰ নিযুক্তি, কার্যকাল, ক্ষমতা আৰু কার্যাৱলী সম্পর্কে আলোচনা কৰিব পাৰিব
- ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীৰ মাজৰ সম্পর্ক আলোচনা কৰিব পাৰিব
- কেন্দ্রীয় মন্ত্রীপৰিষদৰ গাঁথনি, ক্ষমতা আৰু কার্যাৱলী ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

ভাৰতৰ ৰাষ্ট্রৰ মুৰব্বী ৰাষ্ট্রপতি যদিও প্রধানমন্ত্রীৰ অধ্যক্ষতাত মন্ত্রী পৰিষদেহে প্রকৃত কার্যবাহী। এই অধ্যায়ত আমি ভাৰতৰ প্রধানমন্ত্রীৰ নিযুক্তি, কার্যকাল, ক্ষমতা আৰু কার্যাৱলী, তেওঁৰ পদমর্যাদা সম্পর্কে আলোচনা কৰিম। আমি প্রধানমন্ত্রী আৰু ৰাষ্ট্রপতিৰ মাজৰ সম্পর্কৰ বিষয়েও আলোচনা আগবঢ়াম। কেন্দ্রীয় মন্ত্রী পৰিষদৰ গাঁথনি, ক্ষমতা আৰু কার্যাৱলী, আৰু অৱস্থিতিৰ বিষয়েও আলোচনা কৰা হ'ব।

৩.৩ ভাৰতৰ প্রধানমন্ত্রী

ভাৰতৰ প্রধানমন্ত্রী পদটো আটাইতকৈ শক্তিশালী পদ। প্রধানমন্ত্রীয়েই হৈছে ভাৰত চৰকাৰৰ মুৰব্বী। ভাৰতৰ সংবিধান অনুসৰি ভাৰতৰ প্রধানমন্ত্রীৰ কার্য্যলয়টোৰেই ক্ষমতাৰ প্রকৃত কেন্দ্রস্থলত পৰিণত হয়।

৩.৩.১ প্রধানমন্ত্রীৰ নিযুক্তি

সংবিধানৰ ৭৪(১)অনুচ্ছেদে ভাৰতৰ মন্ত্রীপৰিষদৰ সুবিধা প্রদান কৰিছে আৰু এই মন্ত্রীপৰিষদৰ অধ্যক্ষ বা মুৰব্বী হিচাপে প্রধানমন্ত্রীয়ে ৰাষ্ট্রপতিক সহায় আৰু পৰামর্শ আগবঢ়ায়। অনুচ্ছেদ ৭৫(১) নম্বৰত কোৱা হৈছে যে প্রধানমন্ত্রীক ৰাষ্ট্রপতিয়ে নিযুক্তি দিব। কিন্তু এই ক্ষেত্রত ৰাষ্ট্রপতিৰ পছন্দৰ কথা নাহে। লোকসভাৰ সংখ্যাগৰিষ্ঠ দলে নেতা হিচাপে বা প্রধানমন্ত্রীৰ বাবে বাচনি কৰা ব্যক্তি গৰাকীকে ৰাষ্ট্রপতিয়ে প্রধানমন্ত্রী হিচাপে নিযুক্তি দিবলৈ বাধ্য। যেতিয়া কোনো এটা দলে লোকসভা নির্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে, তেতিয়া ৰাষ্ট্রপতিৰ কিছু ভূমিকা থাকে আৰু তেওঁ সংখ্যাগৰিষ্ঠ দলৰ নেতাগৰাকীক প্রধানমন্ত্রী হিচাপে নিযুক্তি দিয়ে। যদিহে লোকসভা নির্বাচনত সংসদত কোনো এটা দলেই স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ নকৰে তেতিয়া কেৱল ৰাষ্ট্রপতিয়ে পছন্দ অনুযায়ী ব্যৱস্থা গ্রহন কৰিব পাৰে। এই ক্ষেত্রতহে প্রধানমন্ত্রীৰ নিযুক্তিত ৰাষ্ট্রপতিয়ে প্রকৃত ভূমিকা পালন কৰিব পাৰে। প্রধানমন্ত্রী গৰাকী সংসদৰ সদস্য হোৱাটো বাধ্যতামূলক। নিযুক্তিৰ সময়ত যদিহে তেওঁ সংসদৰ সদস্য নহয়, তেওঁ ৬ মাহৰ ভিতৰত সংসদৰ যিকোনো এখন সদনৰ সদস্য হিচাপে নির্বাচিত হৈ আহিব লাগিব।

৩.৩.২ কার্যকাল

প্রধানমন্ত্রী পদৰ নির্দিষ্ট সময়সীমা নাথাকে। ৰাষ্ট্রপতিৰ সন্তুষ্টি ওপৰত প্রধানমন্ত্রীৰ পদ বর্তি থাকে। ইয়াৰ অর্থ হৈছে লোকসভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰদ্বাৰা যেতিয়ালৈকে সমর্থন পায় থাকিব, তেতিয়ালৈকে ব্যক্তি এগৰাকী প্রধানমন্ত্রীৰ পদত বাহাল থাকিব। লোকসভাৰ গৰিষ্ঠসংখ্যক সদস্যই প্রধামন্ত্রীৰ বিৰুদ্ধে অনাস্থা প্রস্তাৱ গৃহীত কৰিলে এনে অৱস্থাত প্রধানমন্ত্রীয়ে পদত্যাগ কৰিবলৈ বাধ্য। অন্যথা ৰাষ্ট্রপতিয়ে পদচ্যুত কৰে ।

৩.৩.৩ প্রধানমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী

প্রধানমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী তলত চমুকৈ আলোচনা কৰা হ'ল —

- **মন্ত্রী পৰিষদ গঠন** ঃ মন্ত্রীপৰিষদ গঠনত প্রধানমন্ত্রীগৰাকীয়ে এক অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। প্রধানমন্ত্রীৰ প্রথম আৰু মহত্বপূর্ণ কামটোৰেই হৈছে মন্ত্রীপৰিষদ

গঠন কৰা। প্ৰধানমন্ত্ৰীৰ নিযুক্তিৰ পাছত প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে আন আন মন্ত্ৰীসকলক নিযুক্তি দিয়ে। প্ৰধানমন্ত্ৰীয়ে মুক্তভাৱে তেওঁৰ মন্ত্ৰী পৰিষদৰ শক্তি নিৰ্দ্ধাৰণ আৰু তেওঁৰ পছন্দ অনুযায়ী মন্ত্ৰী সকলক নিৰ্বাচন কৰিব পাৰে।

- **বিভাগ বা দপ্তৰ বিতৰণ** ঃ প্ৰধানন্ত্ৰীৰ আন এটা গুৰুত্বপূৰ্ণ কাৰ্য হ'ল মন্ত্ৰীসকলৰ মাজত বিভাগ বা দপ্তৰ বিতৰণ। প্ৰধামন্ত্ৰীয়ে আন আন মন্ত্ৰীসকলৰ মাজত দপ্তৰ বা বিভাগবোৰ বিতৰণ কৰে। বিভিন্ন গৰাকী মন্ত্ৰীৰ মাজত দপ্তৰ বিতৰণত তেওঁ সম্পূৰ্ণ স্বাধীনতা লাভ কৰে। এই ক্ষেত্ৰত মন্ত্ৰী সকলৰ সামৰ্থৰ ভিত্তিত বিভাগ সমূহ আবণ্টন কৰে।
- **বিভাগ বা দপ্তৰৰ সালসলনি** ঃ যিকোনো সময়তে মন্ত্ৰীসকলৰ দপ্তৰ বা বিভাগ সমূহৰ সালসলনি ঘটোৱাৰ ক্ষমতা প্ৰধানমন্ত্ৰীৰ থাকে। তেওঁ নতুন মন্ত্ৰী নিযুক্তি দিব পাৰে। এজন মন্ত্ৰীৰ পৰা আন এজনলৈ দপ্তৰ বদলিও কৰিব পাৰে। যিকোনো সময়তে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ মন্ত্ৰীবৰ্গৰ ৰদ-বদল আৰু পূণৰ্বিন্যাস কৰাৰ বিশেষ অধিকাৰ থাকে।
- **কেবিনেট বা মন্ত্ৰীসভাৰ অধ্যক্ষ** ঃ প্ৰধানমন্ত্ৰী হৈছে কেবিনেট বা মন্ত্ৰীসভাৰ মুৰব্বী। তেওঁ কেবিনেট বা মন্ত্ৰীসভাৰ সভাসমূহত সভপতিত্ব কৰে। তেওঁ এই সভা সমূহৰ তাৰিখ, সময় আৰু বিষয়সূচী নিৰ্দ্ধাৰণ কৰে। মন্ত্ৰীসকলৰ মাজত বিৰোধ উদ্ভৱ হ'লে তেওঁ ইয়াৰ সমাধান কৰে। তেওঁ হৈছে মন্ত্ৰী সভা আৰু ৰাষ্ট্ৰপতিৰ মাজৰ যোগসূত্ৰকাৰী। সকলো ধৰণৰ বিষয় প্ৰধানমন্ত্ৰীৰ অনুমতিৰ জৰিয়তেহে সভাত আলোচিত হয়।
- **মন্ত্ৰী পৰিষদৰ মুৰব্বী** ঃ প্ৰধানমন্ত্ৰীগৰাকী মন্ত্ৰীপৰিষদৰ মুৰব্বী। তেওঁ মন্ত্ৰী পৰিষদৰ সভাসমূহত সভাপতিত্ব কৰে। তেওঁ কোনো মন্ত্ৰীৰ কাম কাজত অসন্তুষ্ট হ'লে সেই মন্ত্ৰীক পদত্যাগ কৰিবলৈ ক'ব পাৰে। মন্ত্ৰী পৰিষদৰ সভাসমূহত আলোচিত হ'ব লগীয়া বিষয়সমূহ প্ৰধানমন্ত্ৰীয়ে নিৰ্দ্ধাৰণ কৰে।
- **সংসদৰ নেতা** ঃ প্ৰধানমন্ত্ৰী লোকসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতা আৰু সেই হিচাপে তেওঁ সংসদৰো নেতৃত্ব বহন কৰে। ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি সংসদৰ আহ্বান আৰু স্থগিতকৰণ কৰিব পাৰে আৰু লোকসভা ভংগও কৰিব পাৰে। প্ৰধানমন্ত্ৰীৰ অনুমোদন অবিহনে কোনো বিধেয়ক সংসদত গৃহীত কৰিব নোৱাৰি। সংখ্যাগৰিষ্ঠ দলৰ নেতা হিচাপে প্ৰধানমন্ত্ৰীয়ে লোকসভাৰ আচাৰ-বিধি বজায় ৰখাত লোকসভাৰ অধ্যক্ষক সহায় সহযোগ আগবঢ়ায়। ইয়াৰ উপৰি সংসদৰ মজিয়াত প্ৰধানমন্ত্ৰীয়ে চৰকাৰৰ গুৰুত্বপূৰ্ণ নীতি নিৰ্দেশনা আঁচনিসমূহ উত্থাপন কৰে।
- **ৰাষ্ট্ৰপতিৰ মুখ্য উপদেষ্টা** ঃ প্ৰধানমন্ত্ৰী হৈছে ৰাষ্ট্ৰপতিৰ মুখ্য উপদেষ্টা। তেওঁ সময়ে সময়ে ভিন্ন বিষয় সন্দৰ্ভত ৰাষ্ট্ৰপতিক পৰামৰ্শ প্ৰদান কৰে। তেওঁ ৰাষ্ট্ৰপতিক প্ৰয়োজনীয় তথ্য-পতিও যোগান ধৰে। তেওঁ ৰাষ্ট্ৰপতিক ৰাষ্ট্ৰীয়

আৰু আন্তঃৰাষ্ট্রীয় পৰিবেশ পৰিস্থিতি সম্পর্কেও অৱগত কৰে। মন্ত্রী পৰিষদত গ্রহণ কৰা সিদ্ধান্তসমূহৰ সম্পর্কেও ৰাষ্ট্রপতিক জনায়। ৰাষ্ট্রপতিয়ে প্রধানমন্ত্রীৰ যোগেদি মন্ত্রী পৰিষদলৈ তেওঁৰ বার্ত্তা প্রেৰণ কৰে। ইয়াৰ উপৰি প্রধানমন্ত্রীয়ে ৰাষ্ট্রপতি আৰু সংসদৰ মাজত যোগসূত্রকাৰীৰ ভূমিকা পালন কৰে।

- **মুখ্য সমন্বয়ক** ঃ প্রধানমন্ত্রী মুখ্য সমন্বয়ক। তেওঁ বিভিন্ন মন্ত্রীৰ কর্মসমূহৰ সমন্বয় সাধন কৰে। তেওঁ যিকোনো মন্ত্রালয়ৰ কাম-কাজ সম্পর্কে উপদেশ দিব পাৰে। চৰকাৰৰ সকলো বিভাগৰ মাজত সমন্বয় সুনিশ্চিত কৰা প্রধানমন্ত্রীৰ দায়িত্ব। তেওঁ মন্ত্রীসকলৰ মাজত থকা যিকোনো পার্থক্য দূৰ কৰাৰ চেষ্টা চলায়।
- **ৰাষ্ট্রৰ নেতৃত্ব** ঃ প্রধানমন্ত্রী হৈছে ৰাষ্ট্রৰ নেতা। যুদ্ধ আৰু শান্তি এই দুয়ো সময়তে তেওঁ ৰাষ্ট্রৰ নেতৃত্ব দিয়ে। সকলোধৰণৰ ৰাষ্ট্রীয়, আন্তঃৰাষ্ট্রীয় সন্মিলনত প্রধানমন্ত্রীয়ে প্রতিনিধিত্ব কৰে। তেওঁ হৈছে ৰাষ্ট্রৰ মুখ্য মুখপাত্র। প্রধানমন্ত্রী ভাৰত চৰকাৰৰ মুখ্য মুখপাত্র।
- **বৈদেশীক সম্পর্কৰ সঞ্চালক** ঃ ৰাষ্ট্রৰ প্রকৃত মুৰব্বী হিচাপে প্রধানমন্ত্রীয়ে আন আন দেশৰ লগত ভাৰতৰ সম্পর্ক স্থাপন আৰু বৈদেশীক নীতি নির্দ্ধাৰণ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আন্তঃৰাষ্ট্রীয় ৰাজনীতিত প্রধানমন্ত্রী ভাৰতৰ মুখপাত্র। সকলো আন্তঃৰাষ্ট্রীয় গুৰুত্বপূর্ণ সন্মিলনত তেওঁ আমাৰ দেশক প্রতিনিধিত্ব কৰে। বিশ্বৰ শান্তি আৰু সুৰক্ষা প্রতিষ্ঠাৰ বাবে ভাৰতৰ প্রধানমন্ত্রীয়ে বিশ্বৰ ৰাজনীতিত মুখ্য ভূমিকা পালন কৰে।
- **জৰুৰীকালীন অৱস্থাত প্রধানমন্ত্রীৰ ভূমিকা** ঃ ভাৰতৰ সংবিধান অনুসৰি কেন্দ্রীয় মন্ত্রীসভা বা কেবিনেটৰ পৰামর্শ অনুসৰি ৰাষ্ট্রপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। কিন্তু, বাস্তৱ ক্ষেত্রত ৰাষ্ট্রপতিয়ে প্রধানমন্ত্রীৰ পৰামর্শ ক্রমেহে জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। ৩৫২ নং অনুচ্ছেদৰ অধীনত জৰুৰী অৱস্থাত প্রধানমন্ত্রীৰ বেছি ক্ষমতাশালী হৈ উঠে।
- **বিবিধ ক্ষমতা** ঃ ভাৰতৰ প্রধানমন্ত্রীয়ে অন্যান্য কিছুমান বিশেষ ক্ষমতা ভোগ কৰে। সেইবোৰ হ'ল —

  ভাৰতৰ প্রধানমন্ত্রীয়ে পৃষ্ঠপোষক আৰু অভিভাৱকত্বৰ ভূমিকাত অধিক ক্ষমতা লাভ কৰে। ৰাষ্ট্রীয় পর্যায়ৰ সকলো গুৰুত্বপূর্ণ নিযুক্তি প্রধানমন্ত্রীৰদ্বাৰা হয়। তেওঁ সকলো ধৰণৰ জনগণ সংক্রান্তীয় কর্মত অংশ লয়। তেওঁ হৈছে দেশৰ সর্বেসর্বা।

৩.৩.৪ প্রধানমন্ত্রীৰ পদমর্যদা

আমাৰ দেশৰ ৰাজনৈতিক প্রক্রিয়াত প্রধানমন্ত্রীয়ে অতি বিশেষত্বপূর্ণ স্থান দখল কৰে। তেওঁৰ স্থান ইমানেই উচ্চ পর্যায়ৰ যে দেশত তেওঁৰ সমান্তৰালকৈ আন এগৰাকী নাথাকে। ভাৰতত প্রধানমন্ত্রীয়ে হৈছে প্রকৃত কার্যবাহী। সংসদীয় চৰকাৰ

পৰিচালনাৰ ক্ষেত্রত সংবিধানে ভাৰতৰ ৰাষ্ট্রপতিক ক্ষমতা প্রদান কৰিছে যদিও প্রধানমন্ত্রীয়েহে এই ক্ষমতাসমূহ কার্যকৰী কৰে। ৰাষ্ট্রপতিৰ ক্ষমতা আৰু কার্যাৱলী দৰাচলতে প্রধানমন্ত্রীৰ অধ্যক্ষতাত গঠিত মন্ত্রী পৰিষদেহে প্রয়োগ কৰে। ৰাষ্ট্রপতি এগৰাকী নামধাৰী মুৰব্বী হোৱাৰ বিপৰীতে প্রধানমন্ত্রী প্রকৃত মুৰব্বী কার্যবাহী। প্রধান মন্ত্রীয়ে হৈছে চৰকাৰৰ মুখ্য ব্যক্তি। তেওঁ কেবিনেট বা মন্ত্রীসভাৰ নেতা। তেওঁ কেবিনেটৰ সভাসমূহত সভাপতিত্ব কৰে আৰু প্রত্যেকগৰাকী মন্ত্রীকে নির্দেশনা আৰু উৎসাহ প্রদান কৰে। গ্লেডষ্টনৰ ভাষাত "প্রধানমন্ত্রী হৈছে কেবিনেট স্থাপত্যৰ মুল আধাৰ"। আই ভৰ জেনিঙে ভাৰতৰ প্রধানমন্ত্রীৰ পদটোৰ বিষয়ে এনেদৰে কৈছে — সৌৰজগতত গ্রহ সমূহে যিদৰে কেন্দ্রস্থ সূর্যৰ চাৰিওফালে ঘূৰি থাকে, ঠিক একেদৰে ভাৰতৰ প্রধানমন্ত্রী গৰাকীও কেন্দ্রীয় কেবিনেটৰ মধ্যমনি আৰু তেওঁ কেবিনেট মন্ত্রীসকলক নিয়ন্ত্রণ কৰে। তেওঁক সমানৰ মাজত সর্বপ্রধান বুলিও কোৱা হয়।

প্রধানমন্ত্রী হৈছে ৰাষ্ট্রপতি আৰু মন্ত্রী পৰিষদৰ মাজৰ যোগসূত্রকাৰী। তেওঁ ৰাষ্ট্রপতিৰ মুখ্য উপদেষ্টা।

লোকসভাৰ নেতা হিচাপে, প্রধানমন্ত্রীয়ে আইন প্রনয়ণ প্রক্রিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁ নিজ দলৰ কঠোৰ নিয়মানুবর্তিতা বর্তাই ৰাখে।

প্রধানমন্ত্রীগৰাকী ৰাষ্ট্রৰ নেতা। ৰাষ্ট্রৰ নেতা হিচাপে ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় নীতিসমূহ প্রস্তুত কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

প্রধানমন্ত্রীগৰাকী অসীম ক্ষমতাৰ অধিকাৰী। যদিও প্রধানমন্ত্রী অসীম ক্ষমতাৰ গৰাকী, তথাপি তেওঁ একনায়কত্ব চলাব নোৱাৰে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে আমাৰ দেশত প্রধানমন্ত্রীয়ে অতি গুৰুত্বপূর্ণ পদমর্যাদা বহন কৰে। যি কি নহওক প্রধানমন্ত্রীৰ পদমর্যাদা অধিকতৰ নির্ভৰ কৰে তেওঁৰ আকর্ষণীয় ব্যক্তিত্ব আৰু দক্ষতাৰ ওপৰত। তেওঁ প্রবল সক্রিয় ব্যক্তিত্ব সম্পন্ন হ'ব লাগে।

এনেদৰে চৰকাৰ প্রধান, মন্ত্রীসভা বা কেবিনেটৰ নেতা, মন্ত্রী পৰিষদৰ মুৰব্বী, সংসদৰ নেতা, ৰাষ্ট্রৰ মুৰব্বী, ৰাষ্ট্রপতিৰ মুখ্য উপদেষ্টা হিচাপে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত প্রধানমন্ত্রীয়ে এক অতি ক্ষমতাশালী স্থান দখল কৰে।

৩.৪ ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীৰ মাজৰ সম্পর্ক

ভাৰতৰ ৰাষ্ট্রপতি ৰাষ্ট্রৰ মুৰব্বী। ৰাষ্ট্রপতি হৈছে নামমাত্র মুৰব্বী। তেওঁ সাংবিধানিক ভাৱেহে মুৰব্বী। প্রধানমন্ত্রীৰ নেতৃত্বত মন্ত্রী পৰিষদেহে প্রকৃততে ৰাষ্ট্রপতিৰ ক্ষমতা আৰু কার্যাৱলী কার্যকৰী কৰে। ৰাষ্ট্রপতিয়ে স্বাধীন ভাৱে একো কৰিব নোৱাৰে। প্রধানমন্ত্রীৰ অধ্যক্ষতাত গঠিত মন্ত্রী পৰিষদৰ পৰামর্শ আৰু সাহার্যতহে ৰাষ্ট্রপতিয়ে কার্য সম্পাদন কৰিব পাৰে। ১৯৭৬ আৰু

১৯৭৮ চনত সংবিধান সংশোধনীৰ জৰিয়তে এই বিষয়টো নিষ্পত্তি কৰা হয়। ১৯৭৮ চনৰ ৭৪(১) অনুচ্ছেদৰ সংশোধনীৰ জৰিয়তে কোৱা হৈছে যে ৰাষ্ট্রপতিৰ কার্যত মন্ত্রী পৰিষদৰ পৰামর্শ বাধ্যতামূলক। ভাৰতত ৰাষ্ট্রপতিৰ সকলো ধৰণৰ কাম-কাজত মন্ত্রী পৰষিদ ব্যাপকভাৱে আৰু প্রধানমন্ত্রী আংশিকভাৱে দায়বদ্ধ।

সংবিধানৰ ৭৮ নং অনুচ্ছেদ অনুসৰি কেন্দ্রীয় মন্ত্রী পৰিষদৰ প্রশাসন আৰু আইন সংশোধনী সংক্রান্তীয় প্রস্তাৱ সম্পর্কীয় সকলো সিদ্ধান্তৰ বিষয়ে প্রধানমন্ত্রীয়ে ৰাষ্ট্রপতিক জনোৱাতো কর্তব্য। ইয়েই প্রধানমন্ত্রীক ৰাষ্ট্রপতি আৰু কেবিনেটৰ মাজৰ যোগসূত্রকাৰী আৰু ৰাষ্ট্রপতিৰ মুখ্য উপদেষ্টা হিচাপে পৰিগণিত কৰে। প্রধানমন্ত্রীয়ে সময়ে সময়ে বিভিন্ন বিষয়ত ৰাষ্ট্রপতিক পৰামর্শ প্রদান কৰে। তেওঁ ৰাষ্ট্রপতিক আৱশ্যকীয় তথ্যও যোগান ধৰে। তেওঁ মন্ত্রী পৰিষদে গ্রহণ কৰা যিকোনো সিদ্ধান্তৰ বিষয়ে ৰাষ্ট্রপতিক অৱগত কৰে। ৰাষ্ট্রপতিয়েও তেওঁৰ যিকোনো বার্তা প্রধানমন্ত্রীৰ জৰিয়তে মন্ত্রী পৰিষদলৈ প্রেৰণ কৰে। ৰাষ্ট্রপতিয়ে প্রশাসন সম্বন্ধীয় যিকোনো তথ্য প্রধানমন্ত্রীক বিচাৰিব পাৰে। ৰাষ্ট্রপতিয়ে মন্ত্রীপৰিষদক তেওঁলোকৰ সিদ্ধান্ত পুনর্বিবেচনা কৰিবলৈ ক'ব পাৰে কিন্তু পুনর্বিবেচনাৰ পাছত অনুৰূপ ধৰণেৰেই সেই পৰামর্শ ৰাষ্ট্রপতিয়ে কার্যকৰী কৰিব লাগে। এনে কাৰণতেই ৰাষ্ট্রপতি ৰাষ্ট্রৰ সাংবিধানিক আৰু নামমাত্র মুৰব্বীহে আৰু প্রধানমন্ত্রী ব্যাপক আৰু প্রকৃত ক্ষমতাৰে চৰকাৰৰ মুৰব্বী।

এনেদৰে সংসদীয় পদ্ধতিৰ চৰকাৰৰ আৱশ্যকতা আৰু নিয়ম অনুসৰি ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীৰ মাজত সম্পর্ক ৰক্ষিত হয়।

৩.৫ কেন্দ্রীয় মন্ত্রী পৰিষদ

ভাৰতৰ সংবিধান মতে ৰাষ্ট্রপতিয়ে তেওঁৰ ক্ষমতা প্রয়োগ কৰাৰ ক্ষেত্রত সহায় আৰু পৰামর্শ আগবঢ়োৱাৰ বাবে প্রধানমন্ত্রীৰ অধ্যক্ষতাত এখন মন্ত্রী পৰিষদ থাকিব। ৰাষ্ট্রপতিয়ে লোকসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতাজনকে প্রধানমন্ত্রী হিচাপে নিযুক্তি দিয়ে। প্রধানমন্ত্রী হৈছে কেন্দ্রীয় মন্ত্রী পৰিষদৰ মুৰব্বী। প্রধানমন্ত্রীক নিযুক্তি দিয়াৰ পাছত, ৰাষ্ট্রপতিয়ে প্রধানমন্ত্রীৰ পৰামর্শ মতে আন আন সকলো মন্ত্রীক নিযুক্তি দিয়ে।

৩.৫.১ গাঁথনি

ভাৰতৰ সংবিধানৰ ৭৪(১) অনুচ্ছেদত প্রধানমন্ত্রীক অধ্যক্ষ হিচাপে লৈ মন্ত্রী পৰিষদ গঠনৰ কথা কোৱা হৈছে যাতে ৰাষ্ট্রপতিৰ কার্যসমূহ সম্পাদন কৰাত সহায় আৰু পৰামর্শ আগবঢ়াব পাৰে। ৭৫ নং অনুচ্ছেদত মন্ত্রী পৰিষদৰ গাঁথনিৰ বিষয়ে কোৱা হৈছে। সাধাৰণ নির্বাচনৰ পাছত লোকসভাৰ সংখ্যাগৰিষ্ঠ দলটোয়ে কেন্দ্রীয় মন্ত্রী পৰিষদ গঠন কৰে। ৰাষ্ট্রপতিয়ে প্রধানমন্ত্রীক নিযুক্তি দিয়ে। আন আন মন্ত্রীসকলকো প্রধানমন্ত্রীৰ পৰামর্শ অনুসৰি ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়ে। প্রধানমন্ত্রীয়ে স্বাধীনভাৱে কেন্দ্রীয় মন্ত্রীপৰিষদৰ সদস্য নির্বাচন কৰিব পাৰে। যেতিয়া মন্ত্রী পৰিষদ গঠন কৰে তেতিয়া

প্ৰধানমন্ত্ৰীয়ে এই কথা মনত ৰাখে যে দেশৰ সকলো গুৰুত্বপূৰ্ণ জনগোষ্ঠী আৰু ভৌগলিক অঞ্চলৰ প্ৰতিনিধিত্ব যাতে মন্ত্ৰী পৰিষদত পোৱা যায়।

সংবিধান মতে ৰাষ্ট্ৰপতিৰ সন্তুষ্টিৰ ওপৰত মন্ত্ৰীসকলৰ পদ বাহাল থাকে। মন্ত্ৰী পৰিষদ সামগ্ৰিকভাৱে লোক সদন অৰ্থাৎ লোকসভাৰ ওচৰত দায়বদ্ধ। মন্ত্ৰীপৰিষদৰ কাৰ্যকালো স্থিৰ নহয়। লোকসভাৰ সদস্যসকলে বহুমত যোগে অনাস্থা প্ৰস্তাৱ আনি মন্ত্ৰী পদৰ পৰা অপসাৰণ কৰিব পাৰে। এনেদৰেই লোকসভাৰ গৰিষ্ঠসংখ্যক সদস্যৰ সমৰ্থনৰ ওপৰত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। যি কি নহওক এখন মন্ত্ৰী পৰিষদৰ সৰ্ব্বোচ কাৰ্যকাল ৫ বছৰলৈকে থাকে অৰ্থাৎ লোকসভাৰ এটা কাৰ্যকাল।

মন্ত্ৰী পৰিষদত সাধাৰণতে তিনি শ্ৰেণীৰ মন্ত্ৰী থাকে। সেইবোৰ হ'ল —

(ক) কেবিনেট মন্ত্ৰী

(খ) ৰাজ্যিক মন্ত্ৰী, আৰু

(গ) উপ মন্ত্ৰী।

মন্ত্ৰীসকলৰ দৰমহা আৰু বানচসমূহ সময়ে সময়ে সংসদে আইন প্ৰনয়নৰ জৰিয়তে নিৰ্ধাৰণ কৰে।

৩.৫.২ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলী

কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত আলোচনা কৰা হ'ল —

- **কাৰ্যবাহী ক্ষমতা** ঃ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় নীতিসমূহ তৈয়াৰ কৰে। চৰকাৰৰ সকলো ধৰণৰ আভ্যন্তৰীণ আৰু আন্তঃৰাষ্ট্ৰীয় নীতি মন্ত্ৰী পৰিষদে নিৰ্ধাৰণ কৰে। এই নীতি সমূহ কাৰ্যকৰী বা ৰূপায়ন কৰাৰ ক্ষেত্ৰতো মন্ত্ৰী পৰিষদ দায়বদ্ধ। কেবিনেট বা মন্ত্ৰীসভাৰ সামগ্ৰিক সিদ্ধান্তত মন্ত্ৰী পৰিষদৰ কোনো সদস্যই বিৰোধিতা প্ৰকাশ কৰিব নোৱাৰে।

  মন্ত্ৰী পৰিষদৰ পৰামৰ্শ মতেহে ৰাষ্ট্ৰপতিকে সকলো ধৰণৰ উচ্চ পৰ্যায়ৰ যেনে — ৰাষ্ট্ৰদূত, ৰাজ্যপাল উচ্চয়ুক্ত, উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, নিৰ্বাচনী আয়ুক্ত, কেন্দ্ৰীয় লোকসেৱা আয়োগৰ সদস্য, সামৰিক বাহিনীৰ অধিনায়ক আদিক নিযুক্তি দিয়ে। মন্ত্ৰী পৰিষদে উচ্চ পদাধিকাৰী সকলৰ নিযুক্তি, পদোন্নতি, বদলি আৰু অপসাৰণ আদি নিয়ন্ত্ৰন কৰে। মন্ত্ৰী পৰিষদে নতুন পদ, কেডাৰ আৰু নতুন সেৱা সমূহ সৃষ্টি কৰিব পাৰে।

  ৰাষ্ট্ৰীয় প্ৰশাসন যন্ত্ৰটো চালনা কৰাত মন্ত্ৰী পৰিষদে মুখ্য যন্ত্ৰাংশৰ ভূমিকা পালন কৰে। মন্ত্ৰী পৰিষদে আইন আৰু শাসন প্ৰণালী অনুযায়ী প্ৰশাসন চলায়। দেশ প্ৰশাসনত মন্ত্ৰী পৰিষদহে দায়বদ্ধ, ৰাষ্ট্ৰপতি নহয়।

  কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে বৈদেশিক নীতিসমূহ তৈয়াৰ কৰাৰ লগতে বিদেশৰ লগত ভাৰতৰ সম্পৰ্কও নিৰ্ধাৰণ কৰে।

সকলোধৰণৰ গুৰুত্বপূৰ্ণ সন্ধিপত্ৰ আৰু আন আন আন্তঃৰাষ্ট্ৰীয় চুক্তি সম্পাদনত ৰাষ্ট্ৰপতি বা ভাৰত চৰকাৰৰ হৈ মন্ত্ৰী সকলে হস্তাক্ষৰ কৰে।

মন্ত্ৰী পৰিষদৰ পৰামৰ্শ অনুসৰিহে সংবিধানৰ ৩৫২ ৰ পৰা ৩৬০ লৈ থকা জৰুৰী ক্ষমতা ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ব্যৱহাৰ কৰিব পাৰে।

ভাৰতৰ মন্ত্ৰী পৰিষদে কোনো ৰাজ্যত ৰাষ্ট্ৰপতি শাসন বলৱৎ আৰু ইয়াৰ সময়সীমাও নিৰ্ধাৰণ কৰে। মন্ত্ৰী পৰিষদৰ লিখিত পৰামৰ্শৰ অধীনতহে ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। আভ্যন্তৰীণ আৰু বাহ্যিক এই দুয়ো ক্ষেত্ৰতে জৰুৰী অৱস্থাৰ সময় আৰু বাহাল কাল মন্ত্ৰী পৰিষদে নিৰ্ধাৰণ কৰে।

- **আইন প্ৰণয়নৰ ক্ষমতা** ঃ আইন প্ৰণয়নৰ ক্ষেত্ৰত মন্ত্ৰী পৰিষদৰ বহু কৰণীয় থাকে আৰু এই ক্ষেত্ৰত মন্ত্ৰী পৰিষদ পূৰা মাত্ৰাই ব্যাপক ভাৱে দায়বদ্ধ। আইন প্ৰণয়ন কাৰ্যক্ৰমৰ সকলো গুৰুত্বপূৰ্ণ সিদ্ধান্ত মন্ত্ৰী পৰিষদে গ্ৰহণ কৰে। ই সংসদৰ আইন প্ৰণয়নৰ কামো নিয়ন্ত্ৰণ কৰে। মন্ত্ৰী পৰিষদৰ সদস্যসকল সংসদৰ যিকোনো এখন সদনৰ সদস্য হ'ব লাগে। সাধাৰণতে অধিক সংখ্যক বিধেয়কেই সংসদত মন্ত্ৰীসকলৰদ্বাৰা উত্থাপন কৰা হয়। এনে বিধেয়কসমূহ আইন সভাত সহজে গৃহীত হোৱাৰ সম্ভাৱনা থাকে। মন্ত্ৰী পৰিষদে সমৰ্থন নকৰা বিধেয়ক সদনে গ্ৰহণ কৰাৰ সম্ভাৱনা নাথাকে।

  কেবিনেট বা মন্ত্ৰী সভাৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে সংসদৰ আহ্বান, স্থগিত বা ভংগ কৰিব পাৰে। মন্ত্ৰী পৰিষদ সামগ্ৰিকভাৱে লোকসভাৰ ওচৰত দায়বদ্ধ আৰু কোনো মন্ত্ৰীক অনাস্থা প্ৰস্তাৱ গৃহীত কৰি পদৰ পৰা অপসাৰিত কৰিব পাৰে।

  সংবিধান ১২৩ অনুচ্ছেদ মতে, সংসদৰ অধিবেশন চলি নাথাকিলে জৰুৰী আইনী প্ৰয়োজনত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে অধ্যাদেশ জাৰী কৰি সংসদৰ সভা আহ্বান কৰিব পাৰে। এনেধৰনৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা জাৰী কৰা আদেশো কেৱল কেবিনেট বা মন্ত্ৰীসভাৰ আৱশ্যকতা অনুযায়ীহে হয়।

- **অৰ্থনৈতিক ক্ষমতা** ঃ অৰ্থনৈতিক ক্ষেত্ৰখনত মন্ত্ৰী পৰিষদৰ বহুখিনি কৰিবলগীয়া কাৰ্য থাকে। মন্ত্ৰী পৰিষদে চৰকাৰৰ অৰ্থনৈতিক নীতিসমূহ তৈয়াৰ কৰে। কেন্দ্ৰীয় বাজেট কেবিনেট বা মন্ত্ৰীসভাৰ অভিভাৱকত্ব আৰু তদাৰকত প্ৰস্তুত কৰা হয়। প্ৰত্যেক বিত্তীয় বৰ্ষৰ আৰম্ভনিতে কেবিনেটে সংসদত বাজেট উত্থাপন কৰে। সংসদত বাজেট গৃহীত কৰাত কেবিনেটে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। কেবিনেট বা মন্ত্ৰীসভা সন্মত নহ'লে বাজেটত কোনো সালসলনি নহয়। ভাৰতত বিত্তীয় বিধেয়ক কেৱল লোকসভাতহে মন্ত্ৰী সকলৰ দ্বাৰাহে উত্থাপিত হ'ব পাৰে। কেবিনেটৰ অনুমোদন বা সন্মতি সাপেক্ষেহে সংসদে এনে বিত্তীয় বিধেয়কৰ সংশোধনী বা পৰিবৰ্তন ঘটাব পাৰে।

দেশৰ অর্থনৈতিক আঁচনিসমূহ প্রস্তুত কৰাত মন্ত্রী পৰিষদৰ এক গুৰুত্বপূর্ণ ভূমিকা থাকে। দেশৰ অর্থনৈতিক প্রগতিৰ ভৱিষ্যৎ মন্ত্রী পৰিষদৰ কার্য দক্ষতাৰ ওপৰত সদায় নির্ভৰশীল। দেশৰ অর্থনীতিৰ সমৃদ্ধি আৰু সুস্থিৰতাৰ লগত জড়িত সকলো বিষয়ত মন্ত্রী পৰিষদে সক্রিয় অংশ লয়।

মন্ত্রী পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰি জানিবপৰা গ'ল যে মন্ত্রী পৰিষদেই হৈছে ভাৰতৰ প্রকৃত আৰু ক্ষমতাশালী কার্যবাহী। ৰাষ্ট্রপতিৰ কার্যবাহী আইন সংক্রান্তীয়, জৰুৰী আৰু অর্থনৈতিক ক্ষমতাসমূহ প্রকৃততে মন্ত্রী পৰিষদেহে কার্যকৰী কৰে। বাস্তৰিকতে সংবিধানে ৰাষ্ট্রপতিক প্রদান কৰা ক্ষমতা আৰু কর্মৰাজি মন্ত্রীপৰিষদেহে কার্যকৰী কৰে। ভাৰতত মন্ত্রী পৰিষদৰ অন্তর্গত কেবিনেট বা মন্ত্রী সভাই হৈছে অতি ক্ষমতাশালী অনুষ্ঠান আৰু প্রকৃততে কেন্দ্রীয় অনুষ্ঠান হিচাপে ই সকলো ক্ষমতাৰ অধিকাৰী।



জানি থোৱা ভাল

২০০৩ চনৰ ৯১সংখ্যক সংবিধান সংশোধনী আইন অনুসৰি কোনো এখন ৰাজ্যৰ ৰাজ্যিক মন্ত্রী সভাতে হওক বা কেন্দ্রীয় মন্ত্রী পৰিষদতে হওক মন্ত্রীৰ সংখ্যা (মুখ্যমন্ত্রী আৰু প্রধানমন্ত্রীক ধৰি) বিধানসভা আৰু লোকসভাৰ মুঠ সদস্য সংখ্যাৰ ১৫ শতাংশতকৈ অধিক হ'ব নোৱাৰে। সেইদৰে কিন্তু ৰাজ্য এখনৰ মন্ত্রীৰ সংখ্যা ১২ জনতকৈও কম হ'ব নালাগে।

কর্ম ঃ ভাৰতৰ প্রথম গৰাকী মহিলা প্রধানমন্ত্রী কোন?



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰত চৰকাৰৰ প্রধান কোন?

.....

প্রশ্ন ২ ঃ প্রধানমন্ত্রীক কোনে নিযুক্তি দিয়ে?

.....

প্রশ্ন ৩ ঃ মন্ত্রী পৰিষদত কেই ধৰণৰ মন্ত্রী থাকে?

.....

প্রশ্ন ৪ ঃ কেন্দ্রীয় মন্ত্রী পৰিষদৰ মুৰব্বী কোন?

.....

প্রশ্ন ৫ ঃ ৰাষ্ট্রৰ নেতা কোন?

.....

প্রশ্ন ৬ ঃ প্রধানমন্ত্রীৰ কার্যকাল কিমান?

.....

প্রশ্ন ৭ ঃ মন্ত্রী পৰিষদ গঠনৰ ক্ষেত্রত প্রধানমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক (৫০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন ৮ ঃ আইন প্রণয়নৰ ক্ষেত্রত কেন্দ্রীয় মন্ত্রী পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

প্রশ্ন ৯ ঃ কেন্দ্রীয় মন্ত্রী পৰিষদৰ স্থানগত মর্যাদা সম্পর্কে এটা টোকা প্রস্তুত কৰক (৫০ টা শব্দৰ ভিতৰত)

.....

.....



৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ভাৰতত ৰাষ্ট্রপতিহ'ল দেশৰ মুৰব্বী। কিন্তু প্রধান মন্ত্রীৰ নেতৃত্বাধীন কেন্দ্রীয় মন্ত্রী পৰিষদ হ'ল প্রকৃত কার্যবাহী।
- যেতিয়ালৈকে লোকসভাৰ গৰিষ্ঠসংখ্যক সদস্যই সমর্থন কৰিব তেতিয়ালৈকে প্রধানমন্ত্রীগৰাকীয়ে নিজ পদত কার্যনির্বাহ কৰি যাব।
- ভাৰতত প্রধানমন্ত্রীয়েই হ'ল প্রকৃত কার্যবাহী। ৰাষ্ট্রপতিৰ ক্ষমতা আৰু কার্যাৱলী বাস্তৱিকতে প্রধানমন্ত্রীৰ নেতৃত্বাধীন কেন্দ্রীয় মন্ত্রীপৰিষদেহে কামত প্রয়োগ কৰে।
- ভাৰতৰ প্রধানমন্ত্রীৰ পদটো অতি ক্ষমতাশালী। ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা অনুসৰি তেওঁ চৰকাৰৰ মুৰব্বী, কেবিনেটৰ নেতা, মন্ত্রী পৰিষদৰ মুৰব্বী, সংসদৰ নেতা, দেশৰ নেতা আৰু ৰাষ্ট্রপতিৰ মুখ্য উপদেষ্টা।
- প্রধানমন্ত্রীৰ পদটো এই পদ অধিকাৰ কৰি থকা ব্যক্তিগৰাকীৰ আকর্ষণীয় ব্যক্তিত্বৰ ওপৰত নির্ভৰশীল। প্রধানমন্ত্রী গৰাকী এক গতিশীল ব্যক্তিত্বৰ অধিকাৰী হ'ব লাগিব।
- মন্ত্রী পৰিষদ হ'ল ভাৰতৰ প্রকৃত আৰু ক্ষমতাশালী কার্যনিবার্হক। ৰাষ্ট্রপতিৰ কার্যবাহী, বিধায়িনী, জৰুৰী অৱস্থা ঘোষণা আৰু বিত্তীয় জৰুৰী অৱস্থা ঘোষণা আদিৰ দৰে ক্ষমতা মন্ত্রী পৰিষদেহে কার্যত প্রয়োগ কৰে।
- ভাৰতৰ মন্ত্রী পৰিষদৰ ভিতৰত কেবিনেট পৰিষদখন সবাতোকৈ ক্ষমতাশালী। দেশৰ সকলো ক্ষমতা মুখ্যতঃ এই কেন্দ্রীয় অনুষ্ঠানটোৰ হাততেই ন্যস্ত থাকে।



৩.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ডঃ পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ডঃ কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*. New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi: S. Chand and Company.



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রধানমন্ত্রী

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাষ্ট্রপতি

৩ নং প্রশ্নৰ উত্তৰ ঃ তিনি

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রধানমন্ত্রী

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রধানমন্ত্রী

৬ নং প্রশ্নৰ উত্তৰ ঃ নির্ধাৰিত নহয় যদিও সাধাৰণতে পাঁচ বছৰ ।

৭ নং প্রশ্নৰ উত্তৰ ঃ মন্ত্রী পৰিষদ গঠনত প্রধানমন্ত্রীয়ে অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। প্রধানমন্ত্রীৰ প্রথম আৰু প্রধান কামটোৰে হৈছে মন্ত্রী পৰিষদ গঠন কৰা। প্রধানমন্ত্রীৰ নিযুক্তিৰ পাছত তেওঁৰ পৰামর্শ মর্মে ৰাষ্ট্রপতিয়ে আন মন্ত্রী সকলক নিযুক্তি দিয়ে।

৮ নং প্রশ্নৰ উত্তৰ ঃ কেন্দ্রীয় মন্ত্রী পৰিষদৰ গুৰুত্বপূর্ণ কার্যটোৰে হৈছে আইন প্রনয়ণ। সাধাৰণতে অধিকসংখ্যক বিধেয়কেই মন্ত্রী সকলৰদ্বাৰা সংসদত উত্থাপিত হয়। এনে

বিধেয়ক অতি সহজে আইন সভাত গৃহীত হোৱাৰ সম্ভাৱনা থাকে। মন্ত্রী পৰিষদে সমর্থন নকৰা বিধেয়ক সদনে গ্রহণ কৰাৰ সম্ভাৱনা নাথাকে।

৯ নং প্রশ্নৰ উত্তৰ ঃ আমাৰ দেশৰ ৰাজনৈতিক ব্যৱস্থাত কেন্দ্রীয় মন্ত্রী পৰিষদে ক্ষমতাশালী অৱস্থান দখল কৰে। মন্ত্রী পৰিষদেই হৈছে ভাৰতৰ প্রকৃত আৰু ক্ষমতাশালী কার্যনির্বাহক। ভাৰতৰ ৰাষ্ট্রপতিৰ কার্যবাহী, আইন সংক্রান্তীয়, জৰুৰী আৰু অর্থনৈতিক ক্ষমতাসমূহ দৰাচলতে মন্ত্রী পৰিষদেহে কার্যকৰী কৰে। অর্থাৎ সংবিধান প্রদত্ত ৰাষ্ট্রপতিৰ ক্ষমতা আৰু কার্যাৱলী মন্ত্রী পৰিষদেহে কার্য ৰূপায়িত কৰে।



৩.৯ আৰ্হি প্রশ্ন

(ক) ৰস্তুধর্মী প্রশ্ন —

প্রশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত প্রধানমন্ত্রী পদটোৰ বিস্তৃত উল্লেখ আছে?

প্রশ্ন ২ ঃ ভাৰতৰ প্রধানমন্ত্রীক কোনে নিযুক্তি দিয়ে?

প্রশ্ন ৩ ঃ প্রধানমন্ত্রীয়ে ৰাষ্ট্রপতি আৰু মন্ত্রীপৰিষদৰ মাজত যোগসূত্র ৰক্ষা কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) চুটি প্রশ্ন —(প্রায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ভাৰতৰ প্রধানমন্ত্রীৰ পদমর্যাদা সম্পর্কে এটি চমুটোকা লিখক।

প্রশ্ন ২ ঃ ৰাষ্ট্রপতি আৰু প্রধানমন্ত্রীৰ মাজৰ সম্পর্কৰ বিষয়ে এটি চমুটোকা লিখক।

প্রশ্ন ৩ ঃ কেন্দ্রীয় মন্ত্রী পৰিষদৰ গঠন সম্পর্কে চমুকৈ বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন — (প্রায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ভাৰতৰ প্রধানমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক।

প্রশ্ন ২ ঃ কেন্দ্রীয় মন্ত্রী পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী বর্ণনা কৰক।

****

অধ্যায় ৪ ঃ ভাৰতীয় সংসদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ভাৰতৰ সংসদ

- ৪.৩.১ ভাৰতৰ সংসদৰ গঠন
- ৪.৩.২ সংসদৰ ক্ষমতা আৰু কার্যাৱলী

৪.৪ ৰাজ্যসভা

- ৪.৪.১ ৰাজ্যসভাৰ গঠন
- ৪.৪.২ সদস্যসকলৰ অর্হতা
- ৪.৪.৩ লোকসভাৰ ক্ষমতা আৰু কার্যাৱলী

৪.৫ লোকসভা

- ৪.৫.১ লোকসভাৰ গঠন
- ৪.৫.২ সদস্যসকলৰ অর্হতা
- ৪.৫.৩ লোকসভাৰ ক্ষমতা আৰু কার্যাৱলী

৪.৬ সংসদৰ দুই সদনৰ মাজৰ সম্পর্ক

৪.৭ লোকসভাৰ অধ্যক্ষ

- ৪.৭.১ নির্বাচন
- ৪.৭.২ লোকসভাৰ অধ্যক্ষৰ ক্ষমতা আৰু কার্যাৱলী
- ৪.৭.৩ লোকসভাৰ অধ্যক্ষৰ পদমর্যাদা

৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৯ অধিক জানিবলৈ

৪.১০ অগ্রগতিৰ খতিয়ান

৪.১১ আর্হি প্রশ্ন

৪.১ উদ্দেশ্য ঃ

এই অধ্যায়টো অধ্যয়নৰ পাছত আপুনি —

- ভাৰতীয় সংসদ (ৰাজ্যসভা আৰু লোকসভা)ৰ গঠন সম্পর্কে জানিব পাৰিব
- সংসদৰ ক্ষমতা আৰু কার্যাৱলী ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- সংসদৰ দুই সদনৰ মাজৰ সম্পর্ক বর্ণনা কৰিব পাৰিব আৰু
- লোকসভাৰ অধ্যক্ষৰ নিযুক্তি, ক্ষমতা আৰু কার্যাৱলী আৰু পদমর্যাদা ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

ভাৰতত কেন্দ্রীয় আইন প্রণয়নৰ ক্ষমতা কেন্দ্রীয় সংসদৰহে থাকে। ভাৰতীয় সংসদৰ সাধাৰণ আৰ্হি ব্রিটিছ সংসদৰ দৰে। ভাৰতৰ কেন্দ্রীয় আইন সভা বা আইন প্রনয়ন কাৰী সংস্থাটোক সংসদ বুলি কোৱা হয়। ব্রিটিছ সংসদৰ দৰে ভাৰতৰ সংসদ সার্বভৌম আইন প্রনয়নকাৰী সংস্থা নহয়। ভাৰতৰ সংসদ হৈছে আমেৰিকাৰ কংগ্রেছৰ দৰে অসার্বভৌম আইন প্রণয়নকাৰী সংস্থা বা আইন সভাহে।

৪.৩ ভাৰতৰ সংসদ

ভাৰতৰ সংসদ দ্বি-কক্ষযুক্ত বা দুই সদনবিশিষ্ট। এই দুই সদনৰ ৰাজ্যসভা হৈছে উচ্চ সদন আৰু লোকসভা (লোক সদন) হৈছে নিম্ন সদন।

৪.৩.১ ভাৰতৰ সংসদৰ গাঁথনি

ভাৰতৰ ৭৯ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্রপতি, আৰু দুই সদন, অর্থাৎ লোকসদন (লোক সভা) আৰু ৰাজ্য সভাৰে ভাৰতৰ সংসদ গঠিত হয়। ৰাষ্ট্রপতি সংসদৰ কোনো এখন সদনৰে সদস্য নহয় যদিও তেওঁ সংসদৰ অবিচ্ছেদ্য অংগ কাৰণ তেওঁৰ স্বাক্ষৰ অবিহনে আইন বৈধ নহয়।

ভাৰতৰ লোকসভাৰ সদস্যসকল জনসাধাৰণৰদ্বাৰা নির্বাচিত হয় আৰু ৰাজ্য সভাৰ সদস্যসকল ৰাজ্যিক বিধান সভাৰ নির্বাচিত সদস্য সকলৰদ্বাৰা সমানুপাতিক প্রতিনিধিত্বমূলক পদ্ধতিৰে একক হস্তান্তৰযোগ্য ভোটৰদ্বাৰা নির্বাচন কৰা হয়।

৪.৩.২ সংসদৰ ক্ষমতা আৰু কার্যাৱলী

ভাৰতীয় সংসদৰ ক্ষমতা আৰু কার্যাৱলী তলত দিয়া শীর্ষানুক্রমত আলোচনা কৰিব পাৰি —

- **আইন প্রণয়ন সম্বন্ধীয় ক্ষমতা ঃ** ভাৰতীয় সংসদৰ মূল কার্যটোৰে হৈছে আইন প্রণয়ন। সংসদে কেন্দ্রীয় সূচী আৰু সমৰর্তী সূচী ভূক্ত সকলো বিষয় সম্পর্কীয় আইন প্রস্তুত কৰে। বিশেষ পৰিস্থিতি সাপেক্ষে সদনে ৰাজ্যিক সূচীৰ অন্তর্গত বিষয়ৰ ওপৰতো আইন প্রণয়ন কৰিব পাৰে। সাধাৰণ আইন প্রণয়নৰ ক্ষেত্রত ৰাজ্যসভাই লোকসভাৰ সমান ক্ষমতাই ভোগ কৰে। সাধাৰণ বিধেয়ক এখন যিকোনো এখন সদনত বা যিকোনো সদস্যই উত্থাপন কৰিব পাৰে। ৰাজ্য সভাত গৃহীত নহ'লে অনা-বিত্তীয় বিধেয়ক অর্থাৎ বিত্তীয় বিধেয়কৰ বাহিৰে অইন বিধেয়ক আইনত পৰিণত নহয়। যদিহে দুয়ো সদনৰ মাজত কোনো বিষয়ত

মত বিৰোধ ঘটে, তেতিয়া ৰাষ্ট্ৰপতিয়ে সংসদৰ যুটীয়া অধিবেশন অনুষ্ঠিত কৰিব পাৰে। লোকসভাৰ অধ্যক্ষই এই যুটীয়া অধিবেশনত অধ্যক্ষতা কৰে। উচ্চ পর্যায়ৰ ক্ষমতা বা শক্তি সম্পন্ন হোৱাৰ বাবে লোকসভাই প্ৰাধান্য লাভ কৰে। ভাৰতত বিত্তীয় বিধেয়ক একোখন কেৱল লোকসভাতহে উত্থাপন কৰিব পাৰি। বিত্তীয় বিধেয়ক এখন লোকসভাত গৃহীত হোৱাৰ পাছত ৰাজ্য সভালৈ প্ৰেৰণ কৰা হয়। ৰাজ্য সভাই এই বিধেয়ক সন্দর্ভত চৈধ্য দিনৰ ভিতৰত মতামত দিব লাগে। অন্যথা বিলখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে লোক সভাই ৰাষ্ট্ৰপতিলৈ পঠিয়ায়।

- **সংশোধনী ক্ষমতা ঃ** সংসদে সংবিধানৰ সংশোধন ঘটাব পাৰে। সংবিধান সংশোধনৰ ক্ষেত্ৰত লোক সভা আৰু ৰাজ্য সভাৰ সমান ক্ষমতা থাকে। সংবিধান সংশোধনী বিধেয়ক এখন সংসদৰ উভয় সদনতে উত্থাপন কৰিব পাৰি। সংশোধনী বিধেয়ক এখন দুয়োখন সদনতে পৃথকে পৃথকে গৃহীত হোৱাতো বাধ্যতামূলক। ভাৰতৰ সংবিধানে এনে সুবিধাও আগবঢ়াইছে যে কিছুমান সংশোধনী বিধেয়ক গৃহীত হ'বলৈ সাধাৰণ ভাৱে সংখ্যাগৰিষ্ঠ ভোট লাভ কৰিলেই হয়। আনহাতে কিছুমান বিধেয়ক দুই তৃতীয়াংশ ভোটত গৃহীত হ'লেহে আইনত পৰিণত হয়। কিছুমান সংবিধান সংশোধনীৰ বাবে সংবিধানে এনেকৈও মত প্ৰকাশ কৰিছে যে, ৫০ শতাংশ ৰাজ্যৰ সন্মতি বাধ্যতামূলক। সংবিধান সংশোধনীৰ প্ৰশ্নত পুনৰ সমাধানৰ বাবে অচলাৱস্থাৰ সৃষ্টি হ'লে সংসদৰ দুই সদনৰ যুটীয়া অধিবেশন অনুষ্ঠিত কৰাৰ সুবিধা নাই।
- **কার্যবাহী ক্ষমতা ঃ** সংসদে বিভিন্ন পৰিমাপত শাসক বা কার্যপালিকাৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে। কেন্দ্ৰীয় মন্ত্ৰী পৰিষদে তেওঁলোকৰ কার্যাৱলীৰ বাবে লোক সভাৰ ওচৰত সম্পূর্ণৰূপে দায়বদ্ধ। সংসদৰ সদস্যসকলে চৰকাৰৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণ, ক্ষমতাৰ প্ৰয়োগৰ ব্যৱস্থা অনুযায়ী সভাস্থগিত প্ৰস্তাৱ, সদনৰ মনোযোগ আকর্ষক প্ৰস্তাৱ আনিব পাৰে আৰু কার্যপালিকাক প্ৰশ্নও কৰিব পাৰে। চৰম পৰিস্থিতিত লোকসভাই অকলে মন্ত্ৰী পৰিষদৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গৃহীত কৰিব পাৰে। সংসদৰ আস্থাৰ ওপৰত ভিত্তি কৰিহে ব্যক্তি এগৰাকীয়ে দীর্ঘকাল জুৰি মন্ত্ৰী পদত থাকিব পাৰে।
- **অর্থনৈতিক ক্ষমতা ঃ** দেশৰ অর্থনৈতিক বা বিত্তীয় বিষয়সমূহত সংসদে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বিত্তীয় বিধেয়ক এখন কেৱল লোক সভাতহে উত্থাপিত হ'ব পাৰে। লোক সভাত বিত্তীয় বিধেয়ক এখন গৃহীত হোৱাৰ পাছত, লোক সভাই ইয়াক ৰাজ্য সভালৈ পঠিয়ায় আৰু ৰাজ্য সভাই ১৪ দিনৰ ভিতৰত এই বিধেয়ক সন্দর্ভত মতামত আগবঢ়াব পাৰে। ৰাজ্যসভাই বিত্তীয় বিধেয়ক এখন চৈধ্য দিনহে ৰাখিব পাৰে, তাতকৈ বেছি সময় ৰাখিব নোৱাৰে।

বিত্তীয় বিষয়ত ৰাজ্য সভাৰ ক্ষমতা স্বাভাৱিকতে পৰামৰ্শমূলকহে। সংসদে ভাৰতৰ বিত্তীয় বা অৰ্থনৈতিক নীতিসমূহ নিৰ্ধাৰণ কৰে। সংসদৰ অনুমোদন অবিহনে চৰকাৰে কোনো কৰ ধাৰ্য বা কোনো ধৰণৰ অৰ্থব্যয় কৰিব নোৱাৰে।

- **নিৰ্বাচনী ক্ষমতা ঃ** সংসদৰ কিছুমান নিৰ্বাচনী ক্ষমতাও থাকে। ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে সংসদে নিৰ্বাচক মণ্ডলী (Electoral College) গঠন কৰে। ভাৰতৰ উপ-ৰাষ্ট্ৰপতিক সংসদৰ দুই সদনৰ সদস্যৰদ্বাৰা সমানুপাতিক প্ৰতিনিধিত্ব মূলক পদ্ধতি অনুসৰি নিৰ্বাচিত কৰা হয়।
- **ন্যায়িক ক্ষমতা ঃ** ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, ন্যায়াধীশ আদিৰ অপসাৰণৰ ক্ষেত্ৰত দুয়ো সদনৰ সমান ক্ষমতা আছে।
- **অন্যান্য বিবিধ ক্ষমতা ঃ** সংসদৰ কিছুমান অন্যান্য ক্ষমতাও থাকে। মূলতঃ ৰাষ্ট্ৰপতিয়ে জৰুৰী অৱস্থা ঘোষণা বা জাৰী কৰা বিষয়ত সংসদৰ অনুমোদন প্ৰয়োজন।

সংবিধানৰ ৩১২ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰীয় প্ৰয়োজনত ৰাজ্য সভাই এক বা একাধিক সৰ্ব-ভাৰতীয় সেৱা সৃষ্টি কৰিব পাৰে। আকৌ ৰাজ্য সভাৰ কেন্দ্ৰীয় লোক সেৱা আয়োগ, বিত্তীয় আয়োগ আদিৰ বছেৰেকীয়া প্ৰতিবেদনসমূহ আলোচনা কৰাৰ অধিকাৰ আছে। ৰাজ্য সভাৰ দৰে লোক সভাৰো কিছুমান অন্যান্য ক্ষমতা থাকে। ৰাষ্ট্ৰপতিৰদ্বাৰা ঘোষিত অধ্যাদেশ সমূহ লোকসভাত গৃহীত বা অনুমোদিত হ'ব লাগে। নতুন ৰাজ্য গঠন, ৰাজ্যৰ নাম পৰিবৰ্তন, ৰাজ্যৰ চাৰিসীমা সলনি আদি ক্ষেত্ৰত লোক সভাই উদ্যোগ লয়। মুঠ কথাত ক'ব পাৰি যে ভাৰতৰ সংবিধানে সংসদক ব্যাপক ক্ষমতা আৰু কাৰ্যাৱলী প্ৰদান কৰিছে। কিন্তু সংসদৰ বিধি বা আইন সমূহ আইনী পুনৰ্বিচাৰ যোগ্য বিষয়।

৪.৪ ৰাজ্য সভা

ভাৰতৰ সংসদ দুই তৰপীয়া বা দ্বিসদন যুক্ত। ৰাজ্য সভা অৰ্থাৎ ৰাজ্যসমূহৰ পৰিষদ হ'ল সংসদৰ উচ্চ সদন।

৪.৪.১ ৰাজ্য সভাৰ গাঁথনি

ভাৰতৰ সংবিধানৰ ৪০ নং অনুচ্ছেদত ৰাজ্য সভাৰ গাঁথনি সম্পৰ্কে ব্যাখ্যা কৰা হৈছে। ৰাজ্য সভাৰ সৰ্ব্বোচ্চ সদস্যৰ সংখ্যা ২৫০ জন। ৮০ নং অনুচ্ছেদ মতে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ১২ জন বিশিষ্ট ব্যক্তিক ৰাষ্ট্ৰপতিয়ে ৰাজ্য সভালৈ মনোনীত কৰে আৰু বাকী ২৩৮ জন প্ৰতিনিধি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ পৰা থাকে। ৰাজ্য সভাৰ সদস্যৰ উচ্চ সীমা ২৫০। ৰাজ্যসভাত ৰাজ্যসমূহৰ প্ৰতিনিধিত্ব সমান নহয়। ই ৰাজ্য সমূহৰ জনসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰে।

ৰাজ্য সভা হৈছে অৰ্ধ স্থায়ী সদন। ইয়াক ৰাষ্ট্ৰপতিয়ে ভংগ কৰিব নোৱাৰে। প্ৰত্যেক গৰাকী সদস্য ছয় বছৰীয়া কাৰ্যকালৰ বাবে নিৰ্বাচন কৰা হয়। প্ৰতি দুই বছৰৰ মূৰত এক তৃতীয়াংশ সদস্যৰ অৱসৰ ঘটে। আৰু এই খালী আসন সমূহ নিৰ্বাচনৰদ্বাৰা পূৰ কৰা হয়। ভাৰতৰ উপ ৰাষ্ট্ৰপতি ৰাজ্য সভাৰ পদেন অধ্যক্ষ।

৪.৪.২ সদস্য সকলৰ যোগ্যতা

সংবিধানত ৰাজ্য সভাৰ সদস্য পদৰ বাবে তলৰ অৰ্হতাসমূহৰ কথা লিপিবদ্ধ আছে —

(১) তেওঁ ভাৰতৰ নাগৰিক হোৱাটো বাধ্যতামূলক।

(২) তেওঁ বয়স ৩০ বা ৩০ ৰ অধিক হ'ব লাগিব।

(৩) প্ৰাৰ্থী গৰাকী সংসদে বিচৰা ধৰণে সকলো ধৰণৰ অৰ্হতাৰ অধিকাৰী হ'ব লাগিব।

(৪) তেওঁ কোনো ধৰনৰ মানসিক বিকাৰ গ্ৰস্ত বা ধৰুৱা বা দেউলীয়া হ'ব নালাগিব।

৪.৪.৩ ৰাজ্য সভাৰ ক্ষমতা আৰু কাৰ্যাৱলী

ৰাজ্য সভাৰ ক্ষমতা আৰু কাৰ্যাৱলী সমূহ তলত দিয়া ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি —

- **আইন সম্বন্ধীয় ক্ষমতা ঃ** সাধাৰণ আইন প্ৰণয়নৰ ক্ষেত্ৰত ৰাজ্য সভাই লোক সভাৰ সমান ক্ষমতা ভোগ কৰে। অনা-বিত্তীয় বিধেয়ক এখন ৰাজ্য সভাত গৃহীত বা অনুমোদিত নহ'লে আইনত পৰিণত নহয়। যদিহে সংসদৰ দুই সদনৰ মাজত কোনো বিষয়ত মত বিৰোধ ঘটে তেতিয়া ৰাষ্ট্ৰপতিয়ে সংসদৰ যুটীয়া অধিবেশন আহ্বান কৰিব পাৰে। এই যুটীয়া অধিবেশনত লোক সভাৰ অধ্যক্ষই অধ্যক্ষতা কৰে।

- **বিত্তীয় ক্ষমতা ঃ** বিত্তীয় ক্ষমতাৰ ক্ষেত্ৰত ৰাজ্য সভা এখন দুৰ্বল সদন। বিত্তীয় বিষয়ত ৰাজ্য সভাৰ ক্ষমতা আৰু কাৰ্যাৱলী সীমাবদ্ধ। ভাৰতত বিত্তীয় বিধেয়ক এখনকেৱল লোক সভাতহে উত্থাপিত হ'ব পাৰে। লোক সভাত গৃহীত হোৱাৰ পাছত বিত্তীয় বিধেয়ক খন লোক সভাই ৰাজ্য সভালৈ প্ৰেৰণ কৰে আৰু ৰাজ্য সভাই এই বিধেয়ক সম্পৰ্কে কিবা মতামত থাকিলে চৈধ্য দিনৰ ভিতৰত দিব লাগে। ৰাজ্য সভাই বিত্তীয় বিধেয়ক এখন কেৱল চৈধ্য দিনহে ৰাখিব পাৰে, তাতকৈ অধিক দিন নোৱাৰে। বিত্তীয় বিষয়ত ৰাজ্য সভাৰ ক্ষমতা পৰামৰ্শ প্ৰকৃতিৰহে।

- **সংশোধনী ক্ষমতা ঃ** সংবিধান সংশোধনীৰ ক্ষেত্ৰত ৰাজ্য সভাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংবিধান সংশোধনীৰ ক্ষেত্ৰত লোক সভা আৰু ৰাজ্য সভাৰ সমান ক্ষমতা থাকে। সংবিধান সংশোধনী বিধেয়ক এখন সংসদৰ উভয়

সদনতে উত্থাপিত হ'ব পাৰে। সংসদৰ দুয়ো সদনতে পৃথকে পৃথকে সংশোধনী বিধেয়ক গৃহীত হোৱাতো বাধ্যতামূলক।

- **কার্যবাহী ক্ষমতা ঃ** ৰাজ্য সভাই পৰোক্ষ ভাৱে চৰকাৰক নিয়ন্ত্রণ কৰে। ৰাজ্য সভাই চৰকাৰ গঠন কৰিব নোৱাৰে। ই চৰকাৰৰ নীতি আৰু কৰ্ম সমূহক সমালোচনা কৰিব পাৰে। ৰাজ্য সভাই চৰকাৰী নীতি সমূহৰ বিষয়ে কেৱল আলোচনা কৰিব পাৰে আৰু প্রশ্নাৱলী, সভাস্থগিত প্রস্তাৱ আৰু সমালোচনা মূলক বক্তব্যৰ যোগেদি চৰকাৰী কাম-কাজক প্রভাৱিত কৰে। ৰাজ্য সভাই কোনো মন্ত্রীৰ বিৰুদ্ধে অনাস্থা প্রস্তাৱ গৃহীত কৰিব নোৱাৰে।
- **নির্বাচন সংক্রান্ত্রীয় ক্ষমতা ঃ** ৰাজ্য সভাৰ নির্বাচনী ক্ষমতাও থাকে। ৰাজ্য সভাৰ নির্বাচিত সদস্য সকলে ৰাষ্ট্রপতিৰ নির্বাচনত অংশ লয়। ৰাজ্য সভাৰ সদস্য সকলে উপ ৰাষ্ট্রপতি নির্বাচনতো অংশগ্রহণ কৰে।
- **ন্যায়িক ক্ষমতা ঃ** ৰাজ্য সভাৰ সদস্য সকলে ৰাষ্ট্রপতি, উপ ৰাষ্ট্রপতি, উচ্চ আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সকলৰ অপসাৰণ প্রক্রিয়াটো অংশ লয়।
- **অন্যান্য বিবিধ ক্ষমতা ঃ** ৰাজ্য সভাৰ অন্যান্য ক্ষমতা থাকে। সংবিধানৰ ৩১২ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্রৰ প্রয়োজনত ৰাজ্য সভাই এক বা একাধিক সর্ব ভাৰতীয় সেৱা সৃষ্টি কৰিব পাৰে। আকৌ ৰাজ্য সভাই কেন্দ্রীয় লোক সেৱা আয়োগ, বিত্তীয় আয়োগ আদিৰ বছৰেকীয়া প্রতিবেদন সমূহ পর্যালোচনা কৰাৰ অধিকাৰ আছে। সংবিধানৰ ২৪৯ নং অনুচ্ছেদ অনুসৰি প্রয়োজনত ৰাজ্যিক সূচীত উল্লেখিত বিষয় সন্দর্ভত আইন প্রনয়ন কৰোঁতে সংসদক ৰাজ্য সভাই নির্ণায়ক প্রস্তাৱ গ্রহণেৰে শক্তিশালীত্ব প্রদান কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা আমি দেখিলো যে ৰাজ্য সভা এক অতি দূর্বল সদনো নহয় অথবা এক অতি শক্তিশালী সদনো নহয়।

৪.৫ লোক সভা (জনসাধাৰণৰ সদন)

লোক সভা বা জনসাধাৰণৰ সদন হৈছে সংসদৰ নিম্ন সদন। ই ভাৰতৰ জনসাধাৰণক প্রতিনিধিত্ব কৰে। ভাৰতৰ সংবিধানে জনসাধাৰণৰ সদন বা লোক সভাৰ কাৰণে প্রত্যক্ষ নির্বাচনৰ সুবিধা প্রদান কৰিছে।

৪.৫.১ লোক সভাৰ গঠন

ভাৰতৰ সংবিধানৰ ৮১ নং অনুচ্ছেদটো ভাৰতৰ জনসাধাৰণৰ সদন বা লোক সভাৰ গঠনৰ লগত জড়িত। লোক সভাৰ সর্বোচ্চ সদস্যৰ সংখ্যা ৫৫০ গৰাকী। ইয়াৰ

৫৩০ গৰাকী সদস্য ভাৰতৰ বিভিন্ন অংগ ৰাজ্যৰ পৰা নির্বাচন কৰা হয় আৰু ২০ গৰাকী সদস্য কেন্দ্রীয় শাসিত অঞ্চল সমূহৰ পৰা নির্বাচন কৰা হয়। বর্তমান সময়ত লোক সভাৰ সদস্যৰ সংখ্যা ৫৪৩ জন।

সংবিধানৰ ৮৩ অনুচ্ছেদ অনুসৰি লোক সভাৰ স্বাভাৱিক কার্যকাল ৫ বছৰ। কিন্তু, নির্দিষ্ট কার্যকাল শেষ হোৱাৰ আগতে জৰুৰী অৱস্থাত লোক সভা ভংগ হ'ব পাৰে। অৱশ্যে, জৰুৰী অৱস্থাত সংসদে আইন অনুসৰি লোক সভাৰ কার্যকাল এবছৰলৈ বৃদ্ধি কৰিবও পাৰে।

যি কি নহওক, জৰুৰী অৱস্থা সমাপ্তি ঘটিলে লোক সভা ভংগ কৰি দিয়া হয় আৰু ৬ মাহৰ ভিতৰত নতুনকৈ নির্বাচন অনুষ্ঠিত হয়।

৪.৫.২ লোক সভাৰ সদস্য সকলৰ অর্হতা

লোক সভাৰ সদস্যহিচাবে নির্বাচনত প্রতিদ্বন্দ্বিতা কৰিবলৈ ব্যক্তি এগৰাকীক তলত দিয়া অর্হতা সমূহৰ প্রয়োজন —

(১) তেওঁ ভাৰতীয় নাগৰিক হোৱাটো বাধ্যতামূলক।

(২) তেওঁৰ বয়স ২৫ বছৰৰ কম হ'ব নালাগিব।

(৩) সংসদৰ বাবে নির্ধাৰিত আন সকলো অর্হতা তেওঁৰ থাকিব লাগিব।

৪.৫.৩ লোক সভাৰ ক্ষমতা আৰু কার্যাৱলী

লোক সভাৰ ক্ষমতা আৰু কার্যাৱলী তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি —

- **আইন সংক্রান্তীয় ক্ষমতা ঃ** আইন সংক্রান্তীয় মন্ত্রণা কক্ষ বা সভা হিচাপে লোক সভাৰ অতি গুৰুত্বপূর্ণ কার্যটো হ'ল আইন প্রণয়ন। সাধাৰণ বিধেয়ক এখন উভয় সদনতে যি কোনো সদস্যৰদ্বাৰা উত্থাপিত হ'ব পাৰে। যদিহে সংসদৰ দুয়ো সদনৰ মাজত কোনো বিষয়ত মত পার্থক্যৰ সৃষ্টি হয়, তেতিয়া ৰাষ্ট্রপতিয়ে সংসদৰ যুটীয়া অধিবেশন আহ্বান কৰে। লোক সভাৰ অধ্যক্ষই এই যুটীয়া অধিবেশনত অধ্যক্ষতা কৰে। উচ্চ ক্ষমতাৰ অধিকাৰী হোৱাৰ বাবে লোক সভাই প্রাধান্য বা অগ্রাধিকাৰ ভোগ কৰে।
- **অর্থনৈতিক ক্ষমতা ঃ** অর্থনৈতিক বা বিত্তীয় ক্ষেত্রত লোকসভা উচ্চতৰ স্থানত অধিষ্ঠিত। বিত্তীয় বিধেয়ক এখন কেৱল লোক সভাতহে উত্থাপিত হ'ব পাৰে। লোকসভাত বিত্তীয় বিধেয়ক এখন গৃহীত হোৱাৰ পাছত, ইয়াক ৰাজ্যসভালৈ প্রেৰণ কৰা হয় আৰু ৰাজ্য সভাই ১৪ দিনৰ ভিতৰত এই বিত্তীয় বিধেয়ক সম্পর্কত কিবা মতামত থাকিলে জনাব পাৰে। ৰাজ্যসভাই বিত্তীয় বিধেয়ক এখন কেৱল চৈধ্য দিনহে ৰাখিব পাৰে তাতকৈ অধিক দিন ৰাখিব নোৱাৰে। বিধেয়ক এখন

বিত্তীয় বিধেয়ক হয়নে নহয়, এই সম্পর্কে যদি প্রশ্ন উত্থাপিত হয়, তেতিয়া লোকসভাৰ অধ্যক্ষই এই সম্পর্কে নির্ণায়ক সিদ্ধান্ত প্রদান কৰে। তেওঁৰ সিদ্ধান্তই চূড়ান্ত হয়। বাজেট গৃহীত ক'ৰাৰ ক্ষেত্রতো লোকসভাই সর্বেসর্বা। লোকসভাৰ অনুমোদন অবিহনে কোনো নতুন কৰ প্রৱর্তন, কৰ বৃদ্ধি বা হ্রাস কৰিব পৰা নাযায়। দেশৰ অর্থনৈতিক বিষয়সমূহত লোকসভাৰ সম্পূর্ণ নিয়ন্ত্রণ থাকে।

- **কার্যবাহী ক্ষমতা ঃ** সংবিধানৰ ৭৫(৩) অনুচ্ছেদ মতে মন্ত্রী পৰিষদ লোকসভাৰ ওচৰত সম্পূর্ণভাৱে দায়বদ্ধ। মন্ত্রী পৰিষদৰ বিৰুদ্ধে লোকসভাই অনাস্থা প্রস্তাৱ গ্রহণ কৰিব পাৰে। লোকসভাৰ সদস্য সকলে চৰকাৰৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্রণ বর্তাই ৰখাৰ কাৰণে সভাস্থগিত প্রস্তাৱ, মনোযোগ আকর্ষক প্রস্তাৱ আৰু কার্যপালিকাৰ ওপৰত প্রশ্ন উত্থাপন কৰিব পাৰে।
- **সংশোধনী ক্ষমতা ঃ** সংবিধান সংশোধনৰ ক্ষেত্রত লোকসভাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। সংবিধান সংশোধনৰ ক্ষেত্রত লোকসভা আৰু ৰাজ্যসভা এই দুই সদনৰে সমান ক্ষমতা আছে। সংবিধান সংশোধনী বিধেয়ক এখন সংসদৰ উভয় সদনতে উত্থাপিত হ'ব পাৰে। সংশোধনী বিধেয়ক এখন দুয়ো সদনতে পৃথকে পৃথকে গৃহীত হোৱাতো বাধ্যতামূলক।
- **নির্বাচনী ক্ষমতা ঃ** লোকসভাৰ কিছুমান নির্বাচনী ক্ষমতা থাকে। লোকসভাৰ নির্বাচিত সদস্যসকলে একেলগে ৰাষ্ট্রপতি নির্বাচনত অংশ লয়। সংসদৰ দুয়ো সদনৰ নির্বাচিত সদস্যসকলে ভাৰতৰ উপ ৰাষ্ট্রপতিক নির্বাচন কৰে।
- **ন্যায়িক ক্ষমতা ঃ** লোকসভাৰ কেইটামান ন্যায় সংক্রান্তীয় ক্ষমতা আৰু কার্যাৱলী আছে। ৰাষ্ট্রপতি, উপৰাষ্ট্রপতি, ন্যায়াধীশ আদিক অপসাৰণৰ ক্ষেত্রত দুই সদনৰ সমান ক্ষমতা আছে।
- **অন্যান্য বিবিধ ক্ষমতা ঃ** উল্লিখিত ক্ষমতা আৰু কার্যাৱলীসমূহৰ বাহিৰেও লোকসভাৰ আন কিছুমান ক্ষমতা আৰু কার্য থাকে। সেইবোৰ হ'ল

  (১) মন্ত্রী পৰিষদ গঠনত লোকসভাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

  (২) ৰাষ্ট্রপতিৰদ্বাৰা ঘোষিত অধ্যাদেশসমূহ লোকসভাত গৃহীত হ'ব লাগে।

  (৩) ৰাষ্ট্রপতিৰ জৰুৰী অৱস্থা ঘোষণা লোকসভাৰ অনুমোদনৰ বাবে পঠোৱা হয়।

লোকসভাৰ ক্ষমতা আৰু কার্যাৱলী অধ্যয়ন কৰাৰ পাছত সামৰণিত আমি ক'ব পাৰোঁ যে লোকসভা ৰাজ্যসভাতকৈ বেছি ক্ষমতাশালী। বিত্তীয় ক্ষমতাৰ ক্ষেত্রত লোকসভাৰ একাধিপত্য পৰিলক্ষিত হয়।

৪.৬ সংসদৰ দুই সদনৰ মাজৰ সম্বন্ধ

ভাৰতীয় সংসদ দুই তৰপীয়া বা দ্বি-সদন যুক্ত। দুই সদনৰ ভিতৰত ৰাজ্যসভা (ৰাজ্য সমূহৰ পৰিষদ) হৈছে উচ্চ সদন আৰু লোকসভা (জনসাধাৰণৰ সদন) হৈছে নিম্ন সদন।

সংসদৰ এই দুই সদনৰ ভিতৰত, লোকসভাই জনসাধাৰণৰ প্ৰত্যক্ষ প্ৰতিনিধিত্ব কৰে। লোকসভা হৈছে জনপ্ৰতিনিধিত্বমূলক সদন। লোকসভাৰ সদস্যসকলক জনসাধাৰণে নিৰ্বাচিত কৰে। ৰাজ্যসভাৰ সদস্যসকল পৰোক্ষভাৱে নিৰ্বাচিত হয়। ৰাজ্যসভা (উচ্চ সদন)ৰ সদস্য সকলক ৰাজ্য বিধানসভা সমূহৰ নিৰ্বাচিত সদস্য সকলৰ দ্বাৰা সামানুপাতিক প্ৰতিনিধিত্বমূলক পদ্ধতিৰে একক হস্তান্তৰযোগ্য ভোটৰদ্বাৰা নিৰ্বাচিত কৰা হয়।

এনেদৰে জনসাধাৰণৰদ্বাৰা প্ৰত্যক্ষ ভাৱে নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত লোকসভাই স্বাভাৱিকতে গনতান্ত্ৰিক অনুষ্ঠান হিচাপে সন্মানীয় কৰ্তৃত্ব লাভ কৰে। আকৌ ৰাজ্যসভাৰ সৰ্ব্বোচ্চ সদস্য সংখ্যা ২৫০ জন হোৱাৰ বিপৰীতে লোকসভাৰ সদস্য সংখ্যা ৫৪৩ জন। এনেদৰে সংখ্যাগত ভাৱেও লোকসভাই এক উচ্চতৰ স্থান দখল কৰিছে।

ক্ষমতা আৰু কাৰ্যাৱলীৰ সম্পৰ্কত নিৰ্দিষ্ট কিছুমান বিষয়ত দুয়ো সদনৰ সমান ভূমিকা থাকে। আন কিছুমান নিৰ্দিষ্ট বিষয়ত আকৌ লোকসভাই ৰাজ্যসভাতকৈ গুৰুত্বপূৰ্ণ উচ্চ স্থান দখল কৰে। কেৱল অতি কম সংখ্যক বিষয়তহে ৰাজ্যসমূহৰ পৰিষদ বা ৰাজ্যসভাৰ ক্ষমতা থাকে যিমান লোকসভা বা জনসাধাৰণৰ সদনৰ নাথাকে।

সাধাৰণ আইন প্ৰণয়নৰ ক্ষেত্ৰত ৰাজ্যসভাৰ লোকসভাৰ সমানে ক্ষমতা থাকে। সাধাৰণ বিধেয়ক এখন উভয় সদনত যি কোনো এজন সদস্যৰদ্বাৰা উত্থাপিত হ'ব পাৰে। অনাবিত্তীয় বিধেয়ক এখন আইনত পৰিণত হ'বলৈ ৰাজ্যসভাত গৃহীত হ'বই লাগিব। যদি কোনো বিষয়ত দুই সদনৰ মাজত মত পাৰ্থক্যৰ সৃষ্টি হয়, তেতিয়া ৰাষ্ট্ৰপতিয়ে যুটীয়া অধিবেশন আহ্বান কৰে। এই যুটীয়া অধিবেশনত লোকসভাৰ অধ্যক্ষই সভাপতিত্ব কৰে। উচ্চতৰ ক্ষমতা বা গুৰু সংখ্যক সদস্য থকাৰ বাবে লোকসভাই অগ্ৰাধিকাৰ বা প্ৰাধান্য লাভ কৰে। ভাৰতত বিত্তীয় বিধেয়ক এখন কেৱল লোকসভাতে উত্থাপন কৰিব পাৰি। বিত্তীয় বিধেয়ক এখন লোকসভাত গৃহীত হোৱাৰ পাছত লোকসভাই ৰাজ্যসভালৈ প্ৰেৰণ কৰে। ৰাজ্য সভাই ১৪ দিনৰ ভিতৰত এই বিধেয়ক সম্পৰ্কে মতামত দিব লাগে। অন্যথা লোকসভাই ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে এই বিধেয়ক ৰাষ্ট্ৰপতিলৈ পঠিয়ায়। বিত্তীয় বিধেয়কত কিছু সাল-সলনিৰ বাবে ৰাজ্যসভাই পৰামৰ্শ আগবঢ়াব পাৰে। এই পৰামৰ্শ লোকসভাই মানিবও পাৰে নামানিবও পাৰে। উচ্চ সদনে (ৰাজ্যসভাই) বিত্তীয় বিধেয়ক এখন ১৪ দিনতকৈ অধিক সময় ৰাখি থ'ব নোৱাৰে। সেই কাৰণে ৰাজ্যসভাৰ ক্ষমতা সাধাৰণতে পৰামৰ্শ প্ৰকৃতিৰহে ।

সংবিধান সংশোধনৰ ক্ষেত্ৰত ৰাজ্যসভা আৰু লোকসভাৰ সমান ক্ষমতা আছে। সংবিধান সংশোধনী বিধেয়ক এখন সংসদৰ দুয়োখন সদনতে উত্থাপন কৰিব পাৰি। সংশোধনী বিধেয়ক এখন সংসদৰ দুয়ো সদনতে পৃথক ভাৱে গৃহীত হোৱাতো বাধ্যতামূলক।

লোকসভাই কাৰ্যপালিকা যেনে মন্ত্ৰী পৰিষদৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ ৰক্ষা কৰে।

ৰাজ্যসভাই পৰোক্ষ ভাৱে চৰকাৰৰ ওপৰত নিয়ন্ত্ৰণ কৰে। ৰাজ্যসভাই মন্ত্ৰী পৰিষদৰ ওপৰত কিছু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰে কিন্তু মন্ত্ৰী পৰিষদৰ ওপৰত ৰাজ্যসভাৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাথাকে। কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ তেওঁলোকৰ কাম-কাজৰ বাবে লোকসভাৰ ওচৰত সামূহিকভাৱে দায়বদ্ধ। সংসদৰ দুয়োখন সদনৰ সদস্যসকলে চৰকাৰৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণ ৰক্ষা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ, মনোযোগ আকৰ্ষক প্ৰস্তাৱ আৰু কাৰ্য পালিকালৈ প্ৰশ্ন অৱতাৰণা কৰিব পাৰে। চৰম অৱস্থাত লোকসভাই মন্ত্ৰী পৰিষদৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গৃহীত কৰিব পাৰে। সংসদৰ আস্থাভাজন হৈ থকালৈকে মন্ত্ৰী এগৰাকীয়ে তেওঁৰ পদ ভোগ কৰিব পাৰে। ৰাজ্যসভাই মন্ত্ৰীত্বৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিব নোৱাৰে।

বিত্তীয় বিধেয়কৰ ক্ষেত্ৰত লোকসভাই উৰ্ধ্বতম স্থান দখল কৰে। বিত্তীয় বিধেয়ক এখন কেৱল লোকসভাতহে উত্থাপিত হ'ব পাৰে। লোকসভাত বিত্তীয় বিধেয়ক এখন গৃহীত হোৱাৰ পাছত লোকসভাই এইখনক ৰাজ্যসভালৈ প্ৰেৰণ কৰে আৰু ৰাজ্য সভাই চৈধ্য দিনৰ ভিতৰত এই বিলৰ সন্দৰ্ভত কিবা মতামত থকিলে দিব লাগে। ৰাজ্যসভাই ১৪ দিনতকৈ অধিক সময় বিত্তীয় বিধেয়ক এখন ৰাখি থ'ব নোৱাৰে। বিত্তীয় বিষয়ত ৰাজ্যসভাৰ ক্ষমতা হ'ল পৰামৰ্শদান প্ৰকৃতিৰ। বিত্তীয় ক্ষেত্ৰত ৰাজ্যসভা হৈছে দূৰ্বল সদন। বিত্তীয় বিষয়ত ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী সীমাবদ্ধ।

সংসদৰ দুয়োখন সদনে ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ লয়। ৰাষ্ট্ৰপতি আৰু উপ ৰাষ্ট্ৰপতিৰ অপসাৰণৰ ক্ষেত্ৰতো দুই সদনৰ ক্ষমতা সমান। উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, মুখ্য নিৰ্বাচনী বিষয়া আদি অপসাৰণৰ ক্ষেত্ৰতো দুই সদন সমান ক্ষমতাৰ অধিকাৰী।

যি কি নহওক, এনে কিছুমান বিষয় আছে যিবোৰত লোকসভাতকৈ ৰাজ্যসভাই অধিক কৰ্তৃত্ব লাভ কৰে। সংবিধানৰ ৩১২ নং অনুচ্ছেদ মতে ৰাষ্ট্ৰৰ প্ৰয়োজনত ৰাজ্যসভাই এটা বা একাধিক সৰ্ব-ভাৰতীয় সেৱাৰ সৃষ্টি কৰিব পাৰে। আকৌ ৰাজ্যসভাই কেন্দ্ৰীয় লোকসেৱা আয়োগ, বিত্তীয় আয়োগ আদিৰ বাৰ্ষিক প্ৰতিবেদন সমূহ পৰ্য্যালোচনা কৰাৰ অধিকাৰ আছে। সংবিধানৰ ২৪৯ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰৰ প্ৰয়োজনত ৰাজ্যসভাই প্ৰস্তাৱ গৃহীত কৰি ৰাজ্যিক সূচীৰ অন্তৰ্গত বিষয়তো আইন প্ৰনয়ন কৰিব পৰাকৈ সংসদক অধিক শক্তিশালী বা ক্ষমতাশালী কৰি তোলে।

ৰাজ্যসভা আৰু লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কীয় ওপৰৰ আলোচনাৰ পৰা সামৰণিত ক'ব পাৰি যে ৰাজ্যসভা লোকসভাতকৈ কম শক্তিশালী আৰু প্ৰভাৱশালী। যাহওক, এই দুই সদনৰ সহযোগিতা সংসদৰ কাম কাজৰ বাবে অতি প্ৰয়োজনীয়।

জানি থোৱা ভাল



অসমৰ পৰা ৭ জন সদস্যক ৰাজ্যসভালৈ ১৪ জন সদস্যক লোকসভালৈ নিৰ্বাচিত কৰা হয়।



অগ্রগতি নিৰীক্ষন

প্রশ্ন ১ ঃ ৰাজ্যসভাৰ অধ্যক্ষ কোন ?

.....

প্রশ্ন ২ ঃ বিত্তীয় বিধেয়ক এখন কেৱল উত্থাপিত কৰিব পাৰি ———————— (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৩ ঃ সংসদে কেনেদৰে কার্যপালিকাৰ ওপৰত নিয়ন্ত্রণ ৰাখে ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

৪.৭ লোকসভাৰ অধ্যক্ষ

অধ্যক্ষ হৈছে জনসাধাৰণৰ সদন বা লোকসভাৰ পৌৰহিত্য কাৰী বিষয়া। ভাৰতৰ সংবিধানৰ ৯৩ নং অনুচ্ছেদটোৱে লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদৰ বিষয়ে আলোচনা কৰিছে।

অধ্যক্ষ হৈছে লোকসভাৰ আটাইতকৈ ক্ষমতাশালী ব্যক্তি। অধ্যক্ষৰ পদটো সন্মানীয়, উচ্চ পদমর্যাদাযুক্ত আৰু কর্তৃত্বসম্পন্ন পদ।

৪.৭.১ নির্বাচন

লোকসভাৰ নির্বাচিত সদস্য সকলে তেওঁলোকৰ মাজৰ পৰাই লোকসভাৰ প্রথম অধিবেশনত অধ্যক্ষ গৰাকীক নির্বাচন কৰে। লোকসভাৰ অধ্যক্ষ গৰাকীক দলীয় ভিত্তিত নির্বাচন কৰা হয়। সাধাৰণতে অধ্যক্ষ গৰাকী সর্বসন্মতক্রমে নির্বাচিত হয়।

লোকসভাৰ অধ্যক্ষ গৰাকীৰ কার্যকাল, লোকসভাৰ কার্যকালৰ সমান, অর্থাৎ ৫ বছৰ। অধ্যক্ষগৰাকীয়ে তেওঁৰ সম্পূর্ণ কার্যকাল শেষ হোৱাৰ আগতে যিকোনো সময়তে তেওঁৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে।

৪.৭.২ অধ্যক্ষৰ ক্ষমতা আৰু কার্যাৱলী

লোকসভাৰ অধ্যক্ষৰ ক্ষমতা আৰু কার্যাৱলী তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- **সদনৰ সভাসমূহত সভাপতিত্ব ঃ** অধ্যক্ষই লোকসভাৰ অধিবেশনসমূহত পৌৰহিত্য কৰে আৰু লোকসভাৰ প্রচলিত নীতি-নিয়ম অনুসৰি কার্যক্রম পৰিচালনা কৰে। তেওঁ সংসদৰ দুই সদনৰ যুটীয়া অধিবেশনত পৌৰহিত্য কৰে।

- **সদনৰ কাম-কাজ পৰিচালনা ঃ** লোকসভাৰ অধ্যক্ষই সদনৰ কাম-কাজ পৰিচালনা কৰে। তেওঁ সদনৰ কাম-কাজৰ ক্ৰম নিৰ্ধাৰণ কৰে আৰু সদনৰ সদস্যসকলৰ বাবে বক্তব্য প্ৰদানৰ সময়সীমা নিৰ্ধাৰণ কৰে। তেওঁ সদস্যসকলক বিধেয়ক অথবা প্ৰস্তাৱ সদনত উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰে। সদনত কোনো সদস্যই অসংসদীয় ভাষা প্ৰয়োগ কৰিলে অধ্যক্ষই সেই সদস্যৰ বিৰুদ্ধে সকীয়নি দিব পাৰে। অধ্যক্ষৰ অনুমতি বা সন্মতি অবিহনে সদনত সভাস্থগিত প্ৰস্তাৱ বা কোনো বিধেয়ক সম্পৰ্কীয় আলোচনা গ্ৰহণ কৰিব নোৱাৰি।
- **লোকসভাৰ নিয়মানুবৰ্তিতা বৰ্তাই ৰখা ঃ** অধ্যক্ষই সদনৰ নিয়মানুবৰ্তিতা বৰ্তাই ৰাখে। অধ্যক্ষৰ সন্মতি অবিহনে কোনো সদস্যই সদনত বক্তব্য ৰাখিব নোৱাৰে। কোনো বিষয় নিষ্পত্তিৰ বাবে সদনৰ অধ্যক্ষই ৰায় দিব পাৰে।
- **বিত্তীয় বিধেয়ক বিষয়ক সিদ্ধান্ত ঃ** বিশেষ বিধেয়ক এখন বিত্তীয় বিধেয়ক হয় নে নহয় সেয়া অধ্যক্ষই বিবেচনা কৰে আৰু অধ্যক্ষৰ বিবেচনাকে চূড়ান্ত বুলি ধৰা হয়। অধ্যক্ষৰ বিবেচনাৰ ওপৰত সদনৰ বাহিৰে বা ভিতৰে কোনোৱে বিৰুদ্ধাচৰণ কৰিব নোৱাৰে।
- **সদনৰ কাৰ্যসূচী নিৰ্ধাৰণ ঃ** অধ্যক্ষই সদনৰ সদস্যসকল আৰু সদনৰ আন আন কমিটিসমূহৰ লগত আলোচনামৰ্মে সদনৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰে।
- **সদন স্থগিত ৰখাৰ ক্ষমতা ঃ** সদনত যথা বিহিত উপস্থিত থাকিবলগীয়া সদস্যখিনি অনুপস্থিত থাকিলে অধ্যক্ষই সদনৰ সভা স্থগিত ৰাখিব পাৰে। সদনত হুলস্থুলীয়া পৰিবেশ সৃষ্টি হ'লেও অধ্যক্ষই সদন স্থগিত ৰাখিব পাৰে।
- **ৰাষ্ট্ৰপতি আৰু সংসদৰ মাজত যোগাযোগৰ মাধ্যম ঃ** অধ্যক্ষ হৈছে ৰাষ্ট্ৰপতি আৰু সংসদৰ মাজৰ যোগাযোগৰ মাধ্যম স্বৰূপ। লোকসভাৰ সদস্যসকলে অধ্যক্ষৰ জৰিয়তে ৰাষ্ট্ৰপতিৰ কায চাপিব পাৰে।
- **প্ৰশাসনীয় কাৰ্যাৱলী ঃ** লোকসভাৰ অধ্যক্ষৰ কিছুমান প্ৰশাসনিক কাম-কাজো থাকে। তেওঁ লোকসভাৰ বিষয়াসকলক তেওঁলোকৰ কাম-কাজত তদাৰক কৰে। সদনৰ বিভিন্ন কমিটিসমূহৰ বৈঠক আৰু সদনত বিভিন্ন পক্ষৰ সদস্যসকলৰ বহাৰ বন্দোৱস্তি অধ্যক্ষই কৰে।
- **ভোট প্ৰদানৰ ক্ষমতা ঃ** অধ্যক্ষই সাধাৰণতে বিধেয়ক এখন গৃহীত কৰিবলৈ গ্ৰহণ কৰা ভোটিং প্ৰণালীত অংশগ্ৰহণ নকৰে। কিন্তু এনে ক্ষেত্ৰত যদি দুয়োপক্ষৰ ভোট সমান সমান হয়, তেতিয়া অধ্যক্ষই নিৰ্ণায়ক ভোট প্ৰদান কৰে।
- **বিভিন্ন কমিটি গঠন ঃ** কমিটি গঠনৰ ক্ষেত্ৰত অধ্যক্ষই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তেওঁ লোকসভাৰ বিভিন্ন কমিটিসমূহ গঠন কৰাৰ লগতে এই বিলাকৰ অধ্যক্ষক নিযুক্তি দিয়ে। তেওঁ নিজও কিছুমান কমিটিৰ অধ্যক্ষতা কৰে।

- **প্ৰশ্ন সোধাৰ বাবে অনুমতি প্ৰদান ঃ** অধ্যক্ষৰ সন্মতি অবিহনে কোনো সদস্যই সদনত বক্তব্য ৰাখিব নোৱাৰে। এজন সদস্যই পোনপটীয়া প্ৰশ্ন, পৰিপূৰক প্ৰশ্ন আৰু সভাস্থগিত প্ৰস্তাৱ দাঙি ধৰিব পাৰে। সদস্যসকলৰ এনে ক্ষমতা ব্যৱহাৰৰ বাবে অধ্যক্ষৰ অনুমতি আৱশ্যক। যি কি নহওক অধ্যক্ষৰ অনুমতি অবিহনে কোনো সদস্যই সদনৰ সভাত একো ক'ব নোৱাৰে।
- **দৰ্শকৰ বাবে থকা গেলেৰীসমূহ নিয়ন্ত্ৰণ ঃ** অধ্যক্ষই দৰ্শকৰ বাবে থকা গেলেৰীসমূহ নিয়ন্ত্ৰণ কৰে। সদনৰ জনসাধাৰণ আৰু সংবাদকৰ্মী সকলৰ বাবে সংৰক্ষিত বিৰাম কক্ষ আৰু গেলেৰীসমূহ অধ্যক্ষৰ নিয়ন্ত্ৰণাধীন।

৪.৭.৩ অধ্যক্ষৰ পদমৰ্যাদা

লোকসভাৰ অধ্যক্ষজনে বিপুল সন্মান, মৰ্যদা আৰু উচ্চাসন লাভ কৰে। তেওঁ হৈছে সদনৰ মান-মৰ্যাদা আৰু সন্মানৰ প্ৰতীক।

সদনৰ অধ্যক্ষ হিচাপে তেওঁ মৰ্যাদাপূৰ্ণ আৰু কৰ্তৃত্বসুলভতাৰে সদনক নেতৃত্ব দিয়ে। অধ্যক্ষগৰাকী হৈছে সদনৰ ৰক্ষক আৰু সদনৰ কাৰ্যক্ৰমৰ নিৰপেক্ষ নিৰ্ণায়ক। তেওঁ সদনৰ অভিভাৱক। সদনৰ ভিতৰত অধ্যক্ষ গৰাকীয়ে সংখ্যাগৰিষ্ঠ নাইবা বিৰোধী কোনো পক্ষৰ হৈ কাম নকৰে। তেওঁ সদনৰ এনে এগৰাকী ব্যক্তি যি সদনৰ গৌৰৱ আৰু আভিজাত্য ৰক্ষা কৰিবলৈ সংকল্পবদ্ধ। অধ্যক্ষই সদনৰ গৌৰৱ আৰু স্বাধীনতাৰ প্ৰতিনিধিত্ব কৰে। তেওঁ সদনৰ প্ৰতিনিধি আৰু নিৰপেক্ষ অধ্যক্ষ হিচাপে কাৰ্য সম্পাদন কৰে।

লোকসভাৰ অধিবেশনত অধ্যক্ষই সভাপতিত্ব কৰে। সংসদৰ দুই সদনৰ যুটীয়া অধিবেশনতো তেওঁ অধ্যক্ষতা কৰে। সদনৰ আচাৰ-নীতি আৰু শৃংখলা বজাই ৰখাত অধ্যক্ষৰ দায়বদ্ধতা অতি বেছি।

অধ্যক্ষৰ পদমৰ্যাদা নিৰ্ভৰ কৰে তেওঁৰ সাধুতা, ব্যক্তিত্ব, বুদ্ধিমত্তা আৰু নিৰপেক্ষতাৰ ওপৰত। অধ্যক্ষৰ স্থান দেশৰ ভিতৰতে অতি গুৰুত্বপূৰ্ণ। চমুকৈ ক'বলৈ হ'লে অধ্যক্ষ হৈছে সংসদৰ বাহিৰে ভিতৰে উভয়তে সন্মানীয় ব্যক্তি।

জানি থোৱা ভাল



গনেশ বাসুদেৱ মাবলংকাৰ আছিল প্ৰথম লোকসভাৰ প্ৰথম গৰাকী অধ্যক্ষ। ১৫ মে ১৯৫২ ৰ পৰা ১৯৫৬ চনৰ ২৭ ফেব্ৰুৱাৰীলৈ তেওঁ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।



৪.১ চিন্তা চর্চা কৰক

- লোকসভাৰ প্ৰথম মহিলা অধ্যক্ষ কোন আছিল?



অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন ৪ ঃ বিধেয়ক এখন বিত্তীয় বিধেয়ক হয় নে নহয়, সেইটো কোনে নিৰ্ধাৰণ কৰে?

.....

প্ৰশ্ন ৫ ঃ কেন্দ্ৰীয় সংসদৰ যুটীয়া অধিবেশনত কোনে অধ্যক্ষতা কৰে?

.....



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংসদ দ্বি-খলপীয়া। উচ্চ সদনক ৰাজ্যসভা আৰু নিম্ন সদনক লোকসভা বোলা হয়।
- ভাৰতীয় সংবিধানৰ ৭৯ নং অনুচ্ছেদত সংসদৰ গঠন প্ৰণালী সন্নিৱিষ্ট কৰা হৈছে। সেইমৰ্মে ভাৰতীয় সংসদত ৰাষ্ট্ৰপতি আৰু দুখন সদন থাকিব। লোকসভা আৰু ৰাজ্যসভা হ'ল সংসদৰ দুয়োখন সদন।
- ভাৰতীয় সংসদৰ প্ৰধান কাৰ্য হ'ল আইন প্ৰস্তুত কৰা।
- ভাৰতীয় সংবিধানে সংসদক যথেষ্ট ক্ষমতা আৰু কাৰ্যাৱলী অৰ্পণ কৰিছে। সংসদৰ আইনবোৰ ন্যায়িক পৰীক্ষণযোগ্য।
- ভাৰতীয় সংবিধানৰ ৮০ নং অনুচ্ছেদত ৰাজ্যসভাৰ গঠন প্ৰক্ৰিয়া সন্নিৱিষ্ট কৰা হৈছে। ৰাজ্যসভাৰ সৰ্বাধিক সদস্য সংখ্যা হ'ল ২৫০ গৰাকী।
- ভাৰতীয় সংবিধানৰ ৮১ নং অনুচ্ছেদত লোকসভাৰ গঠন প্ৰক্ৰিয়া সন্নিৱিষ্ট কৰা হৈছে। লোকসভাৰ সৰ্বাধিক সদস্য সংখ্যা হ'ল ৫৫০ গৰাকী।
- ৰাজ্যসভাতকৈ লোকসভাৰ ক্ষমতা আৰু প্ৰভাৱ অধিক। বিত্তীয় ক্ষমতাৰ দিশত লোকসভাই একাধিপত্য বিস্তাৰ কৰিব পাৰে।
- সংসদ সুচাৰুৰূপে চলাই নিবলৈ দুয়োখন সদনৰ মাজত সহযোগিতা থকাটো অতি প্ৰয়োজনীয়।
- লোকসভাৰ অধ্যক্ষই ইয়াৰ কাম-কাজ পৰিচালনা কৰে। অধ্যক্ষৰ পদটো সন্মানীয় আৰু মৰ্যাদাপূৰ্ণ।



● লোকসভাৰ অধ্যক্ষই ইয়াৰ কাম-কাজ পৰিচালনা কৰে। অধ্যক্ষৰ পদটো সন্মানীয় আৰু মৰ্যাদাপূৰ্ণ।

৪.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ডঃ পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ডঃ কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*. New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi: S. Chand and Company.



4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi: S. Chand and Company.

৪.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ উপ ৰাষ্ট্ৰপতি।

২ নং প্ৰশ্নৰ উত্তৰ ঃ লোকসভা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সংসদে কাৰ্যপালিকা বা কাৰ্যবাহীৰ ওপৰত বিভিন্ন প্ৰকাৰে নিয়ন্ত্ৰণ চলায়। মন্ত্ৰী পৰিষদ তেওঁলোকৰ কৰ্মৰাজিৰ বাবে সম্পূৰ্ণৰূপে লোকসভাৰ ওচৰত দায়বদ্ধ। সংসদৰ সদস্যসকলে সভাস্থগিত প্ৰস্তাৱ মনোযোগ আকৰ্ষক প্ৰস্তাৱ আৰু কাৰ্যবাহীলৈ প্ৰশ্নাৱলীৰে চৰকাৰৰ ওপৰত তেওঁলোকৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰে। চৰম অৱস্থাত লোকসভাই অকলে মন্ত্ৰী পৰিষদৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গৃহীত কৰিব পাৰে।



৪ নং প্রশ্নৰ উত্তৰ ঃ লোকসভাৰ অধ্যক্ষ

৫ নং প্রশ্নৰ উত্তৰ ঃ লোকসভাৰ অধ্যক্ষ

৪.১১ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

প্রশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সংসদৰ কথা কোৱা হৈছে?

প্রশ্ন ২ ঃ লোকসভাতকৈ ৰাজ্যসভা অধিক শক্তিশালী। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৩ ঃ কেৱল .....তহে বিত্ত বিধেয়ক উত্থাপন কৰিব পাৰি। (খালী ঠাই পূৰণ কৰক)

(খ) চুটি প্রশ্ন- (প্রায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰাজ্যসভাৰ বিশেষ ক্ষমতা দুটা কি কি?

প্রশ্ন ২ ঃ লোকসভাত এখন বিত্ত বিধেয়ক গৃহীত হোৱাৰ প্রক্রিয়াটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ লোকসভাৰ কার্যবাহী ক্ষমতা সম্পর্কে এটি টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন- (প্রায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰাজ্যসভাৰ গঠন প্রক্রিয়া, ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক।

প্রশ্ন ২ ঃ লোকসভাৰ গঠন প্রক্রিয়া, ক্ষমতা আৰু কার্যাৱলী বর্ণনা কৰক।

প্রশ্ন ৩ ঃ ভাৰতীয় গণতন্ত্রত সংসদৰ ভূমিকা পৰীক্ষা কৰক।

প্রশ্ন ৪ ঃ লোকসভাৰ অধ্যক্ষৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক।

****

অধ্যায় ৫ ঃ ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া

৫.৩.১ ভাৰতৰ সংসদত বিধেয়ক গৃহীত কৰোৱা বিভিন্ন পৰ্যায় সমূহ

৫.৩.২ ৰাষ্ট্ৰপতিৰ সন্মতি

৫.৩.৩ বিত্তীয় বিধেয়কৰ লগত জড়িত বিধায়িনী প্ৰক্ৰিয়া

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্ৰগতিৰ খতিয়ান

৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পাছত আপুনি —

- ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া বা আইন প্ৰস্তুত প্ৰক্ৰিয়া সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব
- বিত্তীয় বিধেয়ক সম্পৰ্কীয় বিধায়িনী প্ৰক্ৰিয়া ব্যাখ্যা কৰিব পাৰিব ।

৫.২ পৰিচয়

জনকল্যানমূলক ৰাষ্ট্ৰৰ লক্ষ্যৰ ফালৰ পৰা আইন প্ৰণয়ন এটা গুৰুত্বপূৰ্ণ কাৰ্য, যিটো দিনে দিনে বৃদ্ধি পাই আহিছে। সংসদ হৈছে ভাৰতৰ কেন্দ্ৰীয় বিধায়িনী অংগ আৰু সেই বাবে ভাৰতৰ সংবিধানে প্ৰদান কৰা সুবিধা অনুযায়ী সংসদে বিপুল বিধায়িনী ক্ষমতা ভোগ কৰে।

কেন্দ্ৰীয় সূচীৰ অন্তৰ্গত ৯৭ টাতকৈও অধিক বিষয়ত সংসদে আইন প্ৰণয়ন কৰিব পাৰে। সমৱৰ্ত্তী সূচীৰ অন্তৰ্গত ৫২ টা বিষয়ত সংসদৰ লগত ৰাজ্যিক বিধানসমূহৰ সমান আইনী ক্ষমতা থাকে। কেন্দ্ৰীয় সংসদে কেৱল কেন্দ্ৰীয় সূচী আৰু সমৱৰ্ত্তী সূচীৰ অন্তৰ্গত বিষয়তে আইন প্ৰণয়ন নকৰে। ৰাজ্যিক সূচীৰ অন্তৰ্গত বিষয়তো সংসদে আইন প্ৰণয়ন কৰিব পাৰে। এইটো শান্তি বা জৰুৰী অৱস্থা এই উভয় সময়তে ঘটিব পাৰে। ইয়াৰ উপৰি কেন্দ্ৰীয় সংসদে এনে সকলো বিষয়তে আইন প্ৰণয়ন কৰিব পাৰে যিবোৰ বিষয় কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমৱৰ্ত্তীসূচী এই তিনিও খন সূচীৰ এখনতো উল্লেখ নাই। যেনে — অৱশিষ্ট সূচী।

এই অধ্যায়ত আমি কেন্দ্ৰীয় আইন সভা অৰ্থাৎ সংসদত কিদৰে বিধেয়ক এখন আইনত পৰিণত হয়; সেই বিষয়ে আলোচনা কৰিম। সংসদৰ মূল কাৰ্যটোৱে হৈছে আইন প্ৰণয়ন। আইন প্ৰণয়নৰ ক্ষেত্ৰত কি ধৰণৰ বিশেষ পদ্ধতি অৱলম্বন কৰা হয় সেই বিষয়ে এই অধ্যায়ত আলোচনা কৰা হ'ব।

৫.৩ ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া বা আইন প্ৰণয়ন প্ৰক্ৰিয়া

ভাৰতৰ সংবিধানৰ ১০৭ ৰ পৰা ১২২ নং অনুচ্ছেদলৈ ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া বা আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ বিষয়ে কোৱা হৈছে। বিধেয়ক এখন আইনৰ বাবে প্ৰস্তাৱিত খচৰা এখনৰ বাদে আন একো নহয়। যেতিয়া বিধান পৰিষদে যথাবৎ অনুমোদন জনাই তেতিয়াহে এই খচৰা বা বিধেয়কখন আইন বা অধিনিয়মত পৰিণত হয়। ভাৰতীয় সংসদে কেন্দ্ৰীয় সূচী আৰু সমৱৰ্ত্তীসূচীৰ অন্তৰ্গত সকলো বিষয়ৰ উপৰি অৱশিষ্ট সূচীৰ বিষয়ৰ ওপৰতো আইন প্ৰণয়নৰ ক্ষমতা ভোগ কৰে। ব্যতিক্ৰমী পৰিস্থিতিত ভাৰতৰ সংবিধানে নিৰ্দিষ্ট কৰি দিয়া মতে সংসদে ৰাজ্যিক সূচীৰ অন্তৰ্গত বিষয়তো আইন প্ৰণয়ন ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

সংসদত উত্থাপন কৰা বিধেয়কসমূহক দুই প্ৰকাৰত ভাগ কৰিব পাৰি —

(ক) সাধাৰণ বিধেয়ক, আৰু

(খ) বিত্তীয় বিধেয়ক।

সাধাৰণ বিধেয়ক এখন জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ লগত সম্পৰ্কিত বিষয় আধাৰিত আৰু ই কোনো ধৰণৰ কৰৰ প্ৰস্তাৱ যুক্ত বা ৰাজকোষৰ ব্যয় সম্পৰ্কীয় নহয়। অন্যহাতে বিত্তীয় বিধেয়ক এখন কৰৰ আৰোপ, হ্ৰাস বা বিলোপ আৰু ৰাজকোষৰ ব্যয় সম্পৰ্কীয় হয়। আকৌ সাধাৰণ বিধেয়ক সমূহক চৰকাৰী বা ৰাজহুৱা বিধেয়ক আৰু বেচৰকাৰী বা ব্যক্তিগত সদস্য বিধেয়ক এই দুটা ভাগত ভগোৱা হয়।

বিধেয়ক এখন, সাধাৰণ বিধেয়কেই হওক বা বিত্তীয় বিধেয়কেই হওক, আইন বা অধিনিয়মত পৰিণত হ'বলৈ কেইটামান পৰ্যায় অতিক্ৰম কৰিব লগীয়া হয়। যি কি নহওক, সাধাৰণ বিধেয়ক আৰু বিত্তীয় বিধেয়কৰ বিহিত কৰা প্ৰক্ৰিয়া একে নহয়। সেয়ে উভয় প্ৰক্ৰিয়াৰ বিষয়ে পৃথকভাৱে তলত আলোচনা কৰা হ'ল —

৫.৩.১ ভাৰতীয় সংসদত সাধাৰণ বিধেয়ক এখন গৃহীত কৰোৱা বিভিন্ন পৰ্যায়সমূহ

সাধাৰণ বিধেয়ক এখন তলত দিয়া পৰ্যায়সমূহৰ মাজেৰে সৰকি আইন বা অধিনিয়মত পৰিণত হয় ঃ

➢ **অৱতৰণিকা বা প্ৰথম পঠন** ঃ সাধাৰণ বিধেয়ক এখন উভয় সদনতে উত্থাপিত হ'ব পাৰে। মন্ত্ৰী এগৰাকীৰদ্বাৰা উত্থাপিত বিধেয়ক এখন চৰকাৰী বা ৰাজহুৱা বিধেয়ক বুলি জনা যায়। এনে বিধেয়ক সদনত উত্থাপিত কৰাৰ কাৰণে তেওঁ এখন আনুষ্ঠানিক জাননী দিব লাগে।

আনহাতেদি মন্ত্ৰীৰদ্বাৰা নহৈ এগৰাকী সদস্যৰদ্বাৰা উত্থাপিত এখন বিধেয়ক ব্যক্তিগত সদস্য বিধেয়ক বোলা হয়। অৱশ্যে এনে বিধেয়ক উত্থাপন কৰিবলৈ হ'লে তেওঁ এমাহৰ আগতে সদনৰ পৌৰহিত্য কাৰী বিষয়া বা অধ্যক্ষক লিখিত ভাৱে জনাব লাগে।

চৰকাৰী বা ৰাজহুৱা বিধেয়ক এখনৰ খচৰা সংশ্লিষ্ট বিভাগে আইন মন্ত্ৰণালয় বা বিভাগৰ লগত আলোচনা কৰি প্ৰস্তুত কৰে আৰু প্ৰয়োজন হ'লে আন বিভাগেৰেও আলোচনা কৰে। আনহাতে ব্যক্তিগত সদস্য বিধেয়কৰ খচৰাৰ বাবে সংশ্লিষ্ট সদস্যজন দায়বদ্ধ। যি কোনো ক্ষেত্ৰত, প্ৰত্যেকখন বিধেয়ক কেৱল সদনৰ পৌৰহিত্যকাৰী বিষয়াৰ (লোকসভাৰ অধ্যক্ষ বা ৰাজ্যসভাৰ অধ্যক্ষ) অনুমতি সাপেক্ষে উত্থাপন কৰিব পাৰি। অনুমতি পোৱাৰ পিছত প্ৰস্তাৱক বা উত্থাপকে বিধেয়কখন সদনত উত্থাপন কৰিব পাৰে আৰু সদনত কেৱল বিধেয়কখনৰ শিৰোনামটো পঢ়ে। এই পৰ্যায়ত বিধেয়কৰ সন্দৰ্ভত কোনো তৰ্ক বা আলোচনা নহয়। এইখন ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত হ'বও লাগিব। সদনৰ পৌৰহিত্যকাৰী বিষয়াই কিছুমান বিধেয়ক সদনত উত্থাপিত বা প্ৰথম পঠনৰ আগতে ৰাজপত্ৰত প্ৰকাশ কৰিবলৈ অনুমতি দিব পাৰে। এনেধৰণৰ বিধেয়কৰ বাবে সংসদত আনুষ্ঠানিক অৱতাৰণাৰ আৱশ্যকতা নাই। অৱশ্যে ব্যক্তিগত সদস্যৰ বিধেয়ক এখন ৰাজপত্ৰত প্ৰকাশ পোৱাৰ আগতে বিবেচনা আৰু প্ৰতিবেদনৰ বাবে বিশেষ সমিতিলৈ প্ৰেৰণ কৰা হয়।

বিধেয়ক এখনৰ অৱতাৰণাক বিধেয়কৰ প্ৰথম পঠন বুলিও জনা যায়।

➢ **দ্বিতীয় পঠন আৰু কমিটি পৰ্যায়** ঃ বিধেয়ক এখনৰ গ্ৰহণযোগ্যতা বা আৱশ্যকীয়তা সন্দৰ্ভত এইটো অতি গুৰুত্বপূৰ্ণ পৰ্যায়। সাধাৰণতে প্ৰথম পঠনৰ দুটা দিনৰ বিৰতিৰ পাছতহে বিধেয়ক এখনৰ দ্বিতীয় পঠন অনুষ্ঠিত হয়।

সদনৰ পৌৰহিত্যকাৰী বিষয়াৰ অনুমতি লাভ কৰাৰ পাছত বিধেয়কৰ উত্থাপকে তলৰ যিকোনো এটা প্ৰস্তাৱ উপস্থাপন কৰিব পাৰে —

(১) বিধেয়কখন এবাৰ সদনে বিবেচনাৰ বাবে গ্ৰহণ কৰিব পাৰে।

(২) বিধেয়কখন সদনৰ বাছনি কমিটিলৈ প্ৰেৰণ কৰিব পাৰে।

(৩) দুয়ো সদনৰ যুটীয়া বাছনি কমিটিলৈও প্ৰেৰণ কৰিব পাৰে।

(৪) জনসাধাৰণৰ মতামত ল'বলৈ ইয়াক কমিটিলৈও প্ৰেৰণ কৰিব পাৰে।

বিধেয়কখনৰ গুৰুত্ব আৰু অত্যাৱশ্যকীয়তা ওপৰত নিৰ্ভৰ কৰি ওপৰৰ প্ৰস্তাৱসমূহৰ যিকোনো এটা গ্ৰহণ কৰা হয়। অতি কম সংখ্যক বিলহে পোনপটীয়াকৈ বিবেচনাৰ বাবে লোৱা হয়। যদিহে চতুৰ্থ প্ৰস্তাৱ গ্ৰহণ কৰা হয়, তেতিয়া সংশ্লিষ্ট সদনৰ সচিবালয়ে ৰাজ্যিক চৰকাৰসমূহক বিধেয়ক খন ৰাজ্যিক ৰাজপত্ৰ, স্থানীয় পৰিষদ, আৰু স্বীকৃত সমাজ, সন্মিলন আদিৰ মতামত বিচাৰি প্ৰকাশ কৰিবলৈ অনুৰোধ কৰে। এনে মতামত সমূহ সদনৰ সদস্যসকলৰ মাজত বিলাই দিয়া হয়।

সাধাৰণতে বিধেয়ক এখন বাছনি কমিটি বা যুটীয়া বাছনি কমিটিলৈ প্ৰেৰণ কৰা হয়। কমিটিখন শাসক আৰু বিৰোধী পক্ষৰ সদস্যৰে গঠন কৰা হয়। য'ত কমিটিখন গঠন কৰা হয়, সংশ্লিষ্ট সদনত শাসক আৰু বিৰোধীৰ সদস্য সংখ্যাৰ সমানুপাতিক ভাৱে কমিটিখন গঠন কৰা হয়। যেতিয়া বিধেয়ক এখন কমিটিলৈ প্ৰেৰণ কৰা হয়, কমিটিখনে বিধেয়কখন পুংখানুপুংখ আৰু অতি সাৱধানেৰে পুনৰীক্ষন কৰে। কমিটিয়ে বিধেয়কখন গ্ৰহণ কৰিব পাৰে অথবা সংশোধনৰ প্ৰস্তাৱো আগবঢ়াব পাৰে। কিন্তু বিধেয়কখনৰ অন্তৰ্নিহিত মূলতত্ত্ব বা নীতি সলনি কৰিব নোৱাৰে। আলোচনা সম্পূৰ্ণ হোৱাৰ পাছত বিধেয়কখন কমিটিয়ে তেওঁলোকৰ প্ৰতিবেদনসহ সদনলৈ ঘূৰাই পঠিয়ায়।

বিধেয়কখন তেতিয়া বাছনি কমিটিৰ প্ৰতিবেদন বা অনুমোদন সহ সদস্যসকলৰ মাজত সঞ্চালন কৰা হয়। বিধেয়কখনৰ উত্থাপকে বাছনি কমিটিৰ প্ৰতিবেদন অনুসৰি বিবেচনাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাছত বিধেয়কখনৰ দফাৰ পিছত দফা বিবেচনাৰ বাবে লোৱা হয়। প্ৰতিটো দফাৰ ওপৰত বিতৰ্ক চলাৰ পাছত সংশোধন আগবঢ়াব পাৰে, যিটো সংসদে গ্ৰহণো কৰিব পাৰে বা অগ্ৰাহ্যও কৰিব পাৰে। প্ৰত্যেক দফা বা দফা সমষ্টি ওপৰত একেলগে ভোটিং বা মতদান অনুষ্ঠিত হয়। এনেদৰে সদনে যেতিয়া বিধেয়কখন অনুমোদন জনায় তেতিয়া সামগ্ৰিকভাৱে বিধেয়কখন সদনৰ মতদানৰ বাবে উপস্থাপন কৰা হয়। যেতিয়া সদনে বিধেয়কখন এনেদৰে অনুমোদন জনায়, তেতিয়া দ্বিতীয় পঠন পৰ্যায়ৰ সামৰণি পৰে। পৰৱৰ্ত্তী পৰ্যায়টো অতি কঠিন কাৰণ এইটো পৰ্যায়ত বিধেয়ক এখনে চূড়ান্ত ৰূপ লাভ কৰে।

আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ তৃতীয় পঠন পৰ্যায়টো আলোচনা কৰাৰ আগতে আমি কেন্দ্ৰীয় সংসদৰ কমিটি গঠন পদ্ধতি আৰু এইবোৰে আইন প্ৰনয়ন সংক্ৰান্তীয় ক্ষেত্ৰত কেনেধৰণৰ অত্যাৱশ্যকীয় ভূমিকা পালন কৰে তাক আলোচনা কৰা জৰুৰী।

কমিটিসমূহে আধুনিক আইন সভাসমূহত অতি গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে। কাৰণ আধুনিক সময়ত আইন সভাসমূহৰ কাম কাজো জটিল হৈ পৰিছে। কমিটিসমূহে প্ৰায়োগিক জ্ঞান আৰু অভিজ্ঞ পৰামৰ্শ আইন সভাসমূহক প্ৰদান কৰে আৰু এইটো সময়ো বচায়। দেশে দেশে এই কমিটি পদ্ধতিৰ পাৰ্থক্য আছে। আমাৰ সংসদে জটিল কাৰ্য বা পৰিস্থিতিও যাতে সহজে চম্ভালিব পাৰে তাৰ বাবে কমিটিসমূহৰ নিজা পদ্ধতি উদ্ভাৱন কৰিছে।

সুবিবেচক ব্যক্তি হিচাপে এই কথা অনুভৱ কৰিব পাৰি যে এক বৃহৎ সংখ্যক সদস্যৰ মাজত নিৰপেক্ষ ভাৱে জটিল কাম এটা পুংখানুপুংখ আৰু সুচাৰুৰূপে কৰাতো সম্ভৱ নহয়। সেয়েহে ভাৰতৰ কেন্দ্ৰীয় সংসদৰ দৰে আন আন গণতান্ত্ৰিক দেশৰো সমপৰ্যায়ৰ অংগসমূহে ভালেসংখ্যক কমিটি গঠন কৰে যাতে সৰু সৰু গোট বা গোষ্ঠীসমূহৰ বিভিন্ন বিষয় সম্পৰ্কে পুংখানুপুংখ আলোচনা কৰিব পাৰে; যিটো কাম ডাঙৰ সংস্থা বা পৰিষদ এখনৰদ্বাৰা কৰিব পৰা নাযায়।

কিন্তু আমি নিশ্চয় মনত ৰখা প্ৰয়োজন যে বিধান প্ৰণয়ন সম্পৰ্কীয় কাৰ্যত সহায়তা কৰিবৰ বাবে সংসদে গঠন কৰা কমিটিসমূহ সংসদৰ অধীনস্থ গোট বা সংস্থাহে। এই কমিটিসমূহ সৰু আকাৰৰ আৰু সাধাৰণতে বিশেষজ্ঞ ব্যক্তিৰদ্বাৰা গঠন কৰা হয় আৰু সেয়ে তেওঁলোকে অতি দক্ষতাৰে কাম সম্পাদন কৰিব পাৰে। কমিটিসমূহে সংসদীয় কাম মসৃন, ফলপ্ৰদ আৰু দ্ৰুত কৰি তোলে। এইবোৰে সংসদৰ আলাপ আলোচনাবিলাকক নিৰ্দিষ্ট বিশেষ জ্ঞান যোগান ধৰে। সেইবোৰে সদনৰ দক্ষতা বৃদ্ধি কৰে। বৰ্তমান সময়ত এই কমিটি সমূহ সদনৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচিত হৈছে। সংসদে এই কমিটিসমূহৰ সহায় অবিহনে দক্ষতাৰে কাম সমাপন কৰিব নোৱাৰে। থমাছ ৰীডৰ ভাষাত কমিটি সমূহ হৈছে বিধান পৰিষদৰ চকু, কাণ আৰু হাত আৰু মাজে সময়ে এইবোৰে মগজুৰ কামো সম্পাদন কৰে।

এনে ধৰণৰ বহু কমিটি আছে যি বোৰে আমাৰ সংসদৰ আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ লগত ওতপ্ৰোত ভাৱে জড়িত। এইবোৰ হৈছে —

(১) বিশেষ উদ্দেশ্য গত বা বৃত্তিগত পৰামৰ্শ প্ৰদানকাৰী কমিটি

(২) বাছনি কমিটি

(৩) যুটীয়া কমিটি

(৪) ব্যক্তিগত সদস্যৰ বিধেয়ক কমিটি

(৫) বিধায়িনী উপ কমিটি।

(১) **বিশেষ উদ্দেশ্যগত বা বৃত্তিগত পৰামৰ্শ প্ৰদানকাৰী কমিটি ঃ** এই কমিটিৰ মুখ্য কাৰ্য হৈছে সদনৰ সময়সূচী নিয়ন্ত্ৰণ কৰা। এই কমিটিয়ে বিধেয়ক এখনৰ বিভিন্ন পৰ্যায়ৰ আলোচনাৰ বাবে কিমান সময় দিয়া হ'ব সেয়া নিৰ্ধাৰণ আৰু অনুমোদন কৰে।

(২) **বাছনি কমিটি ঃ** এইবোৰ কমিটি গঠন কৰা হয় যেতিয়া উল্লিখিত বিধেয়ক এখন সদনে বাছনি কমিটিলৈ প্ৰেৰণ কৰে। কমিটিখনে বিধেয়কখনৰ দফাই দফাই পৰীক্ষা কৰে আৰু প্ৰয়োজন মতে বিধেয়কখনৰ গুৰুত্বপূৰ্ণ সংশোধনী ঘটাই ইয়াৰ প্ৰতিবেদন সদনত দাখিল কৰিব লাগে। এই কমিটিখনে বিধেয়ক খনৰ লগত জড়িত চৰকাৰীয়ে হওক বা বেচৰকাৰীয়ে হওক সাক্ষ্য বা সাক্ষী বিচাৰিব পাৰে।

(৩) **যুটীয়া কমিটি ঃ** যুটীয়া কমিটি এখন প্ৰায়ে অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা বিধেয়ক একোখন পুনৰীক্ষণ কৰিবৰ বাবে সংসদৰ দুই সদনৰ সদস্যৰ দ্বাৰা গঠন কৰা হয়। এই কমিটিয়ে আইন সংক্ৰান্তীয় কামবোৰ মসৃণভাৱে কৰিবলৈ সদনক সহায় কৰে। ই আইনী পুনাৰাবৃত্তি ৰোধ কৰে আৰু সেই বাবেই সংসদৰ সময় ৰাহি কৰে।

(৪) **ব্যক্তিগত সদস্যৰ বিধেয়ক কমিটি ঃ** এই কমিটিয়ে সকলো ব্যক্তিগত সদস্য বিধেয়কৰ গুৰুত্ব বা ইয়াৰ ফলাফল বিচাৰ কৰে। অন্য ভাষাত এই কমিটিৰ মূল কাৰ্য হৈছে সদনত ব্যক্তিগত সদস্যৰদ্বাৰা উত্থাপিত বিধেয়কৰ পৰীক্ষণ বা পুনৰীক্ষণ কৰা। কমিটিয়ে ইয়াৰ বিষয়বস্তুৰ আশু প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰি বিধেয়কখনৰ গুণাগুণ বিচাৰ কৰি বাছনি কৰে আৰু কোনখন বিল সদনত আলোচনা যোগ্য সেয়া অনুমোদন জনায়।

(৫) **বিধায়িনী উপ কমিটি ঃ** বিধান মণ্ডলে কাৰ্যপালিকাক কিছুমান আইন প্ৰণয়ন ক্ষমতা প্ৰদান কৰে। সেই অনুযায়ী কাৰ্যনিৰ্বাহকে সংসদে অৰ্পন কৰা ক্ষমতাৰ আধাৰত আইন প্ৰস্তুত কৰে। আইন প্ৰণয়নৰ এই পদ্ধতিক কোৱা হয় অধীনস্থ আইন প্ৰণয়ন পদ্ধতি বা অৰ্পিত আইন প্ৰণয়ন পদ্ধতি। কিন্তু এই পদ্ধতিত অৰ্পিত ক্ষমতাৰ যোগেদি কাৰ্যনিৰ্বাহকৰদ্বাৰা আইন প্ৰণয়ন কৰা হয় বাবে ক্ষমতা অপব্যৱহাৰৰ সম্ভাৱনা থাকে। সেইবাবে সংসদে সদায় অৰ্পিত আইন প্ৰণয়ন কাৰীৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব লাগে। এই কাৰণেই সংসদে বিধায়িনী উপ কমিটি নিয়োগ কৰে। এই কমিটিৰ মূল কাম হৈছে সংসদে কাৰ্যনিৰ্বাহকক বিধি, বিধান, উপবিধি, উপবিধান প্ৰস্তুত কৰিবৰ বাবে প্ৰদান কৰা ক্ষমতাৰ ভিতৰত যথোচিত আৰু নিৰ্ধাৰিত সীমাবদ্ধতাৰে কৰিছেনে নাই সেয়া পৰীক্ষা কৰি সদনক প্ৰতিবেদন প্ৰদান কৰা।

ওপৰৰ আলোচনাৰ পৰা আমি এতিয়া বুজি পালোঁ সংসদীয় কমিটিসমূহে আইন প্ৰণয়ন প্ৰক্ৰিয়াত কেনেকুৱা ধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই কমিটি সমূহে প্ৰকৃততে সংসদক কিছুমান গধুৰ দায়িত্ব বা বোজাৰ পৰা মুক্তি দিয়ে। এইবোৰে সময় বচোৱাৰ লগতে সংশ্লিষ্ট বিষয়ত অভিজ্ঞ পৰামৰ্শ প্ৰদান কৰে।

- **তৃতীয় পঠন** ঃ এই পৰ্যায়ত উত্থাপকে বিধেয়কখন গৃহীত কৰিবৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। বিধেয়কৰ এই পৰ্যায় হ'ল আনুষ্ঠানিক পৰ্যায়। সেয়েহে এই পৰ্যায়ত পুংখানুপুংখ আলোচনা নাইবা সংশোধনী প্ৰস্তাৱ লোৱা নহয়। অৱশ্যে, কিছুমান মৌখিক সংশোধনী হ'ব পাৰে। এই পৰ্যায়ত বিতৰ্কসমূহো সাধাৰণ চৰিত্ৰৰ, বিধেয়কৰ সমৰ্থনতো হ'ব পাৰে বা বিৰোধীও হ'ব পাৰে। এই পৰ্যায়ত সাধাৰণতে বিধেয়ক এখন বৰ্খাস্ত কৰা নহয়। যদিহে সংখ্যাগৰিষ্ঠ সদস্যই উপস্থিতি আৰু

মতদানেৰে বিধেয়কখন গ্ৰহণ কৰে, তেতিয়া বিধেয়কখন সদনৰদ্বাৰা গৃহীত বুলি ধৰা হয় আৰু সদনৰ অধ্যক্ষৰ স্বাক্ষৰৰ পাছত আন সদনলৈ বিবেচনাৰ বাবে পঠোৱা হয়।

- **আন বা দ্বিতীয় সদনৰ প্ৰক্ৰিয়া** ঃ এখন সদনত বিধেয়ক এখন গৃহীত হৈ অহাৰ পাছত আনখন সদনতো একে প্ৰক্ৰিয়াৰে গৃহীত কৰাব লাগে। বিবেচনাৰ পাছত আনখন বা দ্বিতীয় সদনেও যদি কোনো সংশোধনী অবিহনে বিধেয়কখন গৃহীত কৰে, তেতিয়া সংসদৰ দুয়ো সদনতে বিধেয়কখন গৃহীত হোৱা বুলি ধাৰণা কৰিব পাৰি।

আনখন বা দ্বিতীয় সদনে সংশোধন বিচাৰিব পাৰে আৰু সংশোধনীৰ বাবে বিধেয়কখন ঘূৰাই পঠাব পাৰে। এই ক্ষেত্ৰত প্ৰথম সদনে, য'ত বিধেয়কখন প্ৰস্তুত হৈছিল, যদি দ্বিতীয় সদনে পঠোৱা সংশোধনী প্ৰস্তাৱ গ্ৰহণ কৰে, তেতিয়া সংসদৰ দুয়ো সদনে বিধেয়কখন গৃহীত কৰিছে বুলি ধৰা হয়।

যদি আনখন সদনে কোনো কাৰ্য নকৰি বিধেয়কখন ছমাহতকৈও অধিক কাল ৰখাই থয় বা প্ৰথম সদনে যদি আনখন বা দ্বিতীয় সদনে বিচৰা সংশোধনী গ্ৰহণ নকৰে, তেতিয়া ভাৰতৰ ৰাষ্ট্ৰপতিয়ে বিধেয়কখনৰ ভৱিষ্যৎ সম্পৰ্কে সিদ্ধান্ত ল'বলৈ সংসদৰ দুইখন সদনৰ যুটীয়া অধিবেশনৰ আহ্বান কৰে। যদিহে এই যুটীয়া অধিবেশনত সংখ্যাগৰিষ্ঠ সদস্যই বিলৰ সপক্ষে মতদান কৰে, তেতিয়া ইয়াক ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে পঠোৱা হয়।

৫.৩.২ ৰাষ্ট্ৰপতিৰ সন্মতি

বিধেয়ক এখন যেতিয়া সংসদৰ দুই সদনৰদ্বাৰা চূড়ান্তভাৱে গৃহীত হয়, তেতিয়া ইয়াক ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে পঠিওৱা হয়। কাৰণ, ৰাষ্ট্ৰপতিৰ সন্মতি অবিহনে কোনো বিধেয়ক আইনত পৰিণত নহয়। ৰাষ্ট্ৰপতিয়ে বিধেয়কখনত সন্মতি দিব পাৰে বা তেওঁ বিধেয়কখন তেওঁৰ পৰামৰ্শসহ বা নোহোৱাকৈ সদনৰ পুনৰ্বিবেচনাৰ বাবে ঘূৰাই পঠিয়াব পাৰে। ৰাষ্ট্ৰপতিৰ পৰামৰ্শ গ্ৰহণ কৰিবলৈ সংসদ বাধ্য নহয়। সেয়েহে সংসদে দ্বিতীয় বাৰলৈ সংশোধনেৰে বা সংশোধনীবিহীনভাৱে সাধাৰণ সংখ্যা গৰিষ্ঠতাৰে যদি বিধেয়কখন গৃহীত কৰে, তেতিয়া ৰাষ্ট্ৰপতিয়ে এই বিধেয়কৰ সন্মতি দিবলৈ বাধ্য। এনেদৰে ৰাষ্ট্ৰপতিৰ ভেটো ক্ষমতা কেৱল স্থগিত কৰাহে।

এই প্ৰসংগত আমি সদায় মনত ৰখা উচিত সংবিধানে প্ৰদান কৰা আইন প্ৰণয়ন ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত কেন্দ্ৰীয় সংসদ সাৰ্বভৌম বিধানমণ্ডল নহয়। সংসদে প্ৰণয়ন কৰা আইন ভাৰতৰ উচ্চতম ন্যায়ালয়ে আইনী পৰ্যালোচনা কৰিব পাৰে আৰু কোনো আইন অসংবিধানিক হ'লে সেয়া নাকচ কৰিব পাৰে।

ইয়াৰ উপৰি সাধাৰণ বিধেয়কৰ ক্ষেত্ৰত লোকসভা আৰু ৰাজ্যসভাই সমান আইন প্ৰণয়ন ক্ষমতা ভোগ কৰে। কোনো চৰকাৰী বিধেয়ক যদি লোকসভাত পৰাভূত হয় তেতিয়া ই মন্ত্ৰী পৰিষদৰ বিৰুদ্ধে অনাস্থা মতদান হিচাপে বিবেচিত হয়। ই চৰকাৰৰ পতনো ঘটাব পাৰে। কিন্তু চৰকাৰী বিধেয়ক এখন যদি ৰাজ্য সভাত পৰাভূত হয়, তেতিয়া ই মন্ত্ৰী পৰিষদৰ ওপৰত কোনো প্ৰভাৱ নেপেলায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ কেন্দ্ৰীয় সংসদৰ মূল কাৰ্য কি?

.....

প্ৰশ্ন ২ ঃ সংসদে আইন প্ৰণয়ন কৰিব পৰা কেন্দ্ৰীয় সূচীত কেইটা বিষয় অন্তৰ্ভুক্ত?

.....

প্ৰশ্ন ৩ ঃ বিধেয়ক মানে কি বুজে?

.....

প্ৰশ্ন ৪ ঃ সাধাৰণ বিধেয়ক এখন কেৱল লোকসভা বা জনসাধাৰণৰ সদনত উত্থাপন কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৫ ঃ ৰাজহুৱা বিধেয়ক আৰু ব্যক্তিগত সদস্য বিধেয়কৰ মাজৰ পাৰ্থক্য লিখক।

.....

.....

প্ৰশ্ন ৬ ঃ আইন প্ৰণয়নৰ লগত জড়িত সংসদীয় কমিটি সমূহৰ নাম লিখক।

.....

.....



আমি জানো আহক

বাৰ্ষিক বাজেটক বিত্তীয় বিধেয়ক হিচাপে বিবেচনা কৰা বা জনা যায়। বাৰ্ষিক বাজেট ৰাষ্ট্ৰপতিৰ আগতীয়া অনুমোদনক্ৰমে বিত্তমন্ত্ৰীয়ে লোকসভাত উত্থাপন কৰে।

৫.৩.৩ বিত্তীয় বিধেয়ক সম্পৰ্কীয় বিধায়িনী প্ৰক্ৰিয়া

ভাৰতৰ সংবিধানৰ ১১০ নং অনুচ্ছেদ অনুসৰি বিত্তীয় বিধেয়ক এখন নতুন কৰৰ প্ৰস্তাৱ, কৰৰ হ্ৰাস বা বৃদ্ধি, কৰ বাতিল, বিত্তীয় ঋণ, ভাৰতৰ মূল নিধি বা

উপনিধি জমা আৰু খৰচৰ লগত জড়িত। বিত্তীয় বিধেয়ক এখনক চৰকাৰী বা ৰাজহুৱা বিধেয়ক হিচাপে গন্য কৰা হয়। সেয়েহে ইয়াক কেৱল মন্ত্রীয়েহে সদনত উত্থাপন কৰে। অৱশ্যে বিত্তীয় বিধেয়ক এখন ৰাষ্ট্রপতিৰ আগতীয়া অনুমোদন সাপেক্ষে কেৱল জনসাধাৰণৰ সদন (লোকসভাত) হে উত্থাপন কৰিব পাৰি। বিত্তীয় বিধেয়ক ৰাজ্যসমূহৰ পৰিষদত (ৰাজ্যসভা) উত্থাপিত নহয়। আন সাধাৰণ বিধেয়কৰ দৰেই বিত্তীয় বিধেয়কো লোকসভাত সকলো পর্যায়ৰ মাজেৰে সৰকি গৃহীত হয়। লোকসভাৰ সদস্যসকলে চৰকাৰৰ বিত্তীয় নীতিক সমালোচনা কৰিব পাৰে, বিধেয়কৰ সংশোধনীও হ'ব পাৰে। ইয়াৰ পাছত যেতিয়া লোকসভাত বিত্তীয় বিধেয়ক গৃহীত হয়, অধ্যক্ষই স্বাক্ষৰিত কৰাৰ পাছত আনুষ্ঠানিক স্বীকৃতিৰ বাবে ইয়াক ৰাজ্য সভালৈ প্রেৰণ কৰা হয়।

বিত্তীয় বিধেয়কৰ ক্ষেত্রত ৰাজ্যসভাৰ ক্ষমতা সীমিত। যি কোনো কাৰণতে ৰাজ্যসভাই বিত্তীয় বিধেয়ক এখন লাভ কৰাৰ ১৪ দিনৰ ভিতৰত লোকসভালৈ ঘূৰাই পঠিয়াব লাগে। যদিহে ১৪ দিনৰ ভিতৰত ৰাজ্যসভাই লোকসভালৈ বিত্তীয় বিধেয়কখন ঘূৰাই নপঠিয়াই, তেতিয়া ইয়াক সংসদৰ দুয়োখন সদনে গৃহীত কৰিছে বুলি বিবেচনা কৰা হয়। অৱশ্যে, বিত্তীয় বিধেয়কৰ নির্দিষ্ট সংশোধনীৰ বাবে ৰাজ্যসভাই পৰামর্শ প্রদান কৰাৰ ক্ষমতা আছে। কিন্তু লোকসভাই এনে সংশোধনী পৰামর্শ গ্রহণ কৰিবও পাৰে নকৰিবও পাৰে। এনে দৰে বিত্তীয় বিধায়িনী ক্ষেত্রত ৰাজ্যসভাই কেৱল পলমকাৰীৰ ভূমিকাহে পালন কৰে।

সংসদৰ দুই সদনত গৃহীত হোৱাৰ পাছত বিত্তীয় বিধেয়ক এখন ৰাষ্ট্রপতিৰ অনুমোদনৰ বাবে এইখন বিত্তীয় বিধেয়ক হয় বুলি লোকসভাৰ অধ্যক্ষৰ প্রমান পত্র সহ পঠিওৱা হয়। ৰাষ্ট্রপতিয়ে তেওঁৰ সম্মতি নিদিয়াকৈ বিত্তীয় বিধেয়ক এখন ঘূৰাই পঠাব নোৱাৰে কাৰণ লোকসভাত উত্থাপন কৰাৰ আগতে যিহেতু ৰাষ্ট্রপতিৰ আগতীয়া অনুমতি লোৱা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ বিত্তীয় বিধেয়ক বুলিলে কি বুজে?

.....

প্রশ্ন ৮ ঃ বিত্তীয় বিধেয়ক এখন ৰাজ্যসমূহৰ পৰিষদত (ৰাজ্যসভাত) উত্থাপন কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৯ ঃ বিধেয়ক এখন বিত্তীয় বিধেয়ক হয় নে নহয় কোনে সিদ্ধান্ত লয়?

.....

প্ৰশ্ন ১০ ঃ কিমান দিনৰ ভিতৰত ৰাজ্যসভাই বিত্তীয় বিধেয়ক এখন লোকসভাক ঘূৰাই দিব লাগে?

.....

প্ৰশ্ন ১১ ঃ বিত্তীয় বিধেয়কত ৰাষ্ট্ৰপতিয়ে সন্মতি নিদিয়াকৈ থাকিব পাৰে। (শুদ্ধ/অশুদ্ধ)

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেন্দ্ৰীয় সংসদ হ'ল ভাৰত ৰাষ্ট্ৰৰ বিধায়িনী অংগ। ভাৰতীয় সংবিধানে আগবঢ়োৱা সু বিধা অনুসৰি সংসদে বিস্তৃত বিধায়িনী ক্ষমতা লাভ কৰে।
- কেন্দ্ৰীয় তালিকাকে ধৰি ৯৭ টাতকৈও অধিক বিষয়ত ভাৰতীয় সংসদৰ বিশেষ বিধায়িনী ক্ষমতা আছে।
- ভাৰতীয় সংবিধানৰ ১০৭ নং অনুচ্ছেদৰ পৰা ১২২ নং অনুচ্ছেদলৈ ভাৰতীয় সংসদৰ বিধায়িনী প্ৰক্ৰিয়া অথবা আইন প্ৰস্তুতকাৰী প্ৰক্ৰিয়াসমূহৰ বিস্তৃত বিৱৰণ আছে।
- সংসদত উত্থাপিত বিধেয়কবোৰক দুভাগত ভাগব পাৰি —

  (ক) সাধাৰণ বিধেয়ক আৰু (খ) বিত্ত বিধেয়ক।
- ৰাষ্ট্ৰপতিৰ আগতীয়া অনুমতিসহ বিত্ত বিধেয়ক এখন লোকসভাত উত্থাপন কৰা হয়। ৰাজ্যসভাত কোনো বিত্ত বিধেয়ক উত্থাপিত হ'ব নোৱাৰে।
- বিত্ত বিধেয়কৰ ক্ষেত্ৰত ৰাজ্যসভাৰ ক্ষমতা অতি সীমিত।
- সংসদৰ দুয়োখন সদনে বিত্ত বিধেয়ক এখন গৃহীত কৰাৰ পাচত ইয়াক ৰাষ্ট্ৰপতিৰ অনুমোদন লাভৰ বাবে পঠোৱা হয়। ৰাষ্ট্ৰপতিয়ে অনুমোদন জনোৱাৰ লগে লগে বিধেয়ক এখন আইনত পৰিণত হয়।



৫.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: CosmosBookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi: S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আইন প্ৰস্তুতকৰণ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৯৮ টা বিষয়

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিধেয়ক হৈছে এক বিধায়িনী প্ৰস্তাৱ সি সংসদৰ দুই সদনত গৃহীত হোৱাৰ পাছত ৰাষ্ট্ৰপতিৰ সন্মতি সাপেক্ষে আইন বা অধিনিয়মত পৰিণত হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিধেয়ক এখন মন্ত্ৰীৰদ্বাৰা উত্থাপিত হ'লে তাক ৰাজহুৱা বিধেয়ক আৰু মন্ত্ৰীতকৈ আন কোনো সদস্যৰদ্বাৰা উত্থাপিত হ'লে তাক ব্যক্তিগত সদস্যৰ বিধেয়ক বুলি জনা যায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বিশেষ উদ্দেশ্যগত বা বৃত্তিগত পৰামৰ্শ দাতা কমিটি বাছনি কমিটি, যুটীয়া কমিটি, ব্যক্তিগত সদস্যৰ বিধেয়ক কমিটি আৰু বিধায়িনী উপ কমিটি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিত্তীয় বিধেয়ক এখন নতুন কৰৰ প্ৰস্তাৱ, কৰৰ হ্ৰাস বা বৃদ্ধি, কৰৰ বিলোপ, বিত্তীয় ঋণ, ভাৰতৰ মূলনিধি আৰু উপনিধিৰ জমা আৰু খৰচৰ লগত জড়িত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ লোকসভাৰ অধ্যক্ষই।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪ দিন।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।



৫.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ সাধাৰণ বিধেয়ক সংসদৰ যিকোনো এখন সদনত উত্থাপন কৰিব পাৰিনে?

প্ৰশ্ন ২ ঃ সাধাৰণ বিধেয়ক আৰু বিত্তীয় বিধেয়কৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ আইন প্ৰস্তুত কৰাৰ অৰ্থে আগবঢ়োৱা প্ৰস্তাৱক কি বুলি জনা যায়?

প্ৰশ্ন ৪ ঃ সংসদৰ কোনখন সদনত বিত্তীয় বিধেয়ক উত্থাপন কৰিব পাৰি?

(খ) চুটি প্ৰশ্ন-(প্ৰায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিত্তীয় বিধেয়কৰ ক্ষেত্ৰত ৰাজ্যসভাৰ ভূমিকা সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ আইন প্ৰস্তুতকাৰী প্ৰক্ৰিয়া চলি থকা সময়ত সংসদৰ দুয়োখন সদনৰ মাজৰ সম্পৰ্ক কেনে হোৱা উচিত সেয়া চমুকৈ ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন -(প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সংসদত কেনেদৰে এখন বিত্ত বিধেয়ক গৃহীত হয় চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ এখন সাধাৰণ বিধেয়ক ভাৰতীয় সংসদে কেনেদৰে বিধানৰ ৰূপ দিয়ে তাৰ প্ৰক্ৰিয়াটো আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ আইন প্ৰস্তুতকৰণ প্ৰক্ৰিয়াত বিভিন্ন সংসদীয় সমিতিয়ে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাবোৰৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ৬ ঃ ৰাজ্যপাল

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ৰাজ্যপাল

- ৬.৩.১ নিযুক্তি
- ৬.৩.২ অৰ্হতা
- ৬.৩.৩ পদৰ গোপনীয়তাৰ শপত গ্ৰহণ
- ৬.৩.৪ কাৰ্যকাল
- ৬.৩.৫ বেতন
- ৬.৩.৬ আইনী বিশেষাধিকাৰ
- ৬.৩.৭ ৰাজ্যপালৰ ক্ষমতা আৰু কাৰ্যাৱলী
- ৬.৩.৮ ৰাজ্যপালৰ সাংবিধানিক পদমৰ্যাদা

৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৫ অধিক জানিবলৈ

৬.৬ অগ্ৰগতিৰ খতিয়ান

৬.৭ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়নৰ পাছত আপুনি -

- ৰাজ্যপালৰ অৰ্হতা, কাৰ্যকাল, ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ৰাজ্যপালৰ সাংবিধানক পদমৰ্যাদা ব্যাখা কৰিব পাৰিব।

৬.২ পৰিচয়

ভাৰতত ৰাজ্যপালৰ পদবীটো ব্ৰিটিছ শাসনতে আৰম্ভ হৈ বৰ্তমানলৈকে বিদ্যমান। কিন্তু তেতিয়া ৰাজ্যপাল আছিল সাৰ্বভৌম শাসক। প্ৰশাসনৰ সকলো স্তৰতে তেওঁ নিজ বিবেচনাৰে সকলো সিদ্ধান্ত গ্ৰহণ কৰিব পৰা প্ৰচুৰ ক্ষমতাৰে এক স্বতন্ত্ৰ আৰু এক প্ৰশাসকৰ ৰূপত অৱতীৰ্ণ হৈছিল। আনহাতেদি, ভাৰতৰ সংবিধান অনুসৰি ৰাজ্য চৰকাৰৰ ব্যৱস্থাটো কেন্দ্ৰীয় চৰকাৰৰ ব্যৱস্থাৰ লগত একে। কেন্দ্ৰীয় চৰকাৰৰ দৰে ৰাজ্য চৰকাৰকো সংসদীয় আৰ্হিৰেই গঠন কৰা হয়। সেয়েহে, কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰপতিৰ দৰে, ৰাজ্যপালো ৰাজ্য এখনৰ মুখ্য কাৰ্যবাহী। ৰাষ্ট্ৰপতিৰ

দৰে ৰাজ্যপালো ৰাজ্যখনৰ এজন নামমাত্ৰ আইনী প্ৰধান বা সাংবিধানিক প্ৰশাসকহে, প্ৰকৃত কাৰ্যবাহী নহয়। প্ৰকৃত কাৰ্যবাহী ক্ষমতা মুখ্যমন্ত্ৰীৰ নেতৃত্বত মন্ত্ৰী পৰিষদেহে পালন কৰে।

৬.৩ ৰাজ্যপাল

৬.৩.১ নিযুক্তি

ভাৰতৰ সংবিধানৰ ১৫৩ নং অনুচ্ছেদ অনুসৰি প্ৰত্যেক ৰাজ্যত এজন ৰাজ্যপাল নিযুক্তি প্ৰদান কৰা হয়। অৱশ্যে দুই বা ততোধিক ৰাজ্য, দুই বা ততোধিক কেন্দ্ৰীয় শাসিত অঞ্চলৰ মাজতো একেজন ৰাজ্যপাল নিযুক্তি দিব পাৰে।

সংবিধানৰ ১৫৫ নং অনুচ্ছেদৰ বিধিমতে কেন্দ্ৰীয় কেবিনেটৰ পৰামৰ্শ অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিজা স্বাক্ষৰ যুক্ত আদেশ পত্ৰৰ যোগেদি ৰাজ্যপালক নিযুক্তি প্ৰদান কৰে। এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ নিজা পছন্দৰ কথা নাহে। প্ৰচলিত নিয়ম অনুসৰি, ৰাজ্যপালৰ নিযুক্তিৰ সময়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যচৰকাৰৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰে। মন কৰিৰ লগীয়া কথা এয়ে যে কোনো এখন ৰাজ্যৰ স্থায়ী বাসিন্দাক সেই একেখন ৰাজ্যতে ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া নহয়।

৬.৩.২ অৰ্হতা

সংবিধানৰ ১৫৭ আৰু ১৫৮ অনুচ্ছেদত কোৱা হৈছে যে ব্যক্তি এগৰাকীৰ নিম্নলিখিত অৰ্হতাসমূহ থাকিলে তেওঁক ৰাজ্যপাল হিচাপে নিযুক্তি দিব পাৰি -

(১) তেওঁ ভাৰতীয় নাগৰিক হোৱাটো বাধ্যতামূলক।

(২) তেওঁ বয়সৰ হিচাপত ৩৫ বছৰ সম্পূৰ্ণ হোৱাতো বাধ্যতামূলক।

(৩) ব্যক্তিগৰাকী সংসদৰ দুয়োখন সদন অথবা কোনো ৰাজ্যিক বিধানসভাত সদস্য হ'ব নালগিব। এই ক্ষেত্ৰত যদিহে তেওঁ ভাৰতৰ কোনো এক বিধান পৰিষদৰ সদস্য হয় তেতিয়া পদবীৰ কাৰ্যভাৰ লোৱাৰ আগতে পূৰ্বৰ পদ বা দায়িত্বৰ পৰা পদত্যাগ কৰিব লাগিব।

(৪) তেওঁ কেন্দ্ৰীয় চৰকাৰৰেই হওক বা ৰাজ্য চৰকাৰৰে হওক কোনো লাভজনক পদত থাকিব নালাগিব।

৬.৩.৩ পদৰ গোপনীয়তাৰ শপত গ্ৰহণ

ৰাজ্যপালে, পদবীৰ দায়িত্ব গ্ৰহণ কৰাৰ আগতে ৰাজ্যৰ বিধায়িনী ক্ষমতাৰ সৎ প্ৰয়োগ কৰিম বুলি উচ্চ ন্যায়ালৰ মুখ্য ন্যায়ধীশৰ উপস্থিতিত শপত গ্ৰহণ কৰে। তেওঁৰ অনুপস্থিতিত, জ্যেষ্ঠতম ন্যায়ধীশ গৰাকী এই কাৰ্যত উপস্থিত থাকে। দেশৰ সংবিধানক

মানি চলাৰ লগতে সুৰক্ষা প্ৰদান কৰিম বুলি আৰু ৰাজ্যৰ জনসাধাৰণৰ মংগলার্থে ৰাজ্যপাল পদটোৱে কার্য সম্পাদনত ব্ৰতী হ'ব বুলি শপত গ্ৰহণ কৰে।

৬.৩.৪ কার্যকাল

ৰাজ্যপাল এগৰাকীক ৰাষ্ট্ৰপতিয়ে পাঁচ বছৰৰ বাবে নিযুক্তি দিয়ে। সংবিধানৰ ১৫৬ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিৰ সন্তুষ্টিৰ ওপৰত এগৰাকী ৰাজ্যপালৰ কার্যকাল নির্ভৰ কৰে। পাঁচ বছৰীয়া কার্যকাল শেষ হোৱাৰ আগতে ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালক অপসাৰণ বা পদচ্যুত কৰিব পাৰে। ৰাজ্যপাল এগৰাকীক যি কোনো সময়তে অন্য ৰাজ্যলৈও বদলি কৰা হ'ব পাৰে। পাঁচ বছৰীয়া কার্যকাল শেষ হোৱাৰ পাছতো পৰৱর্ত্তী এগৰকীয়ে দায়িত্বভাৰ নোলোৱালৈকে ৰাজ্যপাল এগৰাকী তেওঁৰ পদত অধিষ্ঠিত হৈ থাকিব পাৰে। অৱশ্যে, ৰাজ্যপাল এগৰাকীয়ে নিজহাতে ৰাষ্ট্ৰপতিলৈ পত্ৰ লিখি যিকোনো সময়তে পদত্যাগ কৰিব পাৰে। ৰাজ্যপালৰ অপসাৰণত ৰাজ্য চৰকাৰৰ কোনো ধৰণৰ ক্ষমতা বা কর্তৃত্ব নাই।

৬.৩.৫ বেতন

সময়ে সময়ে সংসদে ৰাজ্যপালৰ মাহিলী দৰমহা আৰু অন্যান্য বানচসমূহ নির্ধাৰণ কৰে। বর্তমান সময়ত ২০১৮-১৯ চনৰ কেন্দ্ৰীয় বাজেট অনুসৰি ৰাজ্যপালৰ দৰমহা প্ৰতিমাহে ৩ লাখ ৫০ হাজাৰ টকা ধার্য কৰা হৈছে। ইয়াৰ উপৰি তেওঁৰ পদ আৰু মর্যাদা অনুসৰি যুগোপযোগী অন্যান্য বানচসমূহ লাভ কৰে। ৰাজ্যপালক ভাড়াহীন চৰকাৰী বাসগৃহ প্ৰদান কৰা হয়। ৰাজ্যপালৰ দৰমহা আৰু অন্যান্য বানচসমূহ তেওঁ পদবীত থকা সময়ছোৱাত হ্ৰাস কৰিব নোৱাৰি।

৬.৩.৬ আইনী বিশেষাধিকাৰ

সংবিধানৰ ৩৬১ নং অনুচ্ছেদ মতে ৰাজ্যপালৰ বিৰুদ্ধে নিম্ন আদালতে কোনো আইনী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। ৰাজ্যৰ ৰাজ্যপাল এগৰাকী তেওঁৰ পদবী অনুসৰি লাভ কৰা ক্ষমতা আৰু কর্তব্যসমূহ প্ৰয়োগ আৰু সম্পাদনৰ ক্ষেত্ৰত বা তেওঁৰ ক্ষমতা আৰু কর্তব্যৰ প্ৰয়োগ আৰু সম্পাদনৰ যোগেদি যিকোনো নতুন আইন বলবৎ হ'লে, তাৰ বাবে তেওঁ যিকোনো আদালতত উত্তৰ দিবলৈ বাধ্য নহয়। ৰাজ্যপাল এগৰাকী পদবীত থকা অৱস্থাত কোনো আদালতত তেওঁৰ বিৰুদ্ধে অপৰাধমূলক বা অসামৰিক মোকৰ্দ্দমা ৰুজু কৰিব নোৱাৰি। ৰাজ্যপাল এগৰাকীৰ কার্যকালৰ ভিতৰত যিকোনো গ্ৰেপ্তাৰী পৰোৱানা জাৰী কৰাত বাধা আছে। ৰাজ্যপালগৰাকী তেওঁৰ নিজা কর্মৰ বাবে ৰাজ্যৰ বিধান পৰিষদৰ ওচৰতো দায়বদ্ধ নহয়।

৬.৩.৭ ৰাজ্যপালৰ ক্ষমতা আৰু কাৰ্যাৱলী

ৰাষ্ট্ৰপতিৰ দৰে ৰাজ্যপালৰ কূটনৈতিক, জৰুৰী বা সামৰিক ক্ষমতা নাই। কিন্তু ৰাজ্যৰ মুৰব্বী হিচাপে তেওঁ বৃহৎ পৰিসৰত ক্ষমতা আৰু কাৰ্যাৱলী ভোগ কৰে, সেইসমূহ তলত আলোচনা কৰা হ'ল—

১। কাৰ্যবাহী ক্ষমতা আৰু কাৰ্যাৱলী

২। বিধায়িনী ক্ষমতা আৰু কাৰ্যাৱলী

৩। वित्तीय ক্ষমতা আৰু কাৰ্যাৱলী

৪। আইনগত বা বিচাৰ সংক্ৰান্তীয় ক্ষমতা আৰু কাৰ্যাৱলী

৫। স্বেচ্ছামূলক ক্ষমতা আৰু কাৰ্যাৱলী

➢ **কাৰ্যবাহী ক্ষমতা আৰু কাৰ্যাৱলী**

সংবিধানৰ ১৫৪ নং অনুচ্ছেদ অনুসৰি ৰাজ্যপালৰ হাতত ৰাজ্যৰ কাৰ্যবাহী বা প্ৰশাসনীয় ক্ষমতা অৰ্পণ কৰা হৈছে। এইসমূহ ৰাজ্যপালে প্ৰত্যক্ষভাৱে বা তেওঁৰ অধীনস্থ বিষয়াৰ জৰিয়তে প্ৰয়োগ কৰিব পাৰে। ৰাজ্যচৰকাৰৰ সকলো প্ৰশাসনীয় কাৰ্য ৰাজ্যপালৰ নামতেই গ্ৰহণ বা পালন কৰা হয়। ৰাজ্যচৰকাৰৰ কাম-কাজ পৰিচালনা আৰু মন্ত্ৰীসকলৰ মাজত কৰ্মৰ আৱণ্টন সম্পৰ্কীয় আৱশ্যকীয় নীতি-নিয়মো ৰাজ্যপালে তৈয়াৰ কৰে।

ৰাজ্যপালে মুখ্যমন্ত্ৰীক নিযুক্তি দিয়ে আৰু মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি আন আন মন্ত্ৰীসকলক নিযুক্তি দিয়ে। মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰিয়েই ৰাজ্যপালে মন্ত্ৰীসকলৰ মাজত দপ্তৰসমূহৰ গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাই আৰু তেওঁলোকৰ পদত্যাগ পত্ৰও গ্ৰহণ কৰে। ৰাজ্যপালৰ সন্তুষ্টিৰ ওপৰতমন্ত্ৰী পৰিষদ বৰ্তি থাকে। তেওঁ মন্ত্ৰীপৰিষদক ভংগ কৰিবও পাৰে।

ৰাজ্যপালে ৰাজ্যৰ সকলো গুৰুত্ব পদবী যেনে— ৰাজ্যৰ মহাধিবক্তা, ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্য, ৰাজ্যিক বিশ্ববিদ্যালয় সমূহৰ উপাচাৰ্য, উচ্চ ন্যায়ালয়ৰ ন্যায়ধীশসকলৰ তলৰ বিচাৰপতি সকল আৰু ৰাজ্যিক প্ৰশাসনৰ লগত জড়িত আন আন বহুতো উচ্চ পদাধিকাৰীক নিযুক্তি প্ৰদান কৰে।

সংবিধানৰ ১৬৭ নং অনুচ্ছেদ মতে, ৰাজ্যৰ প্ৰশাসন সম্বন্ধীয় মন্ত্ৰী পৰিষদৰ সিদ্ধান্তসমূহ মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালক জনাব লাগে। এই সম্পৰ্কীয় যিকোনো তথ্য ৰাজ্যপালে মুখ্যমন্ত্ৰীক বিচাৰিবও পাৰে। তেওঁ মুখ্যমন্ত্ৰীক বিশেষ মন্ত্ৰীৰ সিদ্ধান্ত একোটাক মন্ত্ৰী পৰিষদৰ বিবেচনাৰ বাবে দাখিল কৰিবলৈও ক'ব পাৰে।

ৰাজ্যপাল হৈছে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ পদেন আচার্য আৰু এইবোৰৰ যথোচিত পৰিচালনাৰ ক্ষেত্ৰত ৰাজ্যপাল দায়বদ্ধ।

সংবিধানৰ ৩৫৬ নং অনুচ্ছেদে ৰাজ্যপালক ৰাজ্যত সাংবিধানিক ব্যৱস্থাটো ভাগি পৰিলে জৰুৰী অৱস্থা ঘোষণা কৰিবলৈ ৰাষ্ট্ৰপতিক পৰামৰ্শ দিয়াৰ ক্ষমতা প্ৰদান কৰিছে। ৰাষ্ট্ৰপতিয়ে ৰাজ্যিক জৰুৰী অৱস্থা বা ৰাষ্ট্ৰপতিৰ শাসন জাৰী কৰিলে ৰাজ্যপালে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে ৰাজ্য প্ৰশাসনৰ সম্পূৰ্ণ দায়িত্ব ল'ব লাগে।

➢ বিধায়িনী ক্ষমতা আৰু কার্যাৱলী

যদিও ৰাজ্যপাল ৰাজ্যিক বিধান সভাৰ সদস্য নহয়, তথাপি তেওঁ ইয়াৰ অবিচ্ছেদ্য অংগ। ৰাজ্যপালে ৰাজ্যিক বিধানসভাৰ অধিৱেশন আহ্বান কৰিব আৰু স্থগিত ৰাখিব পাৰে। তেওঁ ৰাজ্যিক বিধান মণ্ডলৰ নিম্ন সদন অর্থাৎ বিধান সভা যিকোনো সময়তে ভংগ কৰি দিব পাৰে। যদি কোনো ৰাজ্যত এংলো ইণ্ডিয়ান জনগোষ্ঠীৰ মানুহে বাস কৰে আৰু সেই জনগোষ্ঠীৰ প্ৰতিনিধি যদি ৰাজ্যিক বিধান সভাত নাথাকে, তেতিয়া ৰাজ্যপালে সেই জনগোষ্ঠীৰ পৰা এজন প্ৰতিনিধি ৰাজ্যৰ বিধানসভালৈ মনোনীত কৰিব পাৰে। তেওঁ ৰাজ্যিক বিধান পৰিষদলৈও ১/৬ অংশ সদস্য বিজ্ঞান, সাহিত্য, কলা, সমাজ সেৱা আৰু সমবায় আন্দোলন আদি ক্ষেত্ৰৰ বিশেষজ্ঞান আৰু অভিজ্ঞতাপুষ্ট ব্যক্তিৰ মাজৰপৰা মনোনীত কৰিব পাৰে।

ৰাজ্যিক বিধান মণ্ডলে গৃহীত কৰা প্ৰতিখন বিধেয়ক কেৱল ৰাজ্যপালে স্বাক্ষৰিত কৰিলেহে আইনত পৰিণত হয়। বিধান সভাত বিধেয়ক এখন গৃহীত কৰাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভোটদান বা মতদানৰ ক্ষমতা নাই, কিন্তু তেওঁ বিধেয়ক এখন (বিত্তীয় বিধেয়কৰ বাদে) সন্মতিৰ বাবে ৰখাই থ'ব পাৰে আৰু পুনর্বিবেচনাৰ বাবে বিধান মণ্ডললৈ ঘূৰাই পঠিয়াব পাৰে। কিন্তু যদিহে বিধেয়কখন বিধান মণ্ডলে একে ৰূপতে পুনৰ গৃহীত কৰে, ইয়াত সন্মতি জনবালৈ ৰাজ্যপাল বাধ্য হৈ পৰে। কিছুমান বিশেষ বিধেয়ক ৰাজ্যিক বিধ্যন মণ্ডলে গৃহীত কৰাৰ পাছত ৰাজ্যপালে ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবেও পঠিয়াব পাৰে। যদিহে বিধেয়ক এখনে উচ্চ ন্যায়ালয়ৰ ক্ষমতা হানিকাৰক হয় বা যদি এই বিধেয়ক ৰাজহুৱা সম্পত্তি বেচা বা অধিগ্ৰহণৰ উদ্দেশ্যত জড়িত হয়।

ৰাজ্যিক বিধান মণ্ডলৰ অধিৱেশন নথকা অৱস্থাত যিকোনা জৰুৰী অৱস্থা মোকাবিলা কৰাৰ কাৰণে ৰাজ্যপালৰ অধ্যাদেশ জাৰী কৰাৰ ক্ষমতা আছে। এনে অধ্যাদেশ আইন হিচাপে বলবৎ হয় আৰু ৰাজ্যিক বিধানমণ্ডলৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ পাছৰ ছয় সপ্তাহ পর্যন্ত বাহাল থাকে। নির্দিষ্ট কিছুমান অধ্যাদেশৰ ক্ষেত্ৰত ৰাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদন লোৱা প্ৰয়োজন।

বিধান মণ্ডলৰ প্ৰত্যেক সদনতে অৰ্থাৎ বিধানসভা আৰু বিধান পৰিষদত সুকীয়াকৈ অথবা যুটীয়াকৈ অনুষ্ঠিত অধিৱেশনত ৰাজ্যপালে সদনক সম্বোধি ভাষণ প্ৰদান কৰাৰ কৰ্তৃত্ব সংবিধানে প্ৰদান কৰিছে। যদি আৱশ্যকতা অনুভৱ কৰে তেওঁ সদনলৈ বিবেচনাৰ বাবে বাৰ্তাও প্ৰেৰণ কৰিব পাৰে।

বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পাছত প্ৰথম অধিৱেশনত আৰু প্ৰত্যেক বছৰৰ প্ৰথমটো অধিৱেশনকে মুখ্য কৰি বাজেট অধিৱেশন ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হয়। এই ভাষণত আসন্ন বছৰত চৰকাৰ তথা ৰাজ্যপালৰ কৰ্মপন্থা সম্পৰ্কে প্ৰকাশ কৰা হয়।

ৰাজ্যিক বিধান মণ্ডলৰ সদস্য এগৰকীৰ অযোগ্যতা সম্পৰ্কে নিৰ্বাচন আয়োগৰ লগত পৰামৰ্শ কৰি সিদ্ধান্ত লোৱাৰ ক্ষমতা ৰাজ্যপালৰ থাকে। ৰাজ্য চৰকাৰৰ অধীনস্থ বিভিন্ন বিভাগ, প্ৰতিষ্ঠান আদিয়ে ৰাজ্যপালৰ ওচৰত দাখিল কৰা বছেৰেকীয়া প্ৰতিবেদনসমূহ ৰাজ্যিক বিধানমণ্ডলে বিবেচনালৈ গ্ৰহণ কৰাৰ আগতে পৰ্যবেক্ষণ কৰাটো ৰাজ্যপালৰ গুৰুত্বপূৰ্ণ দায়িত্ব।

- **বিত্তীয় ক্ষমতা আৰু কাৰ্যাৱলী**

প্ৰত্যেক বছৰে ৰাজ্যিক বিধানসভাত উত্থাপন কৰাৰ আগতে ৰাজ্যিক বাজেট ৰাজ্যপালে পৰ্যবেক্ষণ কৰা আৰু অনুমোদন জনোৱাটো তেওঁৰ কৰ্তব্যৰ ভিতৰত পৰে।

ৰাজ্যপালৰ অনুমতি বা সম্মতি অবিহনে ৰাজ্যিক বিধান মণ্ডলৰ ফালৰ পৰা কোনো ধৰণৰ পৰিপূৰক, অতিৰিক্ত বা মাত্ৰাধিক চৰকাৰী বিত্তীয় অনুদান দাবী কৰিব নোৱাৰে। ৰাজ্যৰ আকস্মিক নিধি ৰাজ্যপালে চোৱাচিতা কৰে আৰু ৰাজ্যিক বিধানসভাই আকস্মিক নিধি ব্যৱহাৰৰ বিধি ব্যৱস্থা তৈয়াৰ কৰাৰ আগতে ৰাজ্যপালে অদৃশ্য খৰচৰ মুখামুখি হ'ব পৰাকৈ আগতীয়াকৈ এই পুঁজি মুকলি কৰি দিব পাৰে।

ৰাজ্যপালৰ অনুমোদন অবিহনে বিত্তীয় বিধেয়ক এখন ৰাজ্যিক বিধানসভাত উত্থাপন কৰিব নোৱাৰি। বিধান সভাত গৃহীত বিত্তীয় বিধেয়ক এখন আইনত পৰিণত হ'বলৈও ৰাজ্যপালৰ সম্মতি সদায় প্ৰয়োজন। তেওঁ বিত্তীয় বিধেয়ক এখন ৰাখি থ'ব বা ঘুৰাই পঠাব নোৱাৰে ।

- **আইনগত বা বিচাৰ সংক্ৰান্তীয় ক্ষমতা আৰু কাৰ্যাৱলী**

ৰাজ্যপালে নিৰ্দিষ্ট আইনী ক্ষমতা ভোগ কৰে। ৰাজ্যত উচ্চ ন্যায়ালয়ৰ ন্যায়ধীশ সকলক নিযুক্তি দিয়াৰ বিষয়ত ৰাষ্ট্ৰপতিয়ে সংশ্লিষ্ট ৰাজ্যৰ ৰাজ্যপালৰ লগত পৰামৰ্শ কৰে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সকলে নতুন কৈ দায়িত্ব ল'বৰ সময়ত ৰাজ্যপালৰ সন্মুখত পদ আৰু গোপনীয়তাৰ শপত ল'ব লাগে। উচ্চ

ন্যায়ালয়ৰ আৰু লোকসেৱা আয়োগৰ লগত পৰামৰ্শ কৰি ৰাজ্যপালে জিলা ন্যায়াধীশ আৰু আন আন আইনী বিষয়াসকলৰ নিযুক্তি স্থান আৰু পদোন্নতি নির্ধাৰণ কৰে।

সংবিধানৰ ১৬১ নং অনুচ্ছেদে ৰাজ্যপালক প্ৰদান কৰা ক্ষমা দান ক্ষমতাৰ জৰিয়তে আদালতৰদ্বাৰা দোষী সাব্যস্ত ব্যক্তি এগৰাকীক আইন অনুসৰি তেওঁ পাবলগীয়া শাস্তিৰ পৰা ৰেহাই বা শাস্তিৰ পৰিমাণ লাঘৱ কৰিব পাৰে। অৱশ্যে ৰাষ্ট্ৰপতিৰ দৰে ৰাজ্যপালে মৃত্যু দণ্ডৰ পৰা ৰেহাই দিব নোৱাৰে। তেওঁ কেৱল মৃত্যুদণ্ড কাৰ্যকৰীকৰণ স্থগিতহে ৰাখিব পাৰে।



জানি থোৱা ভাল

আমি মনত ৰখা উচিত যে ৰাজ্যপালৰ সকলো ক্ষমতা আৰু কার্যাৱলী (ওপৰত উল্লেখ কৰা সমূহ)ৰ প্ৰয়োগ ভাৰতৰ সংবিধানৰ ১৬৩ নং অনুচ্ছেদ অনুযায়ী মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন মন্ত্ৰী পৰিষদৰ উপদেশ বা পৰামৰ্শ মতেহে হয়। ভাৰতৰ সংবিধান প্ৰনেতা সকলে ৰাজ্যপালক নামমাত্ৰ মুৰব্বী হিচাপেহে প্ৰক্ষেপ কৰিছে।

- **স্বেচ্ছামূলক ক্ষমতা আৰু কার্যাৱলী**

সাধাৰণতে ৰাজ্যপালে মন্ত্ৰীপৰিষদৰ পৰামৰ্শ অনুসৰি কার্য পৰিচালনা কৰিব লাগে, কিন্তু সংবিধানৰ ১৬৩ (১) অনুচ্ছেদে তেওঁক কার্য পৰিচালনাৰ বাবে এনে ক্ষমতা প্ৰদান কৰিছে যে কিছুমান বিশেষ কর্ম সম্পাদন ৰাজ্যপালে নিজ ইচ্ছাৰে কৰিব পাৰে। এনেবোৰত মন্ত্ৰী পৰিষদৰ পৰামর্শৰ প্ৰয়োজন নাই। তলত দিয়া বিশেষ উপলক্ষ বা ক্ষেত্ৰসমূহত ৰাজ্যপালে স্ব-ইচ্ছাৰে কার্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে—

(ক) বিধান সভাত কোনো দলেই স্পষ্ট সংখ্যাগৰিষ্ঠতা প্ৰদর্শন কৰিব নোৱাৰিলে ৰাজ্যপালে স্ব-ইচ্ছাৰে মুখ্যমন্ত্ৰী বাছনি আৰু নিযুক্তি দিব পাৰে।

(খ) ৰাজ্যৰ সাংবিধানিক ব্যৱস্থাটো বিকল হ'লে ৰাজ্যপালে এই বিষয়ত ৰাষ্ট্ৰপতিলৈ প্ৰতিবেদন পঠিওৱাৰ ক্ষমতা আৰু এই প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যিক জৰুৰী অৱস্থা বা ৰাষ্ট্ৰপতি শাসন বলবৎ হ'ব পাৰে।

(গ) ৰাজ্যিক জৰুৰী অৱস্থা বা ৰাষ্ট্ৰপতি শাসনৰ সময়ছোৱাত ৰাজ্যপালে স্ব-ইচ্ছাৰে কার্য সম্পাদন কৰে। এই সময়ছোৱাত তেওঁ ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি হিচাপে কার্য চম্ভালে।

(ঘ) যেতিয়া ক্ষমতাত থকা দলটোৰে সংখ্যাগৰিষ্ঠতা হেৰুৱাই বা ৰাজ্যৰ বিধানসভাত যদি ক্ষমতাত থকা দলটোৰ মাজত বিদ্রোহৰ সূত্রপাত হয় বা

বিভাজন ঘটে তেতিয়া ৰাজ্যপালে স্ব-ইচ্ছাৰে মন্ত্রীপৰিষদ খৰিজ কৰিব পাৰে।

(ঙ) ৰাজ্যপালে ইচ্ছানুসৰি বিধানসভা আহ্বান আৰু ভংগ কৰিব পাৰে।

(চ) ৰাজ্যপালে ৰাজ্যিক বিধানমণ্ডলে গৃহীত কৰি পঠিওৱা বিধেয়ক এখন স্থগিত বা সংৰক্ষিত কৰি ৰাখিব পাৰে যদিহে বিধেয়কখনত সন্নিৰিষ্ট আইন বা নীতিৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ লগত বিৰোধ প্রতিফলিত হয়। এনে ক্ষেত্রত ৰাজ্যপালে ৰাষ্ট্রপতিৰ বিবেচনাৰ বাবে এই বিধেয়ক প্রেৰণ কৰে।

(ছ) কোনো বিশেষ বিষয়ত যদি ৰাজ্য চৰকাৰ আৰু কেন্দ্রৰ মাজত বিৰোধ ঘটে তেতিয়া ৰাজ্যপালে স্বেচ্ছামূলক ক্ষমতা প্রয়োগ কৰিব পাৰে।

(জ) কেন্দ্রীয়শাসিত অঞ্চলৰ প্রশাসক হিচাপে ৰাষ্ট্রপতিয়ে নিযুক্তি দিয়া ৰাজ্যপাল এগৰাকীয়ে কেন্দ্রীয়শাসিত অঞ্চলৰ লগত জড়িত কাম কাজসমূহ স্বাধীন ভাৱে কৰিব পাৰে।

➢ **বিশেষ ক্ষমতা**

ওপৰত আলোচনা কৰা ক্ষমতা আৰু কার্যাৱলীসমূহৰ উপৰিও অসম, অৰুণাচল প্রদেশ, নাগালেণ্ড, চিকিম, মনিপুৰ, গুজৰাট, উৰিষ্যা, মহাৰাষ্ট্র আৰু মধ্য প্রদেশৰ দৰে কিছুমান ৰাজ্যৰ ৰাজ্যপালৰ কিছু বিশেষ ক্ষমতা আৰু দায়ৱদ্ধতা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰ কৰক-

(ক) ৰাজ্যপালক নিযুক্তি দিয়ে————।

(খ) বিধান সভা ভংগ কৰিব পাৰে————।

প্রশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ লিখক-

(ক) ৰাজ্যপালে ৰাজ্যিক কেবিনেটক অপসাৰণ কৰিব পাৰে।

.....

(খ) ৰাজ্যপালে স্বেচ্ছামূলক বা স্বেচ্ছাধীন ক্ষমতা ভোগ কৰে।

.....

(গ) ৰাজ্যপাল ৰাজ্যিক বিধানমণ্ডলৰ এগৰাকী সদস্য হয় ।

.....

৬.৩.৮ ৰাজ্যপালৰ সাংবিধানিক পদমর্যাদা

ওপৰত ৰাজ্যপালৰ ক্ষমতা আৰু কার্যাৱলী আলোচনাৰ পাছত জানিব পৰা গ'ল যে ৰাজ্যপালে ৰাজ্যিক প্রশাসনীয় ব্যৱস্থাত বিপুল ক্ষমতা ভোগ কৰে। কিন্তু এইটো ভাবিলে ভুল হ'ব যে সংবিধানে তেওঁক প্রকৃত শাসক হিচাপে প্রক্ষেপ কৰিছে।

সংবিধানে স্পষ্টভাৱে কৈছে যে ৰাজ্যপালৰ কার্যসমূহ সম্পাদন কৰাত সহায় আৰু সহযোগিতা কৰিবলৈ মুখ্যমন্ত্রীৰ নেতৃত্বাধীন মন্ত্রী পৰিষদ থাকিব, যি বিধানসভাৰ ওচৰত সম্পূর্ণৰূপে দায়বদ্ধ।

ৰাজ্যপালৰ পদবী আৰু ক্ষমতাৰ সম্পর্কত ড° আম্বেদকাৰে মন্তব্য কৰিছে যে ৰাজ্যপালৰ ক্ষমতা ইমানেই সীমিত, ইমানেই নামমাত্র আৰু পদমর্যদাও ইমানেই আলংকাৰিক যে তেওঁক নির্বাচন কৰি ৰাজহুৱা ধনহে অপব্যয় কৰা হয়।

সাধাৰণতে ৰাজ্যপাল মন্ত্রী পৰিষদৰ পৰামর্শ গ্রহণ কৰিবলৈ বাধ্য যদিও ইয়াৰ অর্থ এনে নহয় যে নির্দিষ্টভাৱে চিহ্নিত শাৰীত স্বাক্ষৰ প্রদান কৰাৰ বাদে ৰাজ্যপালৰ আন কাম নাই। বিভিন্ন পৰিস্থিতিত ৰাজ্যপালে মন্ত্রী পৰিষদৰ পথ প্রদর্শকৰ ভূমিকা পালন কৰে। মাজে মাজে ৰাজ্যপালে নিজাববীয়াকৈ গুৰুত্বপূর্ণ সিদ্ধান্তও ল'ব লগা হয়। ৰাজ্যপালৰ স্বেচ্ছামূলক ক্ষমতাও বিবেচনাযোগ্য যাৰ জৰিয়তে মন্ত্রী পৰিষদৰ লগত কোনো পৰামর্শ নকৰাকৈও তেওঁ নিজ ইচ্ছামতে কার্য সম্পাদন কৰিব পাৰে। সেয়েহে ৰাজ্যপালৰ পদমর্যাদা কেৱল আলংকৰিক বুলি ক'ব পৰা নাযায়।

আন যিকোনো ৰাজহুৱা পদবীৰ দৰে ৰাজ্যপালৰ পদমর্যাদাও পদবীত অধিষ্ঠিত ব্যক্তিগৰাকীৰ ওপৰত নির্ভৰ কৰে। দূর্বল ব্যক্তিত্বৰ ৰাজ্যপাল এগৰাকীয়ে নিজেই নিজৰ পদমর্যাদা হ্রাস কৰি মন্ত্রী পৰিষদে আৱশ্যক মতে ব্যৱহাৰ কৰিব পৰা অস্থিত্বহীন বিচাৰ বিবেচনা শূন্য পদবীলৈ পর্যবেসিত কৰে। কিন্তু ৰাজ্যপাল গৰাকী যদি শক্তিশালী ব্যক্তিত্বৰ অধিকাৰী হয, তেতিয়া তেওঁ সহজে মন্ত্রী পৰিষদক প্রভাৱিত আৰু পথ প্রদর্শন কৰাৰ সমান্তৰালকৈ প্রশাসন ব্যৱস্থাটোকে সঠিক পথত লৈ যাব পাৰে। ৰাজ্যৰ সামাজিক, অর্থনৈতিক আৰু শিক্ষামূলক উন্নয়নৰ দৰে বিষয়সমূহৰ সমান্তৰালকৈ জনসাধাৰণৰ উত্তৰোওৰ বাবে জনকল্যাণমূলক কাম-কাজত চৰকাৰক সঠিক পদক্ষেপ গ্রহণ কৰাত ৰাজ্যপালে দিক্‌দর্শন কৰিব পাৰে। ৰাজ্য এখনৰ জনসাধাৰণৰ মাজত একতা গঢ়ি তুলিবলৈ ৰাজ্যপালে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ মাজত সংযোগকাৰী হিচাপে ৰাজ্য এখনৰ কঠিন পৰিস্থিতি আৰু কেন্দ্রীয় চ ৰকাৰৰ প্রতি ক্ষোভ বা দাবীসমূহ ৰাজ্যপালে কেন্দ্রীয় চৰকাৰৰ ওচৰত দাঙি ধৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ মাজত সম্পর্ক উন্নীত কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

কিন্তু দুর্ভাগ্য বশত ঃ বর্তমান ৰাজ্যপালৰ পদটো বিতর্কিত হৈ পৰিছে। কাৰণ কেন্দ্রৰ শাসনাধিষ্ঠিত দলটোৱে তেওঁলোকৰ প্রয়োজন (ৰাজনৈতিক প্রয়োজন) অনুসৰি

ৰাজ্যপালক প্ৰয়োগ কৰিব বিচাৰে বাবে সেই অনুসৰি ৰাজ্যপালৰ বাছনি কৰে। ইয়াৰ বাহিৰেও ৰাজ্যপালৰ নিযুক্তি আৰু অপসাৰণ সম্পৰ্কীয় ৰাজনৈতিক বিবেচনাই সদায় ৰাজ্যপালৰ পদবীৰ মৰ্যাদা আৰু কামত বিৰূপ প্ৰভাৱ পেলায়। এইটোও দেখা যায় যে মাজে সময়ে ৰাজ্যপালে নিৰপেক্ষভাৱে কৰ্তব্য পালন কৰিব নোৱাৰে। ৰাজনৈতিক নিৰপেক্ষতা আৰু ৰাজনৈতিক উদাসীনতাই ৰাজ্যপালক ৰাজ্যৰ জনসাধাৰণৰ প্ৰয়োজনীয়তা অনুসৰি সঠিক সেৱা আগবঢ়াবলৈ সুবিধা কৰি দিয়ে যিয়ে ৰাজ্যপালৰ পদমৰ্যাদাও উচ্চ কৰি তোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ ৰাজ্যপালৰ কাৰ্যকাল সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন ৪ ঃ ৰাজ্য এখনৰ ৰাজ্যপাল হ'বলৈ প্ৰয়োজনীয় দুটা অৰ্হতা লিখক।

.....

.....

প্ৰশ্ন ৫ ঃ ৰাজ্যপালে কেতিয়া অধ্যাদেশ জাৰী কৰিব পাৰে?

.....

প্ৰশ্ন ৬ ঃ ৰাজ্য এখনৰ আকস্মিক পুঁজি বা নিধিৰ ওপৰত কাৰ কৰ্তৃত্ব থাকে?

.....

প্ৰশ্ন ৭ ঃ ৰাজ্যপালে জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰেনে?

.....



৬.৪ ঃ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ ১৫৩ নং অনুচ্ছেদত প্ৰতিখন ৰাজ্যৰ বাবে একোগৰাকী ৰাজ্যপাল নিযুক্তি দিয়াৰ বিধি-বিধান লিপিবদ্ধ কৰা আছে।
- ৰাষ্ট্ৰপতিয়ে পাঁচ বছৰৰ বাবে ৰাজ্যপালসকলক নিযুক্তি দিয়ে।
- ৰাজ্যৰ প্ৰশাসনিক মুৰব্বীৰূপে ৰাজ্যপালে বহুতো প্ৰকাৰৰ ক্ষমতাৰ অনুশীলন কৰিব পাৰে। ৰাজ্যৰ সমগ্ৰ প্ৰশাসন ৰাজ্যপালৰ নামত চলে।
- ৰাজ্যিক বিধানসভাই গৃহীত কৰা সকলো বিধেয়ক ৰাজ্যপালৰ অনুমোদন অথবা স্বাক্ষৰ পোৱাৰ পাচত আইনত পৰিণত হয়।
- যিকোনো জৰুৰী অৱস্থাত ৰাজ্যপালৰ অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা আছে।
- ৰাষ্ট্ৰপতিৰ দৰে ৰাজ্যপালো হ'ল ৰাজ্যৰ নামমাত্ৰ অথবা খিতাপধাৰী মুৰব্বী। বাস্তৱ ক্ষেত্ৰত

ৰাজ্যপালৰ সকলো ক্ষমতা মুখ্যমন্ত্রীৰ নেতৃত্বাধীন ৰাজ্যিক মন্ত্রী পৰিষদে কার্যত ৰূপায়িত কৰে।

- ৰাজ্যপালৰ এনে কিছুমান ক্ষমতাও আছে যিবোৰ কার্যক্ষেত্রত প্রয়োগ কৰাৰ সময়ত তেওঁক মন্ত্রী পৰিষদৰ পৰামর্শৰ প্রয়োজন নহয়।
- মুখ্যমন্ত্রীৰ নেতৃত্বাধীন মন্ত্রী পৰিষদে ৰাজ্যপালক তেওঁ কার্যাৱলী সুচাৰুৰূপে সম্পাদন কৰাত সর্বতোপ্রকাৰে সহায় কৰে। বিধান সভাৰ প্রতি এয়া সকলোৰে সামূহিক দায়বদ্ধতাৰ অংশ।
- ৰাজ্যপালৰ পদমর্যাদা সেই পদত অধিষ্ঠিত ব্যক্তিগৰাকীৰ ব্যক্তিত্ব তথা সামর্থৰ ওপৰত নির্ভৰশীল।



৬.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: CosmosBookhive Pvt. Ltd.

2) Ghai, K.K.(2008). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.*New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



৬.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) ৰাষ্ট্রপতি

(খ) ৰাজ্যপাল

২ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) অশুদ্ধ

(খ) শুদ্ধ

(গ) অশুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাষ্ট্ৰপতিয়ে পাঁচ বছৰৰ বাবে এগৰাকী ৰাজ্যপালক নিযুক্তি দিয়ে। কিন্তু ৰাজ্যপালৰ কাৰ্যকাল ৰাষ্ট্ৰপতিৰ সন্তুষ্টিৰ ওপৰত নিৰ্ভৰশীল। ৰাষ্ট্ৰপতিয়ে ৰাজ্যপালকসেৱাৰ পৰা অব্যাহতি দিব পাৰে, অন্য ৰাজ্যলৈ বদলি কৰিব পাৰে নাইবা তেওঁৰ কাৰ্যকাল বৃদ্ধি কৰিব পাৰে। ৰাজ্যপালে যিকোনো সময়তে পদত্যাগ কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) তেওঁ ভাৰতৰ নাগৰিক হ'ব লাগিব।

(খ) তেওঁ ৩৫বছৰ পূৰ কৰিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ যেতিয়া ৰাজ্যৰ বিধানসভাৰ অধিৱেশন চলি নাথাকে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যপাল

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।



৬.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ ৰাজ্যৰ সাংবিধানিক মুৰব্বী কোন?

প্ৰশ্ন ২ ঃ এগৰাকী ৰাজ্যপালৰ কি কি অৰ্হতা থাকিব লাগে?

প্ৰশ্ন ৩ ঃ ৰাজ্যপালে ৰাজ্যিক বিধান পৰিষদ ভংগ কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ ৰাজ্যপালে বিত্ত বিধেয়কত চহী কৰাটো বাধ্যতামূলক। (শুদ্ধ/অশুদ্ধ)

(খ) চুটি প্ৰশ্ন - (প্ৰায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ এখন ৰাজ্যৰ ৰাজ্যপালৰ 'স্ব- বিচাৰৰ ক্ষমতা' (Discretionary Powers) বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ এখন ৰাজ্যৰ ৰাজ্যপালৰ ন্যায়িক ক্ষমতাবোৰৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন - (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাজ্যপালক কেনেদৰে নিযুক্তি দিয়া হয়? ৰাজ্যপালৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাজ্যৰ প্ৰশাসনত ৰাজ্যপালৰ সাংবিধানিক পদমৰ্যাদা আৰু ভূমিকা ব্যাখ্যা কৰক।

****

অধ্যায় ৭ ঃ মুখ্যমন্ত্রী আৰু ৰাজ্যিক মন্ত্রী পৰিষদ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ মুখ্যমন্ত্রী

- ৭.৩.১ মুখ্যমন্ত্রীৰ নিযুক্তি
- ৭.৩.২ কার্যকাল
- ৭.৩.৩ মুখ্যমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী
- ৭.৩.৪ মুখ্যমন্ত্রীৰ পদমর্যদা

৭.৪ ৰাজ্যিক মন্ত্রী পৰিষদ

- ৭.৪.১ গঠন
- ৭.৪.২ ৰাজ্যিক মন্ত্রী পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী
- ৭.৪.৩ ৰাজ্যিক মন্ত্রী পৰিষদৰ মর্যাদা বা স্থান।

৭.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি পঢ়াৰ পাছত আপুনি -

- ৰাজ্য এখনৰ মুখ্যমন্ত্রীৰ নিযুক্তি, ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰিব পাৰিব
- ৰাজ্য এখনৰ মুখ্যমন্ত্রীৰ পদমর্যাদা বিশ্লেষণ কৰিব পাৰিব
- ৰাজ্যিক মন্ত্রীপৰিষদৰ গঠন, ক্ষমতা আৰু কার্যাৱলী সম্পর্কে বর্ণনা কৰিবপাৰিব
- ৰাজ্যিক মন্ত্রীপৰিষদৰ পদমর্যাদা পৰীক্ষা কৰিব পাৰিব ।

৭.২ পৰিচয়

ভাৰত হৈছে ৰাজ্যসমূহৰ গোট, থূপ বা সংযুক্ত ৰাজ্য। ভাৰতত ২৯ খন ৰাজ্য আৰু ৭টা কেন্দ্রীয় শাসিত অঞ্চল আছে। ভাৰতত প্রত্যেক ৰাজ্যতে নিজা প্রশাসন চলাবলৈ নিজা চৰকাৰ থাকে। ৰাজ্যিক প্রশাসন ব্যৱস্থাটো ৰাজ্যপাল আৰু মুখ্যমন্ত্রীৰ নেতৃত্বাধীন মন্ত্রী পৰিষদেৰে গঠিত হয়। ইয়াত আমি এখন ৰাজ্যৰ মুখ্যমন্ত্রীৰ নিযুক্তি, ক্ষমতা, কার্যাৱলী আৰু পদমর্যাদা আলোচনা কৰিম । তদুপৰি, এখন ৰাজ্যৰ ৰাজ্যিক মন্ত্রীপৰিষদৰ গাঁথনি, ক্ষমতা, কার্যাৱলী আৰু পদমর্যাদা সম্পর্কে আলোচনা কৰিম ।

৭.৩ মুখ্যমন্ত্রী

সংবিধানৰ ১৬৩ নং অনুচ্ছেদে মুখ্যমন্ত্রীৰ পদটোৰ সুবিধা প্রদান কৰিছে। মুখ্যমন্ত্রীগৰাকী হৈছে, ৰাজ্য চৰকাৰৰ আটাইতকৈ ক্ষমতাশালী কার্যকর্তা। মুখ্যমন্ত্রী ৰাজ্য চৰকাৰৰ প্রকৃত প্রশাসনিক মুৰব্বী। ৰাজ্যিক পর্যায়ত তেওঁৰ পদমর্যাদা প্রধান মন্ত্রীৰ সৈতে একে। তেওঁ ৰাজ্যিক মন্ত্রী পৰিষদৰ মুৰব্বী।

৭.৩.১ মুখ্যমন্ত্রীৰ নিযুক্তি

ভাৰতৰ সংবিধানৰ ১৬৪ নং অনুচ্ছেদ অনুসৰি ৰাজ্যপালে মুখ্যমন্ত্রীক নিযুক্তি প্রদান কৰে। মুখ্যমন্ত্রী নিযুক্তি দিয়া সময়ত ৰাজ্যপালে স্ব-ইচ্ছাৰে এই কাম কৰিব নোৱাৰে। বিধান সভাৰ সংখ্যাগৰিষ্ঠ সদস্য থকা দলৰ নেতা গৰাকীক ৰাজ্যপালে ৰাজ্য এখনৰ মুখ্যমন্ত্রী হিচাপে নিযুক্তি দিয়ে। যদিহে বিধান সভাত কোনো এটা দলৰে নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা নাথাকে, তেতিয়া নেতা বাছনি কৰিবলৈ ৰাজ্যপালে কিছু ভূমিকা ল'ব পাৰে।

মুখ্যমন্ত্রীগৰাকী ৰাজ্যিক বিধান সভাৰ সদস্য হোৱাটো বাধ্যতামূলক। যদিহে তেওঁ সদস্য নহয়, তেতিয়া ৬ মাহৰ ভিতৰত ৰাজ্যিক বিধান সভালৈ নির্বাচিত হৈ আহিব লাগিব।

৭.৩.২ কার্যকাল

মুখ্যমন্ত্রী এগৰাকীৰ কার্যকাল স্থিৰ নহয়। সদনৰ সংখ্যাগৰিষ্ঠ সদস্যৰ সমর্থনৰ ওপৰত তেওঁৰ কার্যকাল নির্ভৰ কৰে। কিছুমান বিশেষ পৰিস্থিতিত ৰাজ্যপালে মুখ্যমন্ত্রীক অপসাৰণো কৰিব পাৰে।

৭.৩.৩ মুখ্যমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী

ৰাজ্যৰ প্রশাসনত মুখ্যমন্ত্রীয়ে যথেষ্ট ক্ষমতা ভোগ কৰে । মুখ্যমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী তলত আলোচনা কৰা হ'ল—

মন্ত্রীপৰিষদৰ গঠন ঃ বিধান সভাৰ সংখ্যাগৰিষ্ঠ দলৰ সদস্য সকলৰ মাজৰ পৰা ৰাজ্যপালে ৰাজ্যৰ মুখ্যমন্ত্রীক নিযুক্তি দিয়ে আৰু বাকী মন্ত্রীসকলকো মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰি ৰাজ্যপালে নিযুক্তি প্রদান কৰে। মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰিয়েই ৰাজ্যপালে মন্ত্রী এগৰাকীক মন্ত্রীত্বৰ পৰা অব্যাহতি দিব পাৰে।

দপ্তৰ আৱণ্টন ঃ মন্ত্রীসকলৰ মাজত দপ্তৰ বিতৰণৰ ক্ষেত্রত মুখ্য মন্ত্রীয়ে ৰাজ্যপালক পৰামর্শ প্রদান কৰে। তেওঁ মন্ত্রীসকলৰ মাজত দপ্তৰসমূহ পুনৰাবণ্টন কৰে। একেদৰে

দপ্তৰসমূহো তেওঁ পুনর্বিন্যাস কৰিব পাৰে। মন্ত্রীপৰিষদত মুখ্যমন্ত্রীয়ে নতুন মন্ত্রী অন্তর্ভুক্ত কৰিবও পাৰে বা আগৰ মন্ত্রীক অপসাৰণো কৰিব পাৰে। তেওঁ কোনো মন্ত্রীক পদত্যাগ কৰিবলৈয়ো ক'ব পাৰে।

মন্ত্রী পৰিষদৰ অধ্যক্ষ ঃ মুখ্যমন্ত্রীয়ে কেবিনেটৰ অধ্যক্ষৰ দায়িত্ব পালন কৰে। মন্ত্রী পৰিষদৰ সভাসমূহত তেওঁ অধ্যক্ষতা কৰে। মুখ্যমন্ত্রীয়ে মন্ত্রী পৰষিদৰ সভাসমূহ আহ্বান জনোৱাৰ লগতে সভাপতিত্বও কৰে। যিকোনো সময়তে মন্ত্রী পৰিষদৰ সভা আহ্বান কৰাৰ তেওঁৰ ক্ষমতা আছে।

সমন্বয় কৰ ভূমিকা ঃ মুখ্যমন্ত্রীয়ে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগ সমূহৰ মাজত সমন্বয় বর্তাই ৰাখে। সকলো মন্ত্রীৰ কাম-কাজ আৰু বিভাগীয় নীতিসমূহৰ মাজত মুখ্যমন্ত্রীয়ে সমন্বয় গঢ়ি তোলে। তেওঁ যিকোনো মন্ত্রীৰ বিভাগীয় বিষয়ত হস্থক্ষেপ কৰিব পাৰে। বিভিন্ন বিভাগ সমূহৰ মাজত কোনো বিবাদ বা বিৰোধ সৃষ্টি হ'লে সেইবোৰ সমাধান কৰাটোও মুখ্যমন্ত্রীৰ কর্তব্য। তেওঁ লক্ষ্য কৰা প্রয়োজন যে তেওঁৰ মন্ত্রী পৰিষদৰ সদস্যসকলৰ মাজত যাতে কোনো ধৰণৰ গুৰুতৰ মতবিৰোধ আৰু বিবাদ সৃষ্টি নহয়।

মন্ত্রী পৰিষদ আৰু ৰাজ্যপালৰ মাজত সংযোগকাৰী ঃ মুখ্যমন্ত্রী হৈছে ৰাজ্যপাল আৰু মন্ত্রীপৰিষদৰ মাজত যোগাযোগৰ মাধ্যম। ৰাজ্যৰ প্রশাসন সম্বন্ধীয় মন্ত্রী পৰিষদৰ সকলো সিদ্ধান্ত মুখ্যমন্ত্রীয়ে ৰাজ্যপালক জনাব লাগে। ৰাজ্যপালে মুখ্যমন্ত্রীৰ যোগেদি মন্ত্রীপৰিষদৰ যিকোনো তথ্য বিচাৰিব পাৰে। ৰাজ্যপালে বিচাৰিব পৰা এনে ধৰণৰ তথ্যপাতিসমূহ মুখ্যমন্ত্রীয়ে যোগান ধৰে। মুখ্যমন্ত্রী হৈছে ৰাজ্যপালৰ মুখ্য উপদেষ্টা।

ৰাজ্যিক বিধানসভাৰ নেতা ঃ মুখ্যমন্ত্রী হৈছে ৰাজ্যিক বিধানসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতা। তেওঁ সদনৰো মুখ্য মুখপাত্র। তেওঁ সকলো চৰকাৰী নীতিৰ বিবৃতি সদনত প্রদান কৰিব লাগে। তেওঁ সদনৰ নিয়ম-শৃংখলা বর্তাই ৰখাত সহায় কৰে। সদনৰ কার্য সূচী নির্ধাৰণ কৰাৰ আগতে সদনৰ অধ্যক্ষই মুখ্য মন্ত্রীৰ লগত আলোচনা কৰে। মুখ্যমন্ত্রীয়ে সদনৰ মজিয়াত বিৰোধী পক্ষৰ সদস্যৰ প্রশ্নৰ উত্তৰ দিবলৈ যোৱা মন্ত্রী এগৰাকীক সহায় আগবঢ়ায়। মুখ্যমন্ত্রী হৈছে চৰকাৰৰ নীতিসমূহৰ মুখ্য প্রতিৰক্ষাকাৰী। মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰি ৰাজ্যপালে বিধান সভাৰ অধিবেশন আহ্বান আৰু স্থগিত কৰে। আনকি মুখ্যমন্ত্রীয়ে সদন ভংগ কৰি দিবলৈও ৰাজ্যপালক পৰামর্শ দিব পাৰে। সাধাৰণতে এনে ধৰণৰ পৰামর্শ ৰাজনৈতিক বিবেচনাৰ আধাৰত মন্ত্রী পৰিষদেহে প্রদান কৰে। বিধান সভাৰ নেতা হিচাপে মুখ্যমন্ত্রীৰ আগতীয়া সন্মতি নোলোৱাকৈ কোনো মন্ত্রীয়ে বিধান মণ্ডলত কোনো ধৰণৰ বিধায়িনী প্রস্তাৱ দাখিল কৰিব নোৱাৰে।

নিযুক্তি সম্পর্কীয় ক্ষমতা ঃ ৰাজ্যৰ উচ্চ পদস্থ বিষয়াসকলৰ নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্রত মুখ্যমন্ত্রীয়ে ৰাজ্যপালক পৰামর্শ প্রদান কৰে। এইক্ষেত্রত, মুখ্যমন্ত্রীয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে ।

দলৰ নেতা হিচাপে ঃ মুখ্যমন্ত্রী হৈছে ৰাজ্যত তেওঁৰ দলৰ নেতা । বিধান সভাত তেওঁ দলৰ সদস্যসকলৰ নেতৃত্ব দিয়ে। নিজ দলৰ সদস্যসকলৰ মাজত সহযোগিতা আৰু একতা বৰ্তাই ৰখাতো তেওঁৰ দায়িত্ব। দলীয় শৃংখলা বজাই ৰখাতোও মুখ্যমন্ত্রীৰ কৰ্তব্য।

কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কত ভূমিকা ঃ মুখ্যমন্ত্রী হৈছে ৰাজ্য চৰকাৰৰ প্ৰকৃত প্ৰশাসনীয় মুৰব্বী। ৰাজ্য চৰকাৰৰ মুখ্য কাৰ্যবাহী হিচাপে ৰাজ্য আৰু কেন্দ্ৰৰ মাজত সু-সম্পৰ্ক সুনিশ্চিত কৰা মুখ্যমন্ত্রীৰ দায়িত্ব।

অন্যান্য ক্ষমতা ঃ মুখ্যমন্ত্রীৰ হাতত আন আন কিছুমান ক্ষমতাও থাকে। মুখ্যমন্ত্রীয়ে বিত্তীয় দিশতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বছেৰেকীয়া বাজেট সদনত উপস্থাপন কৰাৰ পূৰ্বে ৰাজ্যৰ বিত্ত মন্ত্রীয়ে তেওঁৰ লগত আলোচনা কৰিব লাগে। মুখ্যমন্ত্রীৰ অজ্ঞাতে কোনো বিত্তীয় বিধেয়ক উত্থাপিত কৰিব নোৱাৰে।

কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা সভা বা সন্মিলনসমূহত মুখ্যমন্ত্রী তেওঁৰ ৰাজ্যৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকে। ৰাজ্যৰ মুখ্যমন্ত্রীগৰাকীয়ে ৰাজ্যিক প্ৰশাসন ব্যৱস্থাটোত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। চমুকৈ, মুখ্যমন্ত্রী হৈছে মন্ত্রী পৰিষদৰ নেতা, তেওঁ নিজ দলৰ দলপতি, বিধান মণ্ডলৰ নেতা আৰু ৰাজ্যৰ জনসাধাৰণৰ নেতা। ৰাজ্য চৰকাৰৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুখ্যমন্ত্রীৰ নেতৃত্বৰ ওপৰতেই ৰাজ্য চৰকাৰৰ সফলতা নিৰ্ভৰ কৰে।

৭.৩.৪ মুখ্যমন্ত্রীৰ পদমৰ্যাদা

ৰাজ্যিক প্ৰশাসনত মুখ্যমন্ত্রীয়ে অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰে। মুখ্যমন্ত্রীৰ পদমৰ্যাদাও কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্রীৰ নিচিনা অতি সন্মানীয়। মুখ্যমন্ত্রী হৈছে ৰাজ্য চৰকাৰৰ প্ৰকৃত মুখ্য কাৰ্যবাহী। ৰাজ্যপাল হৈছে ৰাজ্যৰ নামমাত্ৰ মুৰব্বী। মুখ্যমন্ত্রীয়ে প্ৰকৃত কাৰ্যবহী হিচাপে ৰাজ্যত ক্ষমতাশালী, কৰ্তৃত্বশালী পদমৰ্যাদা ভোগ কৰে।

মুখ্য মন্ত্রীয়ে মন্ত্রী পৰিষদৰ গঢ়োঁতা। ৰাজ্যৰ মুখ্যমন্ত্রী গৰাকীক ৰাজ্যপালে ৰাজ্যৰ বিধানমণ্ডলৰ সংখ্যাগৰিষ্ঠ দলৰ সদস্যসকলৰ মাজৰ পৰা নিযুক্তি দিয়ে আৰু বাকী মন্ত্রীসকলকো মুখ্যমন্ত্রীৰ পৰামৰ্শ অনুসৰি ৰাজ্যপালে নিযুক্তি প্ৰদান কৰে। মন্ত্রীসকলৰ মাজত দপ্তৰ বিতৰণতো মুখ্যমন্ত্রীয়ে ৰাজ্যপালক পৰামৰ্শ প্ৰদান কৰে। তেওঁৰ পৰামৰ্শ মৰ্মেহি ৰাজ্যপালে মন্ত্রী এগৰাকীৰ মন্ত্রীত্ব বাতিল কৰিব পাৰে। সেই দৰে, তেওঁ দপ্তৰসমূহো পুনৰাবণ্টন কৰিব পাৰে। মুখ্যমন্ত্রীয়ে তেওঁৰ মন্ত্রী পৰিষদত নতুন মন্ত্রী অন্তৰ্ভুক্ত কৰিবও পাৰে অথবা পূৰ্বৰ মন্ত্রীক অপসাৰণো কৰিব পাৰে। তেওঁ কোনো মন্ত্রীক পদত্যাগ কৰিবলৈও ক'ব পাৰে।

মুখ্যমন্ত্রীয়ে চৰকাৰৰ কৰ্মপন্থা প্ৰস্তুত কৰোঁতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মুখ্যমন্ত্রীৰ নেতৃত্বৰ ওপৰতে ৰাজ্য চৰকাৰৰ সফলতা নিৰ্ভৰ কৰে।

মুখ্যমন্ত্রীয়ে কেবিনেটৰ অধ্যক্ষ হিচাপে কার্য সম্পাদন কৰে। মন্ত্রী পৰিষদৰ সভাসমূহত তেওঁ সভাপতিত্ব কৰে। তেওঁ এই সভাসমূহ আহ্বান কৰাৰ লগতে সভাপতিত্বও কৰে।

ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগসমূহৰ মাজত মুখ্যমন্ত্রীয়ে সমন্বয় বর্তাই ৰাখে। তেওঁ চৰকাৰৰ নীতি আৰু সকলো মন্ত্রীৰ কাম - কাজৰ মাজতো সমন্বয় সাধে। তেওঁ যিকোনো মন্ত্রীৰ বিভাগীয় বিষয়ত হস্তক্ষেপ কৰিব পাৰে।

মুখ্যমন্ত্রীয়ে ৰাজ্যপাল আৰু মন্ত্রীপৰিষদৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে কাম কৰে। ৰাজ্যৰ প্রশাসন সম্বন্ধীয় মন্ত্রীপৰিষদৰ সকলো সিদ্ধান্ত মুখ্যমন্ত্রীয়ে ৰাজ্যপালক অৱগত কৰে।

মুখ্যমন্ত্রী হৈছে ৰাজ্যৰ বিধানসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতা। তেওঁ সদনৰো মুখ্য মুখপাত্র।

মুখ্যমন্ত্রীয়ে যথেষ্ট পৰিমাণে নিয়োগাধিকাৰ ভোগ কৰে। ৰাজ্যৰ উচ্চ পদস্থ বিষয়াসকলক নিযুক্তি আৰু পদোন্নতিৰ ক্ষেত্রত মুখ্যমন্ত্রীয়ে ৰাজ্যপালক পৰামর্শ প্রদান কৰে।

মুখ্যমন্ত্রী হৈছে ৰাজ্যপালৰ মুখ্য উপদেষ্টা, মন্ত্রী পৰিষদৰ নেতা, নিজদলৰ দলপতি, বিধানমণ্ডলৰ নেতা আৰু নিজ ৰাজ্যৰ জনসাধাৰণৰো নেতা।

বিত্তীয় ক্ষেত্রতো মুখ্যমন্ত্রীয়ে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বার্ষিক বাজেট উপস্থাপনৰ আগেয়ে ৰাজ্যৰ বিত্ত মন্ত্রীয়ে মুখ্যমন্ত্রীৰ লগত আলোচনা কৰিব লাগে। মুখ্যমন্ত্রীৰ অজ্ঞাতে কোনো বিত্তীয় বিধেয়ক উত্থাপন কৰিব নোৱাৰি।

মুখ্যমন্ত্রী এগৰাকীৰ প্রকৃত পদমর্যাদা বহুতো কাৰক, যেনে - ব্যক্তিত্ব, চৰিত্র, সততা আৰু ন্যায়পৰায়ণতা আদিৰ ওপৰত নির্ভৰ কৰে। কেন্দ্রত প্রধান মন্ত্রীৰ পদমর্যদা যেনেকুৱা ৰাজ্যত মুখ্যমন্ত্রীৰো একেই। ড০ বি. চি. ৰয়, প্রতাপ সিং কৈৰণ, জি. বি. পণ্টৰ দৰে ব্যক্তিত্বই অতি ক্ষমতা শালী মুখ্যমন্ত্রী হিচাপে প্রতিপন্ন হৈছে।



জানি থোৱা ভাল

মুখ্যমন্ত্রীগৰাকীক ৰাজ্য চৰকাৰৰ কেন্দ্রবিন্দু বুলি জনা যায়। ৰাজ্যিক মন্ত্রী পৰিষদৰ মুৰব্বী হিচাপে তেও ৰাজ্যৰ প্রকৃত প্রশাসক।

চিন্তার্চা কৰক ৭.১

আমাৰ দেশৰ স্বাধীনতাৰ পাছত অসমৰ প্রথম মুখ্যমন্ত্রী কোন আছিল বিছাৰি উলিয়াওঁক?



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাজ্য এখনৰ মুখ্যমন্ত্রীক কোনে নিযুক্তি দিয়ে?

.....

প্রশ্ন ২ ঃ ———— অনুচ্ছেদৰ অধীনত ৰাজ্যপালে মুখ্যমন্ত্রীক নিযুক্তি দিয়ে (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৩ ঃ ৰাজ্যিক মন্ত্রী পৰিষদৰ সভাত সভাপতিত্ব কৰে ———— (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৪ ঃ মুখ্যমন্ত্রী হৈছে ৰাজ্যখনৰ মুখ্য প্রশাসক । (শুদ্ধ / অশুদ্ধ)

.....

প্রশ্ন ৫ ঃ মুখ্যমন্ত্রীৰ দুটা প্রধান কার্য উল্লেখ কৰক?

.....

.....

প্রশ্ন ৬ ঃ মন্ত্রী পৰিষদ গঠনত মুখ্যমন্ত্রীৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক । (৫০ টা শব্দৰ ভিতৰত)

.....

.....

৭.৪ ৰাজ্যিক মন্ত্রী পৰিষদ

ভাৰতৰ সংবিধানে কেৱল কেন্দ্রতে সংসদীয় আৰ্হিৰ চৰকাৰৰ সুবিধা প্রদান কৰা নাই, ৰাজ্যসমূহতো সেই একে আৰ্হিৰ চৰকাৰ ব্যৱস্থা প্রদান কৰিছে। ৰাজ্যিক প্রশাসনত ৰাজ্যপাল হৈছে নামমাত্র মুৰব্বী। মুখ্যমন্ত্রীৰ নেতৃত্বত মন্ত্রী পৰিষদেহে প্রকৃত কার্যবাহীৰ ক্ষমতা প্রয়োগ কৰে। যদিও সংবিধানে কার্যকৰী ক্ষমতা ৰাজ্যপালক অর্পণ কৰিছে, তথাপি মন্ত্রী পৰষিদেহে ইয়াক ব্যৱহাৰ কৰে।

৭.৪.১ গঠন

ৰাজ্যৰ প্রশাসনত মন্ত্রী পৰিষদ অতি গুৰুত্বপূর্ণ অংগ। প্রত্যেক ৰাজ্যত মুখ্যমন্ত্রীৰ নেতৃত্বত মন্ত্রী পৰিষদ থাকে। সংবিধানৰ ১৬৩ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাজ্যপালক তেওঁৰ কার্যাৱলী সম্পাদন কৰাত সহায় আৰু পৰামর্শ দিবলৈ মুখ্যমন্ত্রীৰ নেতৃত্বত এখন মন্ত্রী পৰিষদ থাকিব।

মুখ্যমন্ত্রীজন আৰু আন আন মন্ত্রীসকলক লৈ মন্ত্রী পৰিষদ গঠন কৰা হয়। ৰাজ্যিক পর্যায়ত মন্ত্রী পৰিষদৰ গঠন পদ্ধতি কেন্দ্রীয় মন্ত্রী পৰিষদৰ গঠন পদ্ধতিৰ সৈতে একে।

সংবিধানৰ ১৬৪ নং অনুচ্ছেদত উল্লেখ থকা মতে ৰাজ্যপালে মুখ্যমন্ত্রীক নিযুক্তি দিব আৰু মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰি আন আন মন্ত্রীসকলকো তেওঁৰদ্বাৰা নিযুক্তি দিয়া হয়। এনেদৰে মন্ত্রী পৰিষদ গঠনৰ প্রথম পর্যায়ত মুখ্যমন্ত্রীৰ নিযুক্তি হয়।

মুখ্যমন্ত্রী হৈছে ৰাজ্যিক বিধানমণ্ডলৰ সংখ্যাগৰিষ্ঠ দলৰ নেতা। বিধান সভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতাগৰাকীক ৰাজ্যপালে মন্ত্রী সভা গঠন কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্রীৰ নিযুক্তিৰ পাছত মুখ্যমন্ত্রীৰ পৰামর্শ মর্মে আন আন মন্ত্রীসকলক ৰাজ্যপালে নিযুক্তি দিয়ে। যদি কোনো দলে সংখ্যাগৰিষ্ঠতা নাপায় তেতিয়া ৰাজ্যপালে যি কোনো এজনক বাছনি কৰি মুখ্যমন্ত্রী হিচাপে নিযুক্তি দিয়ে। এই বিষয়ত তেওঁ পছন্দৰ পূর্ণ স্বাধীনতা লাভ কৰে। কিন্তু মুখ্যমন্ত্রীৰ বাবে বাচনিকৃত ব্যক্তিগৰাকীয়ে নির্ধাৰিত সময়ৰ ভিতৰত তেওঁৰ সংখ্যাগৰিষ্ঠতা প্রমাণ কৰিবলৈ সক্ষম হ'ব লাগিব। মুখ্যমন্ত্রীয়ে তেওঁৰ মন্ত্রী সভালৈ কাক বাছনি কৰিব বা কাক নকৰিব সেয়া মুক্তভাৱে নির্ণয় কৰিব পাৰে। যদি কোনো মন্ত্রী তেওঁৰ নিযুক্তিৰ সময়ত ৰাজ্যিক বিধান মণ্ডলৰ সদস্য নহয়, তেতিয়া তেওঁ নিযুক্তিৰপৰা ছমাহৰ ভিতৰত বিধানমণ্ডলৰ সদস্য হিচাপে নির্বাচিত হৈ আহিব লাগিব।

মুখ্যমন্ত্রীয়ে তেওঁৰ মন্ত্রীসভাৰ সহকর্মীসকলৰ দপ্তৰসমূহ সাল-সলনি কৰিব পাৰে আৰু তেওঁ বিচৰা মতে মন্ত্রী পৰিষদ পুনর্গঠন কৰিব পাৰে। ৰাজ্যিক মন্ত্রী পৰিষদত তিনি শ্রেণীৰ মন্ত্রী থাকে। সেই বোৰ হৈছে— কেবিনেট মন্ত্রী, ৰাজ্যিক মন্ত্রী আৰু উপমন্ত্রী।

মন্ত্রীসকলৰ দৰমহা আৰু অন্যান্য বানচসমূহ ৰাজ্যিক বিধান মণ্ডলে নির্ধাৰণ কৰে।

ৰাজ্যিক মন্ত্রী পৰিষদ ৰাজ্যিক বিধান মণ্ডলৰ ওচৰত দায়ৱদ্ধ। সংবিধানৰ ১৬৪ (২) নং অনুচ্ছেদত কোৱা হৈছে — " মন্ত্রীপৰিষদ ৰাজ্যিক বিধান সভাৰ ওচৰত সম্পূর্ণৰূপে দায়বদ্ধ হ'ব।

মন্ত্রী পৰিষদৰ নির্দিষ্ট কার্যকাল নাথাকে। মন্ত্রীপৰিষদৰ দক্ষতাৰ ওপৰত বিধান মণ্ডলৰ আস্থা বা বিশ্বাস থকালৈকে মন্ত্রীপৰিষদ ক্ষমতাত বর্তি থাকে। যদিহে বিধানসভাত অনাস্থা প্রস্তাৱ গৃহীত হয় তেতিয়া মন্ত্রী পৰিষদে পদত্যাগ কৰিব লাগে।

৭.৪.২ ৰাজ্যিক মন্ত্রী পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী

ৰাজ্যিক মন্ত্রীপৰিষদ ৰাজ্যৰ ভিতৰত আটাইতকৈ সর্ব্বোচ্চ কার্যবাহী । মন্ত্রী পৰিষদৰ প্রধান ক্ষমতা আৰু কার্যাৱলীসমূহ তলত দিয়া ভাগত আলোচনা কৰা হ'ল-

ৰাজ্যৰ প্রশাসনীয় নীতি নির্ধাৰণ ঃ ৰাজ্যিক মন্ত্রী পৰিষদ হ'ল ৰাজ্য এখনৰ সর্ব্বোচ্চ নীতি প্রস্তুত কাৰী সংস্থা। আমাৰ সংবিধানৰ আধাৰত ৰাজ্যিক মন্ত্রী পৰিষদে চৰকাৰৰ নীতি প্রস্তুত কৰে। মন্ত্রী পৰিষদে এই বিলাক কার্যকৰীও কৰে। ৰাজ্যৰ সকলো

গুৰুত্বপূৰ্ণ নীতি বা কাৰ্যপন্থা মন্ত্রী পৰিষদে আলোচনা আৰু নির্ধাৰণ কৰে। মন্ত্রী পৰিষদৰ প্রত্যেক মন্ত্রীয়ে তেওঁলোকৰ নিজা দপ্তৰ বা বিভাগৰ সুকীয়া নীতিসমূহো প্রস্তুত কৰে।

প্রশাসনীয় ক্ষমতা ঃ ৰাজ্যিক মন্ত্রী পৰিষদে ৰাজ্যপালৰ নামত সমগ্র ৰাজ্যৰ প্রশাসন পৰিচালনা কৰে। ৰাজ্যপালৰ কর্তব্য সম্পাদনত মন্ত্রী পৰিষদে সহায় সহযোগিতা আৰু পৰামর্শ আগবঢ়ায়। ৰাজ্য চৰকাৰৰ সকলো উচ্চ পদস্থ বিষয়াৰ নিযুক্তি ৰাজ্যিক মন্ত্রী পৰিষদৰ পৰামর্শ মর্মে হয়।

প্রত্যেক গৰাকী মন্ত্রী বিশেষ একোটা বিভাগৰ মুৰব্বী। নিজৰ বিভাগৰ কামবোৰ নিয়াৰিকৈ, সুচাৰুৰূপে হৈছে নে নাই সেয়া চোৱাটো তেওঁৰ দায়িত্ব। মন্ত্রী এগৰাকী তেওঁ বিভাগৰ প্রশাসন ব্যৱস্থাটোৰ বাবে দায়বদ্ধ। ৰাজ্যৰ প্রশাসন সুচাৰুৰূপে পৰিচালনা কৰাত মন্ত্রী সকল দায়বদ্ধ।

আইন প্রণয়ন সম্পর্কীয় ক্ষমতা ঃ আইন প্রণয়নত মন্ত্রী পৰিষদে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আইন প্রণয়ন প্রক্রিয়াত মন্ত্রী পৰিষদে অতি উল্লেখনীয় ভূমিকা পালন কৰে। আইন প্রণয়ন সম্পর্কীয় প্রস্তাৱ মন্ত্রী পৰিষদে প্রস্তুত কৰে।

মন্ত্রী সকলৰ উদ্যোগত ৰাজ্যিক আইন সভা বা বিধান মণ্ডলত আইনৰ খচৰা প্রস্তুত কৰা হয়। বিধান সভাত অধিক সংখ্যক বিধেয়কেই মন্ত্রীসকলৰদ্বাৰা উত্থাপিত হয় আৰু তেওঁলোকৰ সমর্থন অবিহনে কোনো বিধেয়ক আইনত পৰিণত নহয়। সাধাৰণতে মন্ত্রীসকলৰদ্বাৰা উত্থাপিত অধিক সংখ্যক বিধেয়কেই বিধানমণ্ডল বা আইন সভাত গৃহীত হয় কাৰণ মন্ত্রীসকলৰ ওপৰত সংখ্যাগৰিষ্ঠৰ সমর্থন থাকে। এনেদৰে আইন প্রণয়ন প্রক্রিয়াত মন্ত্রী পৰিষদে অতি তাৎপর্যপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যিক মন্ত্রী পৰিষদে বিধান সভা ভংগ কৰি দিবলৈ ৰাজ্যপালক পৰামর্শও দিব পাৰে। মন্ত্রী পৰিষদে বিধান সভাত প্রদান কৰাৰ কাৰণে ৰাজ্যপালৰ ভাষণো প্রস্তুত কৰি দিয়ে।

নিয়োগ সম্পর্কীয় ক্ষমতা ঃ ৰাজ্যৰ সকলো গুৰুত্বপূৰ্ণ নিযুক্তিত মন্ত্রী পৰিষদে সিদ্ধান্ত লয়। মন্ত্রী পৰিষদৰ পৰামর্শ মর্মে ৰাজ্যপালে সকলো উচ্চ পদ যেনে — মহাধিবক্তা, বিভিন্ন নিগম আৰু পৰিষদৰ অধ্যক্ষ, ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সদস্যসকল আদিৰ নিযুক্তি প্রদান কৰে।

ইয়াৰ উপৰি ৰাজ্যৰ জ্যেষ্ঠ পদাধিকাৰী সকলৰ পদোন্নতি আৰু বদলিকৰণ প্রক্রিয়াও মন্ত্রী পৰিষদে নিয়ন্ত্রণ কৰে।

বিত্তীয় ক্ষমতা ঃ বিত্তীয় ক্ষেত্রত ৰাজ্যিক মন্ত্রী পৰিষদে বহুতো কার্য সম্পাদন কৰে। মন্ত্রী পৰিষদে চৰকাৰৰ অর্থনৈতিক নীতি প্রস্তুত কৰে। ই ৰাজ্যৰ বিত্তীয় নীতি নিয়ন্ত্রণ কৰে আৰু ৰাজ্যৰ জনসাধাৰণৰ কল্যাণৰ বাবে কৰৰ গাঁথনিও নির্ধাৰণ কৰে। বিত্তীয় বিধেয়ক এখন কেৱল মন্ত্রীৰদ্বাৰাহে বিধান সভাত উত্থাপন হয়।

কেবিনেটৰ অভিভাৱকত্ব আৰু তত্ত্বাৱধানত বাজেট প্রস্তুত হয়। বিধান সভাত বাজেট উপস্থাপন কৰাৰ আগতে বিত্ত মন্ত্রীয়ে কেবিনেটৰ অনুমোদনৰবাবে কেবিনেটৰ সন্মুখত বাজেটখন উপস্থাপন কৰিব লাগে। বাজেটৰ আৱণ্টনসমূহ কেবিনেটে চুড়ান্ত কৰে আৰু কৰ নীতি নির্ধাৰণ কৰে। মন্ত্রীপৰিষদৰ অনুমোদনৰ পাছত বিত্ত মন্ত্রীয়ে বার্ষিক বাজেট উত্থাপন কৰে। বিধান সভাত বিত্ত মন্ত্রীয়ে নিজৰ ভাষণসহ, বার্ষিক বাজেট উত্থাপন কৰে। বিত্ত মন্ত্রীৰ এই ভাষণক "বাজেট ভাষণ" বোলে। প্রকৃততে এই বাজেট ভাষণ হৈছে ৰাজ্য এখনৰ বিত্তীয় পৰিস্থিতি আৰু পৰিকল্পনাৰে বিবৃতি।

মন্ত্রী পৰিষদে ৰাজ্য এখনৰ সকলো উন্নয়নমূলক নীতি আৰু আঁচনিৰ প্রস্তুত আৰু কার্যকৰী কৰে।

সহযোজন বা সমন্বয়মূলক কার্য ঃ সহযোজন বা সমন্বয় সাধন ৰাজ্যিক মন্ত্রী পৰিষদৰ এক গুৰুত্বপূর্ণ কার্য। ৰাজ্যিক মন্ত্রী পৰিষদে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ মাজত সহযোগিতা বর্ত্তাই ৰাখে।

বিচাৰ সম্পর্কীয় কার্যাৱলী ঃ ৰাজ্যিক মন্ত্রী পৰিষদ পৰোক্ষভাৱে বিচাৰ সম্পর্কীয় কার্যাৱলীৰ লগতো জড়িত হৈ থাকে। ৰাজ্যপালৰ বিচাৰ সংক্রান্তীয় ক্ষমতা যেনে — ক্ষমা মঞ্জুৰ, সাময়িক ৰেহাই, শাস্তি স্থগিত ৰখা আদিবোৰ আচলতে কেৱল মন্ত্রী পৰিষদৰ পৰামর্শ মতেহে ৰাজ্যপালে ব্যৱহাৰ কৰে।

অন্যান্য বিবিধ কার্যাৱলী ঃ উল্লিখিত কার্যাৱলীসমূহৰ বাহিৰেও ৰাজ্যিক মন্ত্রী পৰিষদে অতিৰিক্তভাৱে আন কিছুমান কার্যাৱলী সম্পাদন কৰে। সেইবোৰ হ'ল —

প্রত্যেক বছৰে ৰাজ্যপালে ৰাজ্যিক বিধানসভাত ভাষণ প্রদান কৰে। সেই ভাষণ মন্ত্রী পৰিষদে প্রস্তুত কৰে।

ৰাজ্য এখনৰ ৰাজ্যপালে মুখ্যমন্ত্রীৰ পৰামর্শ অনুসৰি ৰাজিক বিধান মণ্ডলৰ অধিৱেশন আহ্বান আৰু স্থগিত ৰাখিব পাৰে বা ৰাজ্যিক বিধানসভা ভংগ কৰিবও পাৰে। এই ক্ষেত্রত মন্ত্রীপৰিষদে মুখ্যমন্ত্রীক পৰামর্শ দিয়ে।

ৰাজ্যিক মন্ত্রী পৰিষদে কিছুমান বিষয়, যেনে — অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ, ৰাজহুৱা বা চৰকাৰী কর্মচাৰীৰ চাকৰি ব্যৱস্থা বা সেৱা পৰিস্থিতি, অনুসন্ধান আয়োগৰ নিযুক্তি আৰু এনে আয়োগৰ প্রতিবেদনৰ ভিত্তিত সিদ্ধান্ত গ্রহণ, লোক সেৱা আয়োগৰ প্রতিবেদন আদি বিবেচনা আৰু সিদ্ধান্ত গ্রহণ কৰে। মন্ত্রী পৰিষদে পোনপটীয়াভাৱে কেন্দ্রীয় চৰকাৰৰ লগত সর্ম্পক বর্ত্তাই ৰাখে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ৰাজ্যিক মন্ত্রী পৰিষদ ৰাজ্যৰ প্রশাসন ব্যৱস্থাত সর্বেসর্বা।

প্ৰকৃত কাৰ্যবাহী হিচাপে মন্ত্রী পৰিষদে ৰাজ্য এখনত ক্ষমতাশালী অৱস্থানত থাকে। ই ৰাজ্যপালৰ নামত সমগ্ৰ ৰাজ্যৰ প্ৰশাসন চলায় । ৰাজ্যিক প্ৰশাসনত ৰাজ্যপালে সাংবিধানিক মুৰব্বীৰ ভূমিকাহে পালন কৰে। মন্ত্রী পৰিষদ হৈছে ৰাজ্য এখনৰ নীতি নিৰ্ধাৰক আৰু কাৰ্যনিৰ্বাহক।

তত্ত্বগতভাৱে ৰাজ্যিক মন্ত্রী পৰিষদে ৰাজ্যপালক পৰামৰ্শ আৰু সহায়হে কৰিব লাগে। কিন্তু বাস্তৱ ক্ষেত্রত ৰাজ্যত মন্ত্রী পৰিষদেহে প্ৰকৃত কাৰ্যবাহী প্ৰশাসক।

৭.৪.৩ ৰাজ্যিক মন্ত্রী পৰিষদৰ স্থান বা মৰ্যাদা

ৰাজ্যিক মন্ত্রী পৰিষদে ৰাজ্য এখনত ক্ষমতাশালী স্থান অধিকাৰ কৰে। ৰাজ্যপালে ৰাজ্যখনৰ সাংবিধানিক মুৰব্বী হিচাপেহে কাৰ্যনিৰ্বাহ কৰে। ৰাজ্যিক মন্ত্রী পৰিষদ হৈছে ৰাজ্য এখনৰ প্ৰকৃত কাৰ্যবাহী। ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাত ৰাজ্যিক মন্ত্রী পৰিষদ সৰ্বেসৰ্বা। ই ৰাজ্যপালৰ নামত সমগ্ৰ ৰাজ্যৰ প্ৰশাসন চলায়।

মন্ত্রী পৰিষদ হৈছে ৰাজ্য এখনৰ নীতি নিৰ্ধাৰক আৰু কাৰ্যনিৰ্বাহক। ৰাজ্যিক মন্ত্রী পৰিষদ হৈছে ৰাজ্য এখনৰ সৰ্ব্বোচ্চ নীতি প্ৰস্তুত কাৰী সংস্থা। ৰাজ্যিক মন্ত্রী পৰিষদে সংবিধানৰ আধাৰত চৰকাৰৰ নীতিসমূহ প্ৰস্তুত কৰে।

ৰাজ্যিক মন্ত্রী পৰিষদে ৰাজ্যপালৰ নামত সমগ্ৰ ৰাজ্যৰ প্ৰশাসন চলায়। ই ৰাজ্যখনৰ প্ৰশাসনীয় দায়বদ্ধতা বহন কৰে।

আইন প্ৰণয়নতো ৰাজ্যিক মন্ত্রী পৰিষদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আইন প্ৰণয়ন প্ৰক্ৰিয়াত মন্ত্রী পৰিষদৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। ৰাজিক মন্ত্রী পৰিষদে ৰাজ্যখনৰ সকলো গুৰুত্বপূৰ্ণ নিযুক্তি সিদ্ধান্ত গ্রহণ কৰে।

বিত্তীয় ক্ষেত্রতো ৰাজ্যিক মন্ত্রী পৰিষদে বহুতো কাৰ্য সম্পাদন কৰে। ই চৰকাৰৰ অৰ্থনৈতিক নীতি প্ৰস্তুত কৰে। ই চৰকাৰৰ বিত্তীয় নীতি নিয়ন্ত্রণ কৰে। বিধান সভাত বিত্তীয় বিধেয়ক এখন কেৱল মন্ত্রীৰদ্বাৰাহে উত্থাপিত হ'ব পাৰে। কেবিনেটৰ অভিভাৱকত্ব আৰু তত্ত্বাৱধানত বাজেট প্ৰস্তুত কৰা হয়। বিধান সভাত বাজেট উপস্থাপন কৰাৰ আগতে বিত্ত মন্ত্রীয়ে কেবিনেটৰ অনুমোদনৰ বাবে কেবিনটেত বাজেট দাঙি ধৰিব লাগে। ৰাজ্যিক মন্ত্রী পৰিষদে বাজেটৰ আৱণ্টনসমূহ চূড়ান্ত কৰে।

ওপৰৰ আলোচনাৰ পৰা জানিব পৰা গ'ল যে ৰাজ্যিক মন্ত্রী পৰিষদ হৈছে ৰাজ্যখনৰ প্ৰশাসনৰ সৰ্বেসৰ্বা। প্ৰকৃত কাৰ্যবাহী হিচাপে মন্ত্রী পৰিষদে ৰাজ্য এখনত ক্ষমতাশালী স্থান লাভ কৰে। ই ৰাজ্যপালৰ নামত সমগ্ৰ ৰাজ্যিক প্ৰশাসন চলায়। তাত্ত্বিকভাৱে ৰাজিক মন্ত্রী পৰিষদে ৰাজ্যপালক সহায় আৰু উপদেশ প্ৰদান কৰে। কিন্তু বাস্তব ক্ষেত্রত ই ৰাজ্যখনৰ প্ৰকৃত প্ৰশাসক বা কাৰ্যবাহী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ মন্ত্রী পৰিষদৰ মন্ত্রী সকলক নিযুক্তি দিয়ে——— । (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৮ ঃ ৰাজ্যিক মন্ত্রী পৰিষদত কিমান ধৰণৰ মন্ত্রী থাকে ?

.....

প্রশ্ন ৯ ঃ কোনে ৰাজ্যিক মন্ত্রী পৰিষদ নিযুক্তি দিয়ে ?

.....

প্রশ্ন ১০ ঃ ৰাজ্যিক মন্ত্রী পৰিষদ ——— ওচৰত দায়বদ্ধ। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ১১ ঃ ৰাজ্যিক মন্ত্রী পৰিষদৰ নীতি প্রস্তুত ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ ১৬৩ নং অনুচ্ছেদত মুখ্যমন্ত্রী পদৰ সবিশেষ সন্নিৱিষ্ট কৰা হৈছে।
- সংবিধানৰ ১৬৪ নং অনুচ্ছেদত উল্লেখ আছে যে ৰাজ্যপালে মুখ্যমন্ত্রীক নিযুক্তি দিব।
- ৰাজ্য প্রশাসনত মুখ্যমন্ত্রীৰ ভূমিকা অতি তাৎপর্যপূর্ণ। মুখ্যমন্ত্রীৰ নেতৃত্বৰ ওপৰতে ৰাজ্য চৰকাৰ এখনৰ সফলতা নির্ভৰশীল।
- ৰাজ্যিক কার্যপালিকাৰ সবাতোকৈ গুৰুত্বপূর্ণ অংশটো হ'ল মন্ত্রী পৰিষদ। মুখ্যমন্ত্রী আৰু অন্য মন্ত্রীসকলে মিলি ৰাজ্যিক মন্ত্রী পৰিষদ গঠন কৰে।
- ৰাজ্যিক মন্ত্রী পৰিষদ হ'ল ৰাজ্যৰ সর্বোচ্চ কার্যবাহী।
- ৰাজ্য প্রশাসনত ৰাজ্যিক মন্ত্রী পৰিষদ হ'ল সর্বময় কর্তা। প্রকৃত কার্যবাহী হিচাপে ৰাজ্যত মন্ত্রী পৰিষদৰ এক শক্তিশালী স্থিতি থাকে।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: CosmosBookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi: S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যপাল

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৬৪

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুখ্যমন্ত্ৰী

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ৰাজ্যিক মন্ত্ৰী পৰিষদ সংগঠিত কৰা

(খ) ৰাজ্য চৰকাৰৰ মুখ্য সমন্বয়ৰক্ষীৰ ভূমিকা পালন কৰা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মন্ত্ৰী পৰিষদ গঠনত মুখ্যমন্ত্ৰীয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজ্যৰ বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা ৰাজনৈতিক দলটোৰ সদস্যসকলৰ মাজৰ এগৰাকীক ৰাজ্যপালে মুখ্যমন্ত্ৰীৰূপে নিযুক্তি দিয়ে। পাচত মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাজ্যপালে অন্য মন্ত্ৰীসকলক নিযুক্তি দিয়ে। মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিলে ৰাজ্যপালে কোনোবা মন্ত্ৰীক পৰিষদৰ পৰা বাদ দিবও পাৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাজ্যপালে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ তিনি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যপাল

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যিক বিধান সভাৰ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজ্যৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক অভিকৰণটো হ'ল ৰাজ্যিক মন্ত্ৰী পৰিষদ। ভাৰতীয় সংবিধানৰ আধাৰত মন্ত্ৰী পৰিষদে চৰকাৰী নীতি যুগুত কৰে। ৰাজ্যৰ

সকলো গুৰুত্বপূৰ্ণ নীতিৰ বিষয়ে পৰিষদে আলোচনা কৰে আৰু প্ৰয়োজনীয় সিদ্ধান্ত লয়। পৰিষদৰ প্ৰতিগৰাকী মন্ত্ৰীয়ে নিজ নিজ বিভাগৰ বাবে পৃথক নীতি প্ৰস্তুত কৰিব লাগে।



৭.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী নিযুক্তি দিয়াৰ বিধি-বিধান থকা সংবিধানৰ অনুচ্ছেদটো উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰাজ্যৰ মুখ্যমন্ত্ৰীক কোনে নিযুক্তি দিয়ে?

প্ৰশ্ন ৩ ঃ ভাৰতীয় ৰাজ্য এখনৰ সাংবিধানিক মুৰব্বী কোন?

(খ) চুটি প্ৰশ্ন - (প্ৰায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ পদমৰ্যাদা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ ৰাজ্যিক মন্ত্ৰী পৰিষদৰ পদমৰ্যাদা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন - (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ এখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নিযুক্তি প্ৰক্ৰিয়া, ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰাজ্যিক মন্ত্ৰী পৰিষদৰ সংৰচনা, ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰাজ্যিক প্ৰশাসনত মুখ্যমন্ত্ৰীৰ ভূমিকা বৰ্ণনা কৰক।

****

অধ্যায় ৮ ঃ ৰাজ্যিক বিধান মণ্ডল

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ৰাজ্যিক বিধানমণ্ডল

- ৮.৩.১ বিধানসভা
- ৮.৩.২ বিধানসভাৰ গঠন
- ৮.৩.৩ সদস্যসকলৰ অৰ্হতা
- ৮.৩.৪ বিধানসভাৰ ক্ষমতা আৰু কার্যাৱলী

৮.৪ বিধান পৰিষদ

- ৮.৪.১ বিধান পৰিষদৰ গঠন
- ৮.৪.২ সদস্যসকলৰ অৰ্হতা
- ৮.৪.৩ বিধানপৰিষদৰ ক্ষমতা আৰু কার্যাৱলী

৮.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়নৰ জৰিয়তে আপুনি —

- ৰাজ্যিক বিধানমণ্ডলৰ বিষয়ে জানিবলৈ পাৰিব
- বিধানসভাৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে ব্যাখ্যা আগবঢ়াবলৈ পাৰিব
- বিধানপৰিষদৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে বর্ণনা কৰিবলৈ পাৰিব।

৮.২ পৰিচয়

ভাৰতবর্ষৰ সংবিধানে প্রত্যেক ৰাজ্যৰ বাবে একোখন বিধানমণ্ডলৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ প্রশাসনত ই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আনকথাত, এই বিধানমণ্ডলেই হৈছে ৰাজ্যৰ প্রকৃত কার্যবাহী। এই অধ্যয়ত আমি ৰাজ্যিক বিধানমণ্ডলৰ গঠন, ক্ষমতা আৰু কার্যাৱলীসমূহ আলোচনা কৰিম। তদুপৰি আমি বিধানসভা আৰু বিধানপৰিষদৰ গঠন, ক্ষমতা আৰু কার্যাৱলীসমূহো আলোচনা কৰিম।

৮.৩ ৰাজ্যিক বিধানমণ্ডল

ভাৰতবর্ষত ৰাজ্যিক বিধানমণ্ডল ৰাজ্যপাল আৰু এখন বা দুখন সদনেৰে গঠিত হয়। ইয়াৰ নিম্ন সদনক বিধানসভা আৰু উচ্চ সদনক বিধান পৰিষদ বুলি কোৱা হয়।

৮.৩.১ বিধানসভা

ভাৰতবর্ষত এখন ৰাজ্যৰ বিধানমণ্ডল ৰাজ্যপাল আৰু এখন বা দুখন সদনেৰে গঠিত হয়। নিম্নসদনক বিধানসভা আৰু উচ্চসদনক বিধানপৰিষদ হিচাপে জনা যায়। বিধানসভা আৰু বিধানপৰিষদৰ বিভিন্ন দিশসমূহ তলত আলোচনা কৰা হ'ল।

৮.৩.২ বিধানসভাৰ গঠন

বিধানসভাৰ সদস্যসকল জনসাধাৰণৰদ্বাৰা প্রত্যক্ষভাৱে নির্বাচিত হয়। ইয়াৰ কিছুমান আসন অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষণ কৰা হয়। ৰাজ্যপালে এজন বা ততোধিক লোক ইংগ-ভাৰতীয় সম্প্রদায়ৰ পৰা মনোনীত কৰিব পাৰে যদিহে তেওঁলোকৰ মাজৰপৰা কোনো প্রতিনিধি নাথাকে। সংবিধান অনুসৰি, এখন বিধানসভাত ৫০০ জনতকৈ অধিক আৰু ৬০ জনতকৈ কম সদস্য থাকিব নোৱাৰে। বিধানসভাৰ সদস্যসকলক ৫ বছৰৰ বাবে নির্বাচিত কৰা হয়। কিন্তু বিধানসভাৰ মজিয়াত তেওঁলোকে সংখ্যাগৰিষ্ঠতা প্রমাণ কৰিব নোৱাৰিলে ৰাজ্যপালে এই সদন ভংগ কৰি নতুন নির্বাচন অনুষ্ঠিত কৰিব পাৰে। বিধানসভাৰ মজিয়াৰ পৰা নির্বাচন কৰা অধ্যক্ষই বিধানসভাৰ সভা-সমিতিসমূহত সভাপতিত্ব কৰে। তেওঁৰ অনুপস্থিতিত উপাধ্যক্ষই এই দায়িত্ব পালন কৰে।

৮.৩.৩ সদস্যসকলৰ অর্হতা

বিধানসভাৰ সদস্য হ'বলৈ হ'লে এজন ব্যক্তিৰ তলত দিয়া অর্হতাসমূহ থাকিব লাগিব, অর্থাৎ তেওঁ —

(ক) ভাৰতীয় নাগৰিক হ'ব লাগিব

(খ) কমেও ২৫ বছৰ বয়স হ'ব লাগিব

(গ) সংসদে বিচৰা ধৰণে সকলো ধৰণৰ অর্হতা প্রার্থীগৰাকীয়ে লাভ কৰিব লাগিব।

এনেদৰে, সংবিধান অনুসৰি কোনো এজন ব্যক্তি যদি যিকোনো এটা সমষ্টিৰ নির্বাচক নহয়, তেন্তে তেওঁ বিধানসভা বা বিধানপৰিষদলৈ নির্বাচিত হ'ব নোৱাৰে।



জানি থোৱা ভাল

যেতিয়া ৰাজ্যত জৰুৰী অৱস্থা ঘোষণা কৰা হয় তেতিয়া বিধানসভাখন স্থগিত অথবা বাতিল কৰা হয়।

৮.৩.৪ বিধান সভাৰ ক্ষমতা আৰু কার্যাৱলী

ভাৰতীয় সংবিধানে বিধান সভাৰ হাতত বহুতো গুৰুত্বপূর্ণ ক্ষমতা আৰু কার্য সম্পাদনৰ দায়িত্ব অর্পণ কৰিছে। ৰাজ্যৰ প্রকৃত কার্যবাহী বিধান সভাই ৰাজ্যৰ প্রশাসনিক ব্যৱস্থাটো সুচাৰুৰূপে আগবঢ়াই নিয়াত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। বিধানসভাৰ ক্ষমতা আৰু কার্যাৱলীৰ ভিতৰত তলত দিয়াসমূহৰ গুৰুত্ব সবাতোকৈ অধিক।

বিধানসভাৰ প্রধান কাম হ'ল ৰাজ্যৰ বাবে আইন প্রস্তুত কৰা। জৰুৰীকালীন অৱস্থা ঘোষণাৰ পাছত বিধানসভাই কোনো বিধায়িনী ক্ষমতা ব্যৱহাৰ কৰিব নোৱাৰে।

বিধান সভাই মন্ত্রীসকলক পৰিচালনা কৰে। মন্ত্রী মণ্ডলে বিধানসভাত তেওঁলোকৰ কাম-কাজৰ বিষয়ে প্রয়োজন সাপেক্ষে উত্তৰ দিব লাগিব। বিধানসভাই মুখ্যমন্ত্রীৰ বিৰুদ্ধে অনাস্থা প্রস্তাৱ আনিব পাৰে। এই প্রস্তাৱ গৃহীত হ'লে মন্ত্রী মণ্ডলৰ পতন ঘটে।

বিধানসভাই ৰাজ্যৰ বিত্তীয় দিশৰ ওপৰতপূর্ণ নিয়ন্ত্রণ ৰাখে। বিত্তীয় বিল কেৱল বিধানসভাৰ মজিয়াতহে উত্থাপন কৰা হয়। চৰকাৰে বিধানসভাৰ অনুমতি নোলোৱাকৈ কৰ লগাব, কমাব, বঢ়াব বা গুচাব নোৱাৰে।

নির্বাচিত বিধানসভাৰ সদস্যসকলে ভাৰতৰ ৰাষ্ট্রপতিৰ আৰু ৰাজ্যসভাৰ প্রতিনিধিৰ নির্বাচনত ভাগ ল'ব পাৰে।

বিধানসভাই ভাৰতীয় সংবিধানৰ কিছু সাল-সলনি ঘটোৱাৰ সময়ত অংশ ল'ব পাৰে।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্টকৈ গম পোৱা গ'ল যে বিধান সভাৰ হাতত বিভিন্ন ধৰণৰ ক্ষমতা আৰু কার্য সম্পাদনৰ দায়িত্ব ন্যস্ত থাকে। এখন ৰাজ্যৰ উন্নয়ন ৰাজ্যখনৰ বিধানসভাৰ ফলপ্রসূ প্রশাসনৰ ওপৰত নির্ভৰশীল।

৮.৪ বিধান পৰিষদ

ৰাজ্যিক বিধানমণ্ডলৰ উচ্চ সদনক বিধান পৰিষদ বোলা হয়। বিধান সভাৰ ইচ্ছাৰ ওপৰত এই পৰিষদৰ অস্তিত্ব নির্ভৰশীল। কেন্দ্রীয় সংসদে প্রস্তুত কৰা এখন আইন প্রণয়নৰ

জৰিয়তে এই ইচ্ছাক বৈধ ৰূপ দিয় হয়। সহজ ভাষাত, এখন ৰাজ্যৰ বাসিন্দাই দ্বি-খলপীয়া নে একক বিধানমণ্ডল বিচাৰে তাৰ ওপৰত বিধান পৰিষদৰ গঠন নির্ভৰশীল ।

৮.৪.১ বিধান পৰিষদৰ গঠন

বিধান পৰিষদৰ সদস্য সংখ্যা ৪০ জনৰ কম হ'ব নালাগিব আৰু ৰাজ্যৰ বিধান সভাখনৰ মুঠ সদস্যৰ $^{১}/_{৩}$ ভাগৰ বেছি হ'ব নালাগিব।

বিধান পৰিষদৰ সদস্যসকল পৰোক্ষভাৱে নির্বাচিত হয়। $^{১}/_{৩}$ ভাগ নির্বাচিত হয় স্থানীয় চৰকাৰী গোট যেনে— জিলা পৰিষদ, পৌৰ সভা আদি। আন $^{১}/_{৩}$ নির্বাচিত হয় বিধান সভাৰ সদস্যৰদ্বাৰা। $^{১}/_{১২}$ ভাগ নির্বাচিত হয় সমষ্টিটোৰ স্নাতকৰদ্বাৰা, $^{১}/_{১২}$ ভাগ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকে নির্বাচিত কৰে। বিধান পৰিষদৰ বাকী $^{১}/_{৩}$ সদস্যসকলক ৰাজ্যপালে মনোনীত কৰে।

বিধান পৰিষদ এক স্থায়ী সদন। ৰাজ্যপালে ইয়াক ভংগ কৰিব নোৱাৰে। প্রতি দুবছৰে $^{১}/_{৩}$ ভাগ সদস্যই অৱসৰ লয় আৰু তাৰ বাবে ভোট হয়।

বিধান পৰিষদৰ সভাপতিজন বিধান পৰিষদৰ অধিষ্ঠাতা হয়। তেওঁৰ অনুপস্থিতিত উপ-সভাপতিজন অধিষ্ঠাতা হয়। তেওঁলোকক বিধান পৰিষদৰ সদস্যৰ মাজৰ পৰা নির্বাচিত কৰা হয়।

৮.৪.২ সদস্যসকলৰ অর্হতা

বিধান পৰিষদৰ সদস্য হ'বলৈ হ'লে এজন ব্যক্তিৰ তলত দিয়া অর্হতাসমূহ থাকিব লাগিব, অর্থাৎ তেওঁ —

(ক) ভাৰতীয় নাগৰিক হ'ব লাগিব

(খ) কমেও ৩০ বছৰ বয়স হ'ব লাগিব

(গ) সংসদে বিচৰা ধৰণে সকলো ধৰণৰ অর্হতা প্রার্থীগৰাকীয়ে লাভ কৰিব লাগিব।

অর্থাৎ, ভাৰতীয় সংবিধান অনুসৰি কোনো এখন নির্দিষ্ট ৰাজ্যৰ যিকোনো বিধান সভা সমষ্টিৰ ভোটাৰ হোৱাৰ অর্হতা নথকা কোনো লোককে বিধান সভা অথবা বিধান পৰিষদৰ সদস্যৰূপে নির্বাচিত কৰা নহয়।



জানি থোৱা ভাল

বর্তমান ভাৰতবর্ষত সাতখন ৰাজ্যত বিধান পৰিষদ আছে। এই ৰাজ্যসমূহ হ'ল অন্ধ্রপ্রদেশ, বিহাৰ, উত্তৰ প্রদেশ, মহাৰাষ্ট্র, কর্ণাটক, জম্মু কাশ্মীৰ আৰু তেলেংগনা।

৮.৪.৩ বিধান পৰিষদৰ ক্ষমতা আৰু কার্যাৱলী

ৰাজ্যিক সূচী বা সমৱর্তী সূচীৰ যিকোনো বিষয়ৰ ওপৰত বিধান পৰিষদে সাধাৰণ বিল উত্থাপন কৰিব পাৰে। বিত্তীয় বিল বিধান পৰিষদে প্রয়োগ কৰিব নোৱাৰে।

বিধান সভাই গৃহীত কৰা বিত্তীয় বিল ১৪ দিনৰ ভিতৰত বিধান পৰিষদে গৃহীত কৰিব লাগে। যদি এই নির্ধাৰিত সময়ৰ ভিতৰত নকৰে তেতিয়া হ'লে বিধান পৰিষদৰ দুয়োটা সদনে মানি লোৱা বুলি ধৰি লোৱা হয়।

মন্ত্রী পৰিষদক বিধান পৰিষদে নিয়ন্ত্রণ কৰি থাকে। সদস্যসকলে বিভিন্ন ধৰণৰ প্রশ্ন মন্ত্রীসকলক সুধিব পাৰে আৰু তেওঁলোকৰ ওপৰত বিভিন্ন প্রস্তাৱ আনিব পাৰে। বিধান পৰিষদে মন্ত্রীসকলৰ ওপৰত অনাস্থা প্রস্তাৱ (No Confidence Motion) আনিব নোৱাৰে।

বিধান পৰিষদে সংবিধান সাল-সলনিত বিধানসভাত ভাগ ল'ব পাৰে। বিধান পৰিষদৰ অস্তিত্বক উদ্দেশ্যহীন বুলি সমালোচনা কৰা হয়। ই বিধান সভাতকৈ কম শক্তিশালী। ইয়াক কেন্দ্রীয় সংসদৰ ৰাজ্যসভাৰ সৈতেও তুলনা কৰিব নোৱাৰি। ৰাজ্য সভাক বিধান পৰিষদৰ দৰেই উচ্চ সদন বুলি গণ্য কৰা হয় যদিও ই পৰিষদৰ দৰে কম ক্ষমতাৰ অধিকাৰী নহয়। বিধান সভাৰ তুলনাত বিধান পৰিষদক ক্ষমতা আৰু কার্যাৱলীৰ দিশেৰে প্রায়েই এক আলংকাৰিক পৰিষদ বুলি অভিহিত কৰা হয়।



জানি থোৱা ভাল

সাধাৰণ বিল বা বিত্তীয় বিল গৃহীত কৰাত ৰাজ্যৰ বিধানমণ্ডলে কেন্দ্রীয় সংসদৰ দৰে একে পদ্ধতি মানি চলে। ৰাজ্যৰ বিধানমণ্ডলৰ ক্ষেত্রত নিম্ন সদন অর্থাৎ বিধানসভা উচ্চ সদন অর্থাৎ বিধান পৰিষদতকৈ অধিক শক্তিশালী।



চিন্তা-চর্চা কৰক ৮.১

১) ভাৰতবর্ষত বর্তমান কেইখন ৰাজ্য আছে?

.....

২) অসম বিধানসভাৰ সদস্যৰ সংখ্যা কিমান?

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ৰাজ্যিক বিধানমণ্ডলৰ সদন দুটাৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন ২ ঃ বিধানসভাৰ সদস্যসকলৰ অর্হতাৰ বিষয়ে লিখক ।

.....

.....

প্রশ্ন ৩ ঃ বিধান পৰিষদৰ শক্তিৰ ওপৰত এক চমু ব্যাখ্যা আগবঢ়াওক।

.....

.....

প্রশ্ন ৪ ঃ বিধানসভাৰ শক্তিৰ ওপৰত এক চমু ব্যাখ্যা আগবঢ়াওক।

.....

.....

প্রশ্ন ৫ ঃ বিধান পৰিষদৰ সদস্য হ'বলৈ প্রয়োজনীয় অর্হতাসমূহ কি কি?

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানে দেশৰ প্রতিখন ৰাজ্যৰ বাবে একোখন বিধান সভা গঠনৰ নিয়ম বান্ধি দিছে।
- ৰাজ্যিক বিধান সভাৰ প্রধান অংশ দুটা হ'ল ৰাজ্যপাল আৰু এখন অথবা দুখন ৰাজ্যিক সদন। নিম্ন সদনক বিধানসভা আৰু উচ্চ সদনক বিধান পৰিষদ বোলে।
- ভাৰতৰ ৰাষ্ট্রপতিৰ দৰে ৰাজ্যপাল সকলো ৰাজ্যৰ নামমাত্র মুৰব্বী। তেওঁৰ ক্ষমতাবোৰ মুখ্যমন্ত্রীৰ নেতৃত্বাধীন মন্ত্রী পৰিষদে কার্য ৰূপায়িত কৰে।
- বিধান সভাৰ সদস্য সকলক ৰাজ্যৰ বাসিন্দা সকলে ৫ বছৰৰ মূৰে মূৰে পোনপটীয়াকৈ নির্বাচিত কৰে।
- বিধান সভাৰ হাতত বিভিন্ন ক্ষমতা আৰু সম্পাদন কৰিবলগীয়া কার্যাৱলী থাকে। এখন দেশৰ উন্নয়ন, বিধান সভাৰ ফলপ্রসূ প্রশাসনৰ ওপৰত নির্ভৰশীল।
- সংবিধান অনুসৰি এখন বিধান পৰিষদৰ মুঠ সদস্য সংখ্যা ৪০ গৰাকীতকৈ কম নাইবা বিধানসভাৰ মুঠ সদস্যৰ এক তৃতীয়াংশতকৈ অধিক হ'ব নোৱাৰিব।

- বিধান পৰিষদৰ মুঠ সদস্য সংখ্যা ৰাজ্যভেদে ভিন ভিন। পৰিষদৰ সদস্যসকলক ছবছৰৰ বাবে নির্বাচিত কৰা হয়।
- ক্ষমতা আৰু কার্যাবলীৰ দিশেৰে বিধান সভাৰ তুলনাত বিধান পৰিষদখনৰ পৰিসৰ তেনেই সীমিত।
- ৰাজ্যিক বিধান সভাত দুখন সদন থাকে। বিধান পৰিষদতকৈ বিধান সভাৰ ক্ষমতা অধিক। বিধান পৰিষদৰ কার্যকলাপৰ বাবে মন্ত্রী পৰিষদ জবাবদিহি।



৮.৬ অধিক জানিবলৈ

অসমীয়া কিতাপঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা, ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: CosmosBookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিধান সভা আৰু বিধান পৰিষদ।

২ নং প্রশ্নৰ উত্তৰ ঃ বিধান সভাৰ সদস্য হ'ব খোজা ব্যক্তিগৰাকী ভাৰতীয় নাগৰিক হ'ব লাগিব। তেওঁ ২৫বছৰ পূৰ কৰিব লাগিব। ব্যক্তিগৰাকীয়ে একে সময়তে ৰাজ্যিক বিধান সভা আৰু কেন্দ্রীয় সংসদৰ সদস্য হ'ব নোৱাৰিব।

৩ নং প্রশ্নৰ উত্তৰ ঃ সংবিধানত লিখিত নিয়ম অনুসৰি বিধান পৰিষদৰ সদস্যৰ সংখ্যা ৪০ গৰাকীতকৈ কম নাইবা ৰাজ্যিক বিধান সভাৰ মুঠ সদস্যৰ এক তৃতীয়াংশতকৈ অধিক হ'ব নোৱাৰিব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সংবিধানৰ মতে, এখন বিধানসভাত ৫০০গৰাকীতকৈ অধিক আৰু ৬০ গৰাকীতকৈ কম সদস্য থাকিব নোৱাৰিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিধান পৰিষদৰ সদস্য হ'বলৈ প্ৰয়োজনীয় অৰ্হতাবোৰ হ'ল —

(ক) তেওঁ ভাৰতীয় নাগৰিক হ'ব লাগিব

(খ) তেওঁ ৩০ বছৰ পূৰ কৰিব লাগিব

(গ) সংসদৰ হৈ অথবা সংসদে নিজে যুগুত কৰা যিকোনো আইনৰ অধীনত উল্লেখ থকা অন্য বিশেষ অৰ্হতা কিছুমানৰ গৰাকী হ'ব লাগিব।

অৰ্থাৎ, সংবিধানৰ মতে এগৰাকী ব্যক্তি সংশ্লিষ্ট ৰাজ্য এখনৰ যিকোনো বিধানসভা সমষ্টিৰ ভোট দিয়াৰ অধিকাৰ থকা নাগৰিক নহ'লে তেওঁক কোনো কাৰণতে বিধানসভা অথবা বিধান পৰিষদৰ সদস্য ৰূপে নিৰ্বাচিত কৰা নহয়।



৮.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ ভাৰতীয় ৰাজ্য এখনৰ সাংবিধানিক মুৰব্বী কোন?

প্ৰশ্ন ২ ঃ ৰাজ্যিক মন্ত্ৰী পৰিষদৰ নেতা কোন?

প্ৰশ্ন ৩ ঃ 'বিধান পৰিষদৰ সদস্যসকলক পৰোক্ষভাৱে নিৰ্বাচিত কৰা হয়'। (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন ৪ ঃ ৰাজ্যিক বিধান সভাৰ সৰ্বোচ্চ সদস্য সংখ্যা কিমান?

প্ৰশ্ন ৫ ঃ বিধান পৰিষদৰ বাবে ৰাজ্যপালে কেইগৰাকী সদস্য মনোনীত কৰিব পাৰে?

প্ৰশ্ন ৬ ঃ বিধান সভাৰ অধ্যক্ষ (Presiding Officer) কোন?

(খ) চুটি প্ৰশ্ন - (প্ৰায় ১৫০-২০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাজ্যিক পৰ্যায়ত বিধান সভাৰ সংৰচনাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ এখন ৰাজ্যৰ বিধান সভাৰ সদস্য হ'বলৈ কোনবোৰ অৰ্হতাৰ প্ৰয়োজন উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ বিধান পৰিষদৰ ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন - (প্ৰায় ৩০০-৫০০ টা মান শব্দত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ৰাজ্যিক বিধানমণ্ডলৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বিধান সভাৰ সংৰচনা, ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ৰাজ্য প্ৰশাসনত বিধান পৰিষদৰ ভূমিকা পৰীক্ষা কৰক।

****

অধ্যায় ৯ ঃ ভাৰতীয় ন্যায়পালিকা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ উচ্চতম ন্যায়ালয়

- ৯.৩.১ গঠন
- ৯.৩.২ যোগ্যতা
- ৯.৩.৩ ন্যায়াধীশসকলৰ নিযুক্তি আৰু অপসাৰণ
- ৯.৩.৪ উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু কার্যাৱলী
- ৯.৩.৫ সংবিধান আৰু মৌলিক অধিকাৰৰ অভিভাৱক হিচাপে উচ্চতম ন্যায়ালয়

৯.৪ উচ্চ ন্যায়ালয়

- ৯.৪.১ গঠন
- ৯.৪.২ যোগ্যতা
- ৯.৪.৩ ন্যায়াধীশসকলৰ কার্যকাল আৰু অপসাৰণ
- ৯.৪.৪ উচ্চ ন্যায়ালয়ৰ ক্ষমতা আৰু কার্যাৱলী

৯.৫ অধস্তন আদালত

৯.৬ ভাৰতৰ ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ উপায়সমুহ

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৮ অধিক জানিবলৈ

৯.৯ অগ্রগতিৰ খতিয়ান

৯.১০ আহিঁ প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে জানিব পাৰিব
- ভাৰতৰ উচ্চ ন্যায়ালয়ৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতৰ ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ উপায় সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- সংবিধান আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ অভিভাৱক হিচাপে উচ্চতম ন্যায়ালয়ৰ ভূমিকা বর্ণনা কৰিব পাৰিব ।

৯.২ পৰিচয়

আমাৰ ভাৰততএক স্বাধীন আৰু সম্পূৰ্ণ ন্যায়িক ব্যৱস্থা আছে। অন্য যুক্তৰাষ্ট্ৰৰ বিপৰীতে ভাৰতত দেশখনৰ বাবে একক আৰু কেন্দ্ৰীভূত ন্যায়িক ব্যৱস্থা আছে। ৰাজ্যিক পৰ্য্যায়ত উচ্চ ন্যায়ালয় আৰু তাৰ তলত অধস্তন ন্যায়ালয় আছে। এই অধ্যায়টিত আমি উচ্চতম ন্যায়ালয়, উচ্চ ন্যায়ালয় আৰু ভাৰতৰ ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ উপায় সম্পৰ্কে আলোচনা কৰিম।

৯.৩ উচ্চতম ন্যায়ালয়

উচ্চতম ন্যায়ালয় ভাৰতৰ শিখৰত অৱস্থিত আপীল ন্যায়ালয়। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ বিভিন্ন দিশসমূহ এনেধৰণৰ—

৯.৩.১ গঠন

বৰ্তমান সময়ত, উচ্চতম ন্যায়ালয়ৰ মুঠ অনুমোদিত সংখ্যাগত বল হ'ল ৩১জন। ই গঠিত হয় ৰাষ্ট্ৰপতিয়ে নিযুক্ত কৰা মুখ্য ন্যায়াধীশ আৰু ৩০ জন আন ন্যায়াধীশেৰে। মুখ্য ন্যায়াধীশৰ অনুৰোধ মৰ্মে ৰাষ্ট্ৰপতিয়ে এজন অৰ্ধ ন্যায়াধীশ নিয়োগ কৰিব পাৰে।

৯.৩.২ যোগ্যতা

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকল—

- ভাৰতীয় নাগৰিক হ'ব লাগিব।
- কোনো উচ্চ ন্যায়ালয়ত পাঁচ বছৰ ন্যায়াধীশ হিচাপে কাম কৰাৰ অভিজ্ঞতা তেওঁৰ থাকিব লাগিব; অথবা
- কোনো উচ্চ ন্যায়ালয়ত একেলেথাৰিয়ে দহ বছৰ অধিবক্তা হিচাপে কাম কৰাৰ অভিজ্ঞতা তেওঁৰ থাকিব লাগিব।
- ৰাষ্ট্ৰপতিৰ মতে তেওঁ এজন বিশিষ্ট আইনজ্ঞ হ'ব লাগিব।

৯.৩.৩ নিযুক্তি আৰু অপসাৰণ

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলে ৬৫ বছৰ পূৰ্ণ হ'লে অৱসৰ গ্ৰহণ কৰে। তেওঁ স্ব-ইচ্ছাৰেও পদত্যাগ কৰিব পাৰে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ আৰু ৰাজ্যিক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ লগত আলোচনা কৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ন্যায়াধীশসকলক নিয়োগ কৰে। মুখ্য ন্যায়াধীশৰ বাদে অন্যান্য ন্যায়াধীশসকলৰ নিয়োগৰ ক্ষেত্ৰত মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰিবলৈ ৰাষ্ট্ৰপতি বাধ্য। মুখ্য ন্যায়াধীশৰ অনুৰোধ মৰ্মে ৰাষ্ট্ৰপতিয়ে এজন অৰ্ধ ন্যায়াধীশ নিয়োগ কৰিব পাৰে।

ন্যায়াধীশ এজনৰ বিৰুদ্ধে অসদাচৰণ নাইবা অসমর্থতাৰ অভিযোগ সংসদৰ উভয় সদনত উত্থাপিত হ'লে আৰু উভয় সদনত উপস্থিত সদস্যৰ দুই তৃতীয়াংশ আৰু মুঠ সদস্যৰ গৰিষ্ঠসংখ্যক ভোটত গৃহীত হ'লে ৰাষ্ট্রপতিয়ে ন্যায়াধীশ গৰাকীক অপসাৰণ কৰিব পাৰে।

৯.৩.৪ উচ্চতম ন্যায়ালয়ৰ ক্ষমতা আৰু কার্যাৱলী

উচ্চতম ন্যায়ালয়ে যথেষ্ট ক্ষমতা আৰু কার্যাৱলী উপভোগ কৰে । উচ্চতম ন্যায়ালয়ৰ ক্ষমতাসমূহক মৌলিক, আপীল আৰু পৰামর্শ দানৰ ক্ষমতা- এই তিনিভাগত ভগাব পাৰি । তলত এই সম্পর্কে আলোচনা আগবঢ়োৱা হ'ল ।

- *মৌলিক ক্ষেত্রাধিকাৰ*

  এই ক্ষমতাৰ অধীনত উচ্চতম ন্যায়ালয়ে এনেধৰণৰ বিবাদসমূহ মীমাংসা কৰে—

  (ক) ভাৰত চৰকাৰ আৰু এক বা একাধিক ৰাজ্যিক চৰকাৰৰ মাজত বিবাদ

  (খ) এটা পক্ষত ভাৰত চৰকাৰৰ লগত এক বা একাধিক ৰাজ্যিক চৰকাৰ আৰু আন পক্ষত এক বা একাধিক ৰাজ্যিক চৰকাৰ।

  (গ) দুখন বা ততোধিক ৰাজ্যিক চৰকাৰৰ মাজত হোৱা বিবাদ।

- *আপীল বিচাৰ ক্ষেত্রাধিকাৰ*

  এই ক্ষমতাৰ অধীনত উচ্চতম ন্যায়ালয়ে তলত দিয়া গোচৰসমূহ আপীল কৰিব পাৰে—

  (ক) **সাংবিধানিক আপীল ঃ** সংবিধান বলবৎ সম্পর্কীয় মোকর্দমা উচ্চতম ন্যায়ালয়ে আপীল কৰিব পাৰে।

  (খ) **দেৱানী গোচৰ ঃ** উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত দেৱানী গোচৰ আপীল কৰিব পাৰে। এই গোচৰত উচ্চ ন্যায়ালয়ে প্রমাণ-পত্র দিব লাগিব যে আপীল কৰিব বিচৰা বিষয়বস্তুৰ লগত সর্বসাধাৰণৰ বাবে গুৰুত্বপূর্ণ আইনৰ প্রশ্ন জড়িত আছে।

  (গ) **ফৌজদাৰী গোচৰ ঃ** উচ্চ ন্যায়ালয়ে দিয়া ৰায়, চূড়ান্ত সিদ্ধান্ত বা আদেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। সাধাৰণতে ফৌজদাৰী বিষয়ত উচ্চ ন্যায়ালয় চূড়ান্ত আপীল আদালত। কিন্তু সংসদে উচ্চতম ন্যায়ালয়ক উচ্চ ন্যায়ালয়ৰ ফৌজদাৰী গোচৰৰ বিৰুদ্ধে আপীল কৰিবৰ বাবে বিশেষ ক্ষমতা দিছে।

- ***পৰামর্শ দানৰ ক্ষমতা ঃ*** উচ্চতম ন্যায়ালয়ৰ পৰামর্শ দানৰ ক্ষমতাও আছে। ৰাষ্ট্রপতিৰ ওচৰত আইন নাইবা তথ্য সংক্রান্তীয় বিষয় উদ্ভৱ হ'লে বা উদ্ভৱ হোৱাৰ সম্ভাৱনা থাকিলে, তেওঁ তেনে বিষয়ত উচ্চতম ন্যায়ালয়ৰ মতামত

বিচাৰিব পাৰে। উচ্চতম ন্যায়ালয়ে ৰাষ্ট্রপতিৰ প্রশ্নৰ পৰামর্শ দিয়ে কিন্তু ই কোনো দলৰ ওচৰত বাধ্য নহয়।

- ***অভিলেখ আদালত*** ঃ উচ্চতম ন্যায়ালয়ে অভিলেখ আদালত হিচাপেও কাম কৰে। উচ্চতম ন্যায়ালয়ৰ আন এক কার্য হৈছে ইয়াৰ আদেশ আৰু কার্যক্রমণিকাসমূহৰ তথ্য ৰখা। সময়ে সময়ে উচ্চতম ন্যায়ালয়ে গৃহীত কৰা বা প্রদান কৰা ৰায়, আদেশ, নির্দেশাৱলীসমূহ ভৱিষ্যত প্রসংগৰ বাবে সংৰক্ষণ কৰা। এই বিলাকৰ কর্তৃত্বশালী আৰু গুৰুত্বপূর্ণ প্রমাণিক মূল্য আছে।
- ***নির্দেশ, আদেশ বা হুকুম*** ঃ উচ্চতম ন্যায়ালয়ক নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক বুলি আখ্যা দিয়া হয়। এই উদ্দেশ্যে ইয়াক কিছুমান নির্দিষ্ট হুকুম দিয়াৰ অধিকাৰ দিয়া হয়, যেনে- হাজোতত ৰখা মানুহক বিচাৰকৰ ওচৰলৈ নিয়াৰ পৰৱানা, ওপৰ আদালতৰ হুকুম, নিষেধাজ্ঞা, ইত্যাদি। ই আদেশ আৰু নির্দেশো দিব পাৰে।
- ***আদালতৰ অপমান*** ঃ আদালতক অপমান কৰা ব্যক্তিক উচ্চতম ন্যায়ালয়ে শাস্তি দিব পাৰে। আদালতৰ অপমানে ন্যায়ালয়ৰ বিচাৰক সমালোচনা কৰা, ন্যায়াধীশ আৰু আদালতক সমালোচনা কৰা, আদালতৰ সিদ্ধান্ত মানিবলৈ অস্বীকাৰ কৰা, আদালতৰ বিৰুদ্ধে ক্ষতিকাৰী মন্তব্য প্রেৰণ কৰা আদিক সূচায়।
- ***বিচাৰৰ সিদ্ধান্ত আৰু আদেশৰ সমীক্ষা*** ঃ উচ্চতম ন্যায়ালয়ে আগতে দিয়া সিদ্ধান্তসমূহৰ ওপৰত সমীক্ষা চলাব পাৰে। ই— (ক) কিছুমান নতুন বিষয় বা প্রমাণ আহিলে (খ) ইয়াৰ অভিলেখৰ মতে কোনো ভুল পালে আৰু (গ) পর্যবেক্ষণৰ যথাযোগ্য কাৰণ পালে এই কাম কৰে।

৯.৩.৫সংবিধান আৰু মৌলিক অধিকাৰৰ অভিভাৰক হিচাপে উচ্চতম ন্যায়ালয়

ভাৰতৰ উচ্চতম ন্যায়্যালয়ক সংবিধানৰ অভিভাৱক বুলি আখ্যা দিয়া হয়। ই সংবিধানৰ সর্বোচ্চ বা শেষ ব্যাখ্যাকাৰী। উচ্চতম ন্যায়্যলয়ে দিয়া সংবিধানৰ ব্যাখ্যা সন্মানযোগ্য।

উচ্চতম ন্যায়্যালয়ে সংসদ, ৰাজ্যিক বিধানমণ্ডলে প্রণয়ন কৰা আইন আৰু কার্যপালিকাই গ্রহণ কৰা সিদ্ধান্ত সংবিধানসন্মত হয়নে নহয় পর্যবেক্ষণ কৰে। যদি তেনেকুৱা আইন বা কার্যকৰী সিদ্ধান্ত অসাংবিধানিক বুলি প্রমাণিত হয় তেতিয়া তাক অবৈধ বুলি ঘোষণা কৰে।

যদি পীড়িত পক্ষই আদালতত কোনো গোচৰ নতৰে কিন্তু সেই গোচৰৰ লগত জড়িত নথকা কোনো ব্যক্তিয়ে গোচৰ তৰে আৰু গোচৰটো যদি জনস্বার্থজনিত হয়

তেতিয়া ৰাজহুৱা স্বার্থজনিত গোচৰটো পোষণ কৰা বা নকৰাটো উচ্চতম ন্যায়ালয়ৰ ক্ষমতাৰ ভিতৰত পৰে।

উচ্চতম ন্যায়ালয়ে সংবিধানৰ অভিভাৱক হিচাপেও কাম কৰে আৰু নাগৰিকক মৌলিক অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণ দিয়ে। প্রশাসনৰদ্বাৰা লোৱা সিদ্ধান্ত বা বিধানমণ্ডলৰদ্বাৰা গৃহীত কোনো আইনে যদি সংবিধানৰ প্রতি ভাবুকি অনাৰ ভয় থাকে, তেনে আইন বা সিদ্ধান্তৰপৰা সংবিধানক সুৰক্ষা প্রদান কৰে। উচ্চতম ন্যায়ালয়ে বিতংভাৱে সংবিধানৰ বৈশিষ্ট্যপূর্ণতাৰ ব্যাখ্যা আগবঢ়ায়। উচ্চতম ন্যায়ালয়ে মৌলিক অধিকাৰসমূহ সুৰক্ষাৰ কাৰণে নির্দেশনা, আদেশ আৰু লিখিত হুকুম জাৰী কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে বন্দী প্রত্যক্ষীকৰণ, পৰমাদেশ, ৰোধকৰণ বা নিষেধাজ্ঞা, উৎপ্রেষণ আৰু অধিকাৰ পৰিচয় Quo- Warranto দৰে লিখিত হুকুম বা লেখ জাৰী কৰিব পাৰে।

আদালতক অপমান কৰা ব্যক্তিক উচ্চতম ন্যায়ালয়ে শাস্তি দিব পাৰে। আদালতৰ অপমানে ন্যায়ালয়ৰ বিচাৰক সমালোচনা কৰা, ন্যায়াধীশ আৰু আদালতক সমালোচনা কৰা, আদালতৰ সিদ্ধান্ত মানিবলৈ অস্বীকাৰ কৰা, আদালতৰ বিৰুদ্ধে ক্ষতিকাৰী মন্তব্য প্রেৰণ কৰা আদিক সূচায়।

আদালত অৱমাননাকাৰীক অসাৰ বা বিকল কৰি দিয়াৰ ক্ষমতা উচ্চতম ন্যায়ালয়ৰ আছে। এই ক্ষমতা অনুসৰি উচ্চতম ন্যায়ালয়ে আদালতৰ ৰায়দানক সমালোচনা কৰা, আদালত আৰু ন্যায়াধীশক সমালোচনা কৰা, আদালতৰ বিৰুদ্ধে মর্যাদাহানি মন্তব্য প্রকাশ কৰা, আদালতৰ সিদ্ধান্ত মানি চলিবলৈ অস্বীকাৰ কৰা যিকোনোকে শাস্তি প্রদান কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতত আপীলৰ সর্বোচ্চ আদালত কোনখন?

.....

প্রশ্ন ২ ঃ ভাৰতত এক একক আৰু কেন্দ্রীভূত ন্যায়পালিকা আছে। (শুদ্ধ /অশুদ্ধ)

.....

প্রশ্ন ৩ ঃ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ অৱসৰৰ বয়স কিমান?

.....

প্রশ্ন ৪ ঃ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ যোগ্যতাবোৰ কি কি?

.....

.....



জানি থোৱা ভাল

১) বৰ্তমান লোক আদালত আৰু ৰাজহুৱা স্বাৰ্থজনিত গোচৰ ভাৰতৰ ন্যায়িক ব্যৱস্থাৰ দুটা নতুন কৌশল। ই দুখীয়া আৰু দলিতসকলৰ বাবে খৰতকীয়া আৰু সহায়ক ন্যায়িক সুবিধাৰ ব্যৱস্থা কৰিছে।

২) লেখ হ'ল আদালতৰ এক আনুষ্ঠানিক লিখিত নিৰ্দেশ। হাজোতত দিয়া হুকুমনামা এজন ৰাজবন্দী ব্যক্তিৰ প্ৰতিকাৰৰ উপায়। উচ্চ আদালতসমূহে ইয়াৰ তলতীয়া আদালত সমূহক কিছুমান আইনসঙ্গত বিষয়ত দিয়া আদেশ উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ ভিতৰত পৰে। উচ্চ আদালতে তলতীয়া আদালতৰ নিষেধাজ্ঞাৰ হুকুমত বাধা দিব পাৰে আৰু ই উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰৰ অধীন নহয়। ৰাজহুৱা কাৰ্যালয়ত নিয়োগ নকৰা ব্যক্তিক তাত কাম কৰা ক্ষমতাৰ বিপৰীতে আদালতে হুকুম দিয়ে। উচ্চ আদালতে নিম্ন আদালতক কোনো গোচৰৰ তথ্য বিচাৰিব পাৰে।

৯.৪ উচ্চ ন্যায়ালয়

সংবিধানে প্ৰত্যেকখন ৰাজ্যত উচ্চ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে যি উচ্চতম ন্যায়ালয়ৰ অধীনত কাম কৰে, কিন্তু কিছুমান গোচৰত এখন উচ্চ ন্যায়ালয়ে এখনতকৈ অধিক ৰাজ্যৰ কাম কৰে। উদাহৰণস্বৰূপে, গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমৰ বাদেও উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যৰ কাম কৰে।

৯.৪.১ গঠন

উচ্চ ন্যায়ালয় এজন মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশক লৈ গঠিত। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা নিৰ্ধাৰিত নহয়। ৰাষ্ট্ৰপতিয়ে উচ্চ ন্যায়ালয়লৈ এজন যোগ্য ব্যক্তিক তদৰ্থ ন্যায়াধীশ হিচাপে দুবছৰৰ বাবে নিয়োগ কৰে।

৯.৪.২ যোগ্যতা

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল—

- ভাৰতীয় নাগৰিক হ'ব লাগিব
- তেওঁ ভাৰতবৰ্ষৰ অন্তৰ্গত যি কোনো ন্যায়ালয়ত অতি কমেও দহ বছৰ ন্যায়িক সেৱাত কাম কৰা ব্যক্তি হ'ব লাগিব।
- তেওঁৰ কোনো উচ্চ ন্যায়ালয়ত অন্তত দহ বছৰ কাল ওকালতি কৰা অভিজ্ঞতা থাকিব লাগিব।

৯.৪.৩ কার্যকাল আৰু অপসাৰণ

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে ৬২ বছৰ বয়সত অৱসৰ গ্ৰহণ কৰে। তেওঁ যিকোনো সময়ত নিজৰ পদৰ পৰা পদত্যাগ কৰিব পাৰে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নিয়োগৰ ক্ষেত্ৰত ভাৰতৰ মুখ্য ন্যায়াধীশ আৰু ৰাজ্যৰ ৰাজ্যপালৰ লগত ৰাষ্ট্ৰপতিয়ে আলোচনা কৰে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশক ৰাষ্ট্ৰপতিয়ে অসদাচৰণ বা অসমৰ্থতাৰ বাবে অপসাৰণ কৰিব পাৰে।

৯.৪.৪ ক্ষমতা আৰু কার্যাৱলী

উচ্চ ন্যায়ালয়ক তিনি প্ৰকাৰৰ ক্ষমতা বা ক্ষেত্ৰাধিকাৰ দিয়া হৈছে। এইবোৰ হৈছে— মৌলিক, আপীল আৰু প্ৰশাসনিক।

- ***মৌলিক ক্ষেত্ৰাধিকাৰ ঃ*** উচ্চ ন্যায়ালয়ে মৌলিক ক্ষেত্ৰাধিকাৰৰ জৰিয়তে কোনো ব্যক্তি, আইন আৰু চৰকাৰৰ বিপৰীতে মৌলিক অধিকাৰ ভংগৰ অপৰাধত নিৰ্দেশ বা আদেশ দিব পাৰে। উচ্চ ন্যায়ালয়ক বিবাহ, বিবাহ-বিচ্ছেদ, ইচ্ছা-পত্ৰ, ন্যায়ালয়ক অৱমাননা, নৌবিভাগ আদিৰ ক্ষেত্ৰত সীমিত মৌলিক ক্ষেত্ৰাধিকাৰ দিয়া হৈছে।
- ***আপীল ক্ষেত্ৰাধিকাৰ ঃ*** এই ক্ষমতা অনুসৰি উচ্চ ন্যায়ালয়ত ইয়াৰ তলতীয়া আদালতে দিয়া দেৱানী আৰু ফৌজদাৰী সিদ্ধান্তৰ বিপৰীতে আপীল কৰিব পাৰে।
- ***প্ৰশাসনিক ক্ষমতা ঃ*** এই ক্ষমতাৰদ্বাৰা উচ্চ ন্যায়ালয়ে অন্যান্য অধস্তন আদালতৰ কাম-কাজ পৰিচালনা কৰাৰ অধিকাৰ পায়। ই সেইসমূহ আদালতৰ কার্যবিৱৰণী পৰিচালনা কৰিবৰ বাবে নীতি নিৰ্ধাৰণ কৰে। উচ্চ ন্যায়ালয়ৰ আলোচনামৰ্মে ৰাজ্যৰ অধস্তন আদালতৰ ন্যায়াধীশসকলক নিযুক্তি, পদোন্নতি আৰু পৰিৱৰ্তন কৰা হয়।
- ***অন্যান্য ক্ষেত্ৰাধিকাৰ ঃ***

  (ক) উচ্চ ন্যায়ালয়ৰ বিচাৰক আইনসংগত বিচাৰ বুলি গণ্য কৰা হয়,

  (খ) উচ্চ ন্যায়ালয়ে আদালত অৱমাননাৰ বাবে অৱমাননাৰ কার্যবিৱৰণী প্ৰস্তুত কৰে,

  (গ) উচ্চতম ন্যায়ালয়ৰ দৰে প্ৰত্যেক উচ্চ ন্যায়ালয়ে ৰাজহুৱা স্বাৰ্থজনিত গোচৰ ক্ষমতা উপভোগ কৰে।

৯.৫ অধস্তন আদালত

অধীনস্থ আদালত অর্থাৎ যি উচ্চ ন্যায়ালয়ৰ অধীনত কার্য সম্পাদন কৰে, সেয়া হ'ল জিলা ন্যায়াধীশৰ আদালত, সহকাৰী ন্যায়াধীশৰ আদালত, উপ ন্যায়াধীশৰ আদালত, মুন্সীক্ষৰ আদালত আৰু সৰু মোকর্দমা/গোচৰসমূহৰ আদালত।

জিলা ন্যায়াধীশৰ আদালতেই হৈছে জিলাখনৰ ভিতৰত সর্ব্বোচ্চ আদালত। জিলা ন্যায়াধীশ গৰাকীক ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ লগত আলোচনা মর্মে ৰাজ্যপালে নিযুক্তি দিয়ে। তেওঁ যেতিয়া অসামৰিক গোচৰ চলাব তেতিয়া কোৱা হয় জিলা ন্যায়াধীশ আৰু অপৰাধজনিত গোচৰ চলোৱাৰ সময়ত কোৱা হয় সত্র ন্যায়াধীশ।

প্রত্যেক অধস্তন আদালতে উচ্চ ন্যায়ালয়ৰ অধীনত কাম কৰে। জিলা-আদালত পর্যায়ৰ সর্বোচ্চ হৈছে জিলা আদালত। ফৌজদাৰী গোচৰক জিলা বিচাৰ আৰু দেৱানী গোচৰক চেচন বিচাৰ বুলি কোৱা হয়। এই আদালতৰ বাদেও সহযোগী বিচাৰ, অর্ধ বিচাৰ, মুনচীফ আদালত ইত্যাদি আছে।

জিলা আদালত আৰু আন আন অধীনস্থ আদালতসমূহৰ ওপৰত নিয়ন্ত্রণ কৰাৰ ক্ষমতা উচ্চ ন্যায়ালয়ক প্রদান কৰা হৈছে। উচ্চ ন্যায়ালয়ে জিলা আদালত আৰু অধস্তন আদালত সমূহৰ বিচাৰপতিসকলৰ নিয়োগ আৰু পদোন্নতি নিয়ন্ত্রণ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ ভাৰতৰ উচ্চ ন্যায়ালয়সমূহৰ গঠন সম্পর্কে আলোচনা কৰক।

.....

.....

.....

প্রশ্ন ৬ ঃ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ যোগ্যতা কি কি?

.....

.....

প্রশ্ন ৭ ঃ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশক কোনে নিযুক্তি দিয়ে?

.....

প্রশ্ন ৮ ঃ বিভিন্ন ধৰণৰ অধস্তন আদালতসমূহ বর্ণনা কৰক।

.....

.....

৯.৬ ভাৰতৰ ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ উপায়সমূহ

ভাৰতৰ সংবিধানে ভাৰতত এক স্বাধীন আৰু নিৰপেক্ষ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে। ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে যিবোৰ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি -

ন্যায়াধীশ নিযুক্তি ঃ ভাৰতৰ উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক যোগ্যতাৰ ভিত্তিত নিয়োগ কৰা হয়। তেওঁলোকক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে।

কার্যকালৰ নিৰাপত্তা ঃ ৰাষ্ট্ৰপতিয়ে ন্যায়াধীশসকলক নিয়োগ কৰে কিন্তু সংসদে গ্ৰহণ কৰা প্ৰস্তাৱ অবিহনে তেওঁ ন্যায়াধীশসকলক কার্যকাল চলি থকা সময়ত অপসাৰণ কৰিব নোৱাৰে।

আর্থিক নিৰাপত্তা ঃ ন্যায়াধীশসকলক উপযুক্ত বেতন দিয়া হয়। তেওঁলোকৰ দৰমহা কেন্দ্ৰ আৰু ৰাজ্যৰ সঞ্চিত নিধিৰ পৰা দিয়া হয়। তেওঁলোকৰ কার্যকাল চলি থাকোতে দৰমহা কমাব নোৱাৰি।

সুবিধা ঃ ভাট্টা, বিনামূলীয়া বাসগৃহ আদিৰ দৰে বিশেষ সুবিধা ন্যায়াধীশসকলক দিয়া হয়। ন্যায়াধীশসকলৰ উপযুক্ত ৰক্ষণাবেক্ষণৰ ব্যৱস্থা আছে।

আদালতৰ অপমান ঃ কোনো গোচৰৰ ওপৰত সিদ্ধান্ত দিওঁতে ন্যায়াধীশসকলক সমালোচনা কৰিব নোৱাৰে। আদালতক অপমান কৰিলে উচ্চ ন্যায়ালয়ে শাস্তি দিব পাৰে। গণতন্ত্ৰত ন্যায় প্ৰদানৰ বাবে ন্যায়িক স্বাধীনতাৰ গুৰুত্ব বহু বেছি। সেয়ে ন্যায়ালয়ক কার্যপালিকা আৰু বিধান মণ্ডলে নিয়ন্ত্ৰণ কৰিব নোৱাৰাকৈ স্পষ্ট আৰু নিৰপেক্ষ ভাৱে প্ৰতিষ্ঠা কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ ভাৰতত উচ্চতম ন্যায়ালয়ে ন্যায়িক সমীক্ষা উপভোগ কৰোঁতে আইন ব্যৱস্থাই কৰা নীতি অনুসৰণ কৰে (শুদ্ধ / অশুদ্ধ)

.....

.....

প্ৰশ্ন ১০ ঃ ন্যায়ালয়ৰ স্বাধীনতা সূচোৱা দুটা বিষয় উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ১১ ঃ কোনো আইনে যদি সংবিধানৰ ধাৰাসমূহ উলংঘা কৰে উচ্চতম ন্যায়ালয়ে তাক অবৈধ বুলি ঘোষণা নকৰে। (শুদ্ধ / অশুদ্ধ)

.....



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ সংবিধানে ভাৰতত এক স্বাধীন আৰু নিৰপেক্ষ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে।
- আমাৰ ভাৰততএক স্বাধীন আৰু সম্পূৰ্ণ ন্যায়িক ব্যৱস্থা আছে। অন্য যুক্তৰাষ্ট্ৰৰ বিপৰীতে ভাৰতত দেশখনৰ বাবে একক আৰু কেন্দ্ৰীভূত ন্যায়িক ব্যৱস্থা আছে।
- উচ্চতম ন্যায়ালয় ভাৰতৰ শিখৰত অৱস্থিত আপীল ন্যায়ালয়। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে।
- উচ্চতম ন্যায়ালয়ৰ ক্ষমতাসমূহক মৌলিক, আপীল আৰু পৰামৰ্শ দানৰ ক্ষমতা এই তিনিভাগত ভগাব পাৰি। উচ্চতম ন্যায়ালয়ে আদেশ আৰু নিৰ্দেশ দিব পাৰে। ইয়াক সংবিধানৰ অভিভাৱক বুলি আখ্যা দিয়া হয়। ৰাজহুৱা স্বাৰ্থজনিত গোচৰ পোষণ কৰাটো উচ্চতম ন্যায়ালয়ৰ ক্ষমতাৰ ভিতৰত পৰে।
- সংবিধানে প্ৰত্যেকখন ৰাজ্যত উচ্চ ন্যায়ালয়ৰ ব্যৱস্থা কৰিছে। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সকলক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে।
- উচ্চ ন্যায়ালয়ক তিনি প্ৰকাৰৰ ক্ষমতা বা ক্ষেত্ৰাধিকাৰ দিয়া হৈছে। এইবোৰ হৈছে— মৌলিক, আপীল আৰু প্ৰশাসনিক।
- প্ৰত্যেক অধস্তন আদালতে উচ্চ ন্যায়ালয়ৰ অধীনত কাম কৰে। জিলা-আদালত পৰ্যায়ৰ সৰ্বোচ্চ হৈছে জিলা আদালত।
- ভাৰতৰ সংবিধানে ন্যায়ালয়ৰ স্বাধীনতা ৰক্ষাৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে যেনে ন্যায়াধীশসকলৰ কাৰ্যকালৰ নিৰাপত্তা, আদালতৰ অপমান (আদালতক অপমান কৰিলে উচ্চ ন্যায়ালয়ে শাস্তি দিব পাৰে) ইত্যাদি।



৯.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi :Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.*New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

৯.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চতম ন্যায়ালয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৬৫ বছৰ বয়স

৪ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকল—

(ক) ভাৰতীয় নাগৰিক হ'ব লাগিব।

(খ) কোনো উচ্চ ন্যায়ালয়ত পাঁচ বছৰ ন্যায়াধীশ হিচাপে কাম কৰাৰ অভিজ্ঞতা তেওঁৰ থাকিব লাগিব; অথবা

(গ) কোনো উচ্চ ন্যায়ালয়ত একেলেথাৰিয়ে দহ বছৰ অধিবক্তা হিচাপে কাম কৰাৰ অভিজ্ঞতা তেওঁৰ থাকিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃউচ্চ ন্যায়ালয় এজন মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশক লৈ গঠিত। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা নিৰ্ধাৰিত নহয়। ৰাষ্ট্ৰপতিয়ে উচ্চ ন্যায়ালয়লৈ এজন যোগ্য ব্যক্তিক তদৰ্থ ন্যায়াধীশ হিচাপে দুবছৰৰ বাবে নিয়োগ কৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকল—

(ক) ভাৰতীয় নাগৰিক হ'ব লাগিব

(খ) তেওঁ ভাৰতবৰ্ষৰ অন্তৰ্গত যিকোনো ন্যায়ালয়ত অতি কমেও দহ বছৰ ন্যায়িক সেৱাত কাম কৰা ব্যক্তি হ'ব লাগিব।

(গ) কোনো উচ্চ ন্যায়ালয়ত অন্তত দহ বছৰ কাল ওকালতি কৰা অভিজ্ঞতা তেওঁৰ থাকিব লাগিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাষ্ট্রপতি।

৮ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যেক অধস্তন আদালতে উচ্চ ন্যায়ালয়ৰ অধীনত কাম কৰে। জিলা আদালতসমূহ জিলা পর্যায়ৰ সর্বোচ্চ আদালত। ফৌজদাৰী গোচৰক জিলা বিচাৰ আৰু দেৱানী গোচৰক চেচন বিচাৰ বুলি কোৱা হয়। এই আদালতবোৰৰ বাদেও সহযোগী বিচাৰক, অর্ধ বিচাৰক, মুনচিফ ইত্যাদি আছে।

৯ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

১০ নং প্রশ্নৰ উত্তৰ ঃ

(ক) ন্যায়াধীশ নিযুক্তি ঃ ভাৰতৰ উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক যোগ্যতাৰ ভিত্তিত নিয়োগ কৰা হয়। তেওঁলোকক ভাৰতৰ ৰাষ্ট্রপতিয়ে নিয়োগ কৰে।

(খ) কার্যকালৰ নিৰাপত্তা ঃ ৰাষ্ট্রপতিয়ে ন্যায়াধীশসকলক নিয়োগ কৰে কিন্তু সংসদে গ্রহণ কৰা প্রস্তাৱ অবিহনে তেওঁ ন্যায়াধীশসকলক কার্যকাল চলি থকা সময়ত অপসাৰণ কৰিব নোৱাৰে।

১১ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।



৯.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন -

প্রশ্ন ১ ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক কোনে নিয়োগ কৰে?

প্রশ্ন ২ঃ ভাৰতৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলক কোনে নিয়োগ কৰে?

প্রশ্ন ৩ঃ কিমান বছৰ বয়সত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে অৱসৰ গ্রহণ কৰে?

প্রশ্ন ৪ঃ কোনে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলক পদৰ পৰা অপসাৰণ কৰে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মৌলিক ক্ষেত্রাধিকাৰ, আপীল বিচাৰ ক্ষেত্রাধিকাৰ আৰু পৰামর্শ দানৰ ক্ষমতাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ভাৰতৰ উচ্চ ন্যায়ালয়ৰ মৌলিক ক্ষেত্রাধিকাৰ আৰু আপীল বিচাৰ ক্ষেত্রাধিকাৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ স্বাধীনতা কেনেদৰে ৰক্ষা কৰা হয় ?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ভাৰতৰ উচ্চ ন্যায়ালয়ৰ গঠন, ক্ষমতা আৰু কার্যাৱলীৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ১০ ঃ ন্যায়িক পুনৰীক্ষণ আৰু ন্যায়িক সক্ৰিয়তা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ন্যায়িক পুনৰীক্ষণ

১০.৩.১ অর্থ

১০.৩.২ ভাৰতত ন্যায়িক পুনৰীক্ষণ

১০.৪ ন্যায়িক সক্ৰিয়তা

১০.৪.১ অর্থ

১০.৪.১ ভাৰতত ন্যায়িক সক্ৰিয়তা

১০.৫ ৰাজহুৱা স্বার্থ জড়িত গোচৰ বা আবেদন

১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপুনি—

- ভাৰতৰ ন্যায় ব্যৱস্থাটোৰ বিষয়ে জানিবলৈ পাৰিব
- ন্যায়িক পুনৰীক্ষণ প্ৰক্ৰিয়াটো বুজি পাব
- ৰাজহুৱা স্বার্থজড়িত গোচৰ বা আবেদন আৰু ন্যায়িক সক্ৰিয়তাৰ দৰে নতুন প্ৰগতিৰ বিষয়ে ব্যাখ্যা কৰিবলৈ পাৰিব।

১০.২ পৰিচয়

ভাৰতত সংযুক্ত ন্যায়িক ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে। এই ব্যৱস্থাৰ শীৰ্ষতম স্থানত আছে উচ্চতম ন্যায়ালয়। ইয়াৰ পাছতেই আহে উচ্চ ন্যায়ালয়সমূহ আৰু তৎপৰৱৰ্ত্তী আন আন নিম্ন আদালতসমূহ। ভাৰতৰ ন্যায়িক ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈছে ন্যায়িক পুনৰীক্ষণ বা আইনী পুনৰীক্ষণ যাৰদ্বাৰা বিধান মণ্ডলে প্ৰস্তুত কৰা আইন সাংবিধানিক হৈছে নে নাই তাক পৰীক্ষা কৰাৰ সামৰ্থ্য আদালতক প্ৰদান কৰা হৈছে আৰু সেইমতে আদালতে কাৰ্যকৰী ব্যৱস্থা

গ্রহণ কৰিব পাৰে। এই কাম কৰা পদ্ধতিত, ভাৰতীয় ন্যায়িক প্রক্রিয়াত ৰাজহুৱা স্বার্থজড়িত মোকর্দমা আৰু ন্যায়িক সক্রিয়তাৰ দৰে নতুন বৈশিষ্ট্যসমূহো বহির্গত হয়। এই সকলোবোৰ আমি তলত আলোচনা কৰিম।

১০.৩ ন্যায়িক সমীক্ষা

১০.৩.১ অর্থ

ভাৰতৰ সংবিধানে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক এক বিশেষ ক্ষমতা প্রদান কৰিছে। এই ক্ষমতা অনুসৰি বিধান মণ্ডলে গৃহীত কৰা আইন এখন পৰীক্ষা কৰা আৰু প্রশাসনে গ্রহণ কৰা কোনো কর্মৰ লগত সংবিধানে প্রদান কৰা সুবিধাসমূহ আছে নে নাই তাক ন্যায়ালয়ে বিচাৰ কৰিব পাৰে। যদিহে সেই আইন বা কার্য্যই সংবিধান প্রদত্ত সুবিধাসমূহৰ বিৰোধ বা সংবিধান ভংগ কৰা যেন ন্যায়ালয়ে দেখা পায়, তেতিয়া ন্যায়ালয়ে সেইবোৰক অসাংবিধানিক বা অযুক্তিকৰ ঘোষণা কৰে। এই ক্ষমতাই উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ক ভাৰতৰ সংবিধানৰ অভিভাৱকত্ব কৰি তুলিছে।

১০.৩.২ ভাৰতত ন্যায়িক পুনৰীক্ষণ

এই আইনী ক্ষমতাই প্রশাসন আৰু বিধানমণ্ডলৰ ওপৰত এক নিশ্চিত পৰিমাণৰ দায়বদ্ধতা লাভ কৰাত সহায় কৰিছে। বিধান মণ্ডলে আইন প্রণয়নৰ সময়ত এইটো কথা মনত ৰাখিবলগীয়া হয় যে আইনখন যাতে সংবিধান বিৰোধী হৈ নপৰে। একেদৰে প্রশাসনে সংবিধানৰ প্রদত্ত সুবিধাসমূহৰ ভিতৰতহে কার্যসূচী গ্রহণ কৰিব পাৰে।

ভাৰতীয় আইনী ব্যৱস্থাৰ আইন পুনৰীক্ষণ ক্ষমতা সীমাবদ্ধ। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে কেৱল দুটা ক্ষেত্রত এই ক্ষমতা প্রয়োগ কৰিব পাৰে —

(১) আইন বা প্রশাসনীয় কার্য একোটা আৰ্হি প্রস্তুত কৰোঁতে সংশ্লিষ্ট কর্তৃপক্ষৰ দ্বাৰা এইবোৰৰ যথাযোগ্য সুবিবেচনা কৰা হৈছে নে নাই।

(২) নাগৰিকৰ মৌলিক অধিকাৰৰ লগত জড়িত সংবিধানৰ তৃতীয় অংশৰ লগত সংগতি পূর্ণ হয় নে নহয়। এই দুটা দিশ ন্যায়ালয়ে পৰীক্ষা কৰে।

আইন পুনৰীক্ষণৰ ক্ষেত্রত ভাৰতীয় আইন ব্যৱস্থা অসীম ক্ষমতাৰ অধিকাৰী নহয়। "আইনৰদ্বাৰা পদ্ধতি প্রৱর্তন" (Procedure established by law) সূত্রৰ অধীনত আইনী পুনৰীক্ষণ ক্ষমতা প্রয়োগ কৰে। সংবিধানৰ ২১ নং দফাত উল্লেখ কৰা হৈছে যে "আইনৰদ্বাৰা প্রৱর্তিত পদ্ধতিৰ বাবে কোনেও ব্যক্তি জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত হ'ব নালাগিব।

ইয়াত উল্লেখিত "আইন" শব্দটোৱে প্ৰাকৃতিক আইনৰ সলনি ৰাষ্ট্ৰ নিৰ্মিত আইনকহে বুজাইছে। ইয়াৰ অৰ্থ হৈছে আদালতে আইন এখন যেতিয়া পুংখানুপুংখ বিশ্লেষণ কৰে তেতিয়া ইয়াৰ পদ্ধতিৰ প্ৰশ্নহে কৰিব পাৰে আৰু যদি পদ্ধতি অনুসৰণ কৰা হোৱা নাই তেতিয়া আদালতে বিধানমণ্ডলৰদ্বাৰা প্ৰস্তুত যিকোনো আইনক অসংবিধানিক ঘোষণা কৰিব পাৰে। একে সময়তে আইনখনে সংবিধান প্ৰদত্ত বিধি ভংগ কৰা যেন বোধ হ'লে আদালতে ইয়াক অসাংবিধানিক ঘোষণা কৰিব পাৰে। বিভিন্ন সীমাবদ্ধতা থাকিলেও উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে সফলতাৰে আইনী পুনৰীক্ষণ ক্ষমতা প্ৰয়োগ কৰি আহিছে আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক আৰু সংবিধানৰ অভিভাৱক হিচাপে কাৰ্য সম্পাদন কৰি আছে।

১০.৪ ন্যায়িক সক্ৰিয়তা

১০.৪.১ অৰ্থ

সাম্প্ৰতিক বছৰসমূহত ন্যায়িক সক্ৰিয়তা ভাৰতীয় আইনী ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিচাপে সংযোজিত হৈছে। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয় উভয়ৰে ভাৰতৰ সংবিধান আৰু নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষা দিয়াটো দায়িত্ব। দায়বদ্ধতা সম্পাদনৰ বাবে উভয় ন্যায়ালয়কে ন্যায়িক পুনৰীক্ষণৰ ক্ষমতা প্ৰদান কৰা হৈছে আৰু সেই ক্ষমতাৰে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষা দিয়াত অতি সক্ৰিয় হৈ উঠিছে। ইয়াকে আইনী সক্ৰিয়তা বোলা হয়।

৯.৪.২ ভাৰতত ন্যায়িক সক্ৰিয়তা

ন্যায়ালয়ে প্ৰশাসন আৰু বিধানমণ্ডলৰ কৰ্ম ৰাজিৰ ওপৰত হস্তক্ষেপ আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰে যিয়ে জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা আৰু কৰ্তব্য তেওঁলোকক সোঁৱৰাই থাকে।

সাধাৰণ জনতাৰ স্বাৰ্থৰ বিষয়ত প্ৰশাসন আৰু বিধানমণ্ডলে দায়িত্বশূন্য মনোভাৱ আৰু উদাসীনতা প্ৰদৰ্শন কৰিলে তাৰ বিৰুদ্ধে উচ্চ আৰু উচ্চতম ন্যায়ালয়ে ৰায়, সিদ্ধান্ত আৰু নিৰ্দেশনা দিব পাৰে।

ৰাজহুৱা বা চৰকাৰী কৰ্মচাৰী আৰু আন আন লোকৰ দুৰ্নীতিৰ বিৰুদ্ধেও ন্যায়ালয়ে সক্ৰিয় হৈ আহিছে।

সক্ৰিয়তা প্ৰদৰ্শন কৰি উচ্চতম ন্যায়ালয়ে প্ৰদূষণ নিয়ন্ত্ৰণ, শিশুক বেশ্যা বৃত্তি ৰোধ, ৰুগ্ন কোম্পানীসমূহৰ পুনৰুজ্জীৱিত কৰণেৰে ১০০০০ কৰ্মচাৰীৰ জীৱনধাৰা সুৰক্ষা, ভয়ংকৰ বান্ধ নিৰ্মাণৰ প্ৰতি দৃষ্টিপাত, পৰিবেশ প্ৰদূষণৰ পৰা তাজমহলক সুৰক্ষা প্ৰদান আৰু অন্যান্য বহুতো দিশত নিৰ্দেশনা জাৰী কৰিছে।

আইনী সক্ৰিয়তা প্ৰক্ৰিয়াটো ভাৰতত প্ৰকৃততে ১৯৮৫ চনৰ পৰা আৰম্ভ হয় বুলি কোৱা হৈছে। তেতিয়াৰ ভাৰতৰ মুখ্য ন্যায়াধীশ, ন্যায়াধীশ পি.এন.ভাগৱতীয়ে এগৰাকী ক্ষতিগ্ৰস্ত লোকে পোষ্টকার্ড যোগে তেওঁলৈ লিখা এখন চিঠি গ্ৰহণ কৰি ন্যায়িক সিদ্ধান্তৰ বিবেচনা কৰে। এনেদৰে ভাৰতত ন্যায়িক সক্ৰিয়তা প্ৰক্ৰিয়াৰ সূচনা হয়। ১৯৯০ দশকত ই বাৰে বাৰে উচ্চাৰিত হৈছিল।

ন্যায় ব্যৱস্থাটো সক্ৰিয় হ'বলৈ যাওঁতে যাতে সংবিধান প্ৰদত্ত বিধানসমূহ উলংঘন নহয় তাৰ প্ৰতি সতৰ্ক থকা হয়। ইয়াৰ সক্ৰিয়তাৰ সংযমো লক্ষ্য কৰা হয়। কাৰণ, আইনী একনায়কত্ব প্ৰশাসনীয় একনায়কত্বতকৈ অধিক ভয়াবহ। ই ইয়াৰ ন্যায়িক ক্ষেত্ৰ মনত ৰখা আৰু বিধানমণ্ডল আৰু প্ৰশাসনীয় কৰ্তৃপক্ষক সন্মান কৰা উচিত।



জানি থোৱা ভাল

লিখিত হুকুম বা লেখ হৈছে আদালতে প্ৰদান কৰা আনুষ্ঠানিক আদেশ। বন্দী প্ৰত্যক্ষীকৰণ লেখ জাৰীয়ে ভুলভাৱে আটক হোৱাৰ পৰা ব্যক্তি এগৰাকীক সুৰক্ষা দিয়ে। পৰমাদেশ লেখ (উচ্চ আদালতে নিম্ন আদালতক দিয়া হুকুমনামা) জাৰীয়ে অধীনস্থ কৰ্তৃপক্ষক বা তলতীয়া আদালত সমূহক আইন কাৰ্যকৰী কৰাৰ হুকুম দিয়ে যিবোৰ আইন ইয়াৰ আইনী ক্ষেত্ৰৰ ভিতৰত পৰে। ৰোধকৰণ বা নিষেধাজ্ঞা লেখ জাৰীৰ জৰিয়তে উচ্চ আদালতে অধীনস্থ আদালত বা তলতীয়া আদালতসমূহক আইনী ক্ষেত্ৰৰ ভিতৰত নপৰা বিষয়সমূহৰ পৰা বিৰত বা আঁতৰি থকাৰ হুকুম দিয়ে। যি লেখ জাৰীয়ে ব্যক্তি এগৰাকীক ৰাজহুৱা কার্যালয় য'ত তেওঁৰ কোনো স্বৰ্ত্ত নাথাকে, তাত কাম কৰাত বাধা দিয়ে তাকে অধিকাৰ পৰিচয় বুলি জনা যায়। (Quo-warranto)

আন এক লিখিত হুকুম বা লেখ হৈছে, যি উচ্চ আদালতে নিম্ন আদালতক সঠিক বিবেচনাৰ বাবে গোচৰ এটাৰ তথ্য বিচাৰি জাৰী কৰে, তেনে লেখক উৎপ্ৰেষণ বোলে।

১০.৫ ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন

জনসাধাৰণক দ্ৰুত আৰু সহজ সাধ্য আইনী সেৱা প্ৰদান কৰাৰ বাবে ভাৰতীয় আইনী ব্যৱস্থাত সংযোজিত এক নতুন উপায়েই হ'ল ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন। ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন চমুকৈ পি.আই.এল (PIL) ক 'নতুন আইনী দিগন্ত' হিচাপেও কোৱা হয়। চাৰিটা মূল লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে ইয়াৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। এইকেইটা হৈছে আইনী ব্যৱস্থাটো সক্ৰিয়, ফলপ্ৰসূ, কম খৰচী আৰু সৰল কৰা।

এই নতুন উপায়টো সংযোজিত হয় ন্যায়াধীশ বদলিকৰণ গোচৰৰ ঐতিহাসিক ৰায়দানৰ বাবে গঠিত উচ্চতম ন্যায়ালয়ৰ সাতজনীয়া ন্যায়াধীশৰ খণ্ড বিচাৰ পীঠৰ জৰিয়তে। এই ৰায়

মতে জনসাধাৰণৰ মাজৰ যিকোনোৱে প্রত্যক্ষভাৱে নিজে জড়িত নহ'লেও গুৰুত্বপূর্ণ বুলি ভবা কোনো বিষয়ত ২২৬ দফাৰ অধীনত উচ্চ ন্যায়ালয়ৰ কাষ চাপিব পাৰে বা ৩২ নং দফাৰ অধীনত মৌলিক অধিকাৰ ভংগৰ গোচৰত উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰে। আদালতে দৰিদ্র, সহায়হীন, অক্ষম বা সামাজিক বা অর্থনৈতিকভাৱে অসুবিধাজনক পৰিস্থিতিৰ বাবে আদালতলৈ গৈ থাকিব নোৱাৰা ব্যক্তিকো তেওঁৰ গোচৰৰ প্রতিবিধান দিয়ে।

পি.আই.এল হৈছে এনে এক পদ্ধতি যি আনুষ্ঠানিকভাৱে আইনী ব্যৱস্থাৰ ওচৰ চপাৰ পথ পৰিহাৰ কৰিছে। ই সাধাৰণ গোচৰত আৱশ্যকীয় নির্ধাৰিত প্র-পত্রত যথাবিহিত আৰ্হিৰে গোচৰ আবেদনবিহীনতাৰ সূচনা কৰিছে। ব্যক্তি এগৰাকীয়ে ন্যায় বিচাৰি পোষ্টকার্ডত গোচৰ লিখি আদালতলৈ পঠিয়াব পাৰে আৰু আদালতে উপযুক্ত বুলি ভাবিলে গোচৰটো বিবেচনাৰ বাবে ল'ব পাৰে। এই প্রক্রিয়াক উচ্চ আদালতৰ পত্র সংক্রান্তীয় ন্যায়ক্ষেত্র বোলা হয়।

কিছুমান বিবেকহীন ব্যক্তিৰদ্বাৰা পি.আই.এল. ব্যক্তিগত স্বার্থত অপব্যৱহাৰ হ'বও পাৰে। সমালোচক সকলে লক্ষ্য কৰিছে পি.আই.এল গোচৰৰ স্বীকৃতি আৰু নিষ্পত্তিৰ ক্ষেত্রত সুনির্দিষ্ট নিয়মাৱলী নাই। সেয়েহে এই ক্ষেত্রত আদালতে সীমা অতিক্রম কৰাৰ সম্ভাৱনা থাকে। তেতিয়া উপযুক্ত কার্যানুসৰণৰ অভাৱত আদালতে ক্ষতিগ্রস্ত বা গোচৰীয়াক সকাহ দিয়াৰ পাছতো পি.আই.এল ব্যৱস্থা ফলপ্রসূ হৈ নুঠে। একে সময়তে এনেধৰণৰ প্রগতিশীল উপায় সঠিক কার্যকৰী কৰাৰ ক্ষেত্রত ভাৰতৰ জনসাধাৰণ ৰ সজাগতাও ইমান বেছি শক্তিশালী নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ আইনী পুনৰীক্ষণ মানে কি বুজা? ভাৰতত আইনী পুনৰীক্ষণ প্রক্রিয়াৰ আলোচনা কৰক।

.....

.....

প্রশ্ন ২ ঃ আইনী সক্রিয়তা কি?

.....

.....

প্রশ্ন ৩ ঃ ৰাজহুৱা স্বার্থজড়িত আবেদন কি?

.....

.....

জানি থোৱা ভাল



বিবাদৰ দ্ৰুত আৰু ফলপ্ৰসূ নিষ্পত্তিৰ বাবে ভাৰতৰ আইনী ব্যৱস্থাই প্ৰদান কৰা এক গুৰুত্বপূৰ্ণ উপায় হ'ল লোক আদালত। ইয়াক আদালতৰ আনুষ্ঠানিক কাৰ্যসূচীৰ বাহিৰত অনুষ্ঠিত কৰা হয়। লোক আদালত গঠিত হয় এগৰাকী আইন বিষয়া আৰু অন্যান্য সদস্যৰে, যিসকলক সাধাৰণতে সমাজসেৱী, মহিলা সংগঠনৰ সদস্য, অৱসৰ প্ৰাপ্ত অসামৰিক চাকৰিয়াল, ডাক্তৰ, শিক্ষক আদিৰ মাজৰ পৰা বাছনি কৰা হয়। লোক আদালতৰ আইনী বিষয়া আৰু সদস্যসকলে সদায় উপস্থিত বিবাদী দুই পক্ষ্যৰ বুজাবুজিৰ জৰিয়তে বিবাদৰ নিষ্পত্তি সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰে।



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত সংযুক্ত ন্যায়িক ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে। এই ব্যৱস্থাৰ শীৰ্ষতম স্থানত আছে উচ্চতম ন্যায়ালয়। ইয়াৰ পাছতেই আহে উচ্চ ন্যায়ালয়সমূহ আৰু তৎপৰৱৰ্ত্তী আন আন নিম্ন আদালতসমূহ।
- বৰ্তমান মুখ্য ন্যায়াধীশৰ নেতৃত্বত উচ্চতম ন্যায়ালয়ত সৰ্বমুঠ ৩০ গৰাকী ন্যায়াধীশ আছে।
- উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু আন আন ন্যায়াধীশসকলক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।
- উচ্চতম ন্যায়ালয়ে সংবিধানৰ অভিভাৱক হিচাপেও কাম কৰে আৰু নাগৰিকৰ মৌলিক অধিকাৰসমূহ ৰক্ষণাবেক্ষণ দিয়ে।
- ভাৰতৰ সংবিধানে দেশৰ প্ৰতিখন ৰাজ্যতে উচ্চ ন্যায়ালয়ৰ সুবিধা প্ৰদান কৰিছে।
- উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু আন আন ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।
- অধীনস্থ আদালত অৰ্থাৎ যি উচ্চ ন্যায়ালয়ৰ অধীনত কাৰ্য সম্পাদন কৰে, সেয়া হ'ল জিলা ন্যায়াধীশৰ আদালত, সহকাৰী ন্যায়াধীশৰ আদালত, উপ ন্যায়াধীশৰ আদালত, মুন্সীক্ষৰ আদালত আৰু সৰু মোকৰ্দমা/ গোচৰসমূহৰ আদালত।
- ভাৰতৰ সংবিধানে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক এক বিশেষ ক্ষমতা প্ৰদান কৰিছে।

- জনসাধাৰণক দ্ৰুত আৰু সহজসাধ্য আইনী সেৱা প্ৰদান কৰাৰ বাবে ভাৰতীয় আইনী ব্যৱস্থাত সংযোজিত এক নতুন উপায়েই হ'ল ৰাজহুৱা স্বাৰ্থজড়িত আবেদন।
- পি.আই.এল হৈছে এনে এক পদ্ধতি যি আনুষ্ঠানিকভাৱে আইনী ব্যৱস্থাৰ ওচৰ চপাৰ পথ পৰিহাৰ কৰিছে।
- কিছুমান বিবেকহীন ব্যক্তিৰদ্বাৰা পি.আই.এল. ব্যক্তিগত স্বাৰ্থত অপব্যৱহাৰ হ'বও পাৰে।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K. (2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সংবিধানে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ক এক বিশেষ ক্ষমতা প্ৰদান কৰিছে। এই ক্ষমতা অনুসৰি বিধান মণ্ডলে গৃহীত কৰা আইন এখন পৰীক্ষা কৰা আৰু প্ৰশাসনে গ্ৰহণ কৰা কোনো কৰ্মৰ লগত সংবিধানে প্ৰদান কৰা সুবিধাসমূহ আছে নে নাই তাক ন্যায়ালয়ে বিচাৰ কৰিব পাৰে। যদিহে

সেই আইন বা কার্যই সংবিধান প্রদত্ত সুবিধাসমূহৰ বিৰোধ বা সংবিধান ভংগ কৰা যেন ন্যায়ালয়ে পায়, তেতিয়া ন্যায়ালয়ে সেইবোৰক অসাংবিধানিক বা অযুক্তিকৰ ঘোষণা কৰে। এই ক্ষমতাই উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ক ভাৰতৰ সংবিধানৰ অভিভাৱকত্ব কৰি তুলিছে।

এই আইনী ক্ষমতাই প্রশাসন আৰু বিধানমণ্ডলৰ ওপৰত এক নিশ্চিত পৰিমাণৰ দায়বদ্ধতা লাভ কৰাত সহায় কৰিছে। বিধান মণ্ডলে আইন প্রণয়নৰ সময়ত এইটো কথা মনত ৰাখিব লগীয়া হয় যে আইনখন যাতে সংবিধান বিৰোধী হৈ নপৰে। একেদৰে প্রশাসনে সংবিধানৰ প্রদত্ত সুবিধাসমূহৰ ভিতৰতহে কার্যসূচী গ্রহণ কৰিব পাৰে। ইয়াকে আইন পুনৰীক্ষণ ক্ষমতা বোলে ।

ভাৰতীয় আইনী ব্যৱস্থাৰ আইন পুনৰীক্ষণ ক্ষমতা সীমাবদ্ধ। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে কেৱল দুটা ক্ষেত্রত এই ক্ষমতা প্রয়োগ কৰিব পাৰে —

(১) আইন বা প্রশাসনীয় কার্য একোটা আৰ্হি প্রস্তুত কৰোঁতে সংশ্লিষ্ট কর্তৃপক্ষৰ দ্বাৰা এইবোৰৰ যথাযোগ্য সুবিবেচনা কৰা হৈছে নে নাই।

(২) নাগৰিকৰ মৌলিক অধিকাৰৰ লগত জড়িত সংবিধানৰ তৃতীয় অংশৰ লগত সংগতিপূর্ণ হয় নে নহয়, এই দুটা দিশ ন্যায়ালয়ে পৰীক্ষা কৰে।

আইন পুনৰীক্ষণৰ ক্ষেত্রত ভাৰতীয় আইন ব্যৱস্থা অসীম ক্ষমতাৰ অধিকাৰী নহয়। আইন পুনৰীক্ষণৰ ক্ষেত্রত ভাৰতীয় আইন ব্যৱস্থা অসীম ক্ষমতাৰ অধিকাৰী নহয়। "আইনৰদ্বাৰা পদ্ধতি প্রৱর্তন" (Procedure established by law) সূত্রৰ অধীনত আইনী পুনৰীক্ষণ ক্ষমতা প্রয়োগ কৰে। সংবিধানৰ ২১ নং দফাত উল্লেখিত হৈছে যে "আইনৰদ্বাৰা প্রৱর্তিত পদ্ধতিৰ বাবে কোনো ব্যক্তি জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত হ'ব নালাগিব। ইয়াত উল্লেখিত "আইন" শব্দটোৱে প্রাকৃতিক আইনৰ সলনি ৰাষ্ট্র নির্মিত আইনকহে বুজাইছে। ইয়াৰ অর্থ হৈছে আদালতে আইন এখন যেতিয়া পুংখানুপুংখ বিশ্লেষণ কৰে তেতিয়া ইয়াৰ পদ্ধতিৰ প্রশ্নহে কৰিব পাৰে আৰু যদি পদ্ধতি অনুসৰণ কৰা হোৱা নাই তেতিয়া আদালতে বিধানমণ্ডলৰদ্বাৰা প্রস্তুত যিকোনো আইনক অসংবিধানিক ঘোষণা কৰিব পাৰে। একে সময়তে আইনখনে সংবিধান প্রদত্ত বিধি ভংগ কৰা যেন বোধ হ'লে আদালতে ইয়াক অসাংবিধানিক ঘোষণা কৰিব পাৰে। এইখিনি সীমাবদ্ধতা থাকিলেও উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে সফলতাৰে আইনী পুনৰীক্ষণ ক্ষমতা প্রয়োগ কৰি আহিছে আৰু নাগৰিকৰ মৌলিক অধিকাৰৰ ৰক্ষক আৰু সংবিধানৰ অভিভাৱক হিচাপে কার্য সম্পাদন কৰি আছে।

২ নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রতিক বছৰসমূহত ন্যায়িক সক্রিয়তা ভাৰতীয় আইনী ব্যৱস্থাৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য হিচাপে সংযোজিত হৈছে। উচ্চতম ন্যায়ালয় আৰু উচ্চ

ন্যায়ালয় উভয়ৰে ভাৰতৰ সংবিধান আৰু নাগৰিকৰ মৌলিক অধিকাৰ সুৰক্ষা দিয়াটো দায়িত্ব। দায়বদ্ধতা সম্পাদনৰ বাবে উভয় ন্যায়ালয়কে ন্যায়িক পুনৰীক্ষণৰ ক্ষমতা প্ৰদান কৰা হৈছে আৰু সেই ক্ষমতাৰে জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষা দিয়াত অতি সক্ৰিয় হৈ উঠিছে। ইয়াকে আইনী সক্ৰিয়তা বোলা হয়। ন্যায়ালয়ে প্ৰশাসন আৰু বিধানমণ্ডলৰ কৰ্মৰাজিৰ ওপৰত হস্তক্ষেপ আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰে যিয়ে জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা আৰু কৰ্তব্য তেওঁলোকক সোঁৱৰাই থাকে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জনসাধাৰণক দ্ৰুত আৰু সহজ সাধ্য আইনী সেৱা প্ৰদান কৰাৰ বাবে ভাৰতীয় আইনী ব্যৱস্থাত সংযোজিত এক নতুন উপায়েই হ'ল ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন। ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন চমুকৈ পি.আই.এল (PIL) ক 'নতুন আইনী দিগন্ত' হিচাপেও কোৱা হয়। চাৰিটা মূল লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে ইয়াৰ আৰ্হি প্ৰস্তুত কৰা হৈছে। এই কেইটা হৈছে আইনী ব্যৱস্থাটো সক্ৰিয়, ফলপ্ৰসূ,কম খৰচী আৰু সৰল কৰা।

এই নতুন উপায়টো সংযোজিত হয় ন্যায়াধীশ বদলিকৰণ গোচৰৰ ঐতিহাসিক ৰায়দানৰ বাবে গঠিত উচ্চতম ন্যায়ালয়ৰ সাতজনীয়া ন্যায়াধীশৰ খণ্ড বিচাৰ পীঠৰ জৰিয়তে। এই ৰায় মতে জনসাধাৰণৰ মাজৰ যিকোনোৱে প্ৰত্যক্ষ ভাৱে নিজে জড়িত নহ'লেও গুৰুত্বপূৰ্ণ বুলি ভবা কোনো বিষয়ত ২২৬ দফাৰ অধীনত উচ্চ ন্যায়ালয়ৰ কায চাপিব পাৰে বা ৩২ নং দফাৰ অধীনত মৌলিক অধিকাৰ ভংগৰ গোচৰত উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰে। আদালতে দৰিদ্ৰ, সহায়হীন, অক্ষম বা সামাজিক বা অৰ্থনৈতিকভাৱে অসুবিধাজনক পৰিস্থিতিৰ বাবে আদালতলৈ গৈ থাকিব নোৱাৰা ব্যক্তিকো তেওঁৰ গোচৰৰ প্ৰতিবিধান দিয়ে।



১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ "সংবিধানৰ নিয়ম ভংগৰ বাবে উচ্চতম ন্যায়ালয়ে যিকোনো আইন অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে।" (শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন ২ ঃ ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন কি?

(খ) চুটি প্ৰশ্ন ঃ (প্ৰায় ১৫০-২০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশৰ অৰ্হতাসমূহ কি কি?

অধ্যায় ১১ঃ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসন আৰু ইয়াৰ বিকাশ
১২.৪ অসমৰ স্থানীয় স্বায়ত্ব শাসন আৰু ইয়াৰ বিকাশ
১২.৫ ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনী
১২.৫.১ ৭৩ তম সংবিধান সংশোধনী
১২.৫.২ ৭৪ তম সংবিধান সংশোধনী
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতবর্ষৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ বিকাশ আৰু উন্নয়ন সম্বন্ধে বর্ণনা কৰিব পাৰিব
- অসমৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ বিকাশ আৰু উন্নয়ন সম্পর্কে জ্ঞাত হ'ব
- সংবিধানৰ ৭৩তম সংশোধনী আৰু পঞ্চায়তৰ লগত জড়িত নিয়মাৱলীসমূহ ব্যাখ্যা কৰিব পাৰিব
- সংবিধানৰ ৭৪তম সংশোধনী আৰু নগৰ পালিকাৰ লগত জড়িত নিয়মাৱলীসমূহ বর্ণনা কৰিব পাৰিব
- জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ প্রধান কার্যসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টোত আপোনাক ভাৰতবর্ষৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ লগত পৰিচয় কৰাই দিয়া হ'ব। আমাৰ দেশ ভাৰতবর্ষত ইংৰাজসকলে শাসন কৰা সময়ছোৱাৰ পৰাই স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ প্রচলন আছিল যদিও সংবিধানৰ ৭৩ তম সংশোধনী আইন, ১৯৯২, কার্যকৰী হোৱাৰ লগে লগেই স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাটোৱে সাংবিধানিক মর্যাদা লাভ কৰে।

অর্থাৎ ইংৰাজৰ শাসন কালত স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাটোৱে বিশেষ প্রাধান্য লাভ কৰা নাছিল আৰু প্রশাসনত ভাৰতীয়সকলৰ অংশগ্রহণ সুনিশ্চিত হোৱা নাছিল। ৭৩ তম সংবিধান সংশোধনী আইন, ১৯৯২, কার্যকৰী হোৱাৰ লগে লগে স্থানীয় অনুষ্ঠানসমূহে স্বায়ত্ব শাসিত অনুষ্ঠানলৈ মর্যাদা লাভ কৰে। বর্ত্তমানে এনে অনুষ্ঠানসমূহে নিজে আঁচনি প্রস্তুত কৰি তেনে আঁচনি বাস্তৱত ৰূপায়ন কৰিব পাৰে। ৭৩ তম সংশোধনীৰ জৰিয়তে দেশৰ অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায় প্রতিষ্ঠাৰ ক্ষেত্রত এক সুকীয়া প্রতিচ্ছবি প্রতিফলিত হয়।

১২.৩ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসন আৰু ইয়াৰ বিকাশ

'স্থানীয় স্বায়ত্ব শাসন' ধাৰণাটোৰ উৎপত্তি হয় আমাৰ দেশ ভাৰতবর্ষ বৃটিছসকলে শাসন কৰাৰ সময়ছোৱাত। সেই সময়ছোৱাত ভাৰতীয়সকলক কোনো ধৰণৰ উন্নয়নমূলক কামত জড়িত কৰোৱা হোৱা নাছিল, যাৰ ফলত ভাৰতীয়সকলে বৃটিছ শাসনৰ প্রতি অসন্তুষ্টি প্রকাশ কৰিছিল। অৱশেষত বৃটিছসকলে স্থানীয় প্রশাসন আৰু উন্নয়নত ভাৰতীয়সকলক জড়িত কৰোৱাৰ কাৰণে সিদ্ধান্ত গ্রহণ কৰিছিল, যাৰ ফলত স্থানীয় স্বায়িত্ব শাসন ব্যৱস্থাটোৱে এক নিজস্ব গতি লাভ কৰে। ঐতিহাসিক ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনী আইন, ১৯৯২, ভাৰতীয় সংসদে প্রণয়ন কৰাৰ ফলস্বৰূপে স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাটোৱে সাংবিধানিক স্বীকৃতি লাভ কৰে বর্তমান কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ দৰে স্থানীয় চৰকাৰ (local government) প্রশাসনৰ এক অন্যতম গোট হিচাপে বিবেচনা কৰা হয়।

স্বাধীনতা লাভৰ প্রাক্-মুহূর্তত, ভাৰতীয় গ্রাম্য এলেকাসমূহ এক অনানুষ্ঠানিক (informal) পঞ্চায়ত অনুষ্ঠানৰ দ্বাৰা পৰিচালিত হৈছিল। এই পঞ্চায়ত অনুষ্ঠানসমূহে পৰিচালিত সমাজত আর্থ-সামাজিক পৰিস্থিতিৰ লগত ভাৰতীয় সমাজ ব্যৱস্থাক সংগঠিত কৰি ৰাখিছিল।

স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ প্রসাৰণৰ কাৰণে বৃটিছ ৰাজত্বকালত পোন প্রথমে ১৮৮২ চনত লর্ড ৰিপন (Lord Ripon) ৰ উদ্যোগত এই যুগান্তকাৰী পদক্ষেপ গ্রহণ কৰা হৈছিল। ইয়াৰ পাছত, ১৯১৯ চনৰ মন্টেগু চেম্চ'ফর্ড সংস্কাৰ আইন (Montague Chelmsford Reforms)ৰ প্রতিবেদনত স্থানীয় স্বায়ত্ব শাসন বিষয়টোক দ্বৈতশাসন (Dyarchy) নামৰ এক শাসন ব্যৱস্থাৰ অধীনত হস্তান্তৰিত বিষয় (Transferred Subject) হিচাপে উল্লেখ কৰিছিল । এই সময়ছোৱাত প্রদেশসমূহত গাঁও পঞ্চায়ত গঠন কৰা হৈছিল যদিও কোনো ধৰণৰ উল্লেখযোগ্য সফলতা লাভ কৰিব পৰা নাছিল। ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ লগে লগে স্থানীয় স্বায়ত্ব শাসন বিষয়টোৱে জনমানসত গা-কৰি উঠিছিল। কাৰণ সংবিধান প্রণেতাসকলে দেশৰ স্থৰিৰতা (stability), ঐক্য (unity) আৰু অর্থনৈতিক উন্নয়নৰ বাবে চৰকাৰক অধিক ক্ষমতা অর্পণ আৰু কেন্দ্রীয়কৰণ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিছিল। স্বাধীনতা লাভৰ পাছত স্থানীয় স্বায়ত্ব শাসন আৰু তৃণমূল গণতন্ত্র (grassroot democracy) - এই বিষয়বোৰে সর্বোত্তম প্রাধান্য লাভ কৰিছিল।

কাৰণ দেশৰ ৰাজনৈতিক নেতৃত্বই ভাৰতীয়সকলৰ বাবে সকলো ক্ষেত্ৰতে উন্নয়ন সুনিশ্চিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল আৰু এনে পৰিকল্পনাৰ অংশবিশেষ হিচাপে চৰকাৰে গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ পদ্ধতি ৰূপায়ণ কৰিছিল। আনহাতে, দেশৰ নতুন সংবিধানৰ চতুৰ্থ ভাগত অন্তৰ্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দ্দেশাত্মক নীতিৰ ৪০নং অনুচ্ছেদত গাঁও পঞ্চায়তসমূহক স্থানীয় প্ৰশাসনৰ গোট হিচাপে গঢ়ি তোলাৰ আঁচনি সম্বন্ধে উল্লেখ কৰিছিল। ইয়াতেই উল্লেখ কৰা ভাল হ'ব যে গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ ব্যৱস্থা মহাত্মা গান্ধীৰ 'স্বৰাজ' (swaraj) ধাৰণাৰ লগত আদৰ্শগত ভাৱে মিল থকা দেখা যায়। গান্ধীজীয়ে কৈছিল যে তৃণমূল পৰ্যায়ৰ পৰাই স্বাধীনতাৰ বীজ সিঁচৰতি হ'ব লাগিব।

স্বৰাজ প্ৰতিষ্ঠাৰ উদ্দেশ্যে গান্ধীজীয়ে কৈছিল যে - মুষ্টিমেয় লোকৰদ্বাৰা শাসনৰ ক্ষমতা আহৰণ কৰিব পাৰিলেই স্বৰাজ স্থাপিত হ'ব নোৱাৰে; অধিক সংখ্যক লোকৰদ্বাৰা ৰাজনৈতিক ক্ষমতা আহৰণ কৰিব পাৰিলেহে প্ৰকৃত অৰ্থত স্বৰাজ স্থাপিত হ'ব।

স্বাধীনতা লাভৰ পাছত ভাৰতৰ গ্ৰাম্য জনসাধাৰণৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে পঞ্চবাৰ্ষিক পৰিকল্পনা (Five Year Plan) সূচনা কৰিছিল। এনে প্ৰক্ৰিয়াৰ অংশবিশেষ হিচাপে ১৯৫২ চনত সমূহীয়া উন্নয়ন পৰিকল্পনা (Community Development Project) নামেৰে এক বৃহৎ আঁচনি আৰম্ভ কৰা হৈছিল। যাৰ প্ৰধান উদ্দেশ্য আছিল - গ্ৰাম্য অঞ্চলৰ পৰা দৰিদ্ৰতা (poverty), দুৰ্ভিক্ষ (hunger), বেমাৰ-আজাৰ (disease) আদি নিৰ্মূল কৰা। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অধীনত ৫০০ টা (Community Centres) 'সমূহীয়া কেন্দ্ৰ' সমগ্ৰ দেশত স্থাপন কৰা হৈছিল আৰু ১৯৫৩ চনত (National Extension Service) নামৰ এক জনহিতৈষী আঁচনি আৰম্ভ কৰিছিল। এনে আঁচনিবোৰৰ যোগেদি গ্ৰাম্য জনসাধাৰণৰ প্ৰত্যক্ষ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লক্ষ্য ৰখা হৈছিল যদিও জনসাধাৰণে এনে আঁচনিৰ প্ৰতি সঁহাৰি দিয়া নাছিল। সেয়েহে ১৯৫৭ চনত গঠন হোৱা বলবন্ত ৰায় মেহতা কমিটিয়ে (Balwant Rai Mehta Committee) গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণৰ জৰিয়তে (democratic decentralisatoin) পঞ্চায়তীৰাজ অনুষ্ঠান প্ৰতিষ্ঠা কৰি পৰ্যাপ্ত ক্ষমতা হস্তান্তৰ কৰাৰপৰামৰ্শ আগবঢ়াইছিল।

বলবন্ত ৰায় মেহতা (Balwant Rai Mehta Committee) কমিটিয়ে তিনি তৰপীয়া স্থানীয় চৰকাৰ ব্যৱস্থা (Three Tier Local Government), যথা - গাঁও অঞ্চলত গাঁও পঞ্চায়ত, ব্লক পৰ্যায়ত পঞ্চায়ত সমিতি আৰু জিলা পৰ্যায়ত জিলা পৰিষদ প্ৰতিষ্ঠাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল।

বলবন্ত ৰায় মেহতা কমিটিৰ পৰামৰ্শৱলী অধিক তাৎপৰ্য বহন কৰা হেতুকে এই কমিটিৰ প্ৰতিবেদন মহা-অধিকাৰ পত্ৰ (Magna Carta) হিচাপে জনা যায়। মেহতা কমিটিৰ পৰামৰ্শ অনুসৰি ৰাজস্থান চৰকাৰে পোন প্ৰথমে তিনি তৰপীয়া পঞ্চায়তী ব্যৱস্থা সূচনা কৰিছিল। ইয়াৰ সমান্তৰালভাৱে আন আন ৰাজ্যসমূহেও একেধৰণৰ পঞ্চায়তী ব্যৱস্থাৰ পাতনি মেলে। যাৰ ফলত

যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত এক নতুন যুগৰ সূচনা হয়। ষাঠিৰ দশকৰ মাজভাগলৈ এই পঞ্চায়ত অনুষ্ঠানসমূহে ভালদৰে কাৰ্যসম্পাদন কৰিছিল যদিও জনসাধাৰণৰ নিষ্ক্ৰিয় অংশগ্ৰহণ, অনিয়মিত নিৰ্বাচন ব্যৱস্থা আদি কাৰণবোৰৰ হেতুকে এই অনুষ্ঠানসমূহৰ সম্মোহন ম্লান হৈছিল।

ইয়াৰ পিছত চাদ্দিক আলি কমিটি (Sadiq Ali Committee) (১৯৬৪) গঠন কৰা হৈছিল, যাৰ উদ্দেশ্য আছিল গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ নিৰীক্ষণ কৰা। ১৯৭৪ চনত জনতা চৰকাৰে পঞ্চায়ত ব্যৱস্থাৰ দ্ৰুত প্ৰসাৰণৰ কাৰণে অশোক মেহতা কমিটি (Ashok Mehta Committee) গঠন কৰিছিল। এই কমিটিয়ে উন্নয়ন প্ৰক্ৰিয়াত ৰাজনৈতিক দলসমূহৰ মুক্ত অংশগ্ৰহণ সুনিশ্চিত কৰা, পঞ্চায়তী ৰাজ ব্যৱস্থাক এক জনজাগৰণ হিচাপে গঢ়ি তোলা, মণ্ডল পঞ্চায়ত আৰু জিলা পঞ্চায়ত নামেৰে দুই তৰপীয়া পঞ্চায়ত অনুষ্ঠান গঢ়ি তোলা ইত্যাদি পৰামৰ্শ আগবঢ়াইছিল। এই কমিটিৰ পৰামৰ্শৰলীয়ে ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। কিছুমান ৰাজ্যই মেহতা কমিটিৰ পৰামৰ্শৰলীৰ ভিত্তিত পঞ্চায়ত ব্যৱস্থা গঠন কৰিব বিছৰা নাছিল যদিও কেৰেলা, কৰ্ণাটক, মহাৰাষ্ট্ৰ, পশ্চিমবংগ আদি ৰাজ্যসমূহে মেহতা কমিটিৰ পৰামৰ্শৰলীৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল। ৰাজ্যসমূহৰ কিছুমানে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহলৈ অধিক ক্ষমতা হস্তান্তৰ কৰা আৰু উন্নয়নী প্ৰক্ৰিয়াত জনসাধাৰণক অংশগ্ৰহণ কৰোৱাত অনিচ্ছা প্ৰকাশ কৰিছিল। যাৰ ফলত মহাত্মা গান্ধীৰ গ্ৰাম্য ৰাজ্য প্ৰতিষ্ঠাৰ সপোন বাস্তৱায়িত হোৱা নাছিল।

আশীৰ দশকত দৰিদ্ৰতা নিৰ্মূল আঁচনিৰ সম্প্ৰসাৰণ, জিলা গ্ৰামীণ উন্নয়ন সংস্থা (DRDA) ৰ সৃষ্টি আৰু গ্ৰাম্য উন্নয়নৰ লগত জড়িত আন আন সংগঠনৰ সূচনা হোৱাৰ ফলস্বৰূপে উন্নয়নী প্ৰক্ৰিয়াৰ লগত পঞ্চায়তীৰাজ ব্যৱস্থাক সংলগ্ন কৰাৰ আৱশ্যকতা চৰকাৰে অনুভৱ কৰিছিল। সেয়েহে ১৯৮৩ চনত চি. এইচ. হনুমন্ত ৰাও ৱৰ্কিং গ্ৰুপ (C.H. Hanumanth Rao Working Group) আৰু ১৯৮৫ চনত জি. ভি. কে. ৰাও কমিটি (G.V.K. Rao Committee) গঠন কৰিছিল।

এই কমিটিসমূহৰ গঠন কৰাৰ প্ৰধান লক্ষ্য আছিল দৰিদ্ৰতা নিৰ্মূল কৰণ আঁচনিসমূহৰ বাস্তৱ ৰূপায়ণৰ ওপৰত অধ্যয়ন কৰা। এই কমিটিয়ে নিয়মিত নিৰ্বাচন অনুষ্ঠিত কৰা, জিলা পৰিষদক অধিক শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৯৮৬ চনত বিশিষ্ট আইনজ্ঞ এল. এম. সিংভি (L.M. Singhvi) ৰ অধ্যক্ষতাত পঞ্চায়ত অনুষ্ঠানসমূহৰ দ্বিতীয় দিশ চালি জাৰি চোৱাৰ উদ্দেশ্যে আন এখন কমিটি গঠন কৰা হৈছিল। এই কমিটিয়ে গাঁওসমূহক পুনৰ সংগঠিত কৰি গাঁও পঞ্চায়ত অধিক কাৰ্যক্ষম কৰি তোলাৰ ওপৰত গুৰুত্ব দিছিল। এই কমিটিয়ে দুই তিনিখন গাঁও সংলগ্ন কৰি এখন গাঁও পঞ্চায়ত গঠন কৰাৰ পৰামৰ্শ দিছিল।

ইয়াৰ উপৰি চৰকাৰিয়া আয়োগ (Sarkaria Commission on Centre-State Relations) আৰু থুংগন কমিটি (Thungan Committee) আদিয়ে স্থানীয় স্বায়ত্ব শাসনৰ ওপৰত বিস্তৃত অধ্যয়ন কৰি এই অনুষ্ঠানসমূহৰ কাৰ্যপ্ৰণালী সুচাৰুৰূপে পৰিচালনা কৰাৰ ওপৰত

গুৰুত্ব দিছিল। এই কমিটিয়ে পঞ্চায়ত অনুষ্ঠানসমূহক সাংবিধানিক মর্যাদা দিয়া আৰু সময়মতে পঞ্চায়ত নির্বাচন অনুষ্ঠিত কৰাৰ ওপৰত পৰামর্শ আগবঢ়াইছিল। ৰাজীৱ গান্ধীৰ প্রধানমন্ত্রীত্বৰ সময়ছোৱাত গাঁও আৰু নগৰ উভয়তে স্থানীয় অনুষ্ঠান (Local Govt.) সমূহক পুনৰ গঠন কৰাৰ উদ্দেশ্যে ভাৰতীয় সংবিধান সংশোধনৰ নিচিনা পদক্ষেপ গ্রহণৰ ওপৰত জোৰ দিছিল। পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক পুনঃউজ্জীৱিত কৰাৰ উদ্দেশ্যে উপায় উদ্ভাৱন আৰু দেশত এক সক্রিয় আৰু দায়িত্বশীল প্রশাসন ব্যৱস্থা (responsive administration) প্রৱর্ত্তন কৰাৰ ওপৰত গুৰুত্ব দিছিল। সেই উদ্দেশ্যে ১৯৭৪ আৰু ১৯৮৮ চনত ৰেচ্পন্চিভ্ এড্মিনিষ্ট্রেশ্যন (Responsive Administration) শীর্ষক কেইবালানি আলোচনা চক্র আৰু সম্মিলনৰ আয়োজন কৰা হৈছিল, য'ত জিলা উপায়ুক্ত (District Collector) সমূহে অংশগ্রহণ কৰিছিল। পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক অধিক কার্যক্ষম আৰু কার্যদক্ষ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে এই সম্মিলনে এই অনুষ্ঠানসমূহক অধিক ক্ষমতা আৰু কর্তৃত্ব দিয়াৰ ক্ষেত্রত সিদ্ধান্ত গ্রহণ কৰে। এনে সিদ্ধান্তসমূহ বাস্তৱত ৰূপায়ণ কৰাৰ উদ্দেশ্যে ১৯৮৯ চনত সংসদৰ শীতকালীন অধিবেশনত '৬৪তম আৰু ৬৫তম সংবিধান সংশোধনী বিধেয়ক' দুখন উত্থাপন কৰা হয়। এই বিধেয়ক দুখনৰ অন্তর্নিহিত লক্ষ্য আছিল তৃণমূল পর্যায়ত গণতন্ত্র প্রতিষ্ঠা কৰা, জনসাধাৰণৰ হাতত ক্ষমতা অর্পণ কৰা, দুর্নীতি (corruption) নির্মূল কৰা আৰু ৰাজনীতিত মধ্যভোগীৰ (middle men) অৱস্থিতি লুপ্ত কৰা ইত্যাদি।

পঞ্চায়তীৰাজ অনুষ্ঠানক অধিক ক্ষমতা হস্তান্তৰকৰণেৰে এক সুকীয়া মর্যাদা দিবলৈ গ্রহণ কৰা এনে পদক্ষেপ এক ঐতিহাসিক পদক্ষেপ হিচাপে বিবেচিত হৈছিল। আনকি সেই সময়ৰ কেন্দ্রীয় চৰকাৰেও উপলব্ধি কৰিছিল যে ৰাষ্ট্রই লক্ষ্যভিত্তিক উন্নয়ন (purposeful development), প্রশাসনত জনসাধাৰণৰ প্রত্যক্ষ অংশগ্রহণৰ জৰিয়তেহে লাভ কৰিব পাৰে আৰু সেই উদ্দেশ্যে পঞ্চায়ত অনুষ্ঠানসমূহত জনসাধাৰণৰ অংশগ্রহণ সুনিশ্চিত কৰিব বিছাৰিছিল। অৱশেষত সংসদত ৭৩ তম সংবিধান সংশোধনী আইন, ১৯৯২ গৃহীত হয় আৰু এই আইনে পঞ্চায়ত অনুষ্ঠানসমূহক সাংবিধানিক মর্যাদা প্রদান কৰে। ৭৩ তম সংবিধান সংশোধনী আইন গৃহীত হোৱাৰ ফলত সংবিধানত নতুনকৈ নৱম অংশ (Part-IX) আৰু একাদশ অনুসূচী (Eleventh Schedule) সংযোজন কৰি পঞ্চায়ত সম্বন্ধীয় ব্যৱস্থাসমূহ লিপিবদ্ধ কৰা হয়। ১৯৯৩ চনৰ ২৪ এপ্রিল তাৰিখৰ পৰা এই আইনখন কার্যকৰী হয়।

ৰাষ্ট্রীয় গণতান্ত্রিক মিত্রজোট (National Democratic Alliance) শাসনাধিষ্ঠিত চৰকাৰৰ সময়ছোৱাতো পঞ্চায়তীৰাজ ব্যৱস্থাক অধিক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্রহণ কৰিছিল। সেই সময়ৰ প্রধানমন্ত্রী অটল বিহাৰী বাজপেয়ীৰ তত্ত্বাৱধানত নতুন দিল্লীত দুদিনীয়া পঞ্চায়ত মুৰব্বীসকলৰ সম্মিলন (৫-৬ এপ্রিল, ২০০২) অনুষ্ঠিত হৈছিল। এই সম্মিলনত পঞ্চায়ত অনুষ্ঠানসমূহে সন্মুখীন হোৱা সমস্যাসমূহ বিতংভাৱে আলোচনা কৰা হয় আৰু জনকল্যাণমূলক আঁচনি, যেনে - প্রাথমিক শিক্ষা, জনস্বাস্থ্য, খোৱাপানী সমস্যা আদি ৰূপায়নৰ

বাবে উপযুক্ত পুঁজিৰ (fund) যোগান ধৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। প্রধানমন্ত্রী বাজপেয়ীয়ে এই সন্মিলনতেই পঞ্চায়ত অনুষ্ঠানসমূহক অধিক ক্ষমতা প্রদান কৰি গণতন্ত্রৰ ভেটি তৃণমূল পর্যায়ত সবল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৭৩তম সংবিধান সংশোধনী আইন (১৯৯২) খনক স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ ইতিহাসত এক মাইলৰ খুটি হিচাপে (milestone) বিবেচনা কৰা হয়। এই আইনৰ জৰিয়তে স্থানীয় জনসাধাৰণক ৰাজনৈতিক আৰু প্রসাশনীয় দিশত ক্ষমতা হস্তান্তৰ কৰা হৈছে। তৃণমূল পর্যায়ত গণতন্ত্র প্রতিষ্ঠা কৰাই হ'ল এই আইনৰ প্রধান লক্ষ্য। এই আইনে দেশত তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰাৰ উপৰিও স্থানীয় জনসাধাৰণৰ সাধাৰণ সভা (General Assembly) হিচাপে পৰিগণিত গ্রাম সভাক (Gram Sabha) সাংবিধানিক মর্যাদা প্রদান কৰে। প্রতি পাঁচ বছৰৰ অন্তৰে অন্তৰে পঞ্চায়ত অনুষ্ঠানসমূহৰ নিয়মিত নির্বাচন অনুষ্ঠিত কৰা; অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন সংৰক্ষণ কৰা; মহিলাসকলৰ বাবে সুকিয়াকৈ ৩৩% আসন সংৰক্ষণৰ ব্যৱস্থা কৰা, ইত্যাদি হ'ল এই আইনখনৰ কেইটামান উল্লেখযোগ্য দিশ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কোনখন আইনৰ প্রতিবেদনত স্থানীয় স্বায়ত্ব শাসন বিষয়টোক দ্বৈতশাসন (Dyarchy) ৰ অধীনত হস্তান্তৰিত বিষয় (Transferred Subject) হিচাপে উল্লেখ কৰিছিল ?

.....

.....

প্রশ্ন ২ ঃ কোন চনত সমূহীয়া উন্নয়ন পৰিকল্পনা (Community Development Project) আৰম্ভ কৰা হৈছিল ?

(ক) ১৯৪৭ (খ) ১৯৫১ (গ) ১৯৫২

.....

.....

প্রশ্ন ৩ ঃ কোনখন কমিটিৰ প্রতিবেদনক পঞ্চায়ত ব্যৱস্থাৰ মহাঅধিকাৰ পত্র (Magna-Carta) হিচাপে জনা যায়।

(ক) বলবন্ত ৰায় মেহতা

(খ) অশোক মেহতা কমিটি

(গ) জি. ভি. কে. ৰাও কমিটি।

.....

.....

প্রশ্ন ৪ ঃ বলবন্ত ৰায় মেহতা কমিটিয়ে তিনিতৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ পৰামর্শ আগবঢ়াইছিল। (শুদ্ধ/অশুদ্ধ)

.....

.....

১২.৪ অসমৰ স্থানীয় স্বায়ত্ব শাসন

আগতেই উল্লেখ কৰা হৈছে যে বৃটিছ ৰাজত্বকালত স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ উন্নয়নৰ কাৰণে কোনাধৰণৰ উল্লেখযোগ্য পদক্ষেপ গ্রহণ কৰা হোৱা নাছিল। দেশৰ উন্নয়নী প্রক্রিয়াত জনসাধাৰণে অংশগ্রহণ কৰাৰ সুবিধা নোপোৱা হেতুকে ভাৰতীয় জনসাধাৰণে সময়ে সময়ে প্রতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ অনুৰূপ প্রভাৱ অসমকে ধৰি সমগ্র ভাৰতবর্ষৰ ৰাজ্যসমূহত সমানে পৰিলক্ষিত হৈছিল। স্থানীয় অনুষ্ঠানসমূহক সীমিত পৰিমাণৰ ক্ষমতা দিছিল। স্থানীয় জনসাধাৰণৰ স্বার্থৰ প্রতি বৃটিছ শাসকবর্গই মনোযোগ নিদিয়াৰ ফলস্বৰূপে স্থানীয় অনুষ্ঠানসমূহ বিৰাট বিপর্যয়ৰ সন্মুখীন হৈছিল। অৱশ্যে স্থানীয় জনসাধাৰণৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰাৰ উদ্দেশ্যে কিছুমান আইন প্রণয়ন কৰা হৈছিল। ইয়াৰ ভিতৰত ১৮৮৭ চনত প্রণয়ন কৰা চৌকিদাৰ পঞ্চায়ত আইন (Chowkidar Panchayat Act) আছিল অন্যতম। এইখন আইনে গাঁও অঞ্চলত গাঁও পঞ্চায়ত গঠন কৰাৰ ওপৰত গুৰুত্ব দিছিল। এই আইনে গাঁও অঞ্চলৰ ৬০ ঘৰ বা তাতকৈ অধিক সামৰি গাঁও পঞ্চায়ত গঠন কৰাৰ সমূহ দায়িত্ব জিলা শাসনকর্তাৰি (District Magistrate) হাতত অর্পণ কৰিছিল। আনহাতে, এই আইনৰ জৰিয়তে প্রায় ওচৰা-ওচৰিকৈ থকা দুখন গাঁও সামৰি এখন পঞ্চায়ত গঠনৰ ব্যৱস্থাও অন্তর্ভুক্ত কৰা হৈছিল। প্রাচীন অসমত প্রচলিত এই আইনৰ অধীনত চৌকিদাৰী ব্যৱস্থাৰ পদ্ধতি (Chowkidari System) প্রচলন আছিল আৰু চৌকিদাৰসকলে গাঁৱৰ জনসাধাৰণক সেৱা কৰিছিল। গাঁৱৰ জনসাধাৰণৰ পৰা সংগৃহীত কৰ (Tax) আদায়ৰ যোগেদি তেওঁলোকক পাৰিশ্রমিক দিয়াৰো ব্যৱস্থা আছিল। মুঠৰ ওপৰত, সেইসময়ত পঞ্চায়তৰ কাম-কাজ চৌকিদাৰী ব্যৱস্থাৰ মাজত সীমিত আছিল।

১৯০৯ চনৰ পাছত সমগ্র ভাৰতবর্ষৰ লগতে অসমতো পঞ্চায়ত ব্যৱস্থাই এক বিশেষ দিশত গতি কৰিছিল। কাৰণ ১৯০৯ চনত অসম ৰয়েল কমিছন অন দিচেন্ত্রলাইজেছন (Assam Royal Commission on Decentralisation) (১৯০৭) ৰ পৰামর্শৰলী গ্রহণ কৰা হয়। এই আয়োগে পঞ্চায়ত অনুষ্ঠানসমূহক অধিক ক্ষমতা হস্তান্তৰ কৰাৰ বিষয়ে পৰামর্শ আগবঢ়াইছিল। আন ৰাজ্যৰ দৰে সমসাময়িকভাৱে অসমতো এই আয়োগৰ পৰামর্শৰলীসমূহ অনুসৰণ কৰা হয় আৰু পঞ্চায়ত অনুষ্ঠানসমূহক স্থানীয় সমস্যা যেনে- জনস্বাস্থ্য, পানীযোগান ইত্যাদি সমাধান কৰাৰ বাবে অধিক ক্ষমতা হস্তান্তৰ কৰাৰ ওপৰত গুৰুত্ব প্রদান কৰা হয়।

১৯১৫ চনত গৃহীত হোৱা স্থানীয় স্বায়ত্ব শাসিত আইন (Local Self Government Act) খনত এই আয়োগৰ পৰামৰ্শৱলী অন্তর্ভুক্ত কৰা হয়। এই আইনৰ অধীনত পঞ্চায়ত সদৃশ কিছুমান স্থানীয় অনুষ্ঠান গঠন কৰা হৈছিল যদিও এই অনুষ্ঠানসমূহে প্রশাসনীয় আৰু বিত্তীয় সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছিল। আনহাতে গাঁও অঞ্চলৰ জনসাধাৰণৰ মাজত সৃষ্টি হোৱা খেলিমেলিৰ ফলত এই অনুষ্ঠানসমূহে সুচাৰুৰূপে প্রশাসনীয় কার্য পৰিচালনা কৰিব পৰা নাছিল। ১৯২৬ চনত পুনৰ অসম গ্রামীন স্বায়ত্বশাসিত আইন (Assam Rural Self Government Act) নামৰ আন এখন আইন প্রৱর্তন কৰা হৈছিল। গাঁৱৰ জনসাধাৰণে যাতে তেওঁলোকৰ সক্রিয় অংশগ্রহণেৰে স্থানীয় সমস্যাসমূহ সুচাৰুৰূপে সমাধান কৰিব পাৰে সেই উদ্দেশ্যে এই প্রশাসনীয় গাঁথ নিৰ সৃষ্টি কৰা আৰু পঞ্চায়তসমূহক অধিক ক্ষমতা আৰু কার্য হস্তান্তৰ কৰাই আছিল এই আইন প্রৱর্তনৰ প্রধান লক্ষ্য। পঞ্চায়তসমূহৰ ক্ষমতা আৰু কার্য পৰিধি বৃদ্ধি কৰা হৈছিল যদিও স্থানীয় জনসাধাৰণে এই অনুষ্ঠানসমূহৰ প্রশাসনীয় কাম-কাজ পৰিচালনা কৰিব পৰা নাছিল। ১৯৪৮ চনত অসম গ্রামীণ পঞ্চায়ত আইন (Assam Rural Panchayat Act) নামেৰে আন এখন আইন গ্রহণ কৰা হৈছিল আৰু এই আইনৰ জৰিয়তে দুই তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰা হয়। প্রাথমিক পঞ্চায়ত (Primary Panchayat) আৰু গ্রাম্য পঞ্চায়ত (Rural Panchayat) নামেৰে দুই ধৰণৰ পঞ্চায়ত অনুষ্ঠান এই আইনৰ যোগেদি গঠন কৰা হৈছিল। প্রাথমিক পঞ্চায়তৰ প্রশাসনীয় কামকাজ এখন গাঁৱৰ মাজতেই সীমাবদ্ধ আছিল যদিও গ্রাম্য পঞ্চায়তৰ হাতত দুই-তিনিখন গাঁৱৰ প্রশাসনীয় কাম-কাজ পৰিচালনাৰ দায়িত্ব অর্পণ কৰা হৈছিল। অৱশ্যে এই আইন খনেও জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব পৰা নাছিল।

১৯৫৯ চনত অশোক মেহতা কমিটিৰ (১৯৫৭) (Ashok Mehta Committee, 1957) পৰামর্শৰ ভিত্তিত অসম পঞ্চায়তীৰাজ আইন (১৯৫৯) (Assam Panchayati Raj Act, 1959) নামেৰে এখন আইন প্রৱর্তন কৰা হৈছিল। এই আইনৰ অধীনত মহকুমা পৰিষদ (Mohkuma-Parishad), আঞ্চলিক পঞ্চায়ত (Anchalik Panchayat) আৰু গাঁও পঞ্চায়ত (Gram Panchayat) নামেৰে তিনিতৰপীয়া পঞ্চায়ত অনুষ্ঠান গঠন কৰা হয়। মহকুমা পৰিষদে পৰামর্শকাৰী গোট (advisory body) হিচাপে প্রশাসনৰ উচ্চ পর্যায়ত, আঞ্চলিক পঞ্চায়তে মধ্য পর্যায়ত আৰু গাঁও পঞ্চায়তে একেবাৰে নিম্ন পর্যায়ত কার্যনির্বাহ কৰিছিল। কিন্তু আঞ্চলিক পৰিষদে সুকলমে কাম কাজ সম্পাদন কৰিব নোৱাৰাৰ হেতুকে ১৯৭২ চনত আইনগতভাৱে বিলুপ্ত কৰা হয়। সেই অনুসাৰে ১৯৭২ চনত দুইতৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰা হয় আৰু জিলা পর্যায়ত মহকুমা পৰিষদ আৰু গাঁও পর্যায়ত গাঁও পঞ্চায়ত পুনৰ গঠন কৰা হয়। জনস্বাস্থ্য, শিক্ষা, জনকল্যান, কৃষি, কুটীৰ শিল্প, সমবায় সমিতি ইত্যাদি বিষয়ৰ দায়িত্ব মহকুমা পৰিষদৰ হাতত অর্পণ কৰা হয়। আনহাতে, গাঁও অঞ্চলৰ উন্নয়নৰ কাম-কাজৰ সম্পূর্ণ দায়িত্ব গাঁও পঞ্চায়তৰ হাতত অর্পণ কৰা হয়।

অসমৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ ইতিহাসত আন এক উল্লেখযোগ্য আইন হ'ল ১৯৮৬ চনৰ অসম পঞ্চায়তীৰাজ আইন (Assam Panchayati Raj Act 1986)। এই আইনে পুনৰ তিনিতৰপীয়া পঞ্চায়ত ব্যৱস্থা প্ৰ ৱর্তন কৰিছিল। এই আইনৰ যোগেদি আঞ্চলিক পঞ্চায়তৰ বাজেট অনুমোদন কৰা, আঞ্চলিক পঞ্চায়তৰ কাম-কাজ নিৰীক্ষণ কৰা, অনুদান বিতৰণৰ সন্দৰ্ভত চৰকাৰক উপদেশ দিয়া ইত্যাদি দায়িত্বসমূহ মহকুমা পৰিষদৰ হাতত ন্যস্ত কৰা হৈছিল।

অসমৰ পঞ্চায়ত ব্যৱস্থাৰ ইতিহাসত ১৯৯২ চনটোক এক উল্লেখযোগ্য বর্ষ বছৰ হিচাপে গণ্য কৰিব পাৰি। কাৰণ এই বছৰতেই পঞ্চায়ত নির্বাচন অনুষ্ঠিত হৈছিল।

১৯৯২ চনত ভাৰত চৰকাৰে ৭৩ তম সংবিধান সংশোধনী আইনৰ যোগেদি তৃণমূল পর্যায়লৈ গণতন্ত্রক স্থলাভিষিক্ত কৰাৰ উদ্দেশ্যে নতুন পঞ্চায়তীৰাজ ব্যৱস্থাৰ সূচনা কৰে। ইয়াৰ অনুৰূপ ব্যৱস্থা হিচাপে অসম চৰকাৰেও অসম পঞ্চায়ত আইন ১৯৯৪ (Assam Panchayat Act 1994) গ্রহণ কৰে। এই আইন অনুসৰি জিলা পর্যায়ত জিলা পৰিষদ, ব্লক পর্যায়ত আঞ্চলিক পঞ্চায়ত আৰু গাঁও পর্যায়ত গাঁও পঞ্চায়ত নামেৰে তিনিতৰপীয়া পঞ্চায়ত অনুষ্ঠান গঠন কৰা হয়। গাঁও অঞ্চলৰ ভোটাৰসকলে প্রত্যক্ষভাৱে গাঁও পঞ্চায়তৰ সভাপতি আৰু সদস্যসকলক নির্বাচিত কৰে। নির্বাচিত আঞ্চলিক পঞ্চায়তৰ সদস্যসকলৰ মাজৰে পৰা আঞ্চলিক পঞ্চায়তৰ সভাপতিজনকে নির্বাচিত কৰা হয়। আনহাতে, জিলা পৰিষদৰ সদস্যসকলক জিলাপৰিষদ এলেকাৰ ভোটাৰসকলে প্রত্যক্ষভাৱে নির্বাচিত কৰে।

অসম পঞ্চায়ত আইন ১৯৯৪ৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল অনুসূচিত জাতি, জনজাতি লোকসকল আৰু বিশেষকৈ মহিলাসকলৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা। এই ব্যৱস্থাত জনগাঁথনিৰ ওপৰত ভিত্তি কৰি অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ কাৰণে আসন সংৰক্ষণৰ দিহা কৰা হৈছে। মহিলাসকলক ৰাজনৈতিক প্রতিনিধিত্ব আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত অংশগ্রহণৰ সুবিধা দিয়াৰ উদ্দেশ্যে মুঠ আসনৰ ৩৩% শতাংশ আসন মহিলাৰ কাৰণে আচুতীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। পঞ্চায়ত অনুষ্ঠানসমূহৰ বিত্তীয় দিশ-নিৰীক্ষণৰ কাৰণে ৰাজ্যিক বিত্তীয় আয়োগ (State Finance Commission) গঠনৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যিক বিত্তীয় আয়োগে পঞ্চায়ত অনুষ্ঠানসমূহলৈ প্রয়োজনীয় পুঁজিৰ যোগন ধৰিব পাৰে। তদুপৰি, জিলা পৰিকল্পনা কমিটি (District Planning Committee) গঠন কৰি সমগ্র জিলাৰ খচৰা পৰিকল্পনা (Draft Plan) প্রস্তুত কৰাৰ দিহা কৰা হৈছে। জিলা পৰিকল্পনা কমিটিয়ে প্রস্তুত কৰা খচৰা পৰিকল্পনা নির্দ্ধাৰিত সময়ত চৰকাৰৰ ওচৰত প্রেৰণ কৰিব লাগে।

অসম পঞ্চায়ত আইন ১৯৯৪ অধীনত পঞ্চায়ত অনুষ্ঠানসমূহৰ বাবে কিছুমান কার্য (functions) নির্ধাৰিত কৰা হৈছে। ইয়াৰ ভিতৰত গাঁও পঞ্চায়তে সম্পাদন কৰিব লগীয়া কার্যসমূহ হ'ল - বার্ষিক অর্জন আৰু বার্ষিক বাজেট প্রস্তুত কৰা, প্রাকৃতিক দুর্যোগৰ সময়ত সাহার্য দানৰ ব্যৱস্থা কৰা, ৰাজহুৱা সম্পত্তিৰ বেদখল মুক্ত কৰা, স্বেচ্ছামূলক শ্রমদান ব্যৱস্থা

সংগঠিত কৰা, সামাজিক কামৰ বাবে বৰঙণি সংগ্রহ কৰা, গাঁও অঞ্চলৰ পৰিসংখ্যা যুগুত কৰা আৰু গাঁও পঞ্চায়ত এলেকাৰ অধীনত উন্নয়নমূলক কাম সম্পন্ন কৰা ইত্যাদি।

সেইদৰে, আঞ্চলিক পঞ্চায়তেও বার্ষিক আঁচনি আৰু বার্ষিক বাজেট প্রস্তুত কৰি জিলা পৰিষদৰ অনুমোদনৰ কাৰণে পঠাব লাগে। ইয়াৰ উপৰি আঞ্চলিক পঞ্চায়ত এলেকাধীন গাঁও পঞ্চায়তবোৰৰ বছৰেকীয়া পৰিকল্পনা বিবেচনা কৰা, একত্র কৰা আৰু একত্রিত পৰিকল্পনা চৰকাৰ বা জিলা পৰিষদলৈ পঠোৱা, চৰকাৰ বা জিলা পৰিষদে ন্যস্ত কৰা কাম সম্পন্ন কৰা, প্রাকৃতিক দুর্যোগৰ সময়ত সাহার্য বিতৰণ কার্যত চৰকাৰক সহায় কৰা ইত্যাদি।

আনহাতে, জিলা পৰিষদৰ প্রধান কাম হ'ল জিলাখনৰ অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায়ৰ বাবে পৰিকল্পনা প্রস্তুত কৰা আৰু ইয়াৰ সফল কার্যকৰণৰ ব্যৱস্থা গ্রহণ কৰা।

ইয়াৰ উপৰি ৰাজ্যিক বিধান মণ্ডলে আইন অনুসৰি পঞ্চায়ত অনুষ্ঠানসমূহক অধিক ক্ষমতা আৰু কার্য অর্পণ কৰিব পাৰে, যাতে ৰাজ্যিক চৰকাৰ বা কেন্দ্রীয় চৰকাৰৰ নিচিনাকৈ পঞ্চায়ত অনুষ্ঠানসমূহেও কার্য সম্পাদন কৰিব পাৰে। ৭৩ তম সংবিধান সংশোধনীৰ জৰিয়তে সমাজৰ অতিকৈ পিছপৰা আৰু অনুন্নত সম্প্রদায়, যেনে - অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ উন্নতিৰ উদ্দেশ্যে আসন সংৰক্ষণৰ দিহা কৰা হৈছে। উপযুক্ত প্রতিনিধিত্ব আৰু প্রত্যক্ষ অংশগ্রহণৰ জৰিয়তে সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক দিশত আন সম্প্রদায়ৰ সমানে সমানে তেওঁলোকক আগবঢ়াই লৈ যোৱাই হ'ল এই আইনৰ আন এক লক্ষ্য। মহিলাসকলক পুৰুষৰ সমকক্ষ আৰু উন্নত কৰা আৰু সমাজত সামাজিক ন্যায় (Social Justice) আৰু লিংগ ভিত্তিক ন্যায় (Gender Justice) প্রতিষ্ঠা কৰাৰ উদ্দেশ্যে মুঠ আসনৰ ৩৩.৩% আসন মহিলাৰ ববে বাধ্যতামূলকভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। পঞ্চায়তী অনুষ্ঠানসমূহৰ ওপৰত কার্যপালিকাৰ নিয়ন্ত্রণ ৰোধ কৰাৰ উদ্দেশ্যে ভাৰতবর্ষৰ প্রায়বোৰ ৰাজ্যিক চৰকাৰে আইনগতভাৱে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ ওপৰত অধিক ক্ষমতা অর্পণ কৰাৰ সমান্তৰালভাৱে অধিক বিভাগ (departments) হস্তান্তৰ কৰিছে। উদাহৰণস্বৰূপে, মধ্যপ্রদেশ চৰকাৰে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক ২২ টা বিভাগ হস্তান্তৰ কৰাৰ বিপৰীতে অসম চৰকাৰে পঞ্চায়ত অনুষ্ঠানসমূহলৈ ১৪ টা বিভাগ হস্তান্তৰ কৰিছে।

জানি থোৱা ভাল



গ্রাম সভা হৈছে পঞ্চায়তীৰাজৰ প্রকৃত ভেটি স্বৰূপ। ই হৈছে গ্রামীণ জনগণৰ নিজস্ব সংসদ। ১৮ বছৰৰ উর্দ্ধৰ প্রতিজন প্রাপ্ত বয়স্ক লোক গ্রাম সভাৰ সদস্য হয়। গ্রাম সভাৰ জৰিয়তে পঞ্চায়ত প্রতিনিধিসকল গাঁওবাসীৰ প্রতি দায়বদ্ধ হৈ থাকে।



চিন্তা-চর্চা কৰক ১২.১

অসমত যোৱাটো পঞ্চায়ত নির্বাচন কেতিয়া অনুষ্ঠিত হৈছিল? এই বিষয়ে অধিক জানিবলৈ চেষ্টা কৰক।

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ ১৯৪৮ চনৰ অসম গ্রামীণ পঞ্চায়ত আইন (Assam Rural Panchayat Act) খনে দুই তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৬ ঃ অসম পঞ্চায়ত আইন (Assam Panchayat Act 1994) ১৯৯৪ অধীনত গঠন কৰা তিনিতৰপীয়া পঞ্চায়ত অনুষ্ঠান উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ৭ ঃ ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ অধীনত পঞ্চায়ত অনুষ্ঠানসমূহলৈ প্রয়োজনীয় পুঁজিৰ যোগান ধৰিবৰ বাবে গঠন কৰা আয়োগৰ নাম উল্লেখ কৰক।

.....

.....

.....

.....

প্রশ্ন ৮ ঃ ১৯৮৬ চনৰ অসম পঞ্চায়ত আইনে (Assam Panchayat Act 1986) কেই তৰপীয়া পঞ্চায়ত ব্যৱস্থা প্র ৱর্তন কৰিছিল?

.....

.....

.....

.....

১২.৫ ৭৩ তম আৰু ৭৪ তম সংবিধান সংশোধনী

ভাৰতবৰ্ষৰ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ ইতিহাসত ৭৩তম আৰু ৭৪তম সংবিধান সংশোধনী আইন, ১৯৯২, এই আইন দুখনক উল্লেখযোগ্য আইন হিচাপে বিবেচনা কৰা হয়। কাৰণ এই আইনে তৃণমূল পর্যায়ৰ স্থানীয় চৰকাৰসমূহক সাংবিধানিক মর্যাদা প্রদান কৰে, যাৰ ফলত স্থানীয় চৰকাৰসমূহ প্রশাসনৰ অবিচ্ছেদ্য অংশ হিচাপে বিবেচিত হৈছে।

১২.৫.১ ৭৩ তম সংবিধান সংশোধনী, ১৯৯২

৭৩ তম সংবিধান সংশোধনী আইন (১৯৯২)ৰ প্রধান বৈশিষ্ট্যসমূহ তলত দিয়া হ'লঃ

- ৭৩ তম সংবিধান সংশোধনী আইন গৃহীত হোৱাৰ ফলত সংবিধানত নতুনকৈ পঞ্চায়ত নামেৰে নৱম অংশ (Part-IX) সংযোজিত কৰা হয়।
- এই নতুন অনুসূচী, অর্থাৎ একাদশ অনুসূচী (Eleventh Schedule) সংযোজন কৰা হয়। ইয়াত ২৯টা বিষয় অন্তর্ভুক্ত কৰা হয় যিসমূহ বিষয় পঞ্চায়তলৈ সংবিধানৰ নৱম অংশৰদ্বাৰা হস্তান্তৰ কৰা হয়; এই বিষয়সমূহ হৈছে— কৃষি, লগতে কৃষি সম্প্রসাৰণ, ভূমি উন্নয়ন, ভূমি সংস্কাৰ ব্যৱস্থা ৰূপায়ণ, ভূমি সংহত আৰু ভূমি সংৰক্ষণ, লঘু জলসিঞ্চন, জল সংৰক্ষণ আৰু জলচ্ছেদ উন্নয়ন, পশুপালন, দুগ্ধপাম আৰু কুকুৰা পালন, মীন পালন, সামাজিক আৰু কৃষি বনানীকৰণ, খাদী আৰু গ্রামোদ্যোগ, গ্রাম্য গৃহ নির্মাণ, খোৱা পানী, ইন্ধন আৰু পশু খাদ্য ইত্যাদি।
- ৭৩ তম সংবিধান সংশোধনী আইনে তিনি তৰপীয়া পঞ্চায়ত ব্যৱস্থাৰ সূচনা কৰে। গাঁও পর্যায়, ব্লক পর্যায়ৰ আঞ্চলিক পঞ্চায়ত আৰু জিলা পর্যায়ত জিলা পৰিষদ নামেৰে তিনি তৰপীয়া ব্যৱস্থাৰ সূচনা কৰা হৈছে।
- উক্ত আইনে পঞ্চায়তী অনুষ্ঠানৰ কার্যকাল পাঁচ বছৰ নির্দ্ধাৰণ কৰে, যাতে নির্দ্ধাৰিত সময়ৰ অন্তৰে অন্তৰে নিয়মিত পঞ্চায়ত নির্বাচন অনুষ্ঠিত হয়।
- অনুচ্ছেদ নং ২৪৩ (B) অনুসৰি গ্রাম্য এলেকাৰ উন্নয়নৰ বাবে স্বায়ত্ব শাসিত অনুষ্ঠান হিচাপে পঞ্চায়ত গঠনৰ ব্যৱস্থা কৰে।
- অনুচ্ছেদ নং ২৪৩ অনুসৰি পঞ্চায়তী অনুষ্ঠানসমূহক স্বায়ত্ব শাসিত অনুষ্ঠান 'Institutions of Self Government' হিচাপে স্বীকৃতি দিয়া হৈছে। ইয়াৰ লগতে এই অনুষ্ঠানসমূহক প্রয়োজনীয় ক্ষমতা আৰু কার্যহস্তান্তৰ কৰা হৈছে যাতে গাঁও অঞ্চলৰ উন্নয়নৰ অর্থে আঁচনি যুগুত কৰি তেনে আঁচনি সফল ৰূপায়ণ কৰিব পাৰে।

- উক্ত আইনে গাঁওসভা (Gram Sabha) নামৰ এক নতুন অনুষ্ঠানৰ জন্ম দিয়ে। গাঁওসভা হ'ল গাঁও অঞ্চলৰ জনসাধাৰণৰ সাধাৰণ সভা (General Assembly) য'ত গাঁও অঞ্চলৰ উন্নয়নৰ চিন্তা-চৰ্চা কৰা হয়।
- ৭৩ তম সংবিধান সংশোধনী অনুসৰি অনুসৰি ৰাজ্যিক বিত্ত আয়োগ গঠন (State Finance Commission) কৰাৰ ব্যৱস্থা কৰা হৈছে। বিভিন্ন স্তৰৰ পঞ্চায়ত অনুষ্ঠানসমূহৰ মাজত ধন (Resource) বিতৰণ কৰাই হ'ল এনে আয়োগৰ প্ৰধান কাম।
- ৭৩ তম সংবিধান সংশোধনী আইনৰ অনুচ্ছেদ নং ২৪৩-ZD অনুসৰি এক বৈশিষ্ট্য হ'ল প্ৰতিখন জিলাৰ কাৰণে একোখনকৈ জিলা পৰিকল্পনা কমিটি (District Planning Committee) গঠন কৰা। সমগ্ৰ জিলাৰ অধীনৰ নগৰীয়া আৰু গাঁৱলীয়া স্থানীয় স্বায়ত্ব শাসিত কৰ্তৃপক্ষবোৰে প্ৰস্তুত কৰা বছৰেকীয়া পৰিকল্পনাবোৰ একত্ৰিত কৰা (Consolidate) আৰু সমগ্ৰ জিলাখনৰ কাৰণে এখন খছৰা পৰিকল্পনা (Draft Plan) প্ৰস্তুত কৰাই হ'ল জিলা পৰিকল্পনা কমিটিৰ প্ৰধান কাম।
- অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ কাৰণে আসন সংৰক্ষণ (Seat Reservation) হ'ল উক্ত সংশোধনী আইনৰ আন এটি এক বৈশিষ্ট্য। সকলোৱে যাতে দেশৰ গণতান্ত্ৰিক আৰু উন্নয়নী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি নিজ জাতিৰ উন্নয়ন সু-নিশ্চিত কৰিব পাৰে সেই উদ্দেশ্যে জনসংখ্যাৰ অনুপাত অনুসৰি আসন সংৰক্ষণৰ দিহা কৰা হৈছে।
- তদুপৰি মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাসকলৰ কাৰণে আচুতীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে পুৰুষৰ দৰে মহিলাসকলেও উন্নয়নী প্ৰক্ৰিয়া আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে।
- উক্ত সংশোধনী আইনে পঞ্চায়ত অনুষ্ঠানসমূহৰ বাবে মুক্ত আৰু নিকা নিৰ্বাচন (Free and Fair Election) অনুষ্ঠিত কৰাৰ দায়িত্ব ৰাজ্যিক নিৰ্বাচনী আয়োগৰ হাতত ন্যস্ত কৰে।

  প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে নিয়মিত নিৰ্বাচন (Regular Election) অনুষ্ঠিত কৰাৰ ওপৰত উক্ত সংশোধনী আইনে গুৰুত্ব প্ৰদান কৰে।
- ৰাজ্যিক বিধান মণ্ডলে আইন প্ৰণয়ন কৰি স্বায়ত্ব শাসিত অনুষ্ঠানসমূহৰ বছৰেকীয়া হিচাপ চালিজাৰি চাব পাৰে আৰু তেনে হিচাপ পৰীক্ষা (Audit) কৰাৰ ব্যৱস্থাও কৰিব পাৰে।



জানি থোৱা ভাল

সামাজিক হিচাপ পৰীক্ষণ (Social Auditing) হ'ল বিত্তীয় হিচাপ পৰীক্ষণৰ পৰিপূৰকভাৱে গঢ়ি উঠা আন এক ধাৰণা (concept)। এনে ধাৰণাৰ জৰিয়তে কোনো এটা সংগঠনৰ অবিত্তীয় দিশসমূহ (non financial aspects), ইয়াৰ সফলতা আৰু বিফলতা, ইত্যাদি সম্বন্ধে গভীৰভাৱে মূল্যায়ন কৰা হয়। সামাজিক হিচাপ পৰীক্ষা কৌশলৰ জৰিয়তে যিকোনো এটা নিৰ্বাচিত বিষয়ৰ ওপৰত গাঁওসভাৰ বৈঠকত আলোচনা কৰা হয় আৰু সংগঠনৰ কৰণীয় সম্বন্ধে আলোকপাত কৰা হয়।

১২.৫.২ ৭৪ তম সংবিধান সংশোধনী আইন, ১৯৯২

৭৪তম সংবিধান সংশোধনী আইন, ১৯৯২, আমাৰ দেশত কার্যকৰী হয় ১৯৯৩ চনৰ ২৪ এপ্রিলৰ পৰা। ৭৪ তম সংবিধান সংশোধনী আইন, (১৯৯২)ৰ প্রধান বৈশিষ্ট্যসমূহ তলত দিয়া হ'ল ঃ

- এই সংশোধনী আইনে সংবিধানত নৱম (ক) (Part-IXA) নামেৰে এক নতুন অংশ সংযোজন কৰে আৰু সংবিধানৰ দ্বাদশ অনুসূচীত (Twelfth Schedule) নগৰ পালিকা (Municipality) সম্বন্ধীয় ১৮টা বিষয় অন্তর্ভুক্ত কৰা হয়।
- ২৪৩ Q নং অনুচ্ছেদ (Article 243Q) অনুসৰি নগৰীয় এলেকাৰ প্রশাসন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ নগৰ পঞ্চায়ত, পৌৰসভা (Municipal Councils) আৰু পৌৰনিগম (Municipal Corporations) নামেৰে তিনিতৰপীয়া নগৰীয়া স্বায়ত্বশাসিত অনুষ্ঠানৰ সৃষ্টি কৰা হয়। ইয়াৰ প্রতিনিধিসকলক নিজসমষ্টিৰ ভোটাৰসকলে প্রত্যক্ষভাৱে নির্বাচিত কৰে। প্রত্যেক পৌৰ এলেকাক কিছুমান সৰু সৰু ভৌগোলিক এলেকাত বিভক্ত কৰা হয় আৰু এনে এলেকাসমূহক ৱার্ড (Ward) বোলে। প্রত্যেক ৱার্ডৰ পৰা এজনকৈ সদস্য প্রত্যক্ষ নির্বাচন পদ্ধতিৰে নির্বাচিত কৰা হয়। সদস্যসকল প্রাপ্তবয়স্ক ভোটাৰ ভিত্তিত নির্বাচিত হয়। ৱাজ্যিক বিধানমণ্ডলে আইন প্রণয়নৰ জৰিয়তে ৱার্ড কমিটিৰ গঠন আৰু ৱার্ড এলেকাৰ সীমা নির্ধাৰণ কৰিব পাৰে।
- প্রত্যেকখন নগৰ পালিকাই ইয়াৰ প্রথমখন সভা আহ্বান কৰা দিনটোৰ পৰা পাঁচ বছৰ কার্যকাল চলায়। ৭৪তম সংবিধান সংশোধনী আইনৰ জৰিয়তে অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। মুঠ আসনৰ ৩৩%শতাংশ আসন মহিলাসকলৰ বাবে সংৰক্ষণৰ দিহা কৰা হৈছে। এই আইনৰ অধীনত নগৰ পালিকাৰ হ'ল এক স্বায়ত্ব শাসিত

অনুষ্ঠান। অর্থনৈতিক উন্নয়ন আৰু সামাজিক ন্যায় প্রতিষ্ঠাৰ উদ্দেশ্যে এনে অনুষ্ঠানসমূহে আঁচনি যুগুত আৰু ৰূপায়ণ কৰিব পাৰে।

- ৰাজ্যিক বিধানমণ্ডলে আইন প্রণয়নৰ জৰিয়তে এনে অনুষ্ঠানসমূহলৈ ক্ষমতা আৰু কর্তৃত্ব হস্তান্তৰ কৰিব পাৰে, যাতে এনে অনুষ্ঠানসমূহ স্বায়ত্বশাসিত অনুষ্ঠান হিচাপে গঢ় লয়। পৌৰ অনুষ্ঠানসমূহে সংবিধানৰ দ্বাদশ অনুসূচীৰ অধীনত অন্তর্ভুক্ত ১৮ টা বিষয়ৰ ওপৰত আঁচনি যুগুত আৰু ৰূপায়ণ কৰিব পাৰে। পৌৰ অনুষ্ঠানসমূহলৈ কৰ আৰোপ আৰু সংগ্রহ কৰৰ ক্ষমতা অর্পণ কৰা হৈছে। পৌৰ এলেকাৰ অন্তর্ভুক্ত পৰিসীমাৰ ভিতৰত এই অনুষ্ঠানসমূহে কৰ আৰোপ আৰু সংগ্রহ কৰি পুঁজি (Fund) গঠন কৰিব পাৰে।
- ৭৩ তম সংবিধান সংশোধনী আইন (১৯৯৩)ৰ অধীনত গঠন হোৱা ৰাজ্যিক वित्तीय আয়োগে (State Finance Commission) পৌৰ অনুষ্ঠানসমূহৰ বিত্তীয় অৱস্থাৰ ওপৰত সমীক্ষা চলাব পাৰে। পৌৰ অনুষ্ঠানসমূহৰ নির্বাচন সুচাৰুৰূপে পৰিচালনা আৰু নিয়ন্ত্রণ কৰাৰ উদ্দেশ্যে ৰাজ্যিক নির্বাচন আয়োগৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে আৰু এই আয়োগে নির্বাচন বিধি প্রস্তুত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৯ ঃ ৭৩তম সংবিধান সংশোধনী আইন কোনটো নতুন অংশ ভাৰতীয় সংবিধানত সংযোজন কৰে?

.....

.....

প্রশ্ন ১০ ঃ পঞ্চায়ত এলেকাৰ অধীনত গাঁওসভা হ'ল গ্রাম্য জনতাৰ সংসদ (People's Parliament) (শুদ্ধ/অশুদ্ধ)

.....

.....

প্রশ্ন ১১ ঃ পঞ্চায়তৰ কার্যকাল -

(ক) ৪ বছৰ (খ) ৫ বছৰ (গ) ৬ বছৰ

.....

.....

প্রশ্ন ১২ ঃ গাঁও পঞ্চায়তৰ সভাপতিজন কেনেকৈ নির্বাচিত হয়?

.....

.....

প্ৰশ্ন ১৩ ঃ নগৰ পালিকাৰ কাৰ্যকাল হ'ল ছয় বছৰ। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ১৪ ঃ নগৰ পালিকাৰ বিভিন্ন ভাগসমূহ কি কি?

.....

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্থানীয় স্বায়ত্ব শাসন' ধাৰণাটোৰ উৎপত্তি হয় আমাৰ দেশ ভাৰতবৰ্ষ বৃটিছসকলে শাসন কৰাৰ সময়ছোৱাত। পঞ্চায়ত অনুষ্ঠানসমূহৰ এক স্বায়ত্ব শাসিত অনুষ্ঠানৰ মৰ্যাদা প্ৰদান কৰাৰ উদ্দেশ্যে স্বাধীনতাৰ পাছৰ পৰাই চৰকাৰী প্ৰচেষ্টাৰ উদ্যোগত বিভিন্ন ধৰণৰ কমিটি গঠন কৰা হৈছিল, যাতে পঞ্চায়ত অনুষ্ঠানসমূহে নিজে আঁচনি প্ৰস্তুত কৰি তেনে আঁচনিৰ ৰূপায়ণ কৰিব পাৰে।
- ৭৩ তম সংবিধান সংশোধনী আইন (১৯৯২) আৰু ৭৪তম সংবিধান সংশোধনী আইন, ১৯৯২, কেইখনক স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থাৰ ইতিহাসত এক মাইলৰ খুটি হিচাপে (milestone) বিবেচনা কৰা হয়। এই আইন কেইখনৰ জৰিয়তে স্থানীয় জনসাধাৰণক ৰাজনৈতিক আৰু প্ৰসাশনীয় দিশত ক্ষমতা হস্তান্তৰ কৰা হৈছে। তৃণমূল পৰ্যায়ত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাই হ'ল এই আইনৰ প্ৰধান লক্ষ্য।
- ৭৩ তম সংবিধান সংশোধনী আইন গৃহীত হোৱাৰ ফলত সংবিধানত নতুনকৈ পঞ্চায়ত নামেৰে নৱম অংশ (Part-IX) সংযোজিত কৰা হয়।এক নতুন অনুসূচী, অৰ্থাৎ একাদশ অনুসূচী (Eleventh Schedule) সংযোজন কৰা হয়।
- প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে নিয়মিত নিৰ্বাচন (Regular Election) অনুষ্ঠিত কৰাৰ ওপৰত ৭৩ তম সংবিধান সংশোধনী সংশোধনী আইনে গুৰুত্ব প্ৰদান কৰে। ইয়াৰ উপৰি মুঠ আসনৰ এক তৃতীয়াংশ আসন মহিলাসকলৰ কাৰণে আচুতীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে পুৰুষৰ দৰে মহিলাসকলেও উন্নয়নী প্ৰক্ৰিয়া আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে। অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ কাৰণে আসন সংৰক্ষণ (Seat Reservation) হ'ল উক্ত সংশোধনী আইনৰ আন এটি এক বৈশিষ্ট্য।
- ইয়াৰ অনুৰূপ ব্যৱস্থা হিচাপে অসম চৰকাৰেও অসম পঞ্চায়ত আইন ১৯৯৪ (Assam Panchayat Act 1994) গ্ৰহণ কৰে। এই আইন অনুসৰি জিলা পৰ্যায়ত জিলা পৰিষদ, ব্লক পৰ্যায়ত আঞ্চলিক পঞ্চায়ত আৰু গাঁও পৰ্যায়ত গাঁও পঞ্চায়ত নামেৰে তিনিতৰপীয়া পঞ্চায়ত অনুষ্ঠান গঠন কৰা হয়।

- ৭৪তম সংবিধান সংশোধনী আইন, ১৯৯২, সংবিধানত নৱম (ক) (Part-IXA) নামেৰে এক নতুন অংশ সংযোজন কৰে আৰু সংবিধানৰ দ্বাদশ অনুসূচীত (Twelfth Schedule) নগৰ পালিকা (Municipality) সম্বন্ধীয় ১৮টা বিষয় অন্তর্ভুক্ত কৰা হয়।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ডঁ পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ডঁ কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K. (2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



১২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মন্টেগু চেম্চ'ফর্ড সংস্কাৰ আইন (Montague Chelmsford Reforms)ৰ প্রতিবেদনত।

২ নং প্রশ্নৰ উত্তৰ ঃ (গ)১৯৫২ চনত

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) বলবন্ত ৰায় মেহতা কমিটি।

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্রশ্নৰ উত্তৰ ঃ জিলা পর্যায়ত জিলা পৰিষদ, ব্লক পর্যায়ত আঞ্চলিক পঞ্চায়ত আৰু গাঁও পর্যায়ত গাঁও পঞ্চায়ত

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰাজ্যিক বিত্তীয় আয়োগ (State Finance Commission)

৮ নং প্রশ্নৰ উত্তৰ ঃ তিনি

৯ নং প্রশ্নৰ উত্তৰ ঃ নৱম অংশ (Part-IX)

১০ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

১১ নং প্রশ্নৰ উত্তৰ ঃ ৫ বছৰ

১২ নং প্রশ্নৰ উত্তৰ ঃ গাঁও পঞ্চায়ত এলেকাৰ অন্তর্ভুক্ত ভোটাৰসকলে প্রত্যক্ষ নির্বাচন পদ্ধতিৰে গাঁও পঞ্চায়তৰ সভাপতি জনক নির্বাচিত কৰে।

১৩ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

১৪ নং প্রশ্নৰ উত্তৰ ঃ নগৰ পালিকা, পৌৰসভা আৰু পৌৰ নিগম



১২.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন -

প্রশ্ন ১ ঃ কোনখন কমিটিয়ে মণ্ডল পঞ্চায়ত আৰু জিলা পঞ্চায়ত নামেৰে দুই তৰপীয়া পঞ্চায়ত অনুষ্ঠান গঢ়ি তোলা পৰামর্শ আগবঢ়াইছিল?

প্রশ্ন ২ ঃ কোনটো অনুচ্ছেদ অনুসৰি পঞ্চায়তী অনুষ্ঠানসমূহক স্বায়ত্ব শাসিত অনুষ্ঠান 'Institutions of Self Government' হিচাপে স্বীকৃতি দিয়া হৈছে?

প্রশ্ন ৩ ঃ নগৰ পালিকাৰ দুটা কার্য উল্লেখ কৰক।

প্রশ্ন ৪ ঃ সংবিধানৰ কোনটো অনুসূচীত নগৰ পালিকা সম্বন্ধীয় বিষয় অন্তর্ভুক্ত কৰা হৈছে?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসম পঞ্চায়ত আইন ১৯৯৪ ৰ প্রধান বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ ৭৩ তম সংবিধান সংশোধনী আইন (১৯৯২) আৰু ৭৪ তম সংবিধান সংশোধনী আইন (১৯৯২)ৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ৩ ঃ ভাৰতৰ স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৪ ঃ অসমৰ স্থানীয় স্বায়ত্ব শাসনৰ বিকাশ সম্পর্কে ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৭৩ তম সংবিধান সংশোধনী আইন (১৯৯২) ৰ মূল বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ২ ঃ ৭৪ তম সংবিধান সংশোধনী আইন (১৯৯২) ৰ মূল বৈশিষ্ট্যসমূহ লিখক।

****

অধ্যায় ১২ ঃ নির্বাচন আয়োগ; নির্বাচনী সংস্কাৰ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ নির্বাচন আয়োগ
১৩.৩.১ গাঁথনি
১৩.৩.২ নিযুক্তি আৰু কার্যকাল
১৩.৩.৩ নির্বাচন আয়োগৰ স্বতন্ত্রতা
১৩.৩.৪ ভাৰতৰ নির্বাচন আয়োগৰ ক্ষমতা আৰু কার্যাৱলী
১৩.৪ ভাৰতত নির্বাচনী সংস্কাৰ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টিৰ জৰিয়তে আপুনি—

- নির্বাচন আয়োগৰ গাঁথনি ব্যাখ্যা কৰিব পাৰিব
- নির্বাচন আয়োগে কিদৰে স্বতন্ত্রতা বজায় ৰাখে লক্ষ্য কৰিব পাৰিব
- নির্বাচন আয়োগৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰিব পাৰিব
- ভাৰত চৰকাৰৰদ্বাৰা বিভিন্ন নির্বাচনী সংস্কাৰ আৰু নির্বাচন আয়োগৰ লগতে আগলৈ অধিক সংস্কাৰৰ বাবে পৰামর্শসমূহ ব্যাখ্যা কৰিব পাৰিব ।

১৩.২ পৰিচয়

গণতান্ত্রিক ব্যৱস্থাত নির্বাচন এক অত্যাৱশ্যকীয় বা আধাৰ উপাদান। গণতন্ত্রই যিহেতু জনসাধাৰণৰ প্রতিনিধিসকলক আইন প্রণয়নৰ ক্ষমতা প্রদান কৰিছে সেয়েহে নির্বাচনৰ গুৰুত্বক অস্বীকাৰ বা অৱমূল্যায়ন কৰিব নোৱাৰি। এক সুসংগঠিত আৰু সুস্থিৰ নির্বাচন পদ্ধতি অবিহনে গণতান্ত্রিক ব্যৱস্থা ফলপ্রসূ হ'ব নোৱাৰে।

সংসদীয় আৰ্হি চৰকাৰেৰে ভাৰত গণৰাজ্য পৃথিৰীৰ ভিতৰতে সর্ববৃহৎ গণতন্ত্র। সেয়েহে নির্বাচন পদ্ধতি আৰু নির্বাচন পৰিচালনা কৌশলে ভাৰতীয় ৰাজনৈতিক পদ্ধতিত গুৰুত্বপূর্ণ স্থান দখল অধিকাৰ কৰিছে। সংবিধানৰ প্রণেতাসকল এই দিশটোৰ প্রতি সম্পূর্ণ সজাগ আছিল

আৰু সেয়েহে স্বতন্ত্ৰ পৰিচালনা ব্যৱস্থাৰ সুবিধা প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, নিৰ্বাচন আয়োগে ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি, কেন্দ্ৰীয় সংসদ আৰু ৰাজ্যিক বিধান সভাৰ নিৰ্বাচন পৰিচালনা কৰে।

এই অধ্যায়ত আমি পুংখানুপুংখভাৱে নিৰ্বাচন আয়োগৰ গাঁথনি, ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰিম। ইয়াৰ সমান্তৰালভাৱে আমাৰ নিৰ্বাচনী প্ৰক্ৰিয়াত যিমান খিনি বিভিন্ন সংস্কাৰ কৰা হৈছে তাৰ লগতে ভৱিষ্যতে সংস্কাৰ সাধনৰ বাবে কিছুমান পৰামৰ্শও আলোচনা কৰা হ'ব।

১৩.৩ নিৰ্বাচন আয়োগ

ভাৰতৰ সংবিধানৰ ৩২৪ নং অনুচ্ছেদে ৰাষ্ট্ৰপতি, উপ ৰাষ্ট্ৰপতি, সংসদ আৰু বিধানসভা এই সকলো নিৰ্বাচন তত্ত্বাৱধান, পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰিবলৈ এক একক নিৰ্বাচন আয়োগৰ সুবিধা প্ৰদান কৰিছে। এই আয়োগ হৈছে স্থায়ী, স্বতন্ত্ৰ আৰু সংবিধান বদ্ধ বা সংবিধান স্বীকৃত সংস্থা।

১৩.৩.১ গাঁথনি

১৯৫০ চনৰ ২৫ জানুৱাৰীত কেৱল এজন মুখ্য নিৰ্বাচন আয়ুক্তৰে নিৰ্বাচন আয়োগ গঠন কৰা হয়। ১৯৮৯ চনত ৰাজীৱ গান্ধীৰ চৰকাৰৰ দিনত প্ৰথম বাৰৰ বাবে আৰু দুগৰাকী নিৰ্বাচনী আয়ুক্ত নিৰ্বাচন আয়োগত নিযুক্তি দিয়া হয়। অৱশ্যে এই সিদ্ধান্ত ১৯৮৯ চনৰ নৱেম্বৰত ভি. পি. সিঙে চৰকাৰৰ দিনতে বাতিল কৰা হয়। ১৯৯৩ চনত ৰাষ্ট্ৰপতিয়ে এক অধ্যাদেশ যোগে দুগৰাকী অতিৰিক্ত আয়ুক্তক নিযুক্তি দিয়ে। পৰৱৰ্ত্তী সময়ত সংসদে নিৰ্বাচনী আয়ুক্ত সংশোধনী বিধেয়ক (১৯৯৩) গৃহীত কৰে, তেতিয়াৰ পৰা দুগৰাকী নিৰ্বাচন আয়ুক্ত আৰু তেওঁলোকৰ ওপৰত এগৰাকী মুখ্য নিৰ্বাচন আয়ুক্তৰে নিৰ্বাচন আয়োগ গঠন কৰা হয়। ১৯৯৫ চনৰ উচ্চতম ন্যায়ালয়ৰ ৰায় অনুসৰি এই তিনিওগৰাকী নিৰ্বাচন আয়ুক্তই সকলো বিষয়তে সমান ক্ষমতা আৰু সমান সাংবিধানিক মৰ্যাদা লাভ কৰিব। অৱশ্যে নিৰ্বাচন আয়োগৰ সভাসমূহত মুখ্য নিৰ্বাচন আয়ুক্তই সভাপতিত্ব কৰিব। সিদ্ধান্ত সমূহ সৰ্বসন্মতি ক্ৰমে অথবা সংখ্যাগৰিষ্ঠ মতৰদ্বাৰা লোৱা হয়।

নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয় বা সচিবালয় নতুন দিল্লীত অৱস্থিত, প্ৰায় তিনিশ বিষয়া কৰ্মচাৰীৰে গঠিত সচিবালয়ৰ মুৰব্বী হিচাপে আয়োগৰদ্বাৰা বাছনিকৃত দুগৰাকী উপ নিৰ্বাচন আয়ুক্ত থাকে। সচিবালয়ে আয়োগৰ প্ৰশাসনীয় কাম-কাজত সহায় কৰে।

ৰাজ্যিক পৰ্যায়ত নিৰ্বাচন আয়োগে নিযুক্তি দিয়া মুখ্য নিৰ্বাচনী বিষয়াই ৰাজ্য চৰকাৰৰ লগত পৰামৰ্শ কৰি ৰাজ্যৰ নিৰ্বাচনী কাম-কাজ তত্ত্বাৱধান কৰে।

১৩.৩.২ নির্বাচন আয়োগৰ নিযুক্তি আৰু কার্যকাল

সংসদে প্রস্তুত কৰা বিধিৰ অধীনত ৰাষ্ট্রপতিয়ে নির্বাচন আয়োগৰ তিনিও গৰাকী নির্বাচন আয়ুক্তক নিযুক্তি প্রদান কৰে। সংসদ আৰু ৰাজ্যিক বিধানসভাৰ সাধাৰণ নির্বাচন আৰম্ভ হোৱা আগেয়ে মুখ্য আয়ুক্তক নিজৰ কর্মৰাজি সম্পাদন কৰাত সহায় কৰিবলৈ ৰাষ্ট্রপতিয়ে প্রাদেশিক আয়ুক্তসকলক নিযুক্তি দিয়ে।

নির্বাচন আয়োগৰ তিনিগৰাকী আয়ুক্তৰ চাকৰিৰ ম্যাদ বা কার্যকাল ছয় বছৰ। ৰাষ্ট্রপতিয়ে এবাৰত তেওঁলোকৰ চাকৰি কাল এবছৰলৈ বৃদ্ধি কৰিব পাৰে। অৱশ্যে ৬৫ বছৰ বয়স অতিক্রম কৰাৰ পাছত তেওঁলোক পদৰীত থাকিব নোৱাৰিব।

১৩.৩.৩ নির্বাচন আয়োগৰ স্বতন্ত্রতা

ভাৰতৰ সংবিধানে নির্বাচন আয়োগৰ স্বতন্ত্রতা বর্তাই ৰখাৰ বাবে কিছুমান নির্দিষ্ট সুবিধা প্রদান কৰিছে যাতে এই সাধ্যগত কর্তৃত্বৰে ৰাজনৈতিক দলসমূহৰ ক্ষমতাৰ হস্তক্ষেপৰ পৰা মুক্ত হৈ দেশত কার্যপালিকা আৰু ন্যায়পালিকাৰ কাৰণে মুক্ত আৰু নিৰপেক্ষ নির্বাচন অনুষ্ঠিত কৰিব পাৰে।

আয়োগৰ নিৰপেক্ষতা আৰু স্বতন্ত্রতা বর্তাই ৰখাৰ বাবে সংবিধানৰদ্বাৰা তলত দিয়া ধৰণেৰে ভূমিকা বা ব্যৱস্থাসমূহ গ্রহণ কৰা হৈছে।

(ক) মুখ্য নির্বাচনী আয়ুক্ত হিচাপে এবাৰ নিযুক্তি পোৱাৰ পাছত তেওঁক ৰাষ্ট্রপতিয়ে সাধাৰণ বা গতানুগতিক পন্থাৰে অপসাৰণ কৰিব নোৱাৰে। অৱশ্যে তেওঁ নিজে পদত্যাগ কৰিব পাৰে। সদনৰ দুই খন সদনতে উপস্থিত দুই তৃতীয়াংশ সদস্যৰ মতদানেৰে গৃহীত প্রস্তাৱ অনুসৰিহে ৰাষ্ট্রপতিয়ে কেৱল মুখ্য নির্বাচনী আয়ুক্তক অপসাৰিত কৰিব পাৰে। আন আন নির্বাচন আয়ুক্ত বা প্রাদেশিক আয়ুক্তসকলক চাকৰিৰ পৰা মুখ্য নির্বাচনী আয়ুক্তৰ পৰামর্শ মর্মে ৰাষ্ট্রপতিয়ে অপসাৰণ কৰিব পাৰে।

(খ) নিযুক্তিৰ পাছত মুখ্য নির্বাচনী আয়ুক্ত এগৰাকী বিফল হ'লে বা তেওঁ কিবা অসুবিধাজনক পৰিস্থিতিৰ মুখামুখি হ'লেও তেওঁৰ চাকৰিৰ পদমর্যাদাৰ পৰিৱর্তন কৰিব নোৱাৰি।

(গ) নির্বাচন অনুষ্ঠিত কৰা, তত্ত্বাৱধানত, পৰিচালনা আৰু নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত নির্বাচন আয়োগৰ ক্ষমতা অদ্বিতীয় বা পূর্ণস্বাধীনতা। এই ক্ষেত্রত কোনোৰে আয়োগক প্রশ্ন কৰিব নোৱাৰে।

১৩.৩.৪ নির্বাচন আয়োগৰ ক্ষমতা আৰু কার্যাৱলী

১৯৫০ আৰু ১৯৫১ চনৰ জনসাধাৰণৰ প্রতিনিধিত্ব আইনৰ সহায়েৰে নির্বাচন আয়ুক্তৰ অধীনত নির্বাচন আয়োগে নির্বাচনী কাম-কাজ সম্পাদন কৰে। দেশৰ সমগ্র

নির্বাচনী প্রক্রিয়াটো এই দুই আইনৰ জৰিয়তে সম্পন্ন হয়। এই দুই আইনে নির্বাচন পদ্ধতি আৰু ইয়াৰ কাম-কাজৰ আধাৰ নির্মাণো কৰিছে।

সংবিধানৰ ৩২৪ ৰ পৰা ৩২৮ অনুচ্ছেদলৈকে নির্বাচন আয়োগৰ ক্ষমতা আৰু কার্যাৱলী উল্লেখ কৰা হৈছে। তলত সেইবোৰ আলোচনা কৰা হ'ল —

(ক) প্রশাসনীয় ক্ষমতা

(১) সংসদ, বিধান সভা, ৰাষ্ট্রপতি, উপ ৰাষ্ট্রপতি আৰু আঞ্চলিক বা দেশৰ পৰিষদ সমূহৰ বাবে ভোটাৰৰ নথি-পত্র, তালিকা আদি প্রস্তুত কৰা; প্রত্যেক লোকপিয়লৰ পাছত আৰু প্রত্যেক সংসদীয় আৰু ৰাজ্যিক বিধান সভাৰ নির্বাচনৰ আগে আগে উপযুক্ত ভাৱে সেইবোৰ পুনঃপৰীক্ষা আৰু সংশোধন কৰা।

(২) দেশত নির্বাচনী প্রক্রিয়াটো মুক্ত আৰু পৰিচ্ছন্নভাৱে যাতে সম্পন্ন হয় তাৰ বাবে সমগ্র ব্যৱস্থাটো তত্ত্বাৱধান কৰা।

(৩) নির্বাচনৰ তাৰিখ স্থিৰ আৰু ঘোষণা কৰা, মনোনয়ন পত্র-দাখিল আৰু প্রত্যাহাৰৰ দিন ধার্য কৰা, নির্বাচনৰ আগেয়ে মনোনয়ন পত্রসমূহ পৰীক্ষা কৰা আৰু নির্বাচনৰ ফলাফল ঘোষণা কৰা।

(৪) কেন্দ্র আৰু বিধান সভাৰ সদস্যৰ অযোগ্যতাৰ সম্পর্কত প্রশ্ন উত্থাপন হ'লে আয়োগে ৰাষ্ট্রপতি আৰু ৰাজ্যপালক এই বিষয়ত পৰামর্শ প্রদান কৰিব পাৰে।

(৫) নির্বাচন পৰিচালনাৰ বাবে প্রয়োজনীয় কর্মচাৰী যাতে যথোপযুক্তভাৱে পোৱা যায় তাৰ সুবিধা কৰিবলৈ ৰাষ্ট্রপতি আৰু ৰাজ্যৰ ৰাজ্যপালক অনুৰোধ কৰা।

(৬) কোনো সমষ্টিত যদি ভোট গ্রহণৰ দিনা অসৎ কার্যপন্থাৰ বাবে বিশৃংখলতাৰ সৃষ্টি হয়, তেতিয়া সমষ্টিটোত নতুনকৈ ভোট গ্রহণৰ ব্যৱস্থাও আয়োগে কৰিব পাৰে।

(৭) লোকসভা আৰু ৰাজ্যিক বিধান সভাৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বাবে আসন সংৰক্ষণ বিষয়তো নির্বাচন আয়োগ জড়িত।

(৮) সংসদৰ সাম্প্রতিক সীমা নির্ধাৰণ আইনৰ অধীনত সমগ্র ভাৰতৰ সমষ্টিসমূহৰ ক্ষেত্রীয় সীমা নির্ধাৰণ।

(৯) ৰাজনৈতিক দলসমূহক স্বীকৃতি প্রদান আৰু পঞ্জীয়ন কৰা, নির্বাচনৰ ফলাফলৰ পাছত দলসমূহৰ কৃতকার্যতা বা সফলতাক আধাৰ কৰি ৰাষ্ট্রীয় বা ৰাজ্যিক ৰাজনৈতিক দলসমূহক তেওঁলোকৰ মর্যাদা প্রদান কৰা, আৰু দলসমূহক প্রতীক চিহ্ন প্রদান কৰা।

(১০) কোনো এক ৰাজনৈতিক দলৰ নির্বাচনী প্রতীক চিহ্ন বণ্টন সম্পর্কীয় বিতর্ক বা বাদানুবাদ সৃষ্টি হ'লে, নির্বাচন আয়োগে তাৰ সমাধান কৰিব পাৰে।

(১১) নিৰ্বাচন আয়োগে নিৰ্বাচনৰ আগেয়ে সকলোবোৰ ৰাজনৈতিক দলক ৰাজহুৱা প্ৰচাৰ মাধ্যম যেনে সৰ্বভাৰতীয় অনাতাঁৰ আৰু দূৰদৰ্শন যোগেদি নিৰ্বাচনী প্ৰচাৰ চলাবৰ বাবে সময় নিৰ্ধাৰণ আৰু আৱণ্টনো কৰে।

(খ) অৰ্ধ বিচাৰ সংক্ৰান্তীয় ক্ষমতা

(১) নিৰ্বাচন আয়োগ স্বীকৃতি প্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ মাজত বিবাদ নিষ্পত্তি আৰু নিৰ্বাচনী প্ৰতীক পট আৱণ্টনৰ ক্ষেত্ৰত আদালতৰ দৰে কাৰ্য সম্পাদন কৰে। নিৰ্বাচনী ব্যৱস্থাৰ লগত জড়িত বিবাদ বা বিতৰ্কসমূহ অনুসন্ধানৰ বাবে আয়োগে বিষয়া নিয়োগ কৰিব পাৰে।

(২) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী এগৰাকীক নিৰ্বাচন আয়োগে অযোগ্য ঘোষণা কৰিব পাৰে যদিহে প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনী ব্যয়ৰ হিচাপ আয়োগে নিৰ্ধাৰণ কৰি দিয়া সময়ৰ ভিতৰত আৰু আইনে নিৰ্ধাৰণ কৰি দিয়া মতে দিব নোৱাৰে।

(৩) নিৰ্বাচন আয়োগে আইনৰ অধীনত এনে ধৰণৰ অযোগ্যতাৰ সময় হ্ৰাস বা প্ৰত্যাহাৰ কৰিব পাৰে আৰু আন অযোগ্যতাও উঠাই ল'ব পাৰে।

(গ) নিৰ্বাচনৰ আৰ্হি আচৰণ বিধি ঃ

(১) নিৰ্বাচন আয়োগৰ আন গুৰুত্বপূৰ্ণ কাৰ্য হ'ল আৰ্হি আচৰণ বিধি প্ৰস্তুত কৰা আৰু আয়োগৰদ্বাৰা ৰাজ্যিক বিধান সভা বা লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে আৰ্হি আচৰণ বিধি বলৱৎ কৰা। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো সম্পূৰ্ণ হোৱালৈকে আৰ্হি আচৰণ বিধি বাহাল থাকে।

আৰ্হি আচৰণ বিধি হৈছে ভাৰতৰ নিৰ্বাচন আয়োগে জাৰী কৰা শাসনাধিষ্ঠিত দলকে ধৰি সকলো ৰাজনৈতিক দল আৰু সকলো প্ৰতিদ্বন্দ্বীয়ে নিৰ্বাচনৰ সময়ত প্ৰধানকৈ সাধাৰণ আচাৰ বিধি সম্পৰ্কত, ভাষণ, নিৰ্বাচনী ইস্তাহাৰ, সভা-সমিতি আৰু শোভাযাত্ৰা, ভোট গ্ৰহণৰ দিন আৰু ভোট গ্ৰহণ কেন্দ্ৰ আদিবোৰত পালন কৰিবলগীয়া নিৰ্দেশাৱলী বা নিয়মৰ সমষ্টি।

আচাৰ বিধিত সন্নিৱিষ্ট নিৰ্দেশাৱলী বা নিয়মসমূহ মানি চলিম বুলি দেশৰ সকলো ৰাজনৈতিক দলৰ সন্মতি স্বীকাৰ আৰু ঐক্যমতেৰেহে নিৰ্বাচনী আচাৰ বিধিৰ নিৰ্দেশাৱলী সফল কাৰ্যকৰী হয়। আৰ্হি আচৰণ বিধিৰ প্ৰধান লক্ষ্যই মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰা, সাম্প্ৰদায়িক সংঘাত আৰু দুৰ্নীতি কাৰ্য প্ৰতিহত কৰা।

- **সাধাৰণ আচাৰ বিধি**

  কোনো দল বা প্ৰাৰ্থীয়ে এনে কোনো কামত জড়িত হ'ব নোৱাৰে, যি বিভিন্ন জাতি আৰু ধৰ্ম বা ভাষিক সম্প্ৰদায়ৰ মাজত উত্তেজনাৰ/সংঘাতৰ কাৰণ হয় বা তেওঁলোকৰ মাজত বিদ্যমান বৈপৰীত্যক অধিক তীব্ৰতৰ কৰি তোলে।

যেতিয়া আন এটা ৰাজনৈতিক দলক সমালোচনা কৰা হয়, তেতিয়া এই সমালোচনা সেইদলৰ নীতি আৰু আঁচনি, বিগত সময়ৰ দলটোৰ তথ্যপাতি আৰু কাম-কাজৰ মাজতে সীমাবদ্ধ হ'ব লাগে। দলেই হওক বা প্ৰাৰ্থীয়ে হওক আন প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ ব্যক্তিগত জীৱনক সমালোচনা কৰিব নোৱাৰিব।

সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে ভোটাৰক ধন প্ৰদান কৰা, ভোটাৰক ভয় ভাবুকি প্ৰদান কৰা, ভোটাৰক প্ৰভাৱিত কৰা, ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰৰ ভিতৰত প্ৰচাৰ চলোৱাৰ দৰে দুৰ্নীতিমূলক কাৰ্যৰ পৰা আঁতৰি থাকিব লাগিব। ভোট গ্ৰহণৰ দিনা ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টাৰ আগতেই ৰাজহুৱা সভা, শোভাযাত্ৰা আদিবোৰ বন্ধ হ'ব লাগিব আৰু ভোট গ্ৰহণ কেন্দ্ৰলৈ প্ৰাৰ্থী বা দলে ভোটাৰক অনা নিয়া কৰিব নোৱাৰিব।

মছজিদ, মন্দিৰ,গীৰ্জা বা অন্যান্য উপাসনা থলসমূহ নিৰ্বাচনী প্ৰচাৰ থলী হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব। জাতি, সম্প্ৰদায়, বা ভাষা আৰু ধৰ্মৰ ভিত্তিত কোনো দল বা প্ৰাৰ্থীয়ে ভোট লাভৰ বাবে চেষ্টা বা ভোট বিচাৰিব নোৱাৰিব।

- **সভা-সমিতি বা শোভাযাত্ৰা সম্পৰ্কীয় নিৰ্দেশাৱলী**

দল বা প্ৰাৰ্থী এগৰাকীয়ে যিকোনো প্ৰস্তাৱিত প্ৰচাৰ সভাত উচ্চ প্ৰাবল্য শব্দ যন্ত্ৰ বা আন যিকোনো ধৰণৰ সা-সুবিধা সমূহ ব্যৱহাৰ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা আৱশ্যকীয় অনুমতি বা অনুজ্ঞা লাভ কৰিব লাগিব।

নিৰ্বাচনী সভা অনুষ্ঠিত কৰিবলৈ আয়োজকে সভা অনুষ্ঠিত হ'বলগীয়া স্থান, যেনে — ৰাজহুৱা খেলপথাৰ, ৰাজহুৱা প্ৰেক্ষাগৃহ, ৰাজহুৱা গৃহ আদিবোৰ ব্যৱহাৰৰ বাবে আগতীয়াকৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমতি ল'ব লাগে।

ৰাজনৈতিক দল বা প্ৰাৰ্থী এগৰাকীয়ে তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া যিকোনো ধৰণৰ সভা-সমিতি শোভাযাত্ৰা আদিৰ সময় আৰু স্থানৰ বিষয়ে স্থানীয় আৰক্ষী প্ৰশাসনক জনাব লাগে যাতে আৰক্ষীয়ে শোভাযাত্ৰাৰ সময়ত যান-যঁট নিয়ন্ত্ৰণ আৰু শান্তি শৃংখলা বৰ্তাই ৰাখিব পাৰে।

সমদল বা শোভাযাত্ৰা আয়োজকে ইয়াৰ আৰম্ভণি আৰু সামৰণি স্থানৰ লগতে সমদলৰ যাত্ৰা পথৰ বিষয়েও আগতীয়াকৈ প্ৰশাসনক অৱগত কৰিব লাগে। এই ক্ষেত্ৰত কোনো বিকল্প ৰখা উচিত নহয়।

- **ভোটগ্ৰহণৰ দিন আৰু ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে নিৰ্দেশাৱলী**

সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থী বা তেওঁলোকৰ সমৰ্থক সকল ভোটগ্ৰহণৰ দিনা আৰু ভোটগ্ৰহণ শেষ হ'বলৈ ৪৮ ঘন্টা সময় থকাৰে পৰা ভোটাৰৰ মাজত নিচাযুক্ত পানীয় বিতৰণ বা যোগান ধৰা কাৰ্যৰ পৰা বিৰত থাকিব লাগিব।

ভোটগ্ৰহণ কেন্দ্ৰৰ কাষত অন্যাৱশ্যকীয় জনসমাগমৰ অনুমতি দিয়া বা উৎসাহিত কৰা আৰু ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰদ্বাৰা অস্থায়ী দলীয় শিবিৰ বা টিকট ঘৰ

স্থাপন কৰা নিষিদ্ধ। ভোটৰ আৰু প্ৰাৰ্থীৰদ্বাৰা স্বীকৃত ভোট প্ৰতিনিধিৰ বাহিৰে নিৰ্বাচন আয়োগৰ পাৰ-পত্ৰ অবিহনে কোনো লোক ভোট গ্ৰহণ কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰে।

ভোটগ্ৰহণ কেন্দ্ৰৰ আভ্যন্তৰ বা কাষত বিশৃংখল আচৰণ আৰু শান্তি ভংগ, ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহৰদ্বাৰা ভোটগ্ৰহণ কেন্দ্ৰ অধিগ্ৰহণ, উচ্চ প্ৰাবল্যযুক্ত শব্দযন্ত্ৰ ব্যৱহাৰ আদিবোৰ নিষিদ্ধ।

- **শাসনাধিষ্ঠিত দল বা ক্ষমতাধিষ্ঠিত দলৰ কাৰণে নিৰ্দেশাৱলী**

কেন্দ্ৰৰে হওক বা ৰাজ্যৰেই হওক শাসনাধিষ্ঠিত দলে নিৰ্বাচনী প্ৰচাৰত তেওঁলোকৰ চৰকাৰী মৰ্যাদা ব্যৱহাৰ কৰিব নোৱাৰিব।

ৰাজহুৱা ঠাই বা ভূমিত ৰাজহুৱা সভা অনুষ্ঠিত কৰা আৰু নিৰ্বাচন সংক্ৰান্তীয় কাম-কাজত ব্যৱহৃত আকাশী যান বা হেলিকপ্তাৰ আদি অৱতৰণ কৰিবলৈ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত শাসনাধিষ্ঠিত দলৰ একচেটীয়া অধিকাৰ নাথাকিব। এনেধৰণৰ সুযোগ সুবিধা আৰু স্থান একে নিয়ম আৰু চৰ্ত্ত সাপেক্ষে আন দল বা প্ৰাৰ্থীসকলকো ব্যৱহাৰ কৰিবলৈ শাসনাধিষ্ঠিত দলে দিব লাগিব।

জিৰণি গৃহ, ডাক বঙলা, অন্যান্য চৰকাৰী গৃহ যাপনৰ সুবিধাসমূহ কেৱল শাসনাধিষ্ঠিত দলে বা প্ৰাৰ্থীয়ে একচেটীয়াভাৱে ব্যৱহাৰ কৰিব নোৱাৰে আৰু এনে সা-সুবিধাসমূহ আন দল বা প্ৰাৰ্থী সমূহকো সুন্দৰ ধৰণেৰে ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিব লাগে। কিন্তু কোনো দল বা প্ৰাৰ্থীয়ে এনে থকা খোৱাৰ সুবিধাসমূহ বা আশ্ৰয়গৃহ সহিতে মুকলি ঠাই আদি নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় বা কোনো দলৰ নিৰ্বাচনী সভা অনুষ্ঠিত কৰা গৃহ বা ঠাই হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব।

শাসন ক্ষমতাত থকা দলটোৱে বাতৰি কাকত আৰু আন আন প্ৰচাৰ মাধ্যমত ৰাজহুৱা টকা ব্যয় কৰি নিজৰ বিজ্ঞাপন দিব নোৱাৰিব। নিৰ্বাচনৰ সময়ত চৰকাৰী জনসংযোগ মাধ্যমৰ অপব্যৱহাৰেৰে ক্ষমতাধিষ্ঠিত দলে নিজৰ পৰিৱেশন কৰিব নোৱাৰিব। নিৰ্বাচনৰ সময়ত যিকোনো বিত্তীয় অনুদানৰ ঘোষণা বা প্ৰতিশ্ৰুতি, যিকোনো ধৰণৰ প্ৰকল্প বা আঁচনিৰ অধীনত আধাৰশিলা স্থাপন, আদি কাৰ্যৰ পৰা নিৰ্বাচনী বিধিয়ে মন্ত্ৰী আৰু অন্যান্য কৰ্তৃপক্ষক বাৰণ কৰিছে। এই সময়ছোৱাত শাসনাধিষ্ঠিত দলে ভোটাৰক নিজৰ পক্ষে প্ৰভাৱিত কৰিবলৈ চৰকাৰী বা চৰকাৰী অধীনস্থ ৰাজহুৱা খণ্ডত বিশেষ নিযুক্তি আদিও দিব নোৱাৰিব।

ইয়াৰ উপৰি নিৰ্বাচনী কামত মন্ত্ৰীসকলক চৰকাৰী গাড়ী ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া নহয়। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী, বিধায়ক, সাংসদ, মন্ত্ৰী সকলে স্থানীয় নিগম, চৰকাৰ অধীনস্থ ৰাজহুৱা খণ্ড পৌৰ নিগম আদিৰ যান-বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

সামৰণিত ক'ব পাৰি যে, নির্বাচনী আৰ্হি আচৰণ বিধি ভংগৰ বহুতো ঘটনা ভাৰতৰ নির্বাচন আয়োগৰ দৃষ্টিগোচৰলৈ অহা আমি লক্ষ্য কৰিছোঁ। কিন্তু বহুবোৰ ঘটনাত আগলৈ এনেধৰণৰ ভুলৰ পুনৰাবৃত্তি নকৰিবলৈ সকীয়নি দি অপৰাধ ক্ষমা কৰি দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ নির্বাচন আয়োগ এক সাংবিধানিক সংস্থা। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ২ ঃ নির্বাচন আয়োগ এক একক সদস্যৰ আয়োগ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৩ ঃ মুখ্য নির্বাচন আয়ুক্তক কোনে নিযুক্তি দিয়ে?

.....

প্রশ্ন ৪ ঃ নির্বাচন আয়ুক্তসকলৰ কার্যকাল কিমান?

.....

প্রশ্ন ৫ ঃ নির্বাচন আয়োগৰ স্বতন্ত্রতা বর্তাই ৰখাবলৈ গ্রহণ কৰা দুটা পদক্ষেপ উল্লেখ কৰক।

.....

প্রশ্ন ৬ ঃ ভাৰতৰ নির্বাচন আয়োগৰ দুটা গুৰুত্বপূর্ণ কার্যাৱলী লিখক।

.....

.....

১৩.৪ ভাৰতৰ নির্বাচনী সংস্কাৰ সমূহ

ওপৰৰ আলোচনাৰ পৰা আমাৰ দেশৰ গণতান্ত্রিক ৰাজনৈতিক ব্যৱস্থাত নির্বাচন আয়োগৰ গুৰুত্ব আমি উপলব্ধি কৰিলোঁ। সন্দেহ নাই, নির্বাচন আয়োগে অতি দক্ষতা আৰু সাধুতাৰে ইয়াৰ কর্তব্যসমূহ পালন কৰে। অৱশ্যে ইয়াৰ পাছতো আমাৰ নির্বাচনী ব্যৱস্থাত নির্দিষ্ট কিছুমান আঁসোৱাহ আছে। টকা আৰু বাহুবল ক্ষমতা, ভোটগ্রহণ কেন্দ্র দখল, ৰিগিং, নির্বাচনী হিংসা, দৰিদ্রতা, জাতিবাদ, সাম্প্রদায়িকতা সংস্থাপন হীনতা, বহু কোণীয়া প্রতিদ্বন্দ্বিতা, নির্বাচনী প্রক্রিয়াত অপৰাধমূলক আৰু অসামাজিক উপাদানৰ সংযোগ, সামান্য ভোটৰ সংখ্যাগৰিষ্ঠতাত বিজয় ঘোষণা পদ্ধতি, নিম্ন ভোট দান হাৰেৰে ভোট আৰু আসনৰ মাজত ৰৈ যোৱা পার্থক্যৰ বাবে হোৱা নির্বাচনী অসমতা, শাসনত থকা দলৰ দ্বাৰা নির্বাচনী আৰু চৰকাৰী যন্ত্রটো অপব্যৱহাৰ, অধিক সংখ্যক ভোটাৰৰ মাজতেই শিক্ষাৰ অভাৱ আদিৰ দৰে বহু বেমাৰ আৰু অসৎ কার্যই আমাৰ নির্বাচন ব্যৱস্থাটোক কলুষিত কৰিছে।

সেয়েহে এনেধৰণৰ আঁসোৱাহ আৰু অনিয়মবোৰৰ পৰা উপশম পাবলৈ নিতান্তই নিৰ্বাচন আয়োগৰ বহুল সংস্কাৰৰ প্ৰয়োজন। তেতিয়াহে ভাৰতীয় গণতন্ত্ৰ শক্তিশালী সমৃদ্ধিশালী হ'ব।

বিভিন্ন নিৰ্বাচনী সংস্কাৰ কমিটি, আয়োগ আদিৰ প্ৰতিবেদন আৰু বিভিন্ন আলোচনা চক্ৰত হোৱা কিছু সংখ্যক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দলীয় আলোচনা আৰু ব্যক্তিগত ফালৰ পৰাও ভাৰতৰ নিৰ্বাচনী সংস্কাৰৰ বাবে কিছুমান আৱশ্যকীয় পৰামৰ্শ আহিছে। কেইখনমান গুৰুত্বপূৰ্ণ কমিটি হৈছে ভি.এম. টৰকুণ্ডে কমিটি (১৯৭৪), ডিনেশ গোস্বামী কমিটি (১৯৯০), ৰাজনীতি অপৰাধীকৰণ সম্পৰ্কত ভোহৰা কমিটি, ৰাজ্যৰ পুঁজিৰে অনুষ্ঠিত নিৰ্বাচন সম্পৰ্কত ইন্দ্ৰজিৎ গুপ্তা কমিটি, আইন আয়োগৰ উপানুক্ৰমিক প্ৰতিবেদন, নিৰ্বাচন আয়োগ, এম.এন ভেংকট চালিয়াৰ অধ্যক্ষতাত সংবিধান পুনৰীক্ষণ সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগ বীৰপ্পা মৈলীৰ অধ্যক্ষতাত চৰকাৰী নীতি সম্পৰ্কীয় দ্বিতীয় প্ৰশাসনীয় সংস্কাৰ আয়োগ, এ. পি.শ্বৰ অধ্যক্ষতাত আইন আয়োগৰ প্ৰতিবেদন (২০১৫) আদি।

যি কি নহওক চৰকাৰে বহু আয়োগৰ প্ৰতিবেদন পৰামৰ্শসমূহ আংশিক ভাৱে গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে, ১৯৮৮ চনৰ ৬১ সংখ্যক সংবিধান সংশোধনী জৰিয়তে ভোটদানৰ নিম্নতম বয়স ২১বছৰৰ পৰা ১৮ বছৰ কৰা হয়। অনুপযুক্ত প্ৰাৰ্থীক ৰোধ কৰিবৰ বাবে প্ৰস্তাৱকৰ সংখ্যা বৃদ্ধি কৰা হৈছে। ১৯৯৮ চনৰ পৰা ইলেক্টনিক ভোটিং মেচিনৰ (EVM) ব্যৱহাৰ কৰা হৈছে। ভোটকেন্দ্ৰ দখলৰ দৰে ঘটনা সংঘটিত সমষ্টিত ভোটগ্ৰহণ ৰদ কৰি নতুনকৈ ভোটগ্ৰহণৰ দিন ঘোষণা কৰাৰ ব্যৱস্থা কৰা হৈছে। ১৯৭১ চনৰ ৰাষ্ট্ৰীয় সন্মান আইন অমান্য কৰা ব্যক্তিক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাত অযোগ্য বুলি ঘোষণা কৰা হৈছে। জমানত ধনৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। দুটাতকৈ অধিক সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাত বাধা, ভোট গ্ৰহণ কেন্দ্ৰলৈ বা তাৰ আশে পাশে অস্ত্ৰ শস্ত্ৰ লৈ যোৱাত বাধা, নিৰ্বাচনৰ দিনা কৰ্মচাৰী সকললৈ বেতনসহ ছুটী মঞ্জুৰ, নিচাজাতীয় পানীয় বিক্ৰীত বাধা, উপনিৰ্বাচনৰ বাবে সময়সীমা নিৰ্ধাৰণ, নিৰ্বাচনী প্ৰচাৰৰ সময় ২০ দিনৰ পৰা ১৪ দিনলৈ হ্ৰাস, নিৰ্বাচনৰ সময়ছোৱাত ভোট প্ৰদান কৰি ওলাই অহা ভোটাৰক কাক ভোটদান কৰিলে সেয়া সোধাত বাধা প্ৰদান, লোকসভা আসনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী এগৰাকীয়ে সৰ্বোচ্চ নিৰ্বাচনী ব্যয় ৰ ১৬ পৰা ৪০ লাখ আৰু বিধান সভা আসনত ৮ ৰ পৰা১৬ লাখ কৰা, পোষ্টেল বেলটৰ যোগেদি ভোটদানৰ ব্যৱস্থা, ভাৰতৰ বাহিৰত বাস কৰা নাগৰিককো ভোটদানৰ সুবিধা প্ৰদান, প্ৰত্যেক বছৰৰ ২৫ জানুৱাৰীত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপনৰ যোগেদি ভোটাৰৰ মাজত সজাগতা বৃদ্ধি কৰা ২০০০০/- টকাতকৈ বেছি বৰঙণিৰ বাবে দলসমূহে আয়কৰৰ কাৰণে নিৰ্বাচন আয়োগক জনোৱা ভোটাৰৰ সম্পূৰ্ণ কম্পিউটাৰকৃত তথ্যাৱলী প্ৰস্তুত কৰা ফটোযুক্ত ভোটাৰ তালিকা, ভোট গ্ৰহণ আৰু ভোট গণনাৰ দৃশ্য গ্ৰহণ নিৰ্বাচনৰ সময়ছোৱাত ভ্ৰমণ ব্যয় বেহাই, প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰদ্বাৰা পূৰ্বৱৰ্তী অপৰাধ সম্পৰ্কীয় গোচৰ, সম্পত্তিৰ তালিকা আদি ঘোষণা আৰু শপতনামাত কোনো ভুল তথ্য প্ৰদান কৰিলে বৰ্তমান সি শাস্তিযোগ্য নিৰ্বাচনী অপৰাধ, ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ ব্যৱস্থা, নিৰ্বাচনী প্ৰচাৰত প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ হিচাপ ৰাখিবলৈ পৰ্যবেক্ষক নিযুক্তি, ভোটাৰ এগৰাকীয়ে ভোটদান কৰাৰ পাছত তেওঁৰ ভোটটো তেওঁৰ পছন্দৰ প্ৰাৰ্থীজনে পাইছে নাই সেই কথাত নিশ্চিত হ'বৰ বাবে (VVPAT) ৰ ব্যৱস্থা কৰা আদি কাৰ্যবোৰ নিৰ্বাচনী সংস্কাৰৰ বাবে সম্ভৱ হৈছে।

ইমানৰ পাছতো নির্বাচন সম্পর্কীয় বহুতো সমস্যা জটিল আৰু প্রত্যাহ্বান হিচাপে বর্তমানো থিয় দি আছে। সেইবোৰ মোকাবিলা কৰিবৰ বাবে বিশেষ কিছুমান পৰামর্শ তলত দিয়া হ'ল —

(১) ৰাজনৈতিক দলসমূহ তথ্য জনা অধিকাৰ আইন (RTI act) ৰ অধীনলৈ অনা উচিত।

(২) নির্বাচনী ব্যয় হ্রাসৰ বাবে কেন্দ্র আৰু ৰাজ্যিক বিধানসভাৰ নির্বাচন একে সময়তে অনুষ্ঠিত কৰা।

(৩) ৰাজনৈতিক দল সমূহৰ পুঁজি সংগ্রহৰ উৎস আৰু বিত্তীয় হিচাপৰ স্বচ্ছতা বাধ্যতামূলক কৰা।

(৪) বিধান সভা, সংসদ আৰু স্থানীয় নিকায় নিগমৰ নির্বাচনৰ বাবে উমৈহতীয়া ভোটাৰ তালিকাৰ ব্যৱস্থা কৰা।

(৫) কাৰোবাৰ উদ্দেশ্য সিদ্ধিৰ বাবে নির্বাচনত অৱতীর্ণ হোৱা বা গাম্ভীর্যহীন বেপেৰুৱা স্বতন্ত্র প্রার্থীক প্রতিদ্বন্দ্বিতা কৰাত অনুমতি নিদিয়া উচিত।

(৬) প্রার্থী এগৰাকীক নির্দিষ্ট এটা সমষ্টিৰ পৰাহে প্রতিদ্বন্দ্বিতা কৰিবলৈ দিয়া উচিত।

(৭) গণনাকাৰীসকলে কেন্দ্রই প্রতি ভোটদান অনুসৰি আৰু দাবী হুমকি আৰু হিংসা কার্যৰ শংকাৰ পৰা আঁতৰত থাকি ভোটগণনা কৰা উচিত।

(৮) নির্বাচন আয়োগৰ কাৰণে এক স্থায়ী স্বতন্ত্র সচিবালয় সৃষ্টি আৰু অপসাৰণৰ বিষয়ত আয়োগৰ সকলো সদস্যকে সমান সাংবিধানিক সুৰক্ষা প্রদানৰদ্বাৰা নির্বাচন আয়োগক অধিক শক্তিশালী কৰা উচিত।

(৯) নির্বাচন সম্পর্কীয় বিচাৰসমূহ সমাধান কৰিবলৈ প্রতি উচ্চন্যায়ালয়তে একাধিক নির্বাচনী বিচাৰপীঠ আৰম্ভ কৰা প্রয়োজন।

(১০) সংস্থা সংগঠনসমূহৰ বিশ্বাসযোগ্যতা সুনিশ্চিত কৰিবলৈ আগতীয়া মৌখিক মতদান বা ভোটদানৰ পাছত ভোটাৰ সকলৰ মাজত চলোৱা সমীক্ষাৰে সাম্ভাব্য বিজয়ী বিচাৰ (Exit Poll) নিয়ন্ত্রণ কৰা আৱশ্যক আৰু জনসাধাৰণৰ মাজত চলোৱা আগতীয়া নির্বাচনী সমীক্ষাৰ পদ্ধতিটোৰ বৈধতা বা কার্যকাৰিতাও মূল্যায়ন কৰা উচিত।

এইটো আশা কৰা হৈছে যে ওপৰৰ নির্বাচনী সংস্কাৰৰ পৰামর্শসমূহ নির্বাচনী প্রক্রিয়াত নাগৰিকৰ অংশগ্রহণ বৃদ্ধি কৰিব, দুর্নীতি হ্রাস কৰিব আৰুভাৰতৰ গণতান্ত্রিক শক্তিশালী কৰাত সহায় কৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ ভাৰতৰ নির্বাচনী সংস্কাৰৰ লগত জড়িত দুখন কমিটিৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন ৮ ঃ বর্তমানলৈকে প্রযোজ্য যিকোনো তিনিটা নির্বাচনী সংস্কাৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৯ ঃ কিমান সংখ্যক সংশোধনীৰ জৰিয়তে ভাৰতীয় নাগৰিকৰ ভোটাধিকাৰৰ বয়স ২১ ৰপৰা ১৮ কৰা হয়?

.....

প্রশ্ন ১০ ঃ কোন বছৰত প্রথমবাৰৰ বাবে ভাৰতত ইলেক্ট্রনিক ভোটিং মেচিন (EVM) ব্যৱহাৰ কৰা হৈছিল?

.....

প্রশ্ন ১১ ঃ নির্বাচনী সংস্কাৰৰ বাবে যিকোনো তিনিটা পৰামর্শ আগবঢ়োৱাওক ।

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নির্বাচন আয়োগ স্থায়ী, স্বতন্ত্র আৰু সাংবিধানিক বা সংবিধানাবদ্ধ সংস্থা। বর্তমান সময়ত এজন মুখ্য নির্বাচন আয়ুক্ত, আন দুগৰাকী নির্বাচন আয়ুক্তৰ লগতে দুগৰাকী উপ নির্বাচন আয়ুক্ত আৰু সচিবালয় সমন্বিতে নির্বাচন আয়োগ গঠিত।
- শাসনাধিষ্ঠিত ৰাজনৈতিক দল, প্রশাসন আৰু বিধানমণ্ডলৰ যিকোনো হস্তক্ষেপ নোহোৱাকৈ মুক্ত আৰু নিৰপেক্ষ নির্বাচন সুনিশ্চিত কৰিবলৈ নির্বাচন আয়োগক স্বতন্ত্রতা প্রদান কৰি ভাৰতৰ সংবিধানে নির্দিষ্ট কিছুমান সুবিধা প্রদান কৰিছে।
- গণতান্ত্রিক ব্যৱস্থাত নির্বাচন এক অত্যাৱশ্যকীয় বা আধাৰ উপাদান।
- এক সুসংগঠিত আৰু সুস্থিৰ নির্বাচন পদ্ধতি অবিহনে গণতান্ত্রিক ব্যৱস্থা ফলপ্রসূ হ'ব নোৱাৰে।
- ভাৰতৰ সংবিধানৰ ৩২৪ নং অনুচ্ছেদে ৰাষ্ট্রপতি, উপ ৰাষ্ট্রপতি, সংসদ আৰু বিধানসভা এই সকলো নির্বাচন তত্ত্বাৱধান, পৰিচালনা আৰু নিয়ন্ত্রণ কৰিবলৈ এক একক নির্বাচন আয়োগৰ সুবিধা প্রদান কৰিছে।
- ১৯৫০ চনৰ ২৫ জানুৱাৰীত কেৱল এজন মুখ্য নির্বাচন আয়ুক্তৰে নির্বাচন আয়োগ গঠন কৰা হয়।
- নির্বাচন আয়োগৰ সভাসমূহত মুখ্য নির্বাচন আয়ুক্তই সভাপতিত্ব কৰিব। সিদ্ধান্তসমূহ সর্বসন্মতি ক্রমে অথবা সংখ্যাগৰিষ্ঠ মতৰদ্বাৰা লোৱা হয়।
- সংসদে প্রস্তুত কৰা বিধিৰ অধীনত ৰাষ্ট্রপতিয়ে নির্বাচন আয়োগৰ তিনিও গৰাকী নির্বাচন আয়ুক্তক নিযুক্তি প্রদান কৰে।

- নির্বাচন আয়োগৰ তিনিগৰাকী আয়ুক্তৰ চাকৰিৰ ম্যাদ বা কার্যকাল ছয় বছৰ।
- অৱশ্যে ৬৫ বছৰ বয়স অতিক্রম কৰাৰ পাছত তেওঁলোক পদবীত থাকিব নোৱাৰিব।
- ভাৰতৰ সংবিধানে নির্বাচন আয়োগৰ স্বতন্ত্রতা বর্তাই ৰখাৰ বাবে কিছুমান নির্দিষ্ট সুবিধা প্রদান কৰিছে যাতে এই সাধ্যগত কর্তৃত্বৰে ৰাজনৈতিক দলসমূহৰ ক্ষমতাৰ হস্তক্ষেপৰ পৰা মুক্ত হৈ দেশত কার্যপালিকা আৰু ন্যায়পালিকাৰ কাৰণে মুক্ত আৰু নিৰপেক্ষ নির্বাচন অনুষ্ঠিত কৰিব পাৰে।
- ১৯৫০ আৰু ১৯৫১ চনৰ জনসাধাৰণৰ প্রতিনিধিত্ব আইনৰ সহায়েৰে নির্বাচন আযুক্তৰ অধীনত নির্বাচন আয়োগে নির্বাচনী কাম-কাজ সম্পাদন কৰে।
- আৰ্হি আচৰণ বিধি প্রস্তুত কৰা আৰু আয়োগৰদ্বাৰা ৰাজ্যিক বিধান সভা বা লোকসভাৰ সাধাৰণ নির্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে আৰ্হি আচৰণ বিধি বলৱৎ কৰা।
- আৰ্হি আচৰণ বিধি হৈছে ভাৰতৰ নির্বাচন আয়োগে জাৰী কৰা শাসনাধিষ্ঠিত দলকে ধৰি সকলো ৰাজনৈতিক দল আৰু সকলো প্রতিদ্বন্দ্বীয়ে নির্বাচনৰ সময়তপালন কৰিবলগীয়া নির্দেশাৱলী বা নিয়মৰ সমষ্টি।
- আৰ্হি আচৰণ বিধিৰ প্রধান লক্ষ্যই মুক্ত আৰু নিকা নির্বাচন অনুষ্ঠিত কৰা, সাম্প্রদায়িক সংঘাত আৰু দুর্নীতি কার্য প্রতিহত কৰা।

  ভৱিষ্যত সংস্কাৰৰ বাবে পৰামর্শ আদি এই সকলোবোৰ আলোচনা কৰা হ'ল আৰু শিকা হ'ল।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K. (2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাষ্ট্ৰপতি

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৬ বছৰ, ৬৫বছৰৰ পাছত পদবীত থাকিব নোৱাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) নিযুক্তিৰ পাছত মুখ্য নিৰ্বাচন আয়ুক্ত এগৰাকীক তেওঁৰ অসুবিধাৰ বাবে চাকৰি পৰিস্থিতি সাল-সলনি কৰিব নোৱাৰি।

(খ) নিৰ্বাচন আয়ুক্তৰ ক্ষমতা হৈছে নিৰ্বাচন তত্ত্বাৱধান, পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত তেৱেঁই সৰ্বেসৰ্বা আৰু কোনোৱে এই ক্ষেত্ৰত তেওঁক প্ৰশ্ন কৰিব নোৱাৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) দেশত নিৰ্বাচনী প্ৰক্ৰিয়াটো মুক্ত আৰু পৰিচ্ছন্নভাৱে যাতে সম্পন্ন হয় তাৰ বাবে সমগ্ৰ ব্যৱস্থাটো তত্ত্বাৱধান কৰা।

(খ) নিৰ্বাচনৰ তাৰিখ স্থিৰ আৰু ঘোষণা কৰা, মনোনয়ন পত্ৰ-দাখিল আৰু প্ৰত্যাহাৰৰ দিন ধাৰ্য কৰা, নিৰ্বাচনৰ আগেয়ে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা আৰু নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ভি.এম. টুৰকুণ্ডে কমিটি (১৯৭৪)

(খ) ডিনেশ গোস্বামী কমিটি (১৯৯০)

৮ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ভোটাৰলৈ ফটোযুক্ত পৰিচয় পত্ৰ ব্যৱস্থা

(খ) ভোটাধিকাৰ বয়স ২১ৰ পৰা ১৮ ৰ লৈ হ্ৰাস।

(গ) ভোটাৰৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে প্ৰতি বছৰৰ ২৫ জানুৱাৰী তাৰিখে ‘ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৮ চনৰ ৬১ সংখ্যক সংশোধনী।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯৮।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) ৰাজনৈতিক দলসমূহ তথ্য জনা অধিকাৰ আইনৰ অধীনলৈ অনা।

(খ) প্ৰাৰ্থী এগৰাকীক মাত্ৰ এটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দিয়া।

(গ) এক ৰাষ্ট্ৰ এক নিৰ্বাচন সূত্ৰ প্ৰয়োগ অৰ্থাৎ নিৰ্বাচনী সংকোচনৰ কাৰণে কেন্দ্ৰ আৰু ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন একে সময়তে অনুষ্ঠিত কৰা।



১৩.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদে ভাৰতত এক নিৰ্বাচন আয়োগৰ সুবিধা প্ৰদান কৰিছে।

প্ৰশ্ন ২ ঃ কোনটো বছৰত নিৰ্বাচন আয়োগ স্থাপিত হৈছিল?

প্ৰশ্ন ৩ ঃ কোনটো বৰ্ষত প্ৰথমবাৰৰ বাবে দুগৰাকীকৈ নিৰ্বাচন আয়ুক্ত নিযুক্তি দিয়া হৈছিল?

(খ) চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নিৰ্বাচন আয়োগৰ নিৰপেক্ষতা বা স্বতন্ত্ৰতা বৰ্তাই ৰখাৰ বাবে সংবিধানত থকা সুবিধাসমূহ চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ আদৰ্শ আচৰণ বিধি কি? আদৰ্শ আচৰণ বিধিত সন্নিৰিষ্ট নিৰ্দেশাৱলী বা নিয়মসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মুখ্য নিৰ্বাচন আয়ুক্তৰ নিযুক্তি আৰু অপসাৰণ প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতত নিৰ্বাচনী সংস্কাৰৰ প্ৰয়োজনীয়তা আছে বুলি ভাবেনে? যদি আছে বুলি ভাবে তাৰ সপক্ষে চাৰিটা যুক্তি দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ বৰ্তমানলৈকে কাৰ্যকৰী হোৱা নিৰ্বাচনী সংস্কাৰ আৰু আমাৰ নিৰ্বাচনী প্ৰক্ৰিয়াত আৰু অধিক প্ৰয়োজনীয় বুলি আপুনি ভবা নিৰ্বাচনী সংস্কাৰৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ১৩ ঃ ভাৰতবৰ্ষৰ ৰাজনীতিত আঞ্চলিকতাবাদ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ আঞ্চলিকতাবাদৰ অর্থ
১৪.৪ আঞ্চলিকতাবাদৰ প্রকাৰসমূহ
১৪.৫ ভাৰতবর্ষত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণসমূহ
১৪.৬ আঞ্চলিকতাবাদ সমস্যা সমাধানৰ সম্ভৱপ্রায় উপায়সমূহ
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আঞ্চলিকতাবাদৰ অর্থ আলোচনা কৰিব পাৰিব
- ভাৰতবর্ষত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণসমূহ পৰীক্ষা কৰিব পাৰিব
- আঞ্চলিকতাবাদ সমস্যা সমাধানৰ উপায়সমূহ বিশ্লেষণ কৰিব পাৰিব।

১৪.২ পৰিচয়

স্বাধীনতাৰ পিচৰে পৰা ভাৰতবর্ষৰ ৰাজনীতিত আঞ্চলিকতাবাদ বিষয়টো এক প্রধান সমস্যা হৈ পৰিছে। মাজে সময়ে এই সমস্যাটোৱে ভাৰতবর্ষৰ একতা আৰু সংহতিৰ প্রতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। আঞ্চলিকতাবাদৰ উদ্ভৱৰ ফলস্বৰূপে ভাৰতবর্ষত কেইবাখনো ৰাজ্য অথবা ৰাজ্যৰ অংশ কিছুমানে ভাৰতবর্ষৰ ভিতৰত অধিক স্বায়ত্ত্ব শাসনৰ বাবে দাবী জনাইছে। কিন্তু এইখিনিতে এই কথাটোও উল্লেখ কৰা উচিত যে আঞ্চলিকতাবাদ সমস্যাটো সদায় নেতিবাচক দৃষ্টিভংগীৰ ফালৰ পৰা লক্ষ্য কৰাটো উচিত নহয়। বহুক্ষেত্রত আঞ্চলিকতাবাদে কোনো এখন ৰাজ্য অথবা কোনো এক অঞ্চলৰ স্বার্থক কেন্দ্রীয় চৰকাৰৰ অপ্রত্যাশিত হস্তক্ষেপৰ পৰা ৰক্ষা কৰে। এই অধ্যায়টিত আমি ভাৰতবর্ষৰ ৰাজনীতিৰ পৰিপ্রেক্ষিতত আঞ্চলিকতাবাদ বিষয়েটোৰ অর্থ আৰু ইয়াৰ বিভিন্ন প্রকাৰৰ বিষয়ে আলোচনা কৰিম। লগতে আঞ্চলিকতাবাদৰ উদ্ভৱৰ বাবে দায়ী কাৰণসমূহ আৰু এই সমস্যাৰ সমাধানৰ বিভিন্ন উপায় এই অধ্যায়ত আলোচনা কৰা হ'ব।

১৪.৩ আঞ্চলিকতাবাদৰ অর্থ

সাধাৰণতে আঞ্চলিকতাবাদে কোনো ব্যক্তিয়ে বাস কৰা বিশেষ অঞ্চলৰ প্ৰতি থকা ভালপোৱাকে সূচায়। আঞ্চলিকতাবাদ বিষয়টোৰ সকৰাত্মক আৰু নকাৰাত্মক— দুয়ো প্ৰকাৰৰ অর্থ আছে। নকৰাত্মক অর্থত আঞ্চিলিকতাবাদে সমগ্ৰ ৰাষ্ট্ৰৰ তুলনাত ব্যক্তিৰ কোনো এক বিশেষ অঞ্চলৰ প্ৰতি থকা অত্যাধিক সংযোজনক বুজায়, যিয়ে ৰাষ্ট্ৰখনৰ একতা আৰু সংহতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে। গতিকে নকৰাত্মক অর্থত আঞ্চলিকতাবাদে ৰাষ্ট্ৰৰ একতা, সংহতি আৰু বৈধতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা এক বিভেদকামী শক্তি হিচাপে কার্য কৰে। সকৰাত্মক অর্থত আঞ্চলিকতাবাদে জনসাধাৰণৰ তেওঁলোকৰ নিজৰ অঞ্চল, সংস্কৃতি, ভাষাৰ প্ৰতি থকা ভালপোৱাক সূচায়, যাৰ মুখ্য উদ্দেশ্য তেওঁলোকৰ স্বাধীন অস্তিত্ব আৰু মর্যাদা অটুট ৰখা আৰু ইয়ে জনসাধাৰণৰ মাজত উমৈহতীয়া অঞ্চল, সংস্কৃতি আৰু ভাষাৰ ভিত্তিত, ভাতৃত্ববোধৰ ভাব সঞ্চাৰিত কৰাত সহায় কৰে। অন্য কথাত ক'বলৈ গ'লে আঞ্চলিকতাবাদে কোনো এক অঞ্চলৰ নিজা স্বার্থ সমাধা কৰাৰ ইচ্ছাক বুজায় আৰু জনসাধাৰণৰ স্বাধীনতা আৰু গণতন্ত্ৰ লাভৰ আকাংক্ষা প্ৰতিফলিত কৰে। ভাৰতীয় ৰাজনীতিৰ পৰিপ্ৰেক্ষিতত আঞ্চলিকতাবাদে বিভিন্ন দল অথবা গোটসমূহে তেওঁলোকৰ জাতিগত, ভাষিক, ৰাজনৈতিক অথবা অর্থনৈতিক স্বার্থ পূৰণৰ বাবে কৰা দাবী সমূহক সূচায়। অন্য অর্থত আঞ্চলিকতাবাদ হৈছে সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিকভাবে অৱহেলিত দলৰ বহিঃপ্ৰকাশ, যিবোৰে তেওঁলোকৰ দাবী সমূহৰ জৰিয়তে ন্যায় পাবলৈ যত্ন কৰে। আৰু প্ৰায়ে এই দাবী সমূহে অতি গুৰুতৰ ৰূপ ধাৰণ কৰি ভাৰতবৰ্ষৰ একতা আৰু সংহতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে।

১৪.৪ আঞ্চলিকতাবাদৰ প্ৰকাৰসমূহ

ভাৰতবর্ষত আঞ্চলিকতাবাদৰ বিভিন্ন প্ৰকাৰ দেখিবলৈ পোৱা যায় যেনে—

- **অধিক স্বায়ত্ব শাসনৰ দাবী ঃ** ভাৰতবর্ষত আঞ্চলিকতাবাদৰ আন এক প্ৰকাৰ হৈছে অধিক স্বায়ত্ব শাসনৰ দাবী। ৰাজনৈতিক, অর্থনৈতিক আদি ক্ষেত্ৰত এনে ধৰণৰ অধিক স্বায়ত্ব শাসনৰ দাবী জনোৱা হয়। ৰাজ্যৰ আঞ্চলিক ৰাজনৈতিক দলবোৰে এনেকুৱা ধৰণৰ অধিক স্বায়ত্ব শাসনৰ বাবে দাবী জনায়। উদাহৰণস্বৰূপে অসমত অসম গণ পৰিষদ, পঞ্জাৱত আকালী দলে (Akali Dal) নিজৰ নিজৰ ৰাজ্যত অধিক স্বায়ত্ত্ব শাসনৰ বাবে দাবী জনাইছে।
- **ভাৰতবর্ষৰ ভিতৰত পৃথক ৰাজ্য গঠনৰ বাবে দাবী ঃ** আঞ্চলিকতাবাদৰ অন্য এটা প্ৰকাৰ ভাৰতবর্ষৰ ভিতৰত পৃথক ৰাজ্য গঠনৰ দাবীৰ জৰিয়তে প্ৰকাশিত হৈছে। আঞ্চলিকতাবাদৰ এইটো প্ৰকাৰ ভাৰতবর্ষত স্বাধীনতাৰ পিছত হোৱা ১৯৫৬ চনৰ ৰাজ্যসমূহৰ পুনৰগঠনৰ পিছৰে পৰা অধিক দৃশ্যমান হৈছে। ৰাজ্যসমূহৰ পুনৰ গঠনৰ পিচৰে পৰা ভাৰতবর্ষক বিভিন্ন অংশসমূহে পৃথক ৰাজ্য গঠনৰ বাবে দাবী জনাইছে যাৰ ফলস্বৰূপে কিছুমান ৰাজ্যৰ পৰা নতুন ৰাজ্যৰ সৃষ্টি হৈছে।

- **পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ বাবে দাবী ঃ** ভাৰতবৰ্ষৰ কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ বাবে জনোৱা দাবী হৈছে আঞ্চলিকতাবাদৰ অন্য এক প্ৰকাৰ। এনেকুৱা কিছুমান দাবী বাস্তৱত ৰূপায়িত হৈছে, উদাহৰণস্বৰূপে ১৯৭১ চনত হিমাচল প্ৰদেশক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হয়। চিকিমক ১৯৭২ চনত পূৰ্ণ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হয়।
- **আঞ্চলিকতাবাদৰ প্ৰকাশ হিচাপে আন্তঃ ৰাজ্যিক বিবাদ ঃ** ভাৰতবৰ্ষত আঞ্চলিকতাবাদ প্ৰকাশৰ আন এটা ৰূপ হৈছে বিভিন্ন বিষয় যেনে চাৰিসীমা, নদীৰ পানী বিতৰণ আদিক কেন্দ্ৰ কৰি ৰাজ্যসমূহৰ মাজত সংঘটিত হোৱা আন্তঃ ৰাজ্যিক বিবাদ। চাৰিসীমাক কেন্দ্ৰ কৰি মহাৰাষ্ট্ৰ আৰু কৰ্ণাটক, অসম আৰু নাগলেণ্ড, কৰ্ণাটক আৰু কেৰেলাৰ মাজত বীবাদ সংঘটিত হৈছিল। কাবেৰী নদীৰ পানী বিতৰণক লৈ কেৰেলা আৰু তামিলনাড়ুৰ মাজত বিবাদ হৈছে। পঞ্জাব, জম্মু-কাশ্মীৰ আৰু হিমাচল প্ৰদেশৰ মাজত ৰবী নদীৰ পানী বিতৰণক কেন্দ্ৰ কৰি বিবাদ সংঘটিত হৈছে। এনে ধৰণৰ বিবাদত সকলোবোৰ ৰাজ্য আঞ্চলিকতাবাদী প্ৰভাবৰ দ্বাৰা প্ৰভাৱিত হয় আৰু প্ৰতিখন ৰাজ্যই অন্য ৰাজ্যৰ তুলনাত অধিক লাভান্বিত হ'বলৈ যত্ন কৰে।
- **ভাষাভিত্তিক আঞ্চলিকতাবাদ ঃ** ভাৰতবৰ্ষত আমি ভাষাক ভিত্তি কৰি গঢ় লৈ উঠা অন্য এক প্ৰকাৰৰ আঞ্চলিকতাবাদ দেখিবলৈ পাওঁ, যাক ভাষাভিত্তিক আঞ্চলিকতাবাদ বোলা হয়। এনেকুৱা ধৰণৰ আঞ্চলিকতাবাদ ভাৰতবৰ্ষত ১৯৫৬ চনত গ্ৰহণ কৰা ৰাজ্যসমূহৰ ভাষাভিত্তিক পুনৰ গঠন নীতি গ্ৰহণৰ পিছৰ পৰা অধিক দৃশ্যমান হৈছে। ভাষাক ভিত্তি কৰি হোৱা ৰাজ্যসমূহৰ পুনৰ গঠনৰ ফলত দ্বিভাষিক ৰাজ্যসমূহত সংঘাতৰ সৃষ্টি হৈছে।
- **উগ্ৰ আঞ্চলিকতাবাদ ঃ** ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ অন্য এক প্ৰকাৰ হৈছে উগ্ৰ আঞ্চলিকতাবাদ। এনেকুৱা ধৰণৰ আঞ্চলিকতাবাদত নিজৰ ৰাজ্য আৰু সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ বিভিন্ন দল সংগঠনৰ উদ্ভৱ হয়। আঞ্চলিক ভাবাদৰ্শৰদ্বাৰা অনুপ্ৰাণিত এই দল-সংগঠন সমূহে তেওঁলোকৰ ৰাজ্যত বহিঃপ্ৰব্ৰজনকাৰী সকলক বহিৰাগত হিচাপে ধৰি লয় আৰু তেওঁলোকৰ প্ৰতি বিদ্বেষ মনোভাৱ গ্ৰহণ কৰে। কেতিয়াবা এই সংগঠনসমূহে তেওঁলোকৰ ৰাজ্যত থকা বহিঃ প্ৰব্ৰজনকাৰী লোকসকলৰ প্ৰতি হিংসাত্মক কাৰ্যপন্থা অৱলম্বন কৰাও পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ আঞ্চলিকতাবাদৰ ..... আৰু ..... দুয়ো প্ৰকাৰৰ অৰ্থ আছে। (খালী ঠাই পূৰ কৰক)

.....

প্ৰশ্ন ২ ঃ নকৰাত্মক অৰ্থত আঞ্চলিকতাবাদে কি বুজায়?

.....

.....

প্ৰশ্ন ৩ ঃ পঞ্জাৰ, জম্মু-কাশ্মীৰ আৰু হিমাচল প্ৰদেশৰ মাজত আন্তঃ ৰাজ্যিক বিবাদ কি নদীৰ পানীৰ বিতৰণক লৈ সংঘটিত হৈছিল?

.....

প্ৰশ্ন ৪ ঃ চিকিমক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা কোন চনত প্ৰদান কৰা হৈছিল?

.....

প্ৰশ্ন ৫ ঃ আঞ্চলিকতাবাদৰ যিকোনো এটা প্ৰকাৰৰ বিষয়ে চমুকৈ লিখক।

.....

.....

১৪.৫ ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণসমূহ

ভাৰতবৰ্ষত আঞ্চলিকতাবাদ এক চিন্তনীয় বিষয় হৈ পৰিছে। বিভিন্ন কাৰকে ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগাইছে। এনেকুৱা কিছুমান কাৰক তলত আলোচনা কৰা হ'ল—

- **ভৌগোলিক বিচ্ছিন্নতা ঃ** ভাৰতবৰ্ষৰ কিছুমান অংশ আন অংশৰ পৰা প্ৰায় সংযোগহীন অৱস্থাত অৱস্থান কৰে। এনে সংযোগহীনতাৰ বাবে এনেকুৱা অঞ্চলত বাস কৰা লোকসকলে ভাৰতবৰ্ষৰ আন আন ঠাইৰ লোকৰ লগত আবেগিক একতাৰ ভাব গঢ়ি তোলাত অসমৰ্থ হয় যাৰ ফলত এনেকুৱা ধৰণৰ বিচ্ছিন্ন অঞ্চলত আঞ্চলিকতাবাদৰ উদ্ভৱ হয়।
- **অৰ্থনৈতিক অসমতা ঃ** বিভিন্ন ৰাজ্যত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগোৱা অন্য এটা কাৰণ হৈছে অৰ্থনৈতিক অসমতা। কেতিয়াবা সম্পদ বিতৰণ অথবা আবণ্টন এনেকুৱা ধৰণে কৰা হয় যে কিছুমান ৰাজ্যৰ আৱণ্টিত সম্পদৰ পৰিমাণ আন ৰাজ্যৰ তুলনাত অধিক হৈ পৰে। ইয়াৰ ফলত ৰাজ্যসমূহৰ জনসাধাৰণৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হয় আৰু তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবে অধিক স্বায়ত্ব শাসনৰ বাবে দাবী জনায়।
- **ৰাজনৈতিক উচ্চাকাংক্ষা ঃ** আঞ্চলিক প্ৰভাৱশালী লোকৰ ৰাজনৈতিক ক্ষমতা লাভৰ উচ্চাকাংক্ষাইও বহুতো ৰাজ্যত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগাইছে। আঞ্চলিক ৰাজনৈতিক দলৰ নেতাসকলে ক্ষমতা লাভ আৰু তেওঁলোকৰ কৰ্তৃত্ব বিস্তাৰৰ উদ্দেশ্য তেওঁলোকৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত আঞ্চলিকতাবাদৰ ভাব প্ৰচাৰ কৰে। উদাহৰণ স্বৰূপে- ৰাজনৈতিক দল যেনে ডি এম কে (DMK), এ.আই. এ.ডি.এম. কে. (AIADMK), তেলেগু দেশম্ আদিয়ে নিজৰ নিজৰ ৰাজ্যত কৰ্তৃত্ব বিস্তাৰ কৰিবলৈ আঞ্চলিকতাবাদৰ আশ্ৰয় লোৱা দেখা যায়।
- **সাংস্কৃতিক কাৰণ ঃ** আঞ্চলিকতাবাদৰ বিস্তাৰৰ ক্ষেত্ৰত সাংস্কৃতিক কাৰণেও অৰিহণা যোগোৱা পৰিলক্ষিত হয়। বহুতো দল অথবা সংগঠনে তেওঁলোকৰ সংস্কৃতি, অস্তিত্ব,

ঐতিহ্য-পৰম্পৰা আৰু আদৰ্শ আদিক অপ্ৰত্যাশিত হস্তক্ষেপৰ পৰা ৰক্ষা কৰিবলৈও আঞ্চলিকতাবাদৰ পথ গ্ৰহণ কৰে। উদাহৰণস্বৰূপে, অসমীয়া লোকে তেওঁৰ নিজৰ সংস্কৃতি ৰক্ষা কৰিবলৈ ১৯৭৯ চনত বিদেশী বহিস্কাৰ আন্দোলন আৰম্ভ কৰিছিল।

- **আদৰ্শগত আৰোপণ ঃ** বহুতো সময়ত কেন্দ্ৰীয় চৰকাৰৰ সমগ্ৰ দেশৰ জনসাধাৰণৰ ওপৰত কোনো বিশেষ আদৰ্শ অথবা ভাষা আৰোপৰ প্ৰচেষ্টাৰ প্ৰতিক্ৰিয়া হিচাপেও আঞ্চলিকতাবাদৰ উদয় হয়। কেন্দ্ৰীয় চৰকাৰৰ এনে ধৰণৰ আৰোপণ প্ৰতিহত কৰিবলৈ ৰাজ্যসমূহে আঞ্চলিকতাবাদৰ নীতিক ভিত্তি কৰি আন্দোলনৰ পথ অৱলম্বন কৰে। উদাহৰণস্বৰূপে দক্ষিণ ভাৰতৰ ৰাজ্যসমূহে চৰকাৰী ভাষা হিচাপে হিন্দী ভাষাৰ আৰোপণ প্ৰতিহত কৰিবলৈ যত্ন কৰিছিল কাৰণ এই ৰাজ্যসমূহে আশংকা কৰিছিল যে হিন্দী ভাষাৰ আৰোপণে উত্তৰ ভাৰতত ৰাজ্যসমূহৰ প্ৰতিপত্তি বৃদ্ধি কৰিব।
- **ক্ৰমাৎ বৃদ্ধি পোৱা সচেতনতা ঃ** জনসাধাৰণৰ মাজত তেওঁলোকৰ বাসস্থান আৰু নিজৰ কল্যাণ সাধনৰ বাবে ক্ৰমাৎ বৃদ্ধি পোৱা সচেতনাৰ ফলতো আঞ্চলিকতাবাদী আদৰ্শৰ উদ্ভৱ হৈছে। এনেকুৱা পৰিস্থিতিত জনসাধাৰণে অনুভৱ কৰে যে তেওঁলোকক উন্নতিৰ পথত সকলো ধৰণে বঞ্চিত কৰা হৈছে। স্থানীয় ৰাজনৈতিক নেতাসকলেও এনে ধৰণৰ পৰিস্থিতি সম্পূৰ্ণ সুযোগ লয় আৰু প্ৰচাৰ কৰে যে কেন্দ্ৰীয় চৰকাৰেই এনেধৰণৰ আঞ্চলিক অসমতাৰ বাবে দায়ী। ইয়াৰ ফলত আঞ্চলিকতাবাদ আদৰ্শৰ উদ্ভৱ হয়।

১৪.৬ আঞ্চলিকতাবাদৰ সমস্যা সমাধানৰ সম্ভৱপ্ৰায় উপায়সমূহ

ভাৰতবৰ্ষৰ একতা আৰু সংহতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰা আঞ্চলিকতাবাদ বিষয়টো এক গুৰুতৰ সমস্যা হিচাপে পৰিগণিত হৈছে। এই সমস্যাটো সমাধানৰ কিছুমান সম্ভৱপ্ৰায় উপায় তলত আলোচনা কৰা হ'ল—

- আঞ্চলিকতাবাদৰ সমস্যা সমাধান কৰিবলৈ সমগ্ৰ ৰাষ্ট্ৰৰ সমান আৰু সমতাপূৰ্ণ উন্নতি সাধন কৰা উচিত। কেন্দ্ৰীয় চৰকাৰে কোনো ৰাজ্যৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰিব নালাগে। বিত্ত, বিভিন্ন সুবিধাসমূহ তথা সম্পদৰ বিতৰণ সমভাবে কৰিব লাগে। ৰাষ্ট্ৰৰ অৱহেলিত অংশসমূহৰ প্ৰতি অধিক মনোযোগ দিয়া উচিত যাতে, সেই অঞ্চলৰ জনসাধাৰণে অনুভৱ কৰে যে তেওঁলোক ভাৰতবৰ্ষৰ এক অন্যতম অংশ।
- কেন্দ্ৰীয় চৰকাৰে অপ্ৰয়োজনীয়ভাৱে ৰাজ্যৰ কাম কাজত হস্তক্ষেপ কৰিব নালাগে। ৰাজ্যসমূহক নিজৰ কাম-কাজ পৰিচালনা কৰিবলৈ প্ৰয়োজনীয় স্বাধীনতা দিয়া উচিত। ৰাজ্যসমূহক প্ৰয়োজনীয় প্ৰশাসনীয় আৰু অৰ্থনৈতিক স্বাধীনতা প্ৰদান কৰা উচিত।
- কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্ত্তন সাধন কৰা উচিত। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ভাৰসাম্যমূলকভাৱে ক্ষমতাৰ বিতৰণৰ ব্যৱস্থা কৰা উচিত।

- প্রয়োজনাধিক আঞ্চলিকতাবাদৰ ভাব প্রতিহত কৰিবলৈ আৰু ৰাষ্ট্রখনৰ প্রতি সংযোজিত ভাব জগাই তুলিবলৈ এক জাতীয় শিক্ষা ব্যৱস্থা প্রৱর্তন কৰা উচিত।
- আঞ্চলিকতাবাদ সমস্যা সমাধানৰ ক্ষেত্রত নির্বাচন আয়োগেও এক উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। আঞ্চলিক ৰাজনৈতিক দলসমূহে যাতে চৰম পর্য্যায়ত আঞ্চলিকতাবাদৰ প্রচাৰ কৰিব নোৱাৰে তাৰ বাবে নির্বাচন আয়োগে কিছুমান নীতি নির্ধাৰণ কৰি দিব লাগে। ৰাজনৈতিক দলসমূহে শৃংখলাবদ্ধ ভাৰে তেওঁলোকৰ কাম-কাজ পৰিচালনা কৰিব লাগে।
- কেন্দ্রীয় চৰকাৰত সকলো ৰাজ্যৰ সার্থক অংশ গ্রহণৰ জৰিয়তে আঞ্চলিকতাবাদৰ সমস্যা কিছু পৰিমাণে সমাধান কৰিব পাৰি। অৱহেলিত আৰু বঞ্চিত অঞ্চলৰ নেতাসকলে কেন্দ্রীয় চৰকাৰত সক্রিয়ভাৱে অংশগ্রহণ কৰা উচিত আৰু তেওঁলোকৰ সমস্যাসমূহ উপস্থাপন কৰিব লাগে আৰু নতুন ৰাজ্যৰ দাবী জনোৱাতকৈ সমস্যাসমূহৰ সমাধানৰ সঠিক পথ নির্ধাৰণ কৰিব লাগে।
- শেষত জনসাধাৰণৰ সমস্যাসমূহ শান্তিপূর্ণ আৰু সাংবিধানিক উপায়েৰে সমাধান কৰিব লাগে। ৰাজনৈতিক নেতাসকলক নিজৰ স্বার্থ পূৰণৰ উদ্দেশ্য আঞ্চলিক বিষয়সমূহৰ অপপ্রয়োগ কৰিবলৈ দিব নালাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ঃ ভাৰতবর্ষত আঞ্চলিকতাবাদ উদ্ভৱৰ এক অন্যতম কাৰণ হৈছে ৰাজ্যসমূহৰ মাজত থকা অর্থনৈতিক অসমতা। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৭ঃ অসমত বিদেশী বহিস্কাৰ আন্দোলন কিমান চনত আৰম্ভ হৈছিল?

.....

প্রশ্ন ৮ঃ ভাৰতবর্ষত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণে দায়ী যিকোনো দুটা কাৰকৰ বিষয়ে চমুকৈ লিখক।

.....

.....

প্রশ্ন ৯ঃ আঞ্চলিকতাবাদ সমস্যা সমাধানৰ যিকোনো তিনিটা উপায়ৰ বিষয়ে সংক্ষেপে লিখক।

.....

.....

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় ৰাজনীতিত আঞ্চলিকতাবাদ এক প্ৰধান বিষয় হিচাপে পৰিগণিত হৈছে। বহু সময়ত এই সমস্যাটোৱে ভাৰতবৰ্ষৰ একতা আৰু সংহতিৰ প্ৰতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে।
- আঞ্চলিকতাবাদে কোনো এক ব্যক্তিয়ে বাস কৰা অঞ্চলৰ প্ৰতি থকা ভালপোৱাক সূচায়। আঞ্চলিকতাবাদৰ সকৰাত্মক আৰু নকৰাত্মক দুয়োপ্ৰকাৰৰ অৰ্থ আছে। নকৰাত্মক অৰ্থত আঞ্চলিকতাবাদে সমগ্ৰ ৰাষ্ট্ৰৰ তুলনাত ব্যক্তিৰ কোনো এক বিশেষ অঞ্চলৰ প্ৰতি থকা অত্যধিক সংযোজনক বুজায়। সকৰাত্মক অৰ্থত আঞ্চলিকতাবাদে ব্যক্তিৰ তেওঁলোকৰ অঞ্চল, সংস্কৃতি, ভাষা আদিৰ প্ৰতি থকা ভালপোৱাক সূচায়, যাৰ মুখ্য উদ্দেশ্য হৈছে তেওঁলোকৰ স্বাধীন অস্তিত্ব আৰু মৰ্যাদা ৰক্ষা কৰা।
- ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ বিভিন্ন প্ৰকাৰ পৰিলক্ষিত হয়, যেনে— অধিক স্বায়ত্ব শাসনৰ বাবে দাবী, ভাৰতবৰ্ষৰ ভিতৰত পৃথক ৰাজ্য গঠনৰ বাবে দাবী, পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ বাবে দাবী, ভাষাভিত্তিক আঞ্চলিকতাবাদ, উগ্ৰ আঞ্চলিকতাবাদ আঞ্চলিকতাবাদৰ প্ৰকাশ হিচাপে আন্তঃৰাজ্যিক বিবাদ।
- ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ উদ্ভৱত বিভিন্ন কাৰকে অৰিহণা যোগাইছে। ইয়াৰে কিছুমান কাৰক হ'ল— ভাৰতবৰ্ষৰ কিছুমান অংশৰ আন অংশৰ লগত থকা ভৌগোলিক বিচ্ছিন্নতা, ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ মাজত থকা অৰ্থনৈতিক অসমতা, আঞ্চলিক প্ৰভাৱশালী ব্যক্তিৰ ৰাজনৈতিক উচ্চাকাংক্ষা, অপ্ৰত্যাশিত হস্তক্ষেপৰ পৰা সম্প্ৰদায় অথবা গোটসমূহৰ নিজৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু অস্তিত্ব ৰক্ষা কৰাৰ আকাংক্ষা, প্ৰভাৱশালী গোটৰ আদৰ্শগত আৰোপণ, জনসাধাৰণৰ সমাজত তেওঁলোকৰ কল্যাণ সাধনৰ বাবে ক্ৰমাৎ বৃদ্ধি পোৱা সচেতনতা ইত্যাদি।
- প্ৰায়ে আঞ্চলিকতাবাদে ভাৰতবৰ্ষৰ একতা আৰু সংহতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই সমস্যাটো সমাধান কৰাৰ কিছুমান উপায় হ'ল- সমগ্ৰ ৰাষ্ট্ৰতে সমান আৰু সমতাপূৰ্ণ উন্নতি সুনিশ্চিত কৰা, জাতীয় স্বাৰ্থ অসুৰক্ষিত নোহোৱালৈ কেন্দ্ৰীয় চৰকাৰে অপ্ৰয়োজনীয়ভাৱে ৰাজ্যিক চৰকাৰৰ কাম-কাজত হস্তক্ষেপৰ পৰা বিৰত থকা, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্কৰ পৰিৱৰ্তন সাধন কৰা এক জাতীয় শিক্ষাৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা, নিৰ্বাচন আয়োগৰ সক্ৰিয় ভূমিকা যাতে ৰাজনৈতিক দলসমূহে চৰম পৰ্যায়ৰ আঞ্চলিকতাবাদৰ প্ৰচাৰ কৰিব নোৱাৰে, কেন্দ্ৰীয় চৰকাৰৰ পৰ্য্যায়ত সকলো ৰাজ্যৰ সমান আৰু সক্ৰিয় অংশগ্ৰহণ, আঞ্চলিক সমস্যাসমূহৰ শান্তিপূৰ্ণ আৰু সাংবিধানিক সমাধান।



১৪.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ডঃ পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ডঃ কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K. (2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.* New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



১৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সকৰাত্মক আৰু নকৰাত্মক

২ নং প্ৰশ্নৰ উত্তৰ ঃ নকৰাত্মক অৰ্থত আঞ্চলিকতাবাদে সমগ্ৰ ৰাষ্ট্ৰৰ তুলনাত ব্যক্তিৰ কোনো এক বিশেষ অঞ্চলৰ প্ৰতি থকা অত্যধিক সংযোজনক বুজায় যিয়ে ৰাষ্ট্ৰখনৰ একতা আৰু সংহতিৰ ভাবুকিৰ সৃষ্টি কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰবী নদী

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭২

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অধিক স্বায়ত্ব শাসনৰ দাবী ঃ ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ এক প্ৰকাৰ হৈছে অধিক স্বায়ত্ব শাসনৰ দাবী। ৰাজনৈতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত এনে ধৰণৰ অধিক স্বায়ত্ব শাসনৰ দাবী জনোৱা হয়। ৰাজ্যৰ আঞ্চলিক ৰাজনৈতিক দলবোৰে

এনেকুৱা ধৰণৰ অধিক স্বায়ত্ব শাসনৰ বাবে দাবী জনায়। উদাহৰণস্বৰূপে অসমত, অসম গণ পৰিষদ, পঞ্জাৱত আকালী দলে (Akali Dal) নিজৰ নিজৰ ৰাজ্যত অধিক স্বায়ত্ব শাসনৰ বাবে দাবী জনাইছে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৯

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক) অৰ্থনৈতিক অসমতা ঃ বিভিন্ন ৰাজ্যত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগোৱা অন্য এটা কাৰণ হৈছে অৰ্থনৈতিক অসমতা। কেতিয়াবা সম্পদ বিতৰণ অথবা আবণ্টন এনেকুৱাধৰণে কৰা হয় যে কিছুমান ৰাজ্যৰ আৱণ্টিত সম্পদৰ পৰিমাণ আন ৰাজ্যৰ তুলনাত অধিক হৈ পৰে। ইয়াৰ ফলত ৰাজ্যসমূহৰ জনসাধাৰণৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হয় আৰু তেওঁলোকৰ স্বাৰ্থ পূৰণৰ বাবে অধিক স্বায়ত্ব শাসনৰ বাবে দাবী জনায়।

খ) ৰাজনৈতিক উচ্চাকাংক্ষা ঃ আঞ্চলিক প্ৰভাৱশালী লোকৰ ৰাজনৈতিক ক্ষমতা লাভৰ উচ্চাকাংক্ষাইও বহুতো ৰাজ্যত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগাইছে। আঞ্চলিক ৰাজনৈতিক দলৰ নেতাসকলে ক্ষমতা লাভ আৰু তেওঁলোকৰ কৰ্তৃত্ব বিস্তাৰৰ উদ্দেশ্য তেওঁলোকৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত আঞ্চলিকতাবাদৰ ভাব প্ৰচাৰ কৰে। উদাহৰণ স্বৰূপে- ৰাজনৈতিক দল যেনে ডি এম কে (DMK) এ.আই. এ.ডি.এম. কে. (AIADMK) তেলেগু দেশম্ আদিয়ে নিজৰ নিজৰ ৰাজ্যত কৰ্তৃত্ব বিস্তাৰ কৰিবলৈ আঞ্চলিকতাবাদৰ আশ্ৰয় লোৱা দেখা যায়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ক) আঞ্চলিকতাবাদৰ সমস্যা সমাধান কৰিবলৈ সমগ্ৰ ৰাষ্ট্ৰৰ সমান আৰু সমতাপূৰ্ণ উন্নতি সাধন কৰা উচিত। কেন্দ্ৰীয় চৰকাৰে কোনো ৰাজ্যৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰিব নালাগে। বিত্ত, বিভিন্ন সুবিধাসমূহ তথা সম্পদৰ বিতৰণ সমভাবে কৰিব লাগে। ৰাষ্ট্ৰৰ অৱহেলিত অংশসমূহৰ প্ৰতি অধিক মনোযোগ দিয়া উচিত যাতে, সেই অঞ্চলৰ জনসাধাৰণে অনুভৱ কৰে যে তেওঁলোক ভাৰতবৰ্ষৰ এক অন্যতম অংশ।

খ) কেন্দ্ৰীয় চৰকাৰে অপ্ৰয়োজনীয়ভাৱে ৰাজ্যৰ কাম কাজত হস্তক্ষেপ কৰিব নালাগে। ৰাজ্যসমূহক নিজৰ কাম-কাজ পৰিচালনা কৰিবলৈ প্ৰয়োজনীয় স্বাধীনতা দিয়া উচিত। ৰাজ্যসমূহক প্ৰয়োজনীয় প্ৰশাসনীয় আৰু অৰ্থনৈতিক স্বাধীনতা প্ৰদান কৰা উচিত।

গ) আঞ্চলিকতাবাদ সমস্যা সমাধানৰ ক্ষেত্ৰত নিৰ্বাচন যোগেও এক উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। আঞ্চলিক ৰাজনৈতিক দলসমূহে যাতে চৰম পৰ্য্যায়ত আঞ্চলিকতাবাদৰ প্ৰচাৰ কৰিব নোৱাৰে তাৰ বাবে নিৰ্বাচন আয়োগে কিছুমান নীতি নিৰ্ধাৰণ কৰি দিব লাগে। নিৰ্বাচন আয়োগে দৃঢ়ভাৱে নীতি নিৰ্ধাৰণ কৰিব লাগে যে যদি কোনো ৰাজনৈতিক দলে চৰম পৰ্যায়ৰ আঞ্চলিকতাবাদৰ প্ৰচাৰ কৰে, তেতিয়াহ'লে সেই দলটোক নিষিদ্ধ কৰা হ'ব। ৰাজনৈতিক দলসমূহে শৃংখলাবদ্ধ ভাৱে তেওঁলোকৰ কাম-কাজ পৰিচালনা কৰিব লাগে।



১৪.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষৰ যিকোনো দুটা আঞ্চলিক ৰাজনৈতিক দলৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ কিমান চনত ভাৰতবৰ্ষত ৰাজ্যসমূহৰ ভাষাভিত্তিক পুনৰ গঠন হৈছিল?

প্ৰশ্ন ৩ ঃ কৰ্ণাটক, কেৰেলা আৰু তামিলনাড়ুৰ মাজত কোনখন নদীৰ পানীৰ বিতৰণক কেন্দ্ৰ কৰি আন্তঃ ৰাজ্যিক বিবাদ সংঘটিত হৈছিল?

(খ) চুটি প্ৰশ্ন-(১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ আঞ্চলিকতাবাদ বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষৰ আন্তঃৰাজ্যিক বিবাদৰ বিষয়ে সংক্ষেপে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন-(৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ প্ৰকাৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ উদ্ভৱত অৰিহণা যোগাৰা বিভিন্ন কাৰণসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ আঞ্চলিকতাবাদ সমস্যা সমাধানৰ সম্ভৱপ্ৰায় উপায়সমূহ আলোচনা কৰক।

****

অধ্যায় ১৪ ঃ ভাৰতীয় ৰাজনীতিত বৰ্ণবাদ আৰু সাম্প্ৰদায়িকতাবাদ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ বৰ্ণ

- ১৫.৩.১ বৰ্ণৰ সংজ্ঞা আৰু অৰ্থ
- ১৫.৩.২ বৰ্ণৰ বৈশিষ্ট্য
- ১৫.৩.৩ ভাৰতীয় ৰাজনীতিত বৰ্ণ

১৫.৪ সাম্প্ৰদায়িকতাবাদ

- ১৫.৪.১ সাম্প্ৰদায়িকতাবাদৰ অৰ্থ
- ১৫.৪.২ সাম্প্ৰদায়িকতাবাদ আৰু ভাৰতীয় ৰাজনীতি
- ১৫.৪.৩ সাম্প্ৰদায়িকতাবাদৰপৰা প্ৰতিকাৰৰ উপায়

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্ৰগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৰ্ণ আৰু সাম্প্ৰদায়িকতাবাদৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- বৰ্ণ আৰু সাম্প্ৰদায়িকতাবাদৰ বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ব
- ভাৰতীয় ৰাজনীতিত বৰ্ণ আৰু সাম্প্ৰদায়িকতাবাদৰ প্ৰভাৱ কেনে সেয়া ব্যাখ্যা কৰিব পাৰিব
- সাম্প্ৰদায়িকতাবাদৰপৰা প্ৰতিকাৰৰ উপায়সমূহ ব্যাখ্যা কৰিব পাৰিব ।

১৫.২ পৰিচয়

ভাৰতীয় ৰাজনীতিৰ দুটা গুৰুত্বপূৰ্ণ বিষয় বৰ্ণ আৰু সাম্প্ৰদায়িকতাবাদৰ আলোচনাৰ অবিহনে ভাৰতীয় ৰাজনীতিৰ আলোচনা সম্পূৰ্ণ নহয়। এইটো এই বাবেই যে ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটো এক বৃহৎ সামাজিক বাতাবৰণৰ মাজত চলি আছে, য'ত বৰ্ণ আৰু ধৰ্মৰ নিচিনা পৰম্পৰাগত শক্তি কিছুমানে বিশেষধৰণে প্ৰভাৱান্বিত কৰিছে। সেয়ে বৰ্ণ আৰু ধৰ্মৰ দৰে সামাজিক বাতাবৰণৰ উপাদানসমূহে ভাৰতীয় ৰাজনৈতিক পদ্ধতি আৰু ৰাজনৈতিক ব্যৱস্থাত প্ৰভাৱ পেলাইছে।

১৫.৩ বৰ্ণ

আমি ৰাজনীতিৰ লগত বৰ্ণ আৰু সাম্প্রদায়িকতাবাদৰ সম্পৰ্ক আৰু এই দুটা বিষয়ৰ (বৰ্ণ আৰু সাম্প্রদায়িকতাবাদ) ভাৰতীয় ৰাজনীতিত প্রভাৱৰ বিষয়ে জনাৰ আগতে বৰ্ণ আৰু সাম্প্রদায়িকতাবাদৰ সংজ্ঞা জনা উচিত। এতিয়া ভাৰতীয় ৰাজনীতিত বৰ্ণৰ বিষয়ে আলোচনা কৰিম।

১৫.৩.১ বৰ্ণৰ অৰ্থ আৰু সংজ্ঞা

বেছিভাগ ভাৰতীয় ভাষাতেই বৰ্ণৰ প্রকৃত অনুবাদ হ'ল 'জাতি'। বৰ্ণ শব্দটো স্পেনিছ আৰু পৰ্টুগিজ শব্দ কাষ্টা (Casta) পৰা লোৱা হৈছে যাৰ অৰ্থ হ'ল জাতি বা বংশ। পৰ্টুগিজসকলে ১৬শ খ্রীষ্টাব্দত পোন প্রথমবাৰৰ বাবে বৰ্ণ শব্দটো ভাৰতীয় সমাজ ব্যৱস্থাত প্রৱর্তন কৰিছিল।

বৰ্ণ হ'ল এক সামাজিক ব্যৱস্থা যিয়ে সমাজৰ লোকসকলক ভিন্ন স্তৰত ভাগ কৰে আৰু সেই বিভাজনসমূহ সৌন্দর্য বিবাহ আৰু জীৱিকাৰ ভিত্তিত কৰা হয়। প্রাচীন ভাৰতৰ বৰ্ণ ব্যৱস্থা চাৰিটা মূল ভাগত ভাগ কৰা হৈছিল, যথা— ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র।

১৫.৩.২ বৰ্ণৰ বৈশিষ্ট্য

ভাৰতীয় সমাজতত্ববিদ কেতকাৰৰ (Ketkar) মতে জাতি (বৰ্ণ) হ'ল দুটা বৈশিষ্ট্যৰে গঠিত এটা গোট—

(ক) এটা জাতিৰ সদস্য পদ সেই জাতিৰ সদস্যৰ পৰা জন্মগ্রহণ কৰা লোকসকলক দিয়া হয় বা একে বৰ্ণৰ পৰা জন্মগ্রহণ কৰা লোকসকলক ইয়াৰ অন্তর্ভুক্ত কৰা হয়।

(খ) এটা জাতিৰ সদস্যসকলে যাতে অন্য গোষ্ঠীৰ লোকক বিয়া কৰাব পাৰে তাৰ বাবে নির্দয় সামাজিক বন্ধনৰ পৰা মুক্ত কৰি দিয়া হয়।

এতিয়া আমি বৰ্ণ ব্যৱস্থাৰ প্রাচীন বৈশিষ্ট্যসমূহ আলোচনা কৰিম -

- **সমাজৰ অধিক্রমিক শ্রেণীবিভাজন**

  বৰ্ণ ব্যৱস্থাৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ই সদস্যসকলক বিভিন্ন স্তৰৰ ভাগত ভাগ কৰে। উদাহৰণস্বৰূপে হিন্দু বৰ্ণ ব্যৱস্থাত ব্রাহ্মণসকলে উচ্চ স্থান অধিকাৰ কৰিছে আৰু বৰ্ণ শৃংখলাত তেওঁলোক আটাইতকৈ ওপৰৰ জাতি। একেদৰে হৰিজন সকল বৰ্ণ শৃংখলাৰ একবাৰে তলৰ জাতি।

- **খাদ্য অভ্যাসৰ সীমাৱদ্ধতা**

  বৰ্ণ ব্যৱস্থাই সদস্যসকলৰ ওপৰত নিৰ্দিষ্ট সীমৱদ্ধতা আৰোপ কৰে। সাধাৰণতে সীমৱদ্ধতাসমূহ হ'ল কোনে কেনেকুৱা খাদ্য, কাৰ পৰা খাব লাগে। উদাহৰণস্বৰূপে দক্ষিণ ভাৰতৰ ব্ৰাহ্মণসকলে কেৱল মাত্ৰ তেওঁলোকৰ তলৰ বৰ্ণৰ কিছুমান জাতিয়ে ঘীৰে তৈয়াৰ কৰা 'পকা' (pacca) আহাৰ গ্ৰহণ কৰে। তেওঁলোকে 'কেচ্চা' (kachcha) আহাৰ গ্ৰহণ কৰিব পাৰে যদিহে সেই আহাৰ ব্ৰাহ্মণসকলে ব্যৱহাৰ কৰা পানীৰে প্ৰস্তুত কৰা হয়। ব্ৰাহ্মণসকল যিহেতু বৰ্ণ শৃংখলাৰ সবাতোতকৈ ওপৰৰ বৰ্ণ তেওঁলোকে বনোৱা যিকোনো আহাৰ সকলো জাতিয়ে গ্ৰহণ কৰিব পাৰে। পিয়াজ,নহৰু, বন্ধাকবি, গাজৰ আদি ব্যৱহাৰৰ ক্ষেত্ৰত সীমাৱদ্ধতা আছে আৰু এই সীমাৱদ্ধতাসমূহ বহুতো ব্ৰাহ্মণ পৰিয়ালে এতিয়াও মানি আহিছে।

- **সামাজিক সম্বন্ধৰ সীমাৱদ্ধতা**

  প্ৰাচীন জাতিগত (caste-ridden) সমাজত 'অপবিত্ৰ'ৰ ধাৰণাটো আছিল। এইটোৱে নিম্ন জাতিৰ মানুহ এজন চুলে উচ্চ জাতিৰ মানুহজন অপবিত্ৰ হোৱা বুলি বুজায়। আনকি তেওঁৰ ছাঁটোও উচ্চ জাতিৰ মানুহৰ বাবে অপবিত্ৰ। উদাহৰণস্বৰূপে কেৰেলাত এজন নায়াৰে (Nayar) নামবুধাৰী ব্ৰাহ্মণসকলৰ ওচৰ চাপিব পাৰে কিন্তু তেওঁলোকক চুব নোৱাৰে। এই ব্যৱস্থাটো বহুদিন ধৰি চলি আছিল। তামিলনাডুত শ্যানাৰ টদি টেপাৰ (*Shanar* toddy tapper) সকল ব্ৰাহ্মণসকলৰ ওচৰ চাপিলে ২৪ খোজ দূ�ৰত থাকিব লাগে। এই সকলোবোৰে অস্পৃশ্যতাৰ ব্যৱহাৰক সুচায়।

- **বিবাহৰ সীমাৱদ্ধতা**

  বৰ্ণ ব্যৱস্থাই বিবাহৰ ক্ষেত্ৰত কিছুমান সীমাৱদ্ধতা আনে। একে বৰ্ণৰ লোকসকলৰ মাজত সবৰ্ণ বিবাহৰ নিয়ম আছে। এই নিয়ম মতে এজন ব্যক্তিয়ে তেওঁৰ নিজৰ জাতি বা বৰ্ণ ভিতৰতহে বিয়া কৰাব পাৰিব।

- **জীৱিকা নিৰ্বাচনৰ সীমাৱদ্ধতা**

  জীৱিকাৰ ক্ৰমোন্নতি জাতিগত সমাজ ব্যৱস্থাৰ এটা বৈশিষ্ট্য যিয়ে প্ৰত্যেক জাতিৰ নিৰ্দিষ্ট জীৱিকাক বুজায়। কিছুমান জীৱিকা যেনে - শিক্ষা, পুৰোহিতালি আদিক উচ্চ জাতিৰ জীৱিকা বুলি ধৰা হয় আৰু এইবোৰ বেছিভাগেই ব্ৰাহ্মণসকলে উপভোগ কৰে, তাঁত বোৱা, জোতা তৈয়াৰ কৰা, পৰিষ্কাৰ কৰা, নাপিত কাম কৰা নিম্ন খাপৰ বা অপবিত্ৰ জীৱিকা বুলি ধৰা হয়। জীৱিকাৰ কোনোধৰণৰ পৰিৱৰ্তন ব্যৱস্থা নাই যদিও নীচ জাতিৰ জীৱিকা উচ্চ জাতিয়ে গ্ৰহণ কৰাত সীমাৱদ্ধতা আছে।

১৫.৩.৩ ভাৰতীয় ৰাজনীতিত বৰ্ণ

ওপৰৰ আলোচনাৰ পৰা আপুনি এটা জাতিৰ বিভিন্ন বৈশিষ্ট্যসমূহ আৰু তাৰ দৈনন্দিন সামাজিক স্থিতিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। এতিয়া আমি জাতি আৰু ভাৰতীয় ৰাজনীতিত জাতিৰ ভূমিকা সম্পর্কে আলোচনা কৰিম।

ৰাজনৈতিক মুনাফা লাভৰ বাবে জাতিক ব্যৱহাৰ কৰাটো কোনো নতুন কথা নহয়। ইংৰাজ সাম্রাজ্যবাদীসকলে ধর্ম আৰু বর্ণক দেশৰ ৰাজনৈতিক বিভাজনত ব্যৱহাৰ কৰিছিল। দুর্ভাগ্যবশত, স্বাধীনতাৰ পিছতো ভাৰতীয় ৰাজনীতিত জাতি বা বর্ণই গুৰুত্বপূর্ণ প্রভাৱ পেলাইছে।

স্বাধীন ভাৰতবর্ষত সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰ প্রচলন আছে আৰু ই এক নতুন সামাজিক-ৰাজনৈতিক পৰিৱর্তন আনিছে। এই নতুন পৰিৱেশত জাতি ব্যৱস্থাই ভাৰতীয় ৰাজনীতিত গুৰুত্বপূর্ণ প্রভাৱ পেলাইছে।

- **ভাৰতীয় ৰাজনীতিত বর্ণৰ সু-প্রভাৱ**

  সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰৰ প্রয়োগ আদিয়ে পূর্বতে কেৱল উচ্চ জাতিৰ ব্যক্তিসকলকহে ৰাজনৈতিকভাৱে সক্রিয় কৰি তুলিছিল। ভাৰতত ভোটাধিকাৰ ব্যৱস্থাই সংখ্যাৰ ওপৰত গুৰুত্ব দিছে, সেয়ে সামাজিক শৃংখলাৰ নিম্নখাপৰ লোকসকলেও তেওঁলোকৰ সংখ্যাগৰিষ্ঠতাৰ জৰিয়তে নিজক প্রতিপাদন কৰাৰ সুবিধা পায়। ক্রমান্বয়ে নিম্ন শ্রেনীৰ লোকসকলেও ৰাজনৈতিকভাৱে সক্রিয় হ'বলৈ ধৰে। ভাৰতৰ বহুতো ঠাইত সামাজিক স্থান আৰু অর্থনৈতিক অভিলাষ পূৰণ কৰাৰ লগতে ৰাজনৈতিক ক্ষমতা লাভ কৰাৰ উদ্দেশ্যে বিভিন্ন জাতিৰ সংগঠন গঢ় লৈ উঠিছে। যাৰ ফলত, বহুতো ৰাজনৈতিক দলে নিম্ন জাতিৰ উন্নতি আৰু মঙ্গলৰ ওপৰত গুৰুত্ব দিছে।

- **ভাৰতীয় ৰাজনীতিত জাতি বা বর্ণৰ কুপ্রভাৱ**

  ধর্মৰ দৰে জাতিকো ৰাজনৈতিক নেতাসকলে ভোট বিভাজন কৰা আহিলা হিচাপে ব্যৱহাৰ কৰে। বহুতো ৰাজনৈতিক দলে জাতীয় অনুভূতিক আহিলা হিচাপে লৈ সমাজত বিভাজন আনে। জাতিগত নেতাসমূহে জাতীয় অনুভূতিৰ দ্বাৰা ভোটাৰ সকলক অনুপ্রাণিত কৰি ক্ষমতা দখল কৰাৰ চেষ্টা কৰে। কেৱল এয়ে নহয়, ৰাজনৈতিক নেতাসকলে উন্নয়নমূলক দিশসমূহৰ পৰা মনোযোগ আঁতৰ কৰা জাতিগত বিষয়ৱদ্বাৰা ভোটাৰসকলক পৰিচালিত কৰে। কিছুদিনৰ পৰা ভাৰতীয় ৰাজনীতিত বর্ণবাদৰ কু- ফল বেছি দেখা গৈছে যদিও এইটো স্পষ্ট যে জাতি আৰু ৰাজনীতিৰ মাজৰ সম্পর্কৰ সু আৰু কু দুয়োটা ফালেই আছে। কিন্তু প্রণিধানযোগ্য যে এনে বর্ণ ব্যৱস্থাই সমাজত অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ খাদ্য-অভ্যাসৰ সীমাবদ্ধতা ভাৰতীয় জাতিগত সমাজ ব্যৱস্থাৰ এটা বৈশিষ্ট্য নহয়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ২ ঃ জাতি বা বৰ্ণ বুলিলে কি বুজে লিখক।

.....

.....

প্ৰশ্ন ৩ ঃ জাতি বা বৰ্ণৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন ৪ ঃ ভাৰতীয় ৰাজনীতিত জাতিৰ এটা কু-ফল লিখক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

১৫.৪ সাম্প্ৰদায়িকতাবাদ

এতিয়া আমি ভাৰতীয় ৰাজনীতিত সাম্প্ৰদায়িকতাবাদ বিষয়ে বহলাই আলোচনা কৰিম।

১৫.৪.১ সাম্প্ৰদায়িকতাবাদৰ অৰ্থ

সাধাৰণ অৰ্থত সাম্প্ৰদায়িকতাবাদ বুলি ক'লে এটা নিৰ্দিষ্ট ধৰ্মীয় গোষ্ঠীৰ লোকসকল একত্ৰিত হোৱাকে বুজায়। সাম্প্ৰদায়িকতাবাদে ধৰ্মীয় পাৰ্থক্যক প্ৰাধান্য দিছে আৰু এই পাৰ্থক্যই এটা সম্প্ৰদায়ক আন এটা সম্প্ৰদায়ৰ পৰা পৃথক কৰিছে। ধৰ্মীয় পৰিচয়ৰে গঢ় লৈ উঠা সাম্প্ৰদায়িকতাবাদ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ উপাদান।

১৫.৪.২ সাম্প্ৰদায়িকতাবাদ আৰু ভাৰতীয় ৰাজনীতি

সাম্প্ৰদায়িকতাবাদ আৰু ভাৰতীয় ৰাজনীতিৰ সম্পৰ্ক স্থাপন হৈছিল ১৯০৯ চনৰ 'মৰ্লে মিণ্ট' সংস্কাৰ' (Morley-Minto Reforms)ৰ দ্বাৰা আৰু পাছত ১৯১৯ চনৰ 'মণ্টৰ্ফদ সংস্কাৰে' (Montford Reforms) পৃথক নিৰ্বাচন অনুষ্ঠিত হোৱাত অৰিহণা যোগাইছিল। ১৯৪৭ চনত এই ব্যৱস্থাটো ৰদ কৰা হৈছিল যদিও সাম্প্ৰদায়িকতাবাদৰ বীজাণু স্বাধীন ভাৰতত এতিয়াও বৰ্তি আছে।

সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰৰ পৰিচয় স্বাধীন ভাৰতৰ এক ঐতিহাসিক ৰাষ্ট্রীয় ফল বা কর্ম। দেশৰ জনসাধাৰণৰ তেওঁলোকৰ প্রতিনিধি নির্বাচন কৰাৰ সুবিধা আছে। ৰাজনৈতিক নেতাসকলে ভোটাৰসকলক অনুপ্রাণিত কৰিবৰ বাবে সহজ উপায় বিচাৰে। জাতিৰ বাদেও তেওঁলোকে ধর্মৰ সহায় লৈ ভোটাৰৰ কাষ চাপে। গুৰুত্বপূর্ণ বিষয়টো হ'ল দেশৰ আইনে ধর্ম বা জাতিৰ ভিত্তিত ৰাজনৈতিক দল গঠন কৰাটোত কোনো বাধা দিয়া নাই। আনকি উচ্চতম ন্যায়লয়ে ১৯৯৫ চনৰ ১৭ জুলাইত এটা ৰায় দিছিল যে বর্ণ, সাম্প্রদায়িকতাবাদ ধর্ম বা ভাষাৰ ভিত্তিত গঠন হোৱা ৰাজনৈতিক দলসমূহে অন্য বর্ণ, সম্প্রদায়, ধর্ম বা ভাষাৰ ক্ষতি নকৰাকৈ ভোট বিচাৰিব পাৰিব। দুর্ভাগ্যবশতঃ বর্তমান বহুতো ৰাজনৈতিক দলে তেওঁলোকৰ সীমা চেৰাই গৈছে, যাৰ ফলস্বৰূপে বর্তমান সময়ত সাম্প্রদায়িক সংঘাত সৃষ্টি হৈছে।

সাধাৰণতে সাম্প্রদায়িকতাবাদৰ বিষয়সমূহ নির্বাচনৰ সময়ত উন্নয়নৰ প্রকৃত দিশৰ পৰা জনসাধাৰণৰ মনোযোগ আঁতৰ কৰিবৰ বাবে উত্থাপন কৰা হয়। এক প্রকাৰৰ ৰাজনৈতিক নেতাই নিজৰ স্বার্থ সিদ্ধিৰ বাবে সাম্প্রদায়িকতাবাদৰ সহায় লয়। এই পক্ষৰ ব্যক্তি আৰু সংস্থাসমূহ সাম্প্রদায়িকতাবাদৰ নিচিনা বিভাজন নীতিৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা লাভ কৰিবলৈ বৰ ইচ্ছুক হয়। ৰাজনৈতিক সাম্প্রদায়িকতাবাদ বর্তমান ৰাষ্ট্রৰ ধর্মনিৰপেক্ষতাৰ ভাবুকিস্বৰূপে থিয় দিছে।

১৫.৪.৩ সাম্প্রদায়িকতাবাদৰপৰা প্রতিকাৰৰ উপায়

সাম্প্রদায়িকতাবাদ সমস্যাটো গুৰুতৰ যদিও ত লত দিয়া উপায়সমূহৰদ্বাৰা ইয়াৰ প্রতিকাৰ কৰিব পাৰি—

- ভাৰতৰ এজন উল্লেখযোগ্য বুৰঞ্জীবিদ বিপিন চন্দ্রই কৈছে যে ধর্মনিৰপেক্ষ, গণতান্ত্রিক আৰু অ-সাম্প্রদায়িক শক্তিসমূহৰ নীতিগত প্রচেষ্টাৰ জৰিয়তে সাম্প্রদায়িকতাবাদৰ কু-প্রভাৱৰ পৰা ৰাষ্ট্রৰ ৰাজনীতি আৰু সমাজক ৰক্ষা কৰিব পাৰি।
- অর্থনৈতিক আৰু ৰাজনৈতিকভাৱে পিছপৰা লোকসকলে সংখ্যাগৰিষ্ঠতাৰ পৰা পৃথক হোৱাৰ চেষ্টা কৰে। এই ধাৰণাটো ৰাজনৈতিক নেতাসকলে সাম্প্রদায়িকতাৰ বীজ ৰোপণৰ বাবে ব্যৱহাৰ কৰে। যেতিয়ালৈকে এইবোৰৰ বিপক্ষে এটা গুৰুত্বপূর্ণ ব্যৱস্থা লোৱা নহয় তেতিয়ালৈকে ৰাজনৈতিক নেতাসকলে এনে কাম-কাজ চলাই থাকিব।
- এচাম লোকে অনুভৱ কৰে যে ধর্ম বিলুপ্তিৰদ্বাৰা সাম্প্রদায়িকতাবাদ নিঃশেষ কৰিব পাৰি; কিন্তু এই পৰামর্শৰ কার্যকাৰিতা সীমিত।

➢ অৰ্থনৈতিক আৰু ৰাজনৈতিক অনুন্নতৰ বাদেও ভাৰতৰ বৃহৎ সংখ্যক লোকৰ নিৰক্ষৰতাই সাম্প্রদায়িকতাবাদৰ শক্তিসমূহক মুনাফা লাভত সহায় কৰিছে। সেয়ে ধৰ্ম নিৰপেক্ষতাৰ ভিত্তিত নাগৰিকসকলক শিক্ষিত কৰিবৰ বাবে উপযুক্ত ব্যৱস্থা লোৱাটো প্রয়োজন হৈছে, যাতে সাম্প্রদায়িকতাবাদৰ শক্তিসমূহে তেওঁলোকক বিপথে পৰিচালিত কৰিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ সাম্প্রদায়িকতাবাদ বুলিলে কি বুজা যায় ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন ৬ ঃ মৰ্লে মিণ্ট' (Morley-Minto) সংস্কাৰ ১৯১৯ চনত হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৭ ঃ সাম্প্রদায়িকতাবাদ আৰু ভাৰতীয় ৰাজনীতিৰ বিষয়ে এটা টোকা লিখক।

.....

.....

প্রশ্ন ৮ ঃ সাম্প্রদায়িকতাবাদ সমস্যা নিৰাময় কৰিব পৰা দুটা উপায় উল্লেখ কৰক। (প্রায় ৫০টা শব্দৰ ভিতৰত)

.....

.....



১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বৰ্ণ হ'ল এক সামাজিক ব্যৱস্থা যিয়ে সমাজৰ লোকসকলক ভিন্ন স্তৰত ভাগ কৰে আৰু সেই বিভাজনসমূহ সৌন্দর্য বিবাহ আৰু জীৱিকাৰভিত্তিত কৰা হয়। প্রাচীন ভাৰতৰ বৰ্ণ ব্যৱস্থা চাৰিটা মূল ভাগত ভাগ কৰা হৈছিল, যথা - ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র।
- বৰ্ণ ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ হ'ল - সমাজৰ অধিক্রমিক শ্রেণীবিভাজন, খাদ্য অভ্যাসৰ সীমাৱদ্ধতা, সামাজিক সম্বন্ধৰ সীমাৱদ্ধতা, বিবাহৰ সীমাৱদ্ধতা, জীৱিকা নির্বাচনৰ সীমাৱদ্ধতা।
- সাধাৰণ অর্থত সাম্প্রদায়িকতাবাদ বুলি ক'লে এটা নির্দিষ্ট ধর্মীয় গোষ্ঠীৰ লোকসকলক একত্রিত হোৱাকে বুজায়। সাম্প্রদায়িকতাবাদে ধর্মীয় পার্থক্যক প্রাধান্য দিছে আৰু এই পার্থক্যই এটা সম্প্রদায়ক আন এটা সম্প্রদায়ৰ পৰা পৃথক কৰিছে। ধর্মীয় পৰিচয়ৰে গঢ় লৈ উঠা সাম্প্রদায়িকতাবাদ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ উপাদান।

- সাম্প্রদায়িকতাবাদ আৰু ভাৰতীয় ৰাজনীতিৰ সম্পৰ্ক স্থাপন হৈছিল ১৯০৯ চনৰ 'মৰ্লে মিণ্ট' সংস্কাৰ' (Morley-Minto Reforms)ৰ দ্বাৰা আৰু পাছত ১৯১৯ চনৰ 'মণ্টৰ্ফদ সংস্কাৰে' (Montford Reforms) পৃথক নিৰ্বাচন অনুষ্ঠিত হোৱাত অৱিহণা যোগাইছিল। ১৯৪৭ চনত এই ব্যৱস্থাটো ৰদ কৰা হৈছিল যদিও সাম্প্রদায়িকতাবাদৰ বীজাণু স্বাধীন ভাৰতত এতিয়াও বৰ্তি আছে।
- সাম্প্রদায়িকতাবাদ সমস্যাটো গুৰুতৰ যদিও গণতান্ত্রিক শক্তিসমূহৰ নীতিগত প্রচেষ্টাৰ জৰিয়তে সাম্প্রদায়িকতাবাদৰ প্রভাৱৰ পৰা ৰাষ্ট্রৰ ৰাজনীতি আৰু সমাজক ৰক্ষা কৰিব পাৰি।



১৫.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ডঃ পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ডঃ কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi: Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K. (2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*. New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India*. New Delhi:S. Chand and Company.



১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ বর্ণ হ'ল এক সামাজিক ব্যৱস্থা যিয়ে সমাজৰ লোকসকলক ভিন্ন স্তৰত ভাগ কৰে আৰু সেই বিভাজনসমূহ সৌন্দর্য বিবাহ আৰু জীৱিকাৰভিত্তিত কৰা হয়। প্রাচীন

ভাৰতৰ বৰ্ণ ব্যৱস্থা চাৰিটা মূল ভাগত ভাগ কৰা হৈছিল, যথা - ব্রাহ্মণ, ক্ষত্রিয়, বৈশ্য আৰু শূদ্র।

৩ নং প্রশ্নৰ উত্তৰ ঃ

(১) সমাজৰ অধিক্রমিক শ্রেণীবিভাজন

(২) খাদ্য অভ্যাসৰ সীমাৱদ্ধতা

৪ নং প্রশ্নৰ উত্তৰ ঃ বহুতো ৰাজনৈতিক দলে জাতীয় অনুভূতিক আহিলা হিচাপে লৈ সমাজত বিভাজন আনে। জাতিগত নেতাসমূহে জাতীয় অনুভূতিৰদ্বাৰা ভোটাৰ সকলক অনুপ্রাণিত কৰি ক্ষমতা দখল কৰাৰ চেষ্টা কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ অর্থত সাম্প্রদায়িকতাবাদ বুলি ক'লে এটা নির্দিষ্ট ধর্মীয় গোষ্ঠীৰ লোকসকলক একত্রিত হোৱাকে বুজায়। সাম্প্রদায়িকতাবাদে ধর্মীয় পার্থক্যক প্রাধান্য দিছে আৰু এই পার্থক্যই এটা সম্প্রদায়ক আন এটা সম্প্রদায়ৰপৰা পৃথক কৰিছে। ধর্মীয় পৰিচয়ৰে গঢ় লৈ উঠা সাম্প্রদায়িকতাবাদ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ এক গুৰুত্বপূর্ণ উপাদান।

৬ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৭ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে সাম্প্রদায়িকতাবাদৰ বিষয়সমূহ নির্বাচনৰ সময়ত উন্নয়নৰ প্রকৃত দিশৰ পৰা জনসাধাৰণৰ মনোযোগ আঁতৰ কৰিবৰ বাবে উত্থাপন কৰা হয়। এক প্রকাৰৰ ৰাজনৈতিক নেতাই নিজৰ স্বার্থ সিদ্ধিৰ বাবে সাম্প্রদায়িকতাবাদৰ সহায় লয়। এই পক্ষৰ ব্যক্তি আৰু সংস্থাসমূহ সাম্প্রদায়িকতাবাদৰ নিচিনা বিভাজন নীতিৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা লাভ কৰিবলৈ বৰ ইচ্ছুক হয়। ৰাজনৈতিক সাম্প্রদায়িকতাবাদ বর্তমান ৰাষ্ট্রৰ ধর্মনিৰপেক্ষতাৰ ভাবুকিস্বৰূপে থিয় দিছে।

৮ নং প্রশ্নৰ উত্তৰ ঃ সাম্প্রদায়িকতাবাদ সমস্যাৰ নিৰাময় কৰিব পৰা দুটা উপায় হ'ল-

(১) ভাৰতৰ এজন উল্লেখযোগ্য বুৰঞ্জীবিদ বিপিন চন্দ্রই কৈছে যে ধর্মনিৰপেক্ষ, গণতান্ত্রিক আৰু অ-সাম্প্রদায়িক শক্তিসমূহৰ নীতিগত প্রচেষ্টাৰ জৰিয়তে সাম্প্রদায়িকতাবাদৰ কু-প্রভাৱৰপৰা ৰাষ্ট্রৰ ৰাজনীতি আৰু সমাজক ৰক্ষা কৰিব পাৰি।

(২) অর্থনৈতিক আৰু ৰাজনৈতিকভাৱে পিছপৰা লোকসকলে সংখ্যাগৰিষ্ঠতাৰ পৰা পৃথক হোৱাৰ চেষ্টা কৰে। এই ধাৰণাটো ৰাজনৈতিক নেতাসকলে সাম্প্রদায়িকতাৰ বীজ ৰোপণৰ বাবে ব্যৱহাৰ কৰে। যেতিয়ালৈকে এইবোৰৰ বিপক্ষে এটা গুৰুত্বপূর্ণ ব্যৱস্থা লোৱা নহয় তেতিয়ালৈকে ৰাজনৈতিক নেতাসকলে এনে কাম-কাজ চলাই থাকিব।



১৫.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন -

প্ৰশ্ন ১ ঃ কোনে ১৬শ খ্ৰীষ্টাব্দত পোন প্ৰথমবাৰৰ বাবে বৰ্ণ শব্দটো ভাৰতীয় সমাজ ব্যৱস্থাত প্ৰৱৰ্তন কৰিছিল ?

প্ৰশ্ন ২ ঃ ১৯১৯ চনৰ কোনটো সংস্কাৰে পৃথক নিৰ্বাচন অনুষ্ঠিত হোৱাত অৰিহণা যোগাইছিল ?

খ) চুটি প্ৰশ্ন- (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাম্প্ৰদায়িকতাবাদৰ সংজ্ঞা দিয়ক। সাম্প্ৰদায়িকতাবাদৰপৰা প্ৰতিকাৰৰ যিকোনো চাৰিটা উপায় উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ বৰ্ণৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ দাঙি ধৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত সাম্প্ৰদায়িকতাবাদৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় ৰাজনীতিত বৰ্ণৰ সুপ্ৰভাৱ আৰু কুপ্ৰভাৱৰ বিষয়ে আলোচনা কৰক।

****



প্রসঙ্গ পুথি

কিতাপ ঃ

১) Basu, D.D. (2009). *Introduction to the Constitution of India*. New Delhi : Prentice Hall of India.

২) Brass, Paul R. (1997). *The Politics of India Since Independence*. New Delhi: Cambridge University Press.

৩) Chander, Prakash(2000). *Indian Government and Politics*. Cosmos Bookhive Pvt. Ltd.

৪) Ghai, K.K.(2007). *Indian Government and Politics*. New Delhi: Kalyani Publishers.

৫) Kapur, Anup Chand & Misra, K.K. (2006). *Select Constitutions*. New Delhi: S. Chand and Company.

৬) Kothari, Rajni (2009). *Politics in India*. New Delhi: Orient BlackSwan Private Limited.

৭) Palanithurai, G. (2000).*Grass-root democracy in Indian Society*. New Delhi: Concept Publishing Company.

৮) Pylee, M.V. (2006). *Constitutional Government in India*. New Delhi: S.Chand and Company.

৯) Singh Sisodia, Yatindra (2005). *Functioning of Panchayati Raj System*. Jaipur: Rawat Publication.

. অসমীয়া কিতাপঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা, ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৰৱণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৰৱণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৰৱণ					
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসম্মতো নহয়	অসম্মত	দৃঢ়ভাৱে অসম্মত
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে ?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে ?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।